


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

ত্ৰয়োদশ বছৰ ■ সংখ্যা ৫১ ■ গুৱাহাটী ■ সোমবাৰ, ২৬ ছেপ্টেম্বৰ, ২০২২, ৯ আহিন, ১৯৪৪ শক  RNP/GH/248/2114-2017  গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 51 Dainandin Barta ■ Guwahati, Monday ■ 26 Setpember, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only











## যা দেৱী স্বৰ্বভূতেষু শক্তিৰূপেণ সংস্থিতা নমঃস্তচৈ নমঃস্তচৈ নমঃস্তচৈ নমোঃ নমঃ

# আজি প্ৰতিপদ

## মন্দিৰে-দেৱালয়ে দুৰ্গা পূজাৰ প্ৰস্তুতি

### ঐতিহাসিক দীৰ্ঘেশ্বৰী দেৱালয়ত দুৰ্গা পূজাৰ প্ৰস্তুতি ঃ পৰম শিৱম মন্দিৰলৈ সোঁত বৈছে বেনাৰসৰ এহাজাৰ পুৰোহিত ঃ নৱৰাত্ৰি পালনেৰে ন-দিনীয়া পূজা ঃ কাঠৰ দুৰ্গা প্ৰতিমাখ্যাত পুৰণিগুদামত ১৩৮সংখ্যক দুৰ্গা পূজা



**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ২৫ ছেপ্টেম্বৰ ঃ** তীৰ্থপীঠ উত্তৰ গুৱাহাটীৰ সীতাচল পাহাৰত অৱস্থিত শ্ৰীশ্ৰীদীৰ্ঘেশ্বৰী দেৱালয়ত দুৰ্গা পূজা উদ্‌যাপনৰ বাবে চলিছে প্ৰস্তুতি। জাগ্ৰত পীঠ দীৰ্ঘেশ্বৰী দেৱালয়ৰ পাঁচদিনীয়া দুৰ্গা পূজা পৰিচালনাৰ বাবে কাৰ্যকৰী সভাপতি অনিল দাস আৰু সম্পাদক কল্যাণ ভট্টাচাৰ্যক লৈ মন্দিৰ পৰিচালনা সমিতিয়ে আগবাঢ়িছে। দক্ষিণাকালী নামে খ্যাত দীৰ্ঘেশ্বৰী দেৱালয়ত এইবেলিও বলি-বিধান হ'ব বুলি মন্দিৰ পৰিচালনা সমিতিৰ তৰফৰ পৰা জানিব পৰা গৈছে। মহানৱমীত দুটা ম'হ বলিৰ লগতে আনুষংগিক নিয়ম অনুযায়ী হাঁহ, পাৰ, ছাগলী বলিৰ বিধান আছে। পুৰাণপ্ৰসিদ্ধ তথা অতি প্ৰাচীন পূজা হিচাপে পৰিগণিত দীৰ্ঘেশ্বৰীলৈ হাজাৰ হাজাৰ ভক্তৰ সমাগম হ'ব বুলি আশা কৰা হৈছে। শাৰদীয় দুৰ্গা পূজাৰ মহা আয়োজন উত্তৰ গুৱাহাটীৰ পৰম শিৱম মন্দিৰতো দেখা ■ ৮ পৃষ্ঠাত

## জাঁজী নদীত দুৰ্বৃত্তই উটুৱালে বহিঃৰাজ্যৰ মৃত গাহৰি

### চেলেংহাটৰ পৰা নাগালেণ্ডলৈ বহিঃৰাজ্যৰ গাহৰিৰ মুকলি ছিণ্ডিকেট ঃ ব্যৱস্থা গ্ৰহণৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ২৫ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ আৰু যোৰহাট জিলাত বহিঃৰাজ্যৰ গাহৰিৰ মুকলি ছিণ্ডিকেট চলি থকাৰ অভিযোগ উত্থাপিত হোৱাৰ সময়তে এইবাৰ শিৱসাগৰ আৰু যোৰহাট জিলাৰ সীমান্তত জাঁজী নদীত কোনো দুৰ্বৃত্তই মৃত গাহৰি উটুওৱাক কেন্দ্ৰ কৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে, আমগুৰিৰ কাষৰীয়া চেলেংহাট আৰক্ষী চকীৰ অন্তৰ্গত হাতীমূৰীয়া হাবিচুক গাঁৱৰ ২৬৫নং পেঙেৰা গাঁও ■ ৮ পৃষ্ঠাত




## চিন্তন শিবিৰ শ্ৰীশ্ৰীৰবি শংকৰ ঃ আন্তঃগাঁথনি খণ্ডৰ অন্তৰ্গত কেইবাটাও বিভাগৰ ২০২৬ চনৰ পূৰ্বে লক্ষ্যপ্ৰাপ্তিৰ হেতু যুগুত কৰা পৰিকল্পনা আৰু প্ৰত্যাহ্বান সন্দৰ্ভত আলোচনা

## প্ৰাক্তন বিধায়ক অশোক শৰ্মাৰ ঘৰত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱাল

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২৫ ছেপ্টেম্বৰ ঃ** নলবাৰীত কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল। নলবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মাৰ ঘৰত উপস্থিত হ'ল প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল। সোণোৱালৰ ■ ৮ পৃষ্ঠাত

# এতিয়া 'মাল্টি ক্ৰপিং'ৰ দিন

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ২৫ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ কাজিৰঙাৰ বৰগছ ৰিজৰ্টত তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত চিন্তন শিবিৰৰ আজি দ্বিতীয় দিনা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেইবাগৰাকীও কেবিনেট মন্ত্ৰী আৰু আমোলাৰ উপস্থিতিত আধ্যাত্মিক গুৰু শ্ৰীশ্ৰীৰবি শংকৰে ■ ৮ পৃষ্ঠাত




### হিংসামুক্ত সমাজ, ৰোগমুক্ত দেহ, বিভ্ৰান্তিমুক্ত মন, বাধাহীন জ্ঞান, আঘাতমুক্ত স্মৃতি আৰু দুখমুক্ত আত্মা প্ৰতিজন ব্যক্তিৰ জন্মস্বত্ব অধিকাৰ ঃ শ্ৰীশ্ৰীৰবি শংকৰ




*গুৱাহাটীত বধিৰসকলৰ ৬৫ সংখ্যক আন্তৰ্জাতিক সাংকেতিক ভাষা সপ্তাহ দিৱস উপলক্ষে অসম এছ'চিয়েচন অৱ ডেফৰ সদস্যৰ ৰেলী, দেওবাৰে*

## উৰাবাতৰি নে সঁচা, মানুহৰ মাজত প্ৰশ্ন

## চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং বেইজিঙত গৃহবন্দী !



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৫ ছেপ্টেম্বৰ ঃ** চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং বেইজিঙত গৃহবন্দী হৈ থকা বুলি একাংশ সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিক লৈ মানুহৰ মনত প্ৰশ্নৰ উদ্ৰেক ঘটিছে। বিজেপি নেতা সুব্ৰমনিয়াম স্বামীয়েও বিষয়টোক লৈ টুইট কৰিছে। চীনৰ লি কিয়াওমিং নামৰ সেনাপ্ৰধানজনৰ নেতৃত্বতে জিনপিঙক গৃহবন্দী কৰা বুলি ছ'চিয়েল মিডিয়াত চৰ্চা হৈছে। কিন্তু কোন এই সেনা জেনেৰেলে? ছ'চিয়েল মিডিয়াত বিয়পি পৰা উৰাবাতৰিসমূহ চীনৰ পৰাই উদ্ভৱ হোৱা বুলি ধাৰণা ■ ৮ পৃষ্ঠাত

## শিৱসাগৰত কোনে কাক আখ্যা দিলে 'ব্ৰিটিছৰ মিত্ৰ'

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৫ ছেপ্টেম্বৰ ঃ** কালিৰে পৰা শিৱসাগৰত অনুষ্ঠিত হোৱা ভাৰতীয় কমিউনিষ্ট পাৰ্টীৰ ৰাজ্যিক সন্মিলনৰ আজি দ্বিতীয় দিনা প্ৰতিনিধি সভা স্থানীয় যুৱদলত অনুষ্ঠিত হয়। আগন্তুক দিনত পাৰ্টীৰ ৰাজনৈতিক কুচকাৱাজ তথা সাংগঠনিক স্থিতিৰ সন্দৰ্ভত এই সভাত আলোচনা হোৱাৰ লগতে আগন্তুক দিনত বিজয়ৱাড়াত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় সন্মিলনৰ প্ৰতিনিধি নিৰ্বাচন কৰা হয়। আজিৰ প্ৰতিনিধি সভাৰ পিছতে সন্মিলনত উপস্থিত থকা দলৰ ৰাষ্ট্ৰীয় সম্পাদক তথা সৰ্বভাৰতীয় ট্ৰেড কংগ্ৰেছৰ সভানেত্ৰী অমৰজিৎ কৌৰে এক সংবাদ মেল সম্বোধন কৰে। কেন্দ্ৰ আৰু ৰাজ্যৰ বিজেপি চৰকাৰক তীব্ৰ সমালোচনা কৰি নেত্ৰীগৰাকীয়ে বিজেপি দলৰ শাসনক এক অপশাসন বুলি আখ্যা দিয়ে। ব্ৰিটিছৰ সমৰ্থক আৰ এছ এছৰ ৰাজনৈতিক মুখ ভাৰতীয় জনতা পাৰ্টীৰ নেতা কেতিয়াও দেশ প্ৰেমিক হ'ব ■ ৮ পৃষ্ঠাত

## কংগ্ৰেছ নেতা পৱন সিং ঘাটোৱাৰৰ পুত্ৰৰ বিজেপি গমনক লৈ তাৎপৰ্যপূৰ্ণ মন্তব্য ৰাণা গোস্বামীৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰ ঃ** বহুকেইজন কংগ্ৰেছ নেতাই বিজেপিত যোগদান কৰিব বুলি খবৰ ৰাজহুৱা হোৱাৰ পিছতে ৰাজ্যৰ ৰাজনীতিত সৃষ্টি হৈছে ধুমুহা। বিশেষকৈ ডিব্ৰুগড়ৰ প্ৰাক্তন সাংসদ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী পৱন সিং ঘাটোৱাৰ আৰু মৰাণ সমষ্টিৰ প্ৰাক্তন বিধায়িকা ■ ৮ পৃষ্ঠাত

## মৈৰাবাৰীৰ সৰুচলাত গ্ৰেপ্তাৰ দুই চাইবাৰ অপৰাধী

**দৈনন্দিন বাৰ্তা সেৱা, মৰিগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** মৰিগাঁও আৰক্ষীৰ চোৰাংচোৱাই মৈৰাবাৰী আৰক্ষীৰ সহযোগত মৰিগাঁৱৰ সৰুচলাৰ পৰা অভিযান চলাই গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় দুজন চাইবাৰ অপৰাধীক। চাইবাৰ অপৰাধী দুজন হ'ল সৰুচলা গাঁৱৰ নাজিৰ উদ্দীন (৩০)আৰু লেংৰিবৰী গাঁৱৰ মনিৰুল ইছলাম ■ ৮ পৃষ্ঠাত

## ৰাজস্থানত মুখ্যমন্ত্ৰী হ'ব নে শচীন পাইলট

### অশোক গেহলটে দিলে ইতিবাচক ইংগিত



### ৰাজস্থানৰ ৰাজনৈতিক সংকট

### শচীনক মুখ্যমন্ত্ৰী কৰিলে পদত্যাগৰ হুংকাৰ অশোক গেহলটৰ ৬০ বিধায়কৰ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৫ ছেপ্টেম্বৰ ঃ** ৰাজস্থানৰ মুখ্যমন্ত্ৰীক লৈ চৰ্চা চলি থকাৰ মাজতে দেওবাৰে মুখ্যমন্ত্ৰী অশোক গেহলটে এক বিশেষ মন্তব্য কৰি কয় যে নতুন প্ৰজন্মই ৰাজ্যখনৰ নেতৃত্ব দিয়াৰ সুযোগ পাব লাগে। তানোট মাতা মন্দিৰত প্ৰাৰ্থনা কৰিবলৈ জয়ছলমেৰত উপস্থিত হোৱা গেহলটে সংবাদ মাধ্যমৰ আগত এই মন্তব্য কৰে। ইফালে, দেওবাৰে গেহলট জয়ছলমেৰত থকাৰ সময়তে তেওঁৰ শিবিৰৰ কেইজনমান বিধায়কে ৰাজ্যিক মন্ত্ৰী শান্তি ধাৰিৱালে আহ্বান কৰা এখন সভাত অংশগ্ৰহণ কৰিছে ■ ৮ পৃষ্ঠাত

## নগাঁও চহৰৰ মাজমজিয়াতে মহিলাক নৃশংসভাৱে হত্যা



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ মাজমজিয়াৰ হৰিজন কলনীত সংঘটিত এক নৃশংস হত্যাকাণ্ডই চহৰখনত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি সন্ধিয়া প্ৰায় ৭.৩০ বজাত ঘৰত কোনো পুৰুষ মানুহ নথকাৰ সুযোগতে হৰিজন কলনীৰ ৰাজদীপ দত্ত নামৰ ঔষধ ব্যৱসায়ীজনৰ পত্নী ৰুবী দত্তক (৩৮) ■ ৮ পৃষ্ঠাত

### নগাঁও কলেজ (অট'নমাচ)ৰ ছাত্ৰীৰে নগাঁও আৰক্ষী অধীক্ষক লীনা দলেৰ অন্তৰংগ আলাপ

## লিংগ সমতাৰ আদিপাঠ ঘৰখনৰ পৰাই আৰম্ভ কৰিব লাগে, তেতিয়াহে লিংগ বৈষম্য নোহোৱা হ'ব

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** নগাঁও কলেজ (অট'নমাচ)ত আজি শ্বহীদ প্ৰভাত পাটৰ ছাত্ৰী নিৱাসত নৱাগত আদৰণী সভা অনুষ্ঠিত হৈ যায়। নৱাগত আদৰণী সভাত মুখ্য অতিথি হিচাপে নগাঁও জিলাৰ আৰক্ষী অধীক্ষক তথা দক্ষ প্ৰশাসনিক বিষয়া, সুবক্তা লীনা দলে উপস্থিত থাকি এক প্ৰেৰণাদায়ক আৰু মনোজ্ঞ বক্তৃতা প্ৰদান কৰে। ইয়াৰ উপৰি ছাত্ৰীসকলৰ লগত ■ ৮ পৃষ্ঠাত

## চুতীয়া জনগোষ্ঠী জনজাতিকৰণ-স্বায়ত্ত শাসন প্ৰদানৰ দাবীত জোঁৰ সমদল



### ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ বিজেপি চৰকাৰে কৰা ৰাজনীতি সহ্য কৰা নহ'ব ঃ মহেন বৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট, ২৫ ছেপ্টেম্বৰ ঃ** চুতীয়া জনগোষ্ঠীক জনজাতিকৰণ আৰু স্বায়ত্ত শাসন প্ৰদানৰ দাবীত গোলাঘাটত জোঁৰ সমদল কাৰ্যসূচী ৰূপায়ণ কৰে সদৌ গোলাঘাট ■ ৮ পৃষ্ঠাত



কালাকুছি বৰ নামঘৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱৰ উদ্‌যাপনৰ প্ৰস্তুতি

# লাইখুঁটা স্থাপন, স্থায়ী কাৰ্যালয়ৰ আধাৰশিলা স্থাপন



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উদ্‌যাপন সমিতি কালাকুছিৰ সৌজন্যত ৫ অক্টোবৰৰ পৰা ৮ অক্টোবৰলৈ চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলিছে। আজি এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত গুৰুজনাৰ জন্মোৎসৱ উদ্‌যাপনৰ লাইখুঁটা স্থাপন, কাৰ্যালয় গৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন আৰু নিমন্ত্ৰণী-পত্ৰ বিতৰণৰ শুভাৰম্ভ কৰা হয়। সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰ মাজেৰে স্থায়ী কাৰ্যালয় নিৰ্মাণৰ আধাৰশিলা আৰু নিমন্ত্ৰণী-পত্ৰ বিতৰণৰ শুভাৰম্ভ কৰে বিটিচিৰ চৰকাৰী মনোনীত এমচিএলএ হেমন্ত কুমাৰ ৰাভাই। লাইখুঁটা স্থাপন কৰে বিটিআৰৰ কাৰ্যবাহী সদস্য ৰণেন্দ্ৰ নাৰ্জাৰীয়ে। কাৰ্যসূচীত অংশগ্ৰহণ কৰি এমচিএলএ হেমন্ত কুমাৰ ৰাভাই কয় নামঘৰ, মন্দিৰ, মছজিদ, গিৰ্জা আদিকে ধৰি সকলো উপাসনাস্থলীয়েই অঞ্চলটোৰ ৰাইজৰ মাজত একতাৰ বান্ধোন অধিক শক্তিশালী কৰি ৰাখে। নৱ-প্ৰজন্মৰ মাজত আধ্যাত্মিক ভাৱৰ সৃষ্টি হয়। কালাকুছি বৰ নামঘৰৰ উন্নৱণৰ বাবে পাৰ্যমানে সহায় কৰি যাব বুলিও তেওঁ মন্তব্য কৰে। ইপিনে জন্মোৎসৱ উদ্‌যাপনৰ লাইখুঁটা স্থাপন কৰি আগবঢ়োৱা ভাষণত বিটিচিৰ কাৰ্যবাহী সদস্য ৰণেন্দ্ৰ নাৰ্জাৰীয়ে গুৰুজনাৰ শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে গুৰুজনাৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ সকলোকে আহ্বান জনায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উদ্‌যাপন সমিতিৰ সম্পাদক পাৱন নন্দন দাসে আঁত ধৰা অনুষ্ঠানত সভাপতি হৰি নাৰায়ণ দাস, সূৰ্য থিয়েটাৰ পৰিচালনা সমিতিৰ সম্পাদক ভূমিধৰ দাস, সহকাৰী সম্পাদক মিথুন দাস, উদ্‌যাপন সমিতিৰ প্ৰাক্তন সভাপতি-সম্পাদক ক্ৰমে মুনীন্দ্ৰ দাস, প্ৰদীপ দাস, জিতেন দাস, নৰেশ্বৰ দাস, নিৰ্মীয়মাণ কাৰ্যালয় গৃহ নিৰ্মাণ সমিতিৰ সম্পাদক নবেন মেধি, কালাকুছি বৰ নামঘৰ পৰিচালনা সমিতিৰ সম্পাদক বীৰেন দাস, উৎসৱ পৰিচালনা সমিতিৰ স্থায়ী সমিতিৰ সভাপতি ৰমেশ মেধি, ভিডিচিভিৰ অধ্যক্ষ গোপেশ্বৰ কলিতা, মনিকাঞ্চন নাট্য সমিতিৰ সম্পাদক মুকুন্দ হাজৰিকা আদিকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# লুইতপৰীয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ স্বেচ্ছাসেৱকৰ প্ৰশিক্ষণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাৰবেৰা, ২৫ ছেপ্টেম্বৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ বৰপেটা জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান লুইতপৰীয়া মহাবিদ্যালয়ত আজি ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ১০০গৰাকী নতুন স্বেচ্ছাসেৱকসকলৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈ যায়। অনুষ্ঠানটোত ম্নাতক ১ম বৰ্ষৰ নতুনকৈ ভৰ্তি হোৱা স্বেচ্ছাসেৱকসকলক দিয়া হয়। তদুপৰি দুৰ্যোগ ব্যৱস্থাপনাৰ ওপৰতো বিভিন্ন দুৰ্যোগৰ সময়ত কেনেকৈ নিজক বা আনজনক ৰক্ষা কৰিব পাৰি তাৰ ওপৰত প্ৰশিক্ষণ দিয়ে সমল ব্যক্তি হিচাপে মিজানুৰ ৰহমান মুখ্য প্ৰকল্প সমন্বয়ক আমাৰ প্ৰয়াস গোষ্ঠী (এন জি অ')। প্ৰশিক্ষণ কাৰ্যসূচীত ভাগ লয় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জহিৰ উদ্দিন আহমেদ, সহকাৰী অধ্যাপক আব্দুৰ ৰৌফ ছিদ্দিকী, আবু আয়ুব আহমেদ, উচ্চ বৰ্গ সহায়ক শুকুৰ মাহমুদ। প্ৰশিক্ষাৰ্থীসকলক ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰশিক্ষণ দিয়ে মহাবিদ্যালয়ৰ প্ৰগ্ৰাম অফিচাৰ ড° ছামচুল আলম ছৰকাৰী। প্ৰশিক্ষণ উপলক্ষে নতুন স্বেচ্ছাসেৱকৰ মাজত এন এছ এছৰ পোছাক বিতৰণ কৰা হয়।

## বাঁহগাজ সম্পৰ্কীয় প্ৰশিক্ষণ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ ছেপ্টেম্বৰ ঃ** যোৰহাটৰ চটাইস্থিত বৰ্ষাৰণ্য গৱেষণা প্ৰশিক্ষণ প্ৰতিষ্ঠানে আয়োজন কৰা ২২ ছেপ্টেম্বৰ ২০২২ তাৰিখৰ পৰা বাঁহগাজ প্ৰস্তুতকৰণ আৰু মূল্য সংযোজন সম্পৰ্কীয় প্ৰশিক্ষণ আজি আগৰতলাত সফল সামৰণি পৰে। প্ৰতিষ্ঠানটোৱে পৰিচালনা কৰি থকা এই বাঁহগাজ সম্পৰ্কীয় প্ৰশিক্ষণ এইটো হ'ল দশমটো প্ৰশিক্ষণ কাৰ্যসূচী। ৰাষ্ট্ৰীয় বাঁহ অভিযানৰ অৰ্থ সাহায্যই অনুষ্ঠিত কৰা প্ৰশিক্ষণত ত্ৰিপুৰা, আইজলৰ ১৯জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। প্ৰথম দিনা প্ৰশিক্ষণৰ শুভাৰম্ভ কৰে ত্ৰিপুৰাৰ ৰাষ্ট্ৰীয় গ্ৰামীণ আৰু কৃষি বিকাশ বেংকৰ (নাবাৰ্ড) জিলা বিকাশ প্ৰবন্ধক তথা অসম সন্তান লোকেন দাসে। শুভাৰম্ভ কৰি নাবাৰ্ডৰ বিষয়াগৰাকীয়ে প্ৰশিক্ষাৰ্থীসকলক প্ৰথমে যথেষ্ট কষ্ট কৰিব পাৰিলেহে সফলতা লাভ কৰিব পাৰি আৰু প্ৰথমেই চৰকাৰী অনুদানৰ কথা মনলৈ আনিব নালাগে বুলি প্ৰশিক্ষাৰ্থীসকলক পৰামৰ্শ আগবঢ়ায়। বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ যোৰহাটৰ বিজ্ঞানী ড° ৰাজীৱ কুমাৰ কলিতাই পৰিচালনা কৰা অনুষ্ঠানত সমল ব্যক্তি হিচাপে প্ৰশিক্ষণ আগবঢ়াই গুৱাহাটীৰ উদ্যমী যুৱক প্ৰাঞ্জল কুমাৰ গোস্বামীয়ে। প্ৰশিক্ষণত বাঁহ গাজৰ ন-বিধ মূল্য সংযোজিত খাদ্য প্ৰস্তুতৰ প্ৰশিক্ষণ দিয়া হয়। প্ৰশিক্ষক গোস্বামীয়ে কেনেকৈ উদ্যোগ গঢ় দিব পাৰি আৰু এফ এছ এছ এ আইত কেনেকৈ নাম ভৰ্তি কৰিব পাৰি সেই বিষয়েও উল্লেখ কৰে। প্ৰশিক্ষক ড° ৰাজীৱ কুমাৰ কলিতাই বাঁহৰ পৰা উৎপাদন কৰিব পৰা বিভিন্ন সামগ্ৰীৰ বিশদ প্ৰশিক্ষণ আগবঢ়ায়। প্ৰশিক্ষণৰ অন্তত ত্ৰিপুৰাৰ বন বিভাগৰ বন সংৰক্ষণ বিষয়া ড° ওৱাদুদ ভূঞা উপস্থিত থাকি প্ৰশিক্ষাৰ্থীসকলক মানপত্ৰ প্ৰদান কৰে।

লোকাৰণ্য বাক্সাৰ থমনা

# মৰাদিয়া নৈত সমূহীয়া মৎস্য চিকাৰ সহস্ৰাধিকৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** বিগত পাঁচ-ছয় দশক ধৰি পৰম্পৰাগতভাৱে চলি অহা ৰীতি সাৱোগত কৰি আজি বাক্সা জিলাৰ মুছলপুৰ মহকুমাৰ অন্তৰ্গত থমনাৰ মৰাদিয়া নৈত সহস্ৰাধিক গওঁৱাই সমূহীয়া মাছ ধৰা উৎসৱত ভাগ লয়। হাতে হাতে জাকৈ-খালৈ, জুলুকী, জাল, প'ল লৈ নৈত অঞ্চলটোৰ প্ৰায় চৈধ্য-পোন্ধৰখন গাঁৱৰ ৰাইজে আজিৰ এই সমূহীয়া মাছ ধৰা উৎসৱত অংশ লৈ মাছ ধৰে। আজি পুৱাৰ ভাগতেই থমনাৰ সমীপৰ চৰাইমাৰী, জালাহ, অগুলী, ৰায়পুৰ, উজীৰবাৰী, মানিকপুৰ, নাওশালী, আঠিয়াবাৰী, সাদেৰী, ডুমুনী, ৰাম্পুৰ আদি দাতিকাষৰীয়া গাঁওসমূহৰ পৰা মাছ ধৰাৰ বাবে থমনাৰ মৰাদিয়া নৈৰ পাৰত ৰাইজ আহি উপস্থিত হয়। জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে সমবেত হোৱা ৰাইজে মৰাদিয়া নৈৰ পাৰক এক সমন্বয়ৰ থলীলৈ ৰূপান্তৰ কৰে। মৰাদিয়া নৈৰ দুয়োপাৰৰ সমূহীয়া মাছ ধৰা পৰ্ব উপলক্ষে এক উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। কোনোবাই যদি শ'ল-বৰালি ধৰিলে, কোনোবাই আকৌ পুঠি-খলিহনাতে সন্তুষ্ট থাকিবলগীয়া হ'ল। স্বতঃস্ফূৰ্ত আৰু ৰং-ধেমালিৰ মাজেৰে ঐক্য সংহতিৰ উৎকৃষ্ট চানেকি দাঙি ধৰি অঞ্চলটোৰ পুৰুষ-মহিলা, ডেকা-গাভৰুৰ লগতে কণ কণ ল'ৰা-ছোৱালীয়েও মাছ ধৰাৰ বাবে নৈৰ পানীত নামে। অৱশ্যে পূৰ্বৰ তুলনাত এই বছৰ মাছৰ সংখ্যা ভালেসংখ্যক হ্ৰাস পোৱাৰ কাৰণে অধিকাংশই মাছ পোৱাত সক্ষম নহয়। আনহাতে, মাছ ধৰাৰ সমান্তৰালভাৱে নৈৰ পাৰতে বিভিন্ন জুবি, নৃত্য কৰি আনন্দত আত্মহাৰা হৈ পৰে একাংশ লোক। ইফালে সমগ্ৰ থমনা অঞ্চলৰ ৰাইজৰ লগতে জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা কেইবা সহস্ৰাধিক ৰাইজে মাছ ধৰা উৎসৱত অংশ লৈ আনন্দ উপভোগ কৰে।

# লখিমপুৰত পণ্ডিত দীনদয়াল উপাধ্যায় দেৱৰ জন্মদিন উদ্‌যাপন



দৈনন্দিন বাৰ্তাৰ সেৱা,লালুক,২৫ ছেপ্টেম্বৰঃআজি উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত আৰু সান্দহ খোৱা মহিলা সমিতিৰ সহযোগত লখিমপুৰ জিলাৰ জয় জোৱান যুৱ সমাজৰ প্ৰেক্ষাগৃহত পণ্ডিত দীনদয়াল উপাধ্যায় দেৱৰ জন্ম দিনটি উদযাপন কৰা হয়।পণ্ডিত দীনদয়াল উপাধ্যায় দেৱৰ জন্ম দিন উপলক্ষে অনুষ্ঠিত হোৱা উক্ত কাৰ্যসূচীৰ অংশ স্বৰূপে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এখন ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।ৰচনা প্ৰতিযোগিতা খনিত অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।আজি অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাত ডলী ভূঞাই প্ৰথম পুৰস্কাৰ,শৰৎ ভূঞাই দ্বিতীয় পুৰস্কাৰ আৰু সুমন ভৰালীয়ে তৃতীয় পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়।আজি উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত আৰু সান্দহ খোৱা মহিলা সমিতিৰ সহযোগত অনুষ্ঠিত উক্ত কাৰ্যসূচীৰ ৰচনা প্ৰতিযোগিতাত ভাস্কৰ বৰা আৰু মনিষা হাজৰিকাই নিৰীক্ষক হিচাপে উপস্থিত থকাৰ লগতে সান্দহ খোৱা মহিলা সমিতিৰ বিষয়ববীয়া,জয় জোৱান যুৱ সমাজৰ বিষয়ববীয়া আৰু সদস্য সকল উপস্থিত থাকে বুলি উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ ৰাষ্ট্ৰীয় স্বেচ্ছাসেৱীকা নিতুমনি বৰাই বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিৰ জৰিয়তে জানিবলৈ দিয়ে।

নলবাৰীত ৰাইজৰ দলৰ বিধায়ক অখিল গগৈ

# অসমৰ যিকোনো এটা কেলেংকাৰিৰ প্ৰধান মানুহজন অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা



**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২৫ ছেপ্টেম্বৰ ঃ** নলবাৰী চহৰৰ হৰিমন্দিৰ বিবাহ ভৱনত আজি ৰাইজৰ দলৰ নলবাৰী জিলা সমিতিৰ জিলা কৰ্মী সভা আৰু যোগদান কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে কৃষক নেতা তথা বিধায়ক বিধায়ক অখিল গগৈ। আনহাতে, এই অনুষ্ঠানত অংশগ্ৰহণ কৰি কৃষক নেতা অখিল গগৈয়ে বিজেপি চৰকাৰ তথা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে কঠোৰ সমালোচনা কৰা পৰিলক্ষিত হয়। বিধায়ক অখিল গগৈয়ে সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে যে, ২০২৪ চনৰ লোকসভা নিৰ্বাচনত বিজেপি দলক যদি পৰাস্ত কৰিব নোৱাৰে তেতিয়া আমাৰ দেশখনৰ বাবে সাংঘাতিক ধ্বংসৰ বিপদ নামি আহিব। ৰাইজৰ দলে প্ৰথমৰ পৰা কৈ আহিছে সকলো ৰাজনৈতিক বিৰোধী পাৰ্টী এক লগ হৈ ঐক্যবদ্ধভাৱে বিজেপিৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ দৰকাৰ। যদি ২০২৪ চনত বিজেপিক পৰাস্ত কৰিব নোৱাৰে তেন্তে ২০২৪ চনৰ পিছত ভাৰতবৰ্ষৰ সংবিধান সলনি হোৱাটো খাটাং বুলি দোহাৰে অখিল গগৈয়ে। আনহাতে, অসমৰ যিকোনো এটা কেলেংকাৰিৰ প্ৰধান মানুহজনৰ নামটো হ'ল অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বুলি কোৱাৰ লগতে বিজেপিৰ যিমানে ডাঙৰ কেলেংকাৰি আছে তাৰ মালিক হ'ল হিমন্ত বিশ্ব শৰ্মা বুলি কঠোৰ সমালোচনা কৰে কৃষক নেতা তথা বিধায়ক অখিল গগৈয়ে।

## হাজো বিজেপিৰ মুখ্য কাৰ্যালয়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কি বাত' কাৰ্যসূচীত সমূহীয়াভাৱে অংশগ্ৰহণ দলীয় নেতৃত্ববৃন্দৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৫ ছেপ্টেম্বৰ ঃ** হাজোৰ বিজেপিৰ মুখ্য কাৰ্যালয়ত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কি বাত' অনুষ্ঠানত ভাগ ল'লে একাংশ বিজেপি কৰ্মী তথা দলীয় বিষয়ববীয়াই। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মাধ্যমেৰে দেশৰ বিভিন্ন দিশৰ উন্নয়নৰ ওপৰত নিজৰ অনুভৱ ব্যক্ত কৰি অহাৰ সমান্তৰালকৈ আজিও মাহৰ শেষৰটো দেওবাৰে দেশবাসীক সম্বোধন কৰে মন কী বাত অনুষ্ঠান। দলীয় কাৰ্যকৰ্তা, সমৰ্থক আৰু দেশৰ জনতাক উদ্দেশ্যি আগবঢ়োৱা শীৰ্ষক অনুষ্ঠানটিত আজি হাজো বিজেপি মুখ্য কাৰ্যালয়ত হাজো সমষ্টিৰ অন্তৰ্গত ১৫৮নং বুথৰ অধীনত সমূহ বিজেপি কৰ্মীয়ে সমূহীয়াভাৱে উপভোগ কৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে অসম প্ৰদেশ মহিলা মৰ্চাৰ ৰাজ্যিক সম্পাদিকা আশা বৰদলৈ, কামৰূপ জিলা পৰিষদৰ অধ্যক্ষ বীতা তালুকদাৰ, হাজো মণ্ডল বিজেপিৰ সভাপতি ভূপেন কলিতা, উত্তৰ হাজো মণ্ডল বিজেপিৰ সভাপতি তিলক শৰ্মা, বিজেপি নেতা নগেন দাস, সৰ্বানন্দ শৰ্মা, আয়োগৰ সদস্য সচিব ৰাতুল শৰ্মা, পঞ্চতীৰ্থ জিলা পৰিষদৰ সদস্যা বিপুল দাস, ২৩নং হাজো গাঁও পঞ্চায়তৰ সভানেত্ৰী তিলমা মেধিকে প্ৰমূখ্য কৰি প্ৰায় শতাধিক মহিলা কৰ্মী আৰু স্থানীয় ৰাইজ। লগতে আজি পণ্ডিত দীনদয়াল উপাধ্যায়ৰ ওপজা দিনটোত তেওঁক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে।

# বিটিআৰৰ মথনগুৰি সমষ্টিত বিপিএফৰ প্ৰাইমেৰী কমিটী গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২৫ ছেপ্টেম্বৰ ঃ** নামনি অসমৰ বৰপেটাৰোডৰ সমীপৰ বড়োলেণ্ড টেৰিটৰিয়েল ৰীজন চমুকৈ (বিটিআৰ)ৰ ২০নং মথনগুৰি পৰিষদীয় মুকলি সমষ্টিৰ অধীনস্থ বিপিএফ দলৰ উত্তৰ হাউলী ভিডিচিভি (পঞ্চায়ত) এক নতুন কমিটী আজি বৰটোলাত গঠন হয়। মথনগুৰি সমষ্টিৰ বিপিএফৰ ইনচাৰ্জ শ্যামল বিশ্বাস, মথনগুৰি ব্লক বিপিএফৰ প্ৰাক্তন সভাপতি খনিন্দ্ৰ ব্ৰহ্ম(গৱলা) বিপিএফ কৰ্মী তথা বিশিষ্ট সমাজকৰ্মী, ব্যৱসায়ী হৰেন স্বৰ্গীয়াৰী আদিকে কৰি মথনগুৰি সমষ্টিৰ বিপিএফৰ কৰ্মীৰ উপস্থিতিত বিপিএফৰ উত্তৰ হাউলী শক্তিশালি প্ৰাইমেৰী কমিটী ক্ৰমে যুৱ-মহিলা-অভিভাৱক উক্ত তিনিওখন কমিটী গঠিত হয়। বিপিএফৰ যুৱ কমিটীৰ সভাপতি দুলাল ঘোষ, সম্পাদক নৰেন্দ্ৰ বৰ্মন, মহিলা কোষৰ সভানেত্ৰী মায়াৰাণী ঘোষ, সম্পাদিকা জামিনী বড়ো, অভিভাৱক কমিটীৰ সভাপতি ছান চৰাং ৰাণী, সম্পাদক দ্বিজেন বৰ্মনক লৈ বিপিএফৰ শক্তিশালী কমিটী গঠিত হয়।

# জিলা উপায়ুক্তৰ তদন্তৰ মাজতেই ক্ষুদ্ৰ ব্যৱসায়ীক নিৰ্যাতন ডবকা পৌৰ সভাৰ

## চেয়াৰমেন, ৱাৰ্ড কমিছনাৰসহ পাঁচজনৰ বিৰুদ্ধে ডবকা থানাত গোচৰ

**দৈনন্দিন বাৰ্তা সেৱা ডবকা, মোৰাঝাৰ, ২৫ ছেপ্টেম্বৰ ঃ** হোজাই জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ তদন্ত চলি থকাৰ সময়তেই ডবকা পৌৰ সভাৰ সভানেত্ৰী, একাংশ ৱাৰ্ড কমিছনাৰে ক্ষুদ্ৰ ব্যৱসায়ী দুজনক মানসিক নিৰ্যাতন আৰু আক্ৰোশমূলকভাৱে উচ্ছেদ কৰাত ডবকা থানাত চেয়াৰমেন ৱাৰ্ড কমিছনাৰসহ পাঁচজনৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। দিলদাৰ হুছেইন নামৰ এজন যুৱকে অভিযোগ কৰা মতে লংকা নিয়ন্ত্ৰিত বজাৰ সমিতিয়ে ডবকা পৌৰ সভাৰ কাৰ্যালয়ৰ কাষতেই মাছ, মুৰ্গী, ছাগলীৰ মাংস বিক্ৰীৰ বাবে দুটাকৈ গৃহ নিৰ্মাণ কৰি দিছিল, এটা গৃহত দীৰ্ঘ বহু বছৰৰ পৰা মাছৰ বজাৰ চলি আছে যদিও আনটো গৃহ সম্পূৰ্ণভাৱে দীৰ্ঘ বহু বছৰৰ পৰা খালী হৈ আছে। ক্ষুদ্ৰ মুৰ্গী ব্যৱসায়ী আৰু ছাগলী মাংস বিক্ৰী কৰা কছাইসকলে ফুটপাথত ব্যৱসায় চলাই আছে যদিও চলিত বৰ্ষৰ একমাত্ৰ দিলদাৰ আৰু দিলাৰৰ ভাড় বাহাৰ উদ্দিনে গৃহটোৰ সমুখত থকা এক আৰু দুই নম্বৰ ঠাইত পৌৰ সভাৰ অনুজ্ঞাপত্ৰ লৈ নিয়মীয়াকৈ কৰ দি ব্যৱসায় কৰি পৰিয়াল পোহপাল কৰি আছিল। চলিত বৰ্ষতেও দুই ব্যৱসায়ীক উক্ত ঠাই এবাৰিলে মৌখিকভাৱে নগৰ সমিতিৰ পৰা হেঁচা প্ৰয়োগ কৰাৰ লগতে কেইবাবাৰো আৰক্ষীৰে ব্যৱহাৰ কৰি নেৰৰ যদিও বিফল হয়। যোৱা ৩/৮/২০২২ তাৰিখে ডবকা উপ-সভানেত্ৰীৰ স্বাক্ষৰিত এখন জাননী জাৰি কৰে। জাননীত উল্লেখ কৰা মতে নতুনকৈ খুচুৰা,পাইকাৰী কুকুৰা বিক্ৰেতাৰ বজাৰ আৰম্ভৰ বাবে ৫-৮-২০২২ তাৰিখৰ ভিতৰত ব্যৱসায়ীসকলৰ পৰা আবেদন বিচাৰে যদিও কৌশলগতভাৱে পাঁচ ছেপ্টেম্বৰতেই চেয়াৰমেনসহ একাংশ ৱাৰ্ড কমিছনাৰে লটাৰীৰ জৰিয়তে ভিটি আবণ্টন দিয়ে যদিও লটাৰীৰ সময়ত ১৪জন ব্যৱসায়ীৰ ভিতৰত অধিকাংশ ব্যৱসায়ী অনুপস্থিত। অভিযোগ অনুসৰি লটাৰী সন্দৰ্ভত কোনো এজন ব্যৱসায়ীক জাননী দিয়া নাছিল।দিলদাৰ হুছেইনৰ ভনীয়ে জালিয়াতি কৰি লটাৰীৰ কৰাৰ অভিযোগ দিলদাৰৰ। লটাৰীৰ সময়ত চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত আছিল দিলদাৰ। উক্ত দুয়োটা ভিটা দিলদাৰ আৰু বাহাৰৰ আঁতৰাই অন্য দুজন লোকক আবণ্টন দিয়াত মানসিক হেঁচা সহিব নোৱাৰি দিলদাৰে ডবকা পৌৰসভাই দোকান ভিটা খালী কৰাৰ নিৰ্দেশ স্থগিত ৰখাৰ বাবে যোৱা ১০ আগষ্টত হোজাই জিলা উপায়ুক্তক লিখিত আবেদন কৰাত উপায়ুক্তৰ কাৰ্যালয়ৰ পৰা ২২ আগষ্টত No.HJD.02-2014-MB-pt-ll-11 নম্বৰৰ নিৰ্দেশযোগে ডবকা পৌৰসভাৰ কাৰ্যবাহী বিষয়াই তদন্তৰ বাবে নিৰ্দেশ দিয়াত বহস্যজনক ভাৱে সভানেত্ৰী মিনাৰা বেগমৰ স্বাক্ষৰিত ref-No.DMB. 174-2022 -732 নম্বৰ চিঠি মৰ্মে 3-9-22 তাৰিখে জাননী প্ৰেৰণ কৰি 24 ঘণ্টাৰ ভিতৰত এক নং আৰু দুই নং ছিট খালি কৰিবলৈ নিৰ্দেশ দিয়ে অন্যথা বয় বস্তু সমূহ পৌৰসভাই নিজাববীয়াকৈ খালী কৰিব বুলি ক্ষুদ্ৰ ব্যৱসায়ী দুজনক ভংকাৰ দিয়ে। তাৰ পিছতেই ডবকা পৌৰসভাৰ কাৰ্যবাহী বিষয়াই দণ্ডাধীশ উপসনা দত্তই যোৱা ৯ ছেপ্টেম্বৰত জিলা উপায়ুক্তই দিয়া চিঠি মৰ্মে দিলদাৰক আন এখন জাননীযোগে যাৰতীয় নথি-পত্ৰসহ ডবকা পৌৰসভাৰ কাৰ্যালয়ত ১২ ছেপ্টেম্বৰত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়ে যদিও নিৰ্ধাৰিত সময়ত দিলদাৰে সমস্ত নথি লৈ কাৰ্যবাহী বিষয়াৰ ওচৰত উপস্থিত হৈ নথিপত্ৰ দাখিল কৰে। দণ্ডাধীশৰ তদন্ত চলি থকাৰ সময়তেই যোৱা যোৱা ১৪ ছেপ্টেম্বৰত আকস্মিকভাৱে সভানেত্ৰী মিনাৰা বেগমে একাংশ ৱাৰ্ড কমিছনাৰৰ লগত লৈ ভুক্তভোগী দুই ভাতৃৰ অনুপস্থিতিত দোকান ভাঙি উচ্ছেদ কৰি এক নম্বৰ ঠাইত আব্দুৰ ৰৌফ আৰু দুই নম্বৰ ঠাইত আব্দুল কুদ্দুছ নামৰ লোকক বহুৱাই আঁতৰি যায়। ঘটনাৰ খবৰ লাভ কৰি দিলদাৰে উক্ত দিনাই তলা ভাঙি প্ৰায় ৫টা, ছাটা মুৰ্গী থোৱা পিঞ্জৰা, টেবুল তিনিটা, মুৰ্গী কটা টেবুল তিনিটা, কেচবাকচ দুটা আৰু নগদ টকা লৈ যোৱাৰ অভিযোগ তুলি ডবকা থানাত এখন এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে সভানেত্ৰী মিনাৰা বেগম,ৱাৰ্ড কমিছনাৰ আসুক,কমিছনাৰৰ স্বামী আলাউদ্দিন,বৰবাবু সুজয়সহ পাচ জনৰ বিৰুদ্ধে 249-22 নম্বৰৰ গোচৰ পঞ্জীয়ন কৰি তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। উল্লেখ্য যে উক্ত মাৰ্কেটত বাতৰি লিখালৈকে মাত্ৰ তিনিজন ব্যৱসায়ীয়ে ব্যৱসায় কৰি আছে যদিও বাকী সকলো ক্ষুদ্ৰ ব্যৱসায়ী ফুটপাথতেই ব্যৱসায় চলাই গৈছে। অনুৰূপ আই জু ল হক নামৰ ব্যৱসায়ীজনকো উচ্ছেদ কৰি কোনো ভিটা নিদিয়াৰ অভিযোগ আছে। আৰক্ষীৰ সঠিক তদন্তৰ পিছতেই মূল ঘটনা পোহৰলৈ আহিব।

# মুছলপুৰত বিশ্ব ফাৰ্মাচিষ্ট দিৱস উদ্‌যাপন




**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** ফাৰ্মাচিষ্টসকল হৈছে চিকিৎসালয় এখনৰ চালিকা শক্তিস্বৰূপ। ফাৰ্মাচিষ্ট অবিহনে চিকিৎসালয় এখনৰ পৰিচালিত হোৱা অসম্ভৱ। আজি সদৌ অসম ফাৰ্মাচিষ্ট সেৱা সংস্থাৰ বাক্সা জিলা সমিতিৰ উদ্যোগত মুছলপুৰত অনুষ্ঠিত বিশ্ব ফাৰ্মাচিষ্ট দিৱসৰ মুকলি সভাত উপস্থিত থাকি বিশিষ্ট চিকিৎসক মোহন চন্দ্ৰ বড়োৱে এইদৰে মন্তব্য কৰে। চিকিৎসকগৰাকীয়ে লগতে কয় যে যদিও চিকিৎসকসকলে ৰোগীসকলৰ চিকিৎসাৰ পৰামৰ্শ দি ঔষধ লিখে তথাপি ফাৰ্মাচিষ্টসকলহে ব্যৱহাৰিক দিশত প্ৰকৃত নিৰ্দেশনা দি ৰোগীসকলক উপকৃত কৰিবলৈ সক্ষম হয়। সভাত বিশিষ্ট শিশু ৰোগ বিশেষজ্ঞ ডাঃ ভোজেশ্বৰ বড়োৱে ফাৰ্মাচিষ্টসকলে পালন কৰি অহা দায়িত্ব আৰু কৰ্তব্যৰ শলাগ লোৱাৰ লগতে ফাৰ্মাচিষ্টসকলক চিকিৎসালয় এখনৰ নেপথ্যৰ নায়ক বুলি অভিহিত কৰে। অৱসৰপ্ৰাপ্ত ফাৰ্মাচিষ্ট তথা বাক্সা জিলা ফাৰ্মাচিষ্ট সন্থাৰ প্ৰাক্তন সভাপতি তমিজ উদ্দিন আহমেদৰ সভাপতিত্বত অনুষ্ঠিত উক্ত মুকলি সভাত জ্যেষ্ঠ চিকিৎসকদ্বয়ৰ উপৰি সদৌ অসম ফাৰ্মাচিষ্ট সংস্থাৰ বাক্সা জিলা সমিতিৰ উপ-সভাপতি নবীন চন্দ্ৰ বড়ো অৱসৰপ্ৰাপ্ত ফাৰ্মাচিষ্ট হৰেন চৌধুৰীৰ লগতে কেইবাগৰাকীও জ্যেষ্ঠ ফাৰ্মাচিষ্ট উপস্থিত থাকে। আজিৰ এই মুকলি সভাত পাঁচগৰাকী জ্যেষ্ঠ ফাৰ্মাচিষ্ট আৰু দহগৰাকী বি ফাৰ্ম (প্ৰেকটিচ) উত্তীৰ্ণ ফাৰ্মাচিষ্টক একোখন মানপত্ৰ আৰু গামোচাৰে বিশেষ সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে আজিৰ এই মুকলি সভাৰ আগতে ৰাতিপুৱা ১০ বজাত সংস্থাৰ পতাকা উত্তোলন কৰে জ্যেষ্ঠ ফাৰ্মাচিষ্ট আব্দুল হাকিমে। ইয়াৰ পিছত বৰ্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ ফাৰ্মাচিষ্ট উদ্ধৱ চন্দ্ৰ পাঠকে। দিনৰ এঘাৰ বজাত জিলাখনৰ বিভিন্ন স্থানৰ পৰা অহা ফাৰ্মাচিষ্টসকলৰ দ্বাৰা এক সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। উক্ত শোভাযাত্ৰা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অসম ফাৰ্মাচিষ্ট সেৱা সংস্থাৰ কাৰ্যকৰী সদস্য তমিজ উদ্দিন আহমেদে। আজিৰ এই সমগ্ৰ অনুষ্ঠানৰ আঁত ধৰে সদৌ অসম ফাৰ্মাচিষ্ট সেৱা সংস্থাৰ বাক্সা জিলা সমিতিৰ সম্পাদক জামাল উদ্দিন চৌধুৰীয়ে।

# স্কুলৰ সময়ত গড়কাপ্তানী পথত অবাধে চলাচল কৰা মাটি কঢ়িওৱা ট্ৰেক্টৰে ছাত্ৰ- ছাত্ৰীৰ জীৱনলৈ কঢ়িয়াইছে চৰম বিপদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৫ ছেপ্টেম্বৰ ঃ** পশ্চিম দৰং অঞ্চলৰ ভিতৰুৱা ঠাইসমূহত দিনে-নিশাই অবাধে চলাচল কৰা মাটি কঢ়িওৱা ট্ৰেক্টৰে জনজীৱন অস্বস্তিকৰ কৰি তুলিছে। ৰাইজৰ যোগাযোগ তথা যাতায়াত কৰা লোক নিৰ্মাণৰ ৰাজহুৱা পথসমূহত যেতিয়াই তেতিয়াই শস্য পথাৰৰ পৰা ট্ৰেক্টৰেৰে মাটি কঢ়িয়াই পথসমূহত চলাচল কৰি থকাত ট্ৰেক্টৰৰ চকাত লাগি ধৰা মাটি আৰু ট্ৰেইলাৰৰ পৰা মাটি পথত পৰি

### ভয়- শংকাত অভিভাৱক

সেইবাবে মাটি ধুলিয়ৈ হৈ গাড়ী-মটৰ এখন ধৰিলৈ বাট নেদেখা হৈ পৰে। পৰিতাপৰ কথা যে স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ যোৱাৰ সময়ত এনে ট্ৰেক্টৰসমূহে সৃষ্টি কৰা ধুলিয়ৰি নাকত সোমাই চৰ্দি, কাহকে ধৰি বিভিন্ন ৰোগত আক্ৰান্ত হোৱা বুলি অভিযোগ উত্থাপন হৈছে। আনহাতে, বিদ্যালয়ত পাঠদান চলি থকা সময়তো ওচৰৰে অবাধে এনে ট্ৰেক্টৰসমূহৰ চলাচল হৈ থকাত ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়াত ব্যাঘাত জন্মোৱাৰো অভিযোগ উঠিছে। আশ্চৰ্যজনক কথা যে বিদ্যালয় বহাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে পথৰে গৈ থকা সময়ত গাড়ী মটৰ গ'লে ট্ৰেক্টৰে কৰা ধুলিৰ বাবে নেদেখা হৈ পৰাৰ লগতে চকু মুদিব লগা হোৱাত মুহূৰ্ততে ট্ৰেক্টৰ পৰা হ'ব পৰা বিপদক লৈ ভয় আৰু শংকাত ভুগিছে অভিভাৱকসকল। উল্লেখ্য যে খটৰা-দুমুনিচকী গড়কাপ্তানী পথত চেঙেলীয়াখাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ এগৰাকীয়ে বিদ্যালয়লৈ গৈ থকা অৱস্থাত মাটি কঢ়িওৱা ট্ৰেক্টৰৰ খুন্দিয়াই নিহত কৰাৰ দৰে ঘটনা সংঘটিত হোৱাৰ পিছত এনে ঘটনা পুনৰাবৃত্তি হোৱাৰ শংকাত ভয়াতুৰ হৈ পৰিছে অভিভাৱকসকল।আশ্চৰ্যজনক কথা যে গড়কাপ্তানী বড় পকীপথসমূহ ট্ৰেক্টৰে ঠায়ে ঠায়ে লিগ কাটি ভাগি পেলোৱাৰ পিছতো বিভাগে কোনো ব্যৱস্থা নোহোৱাত আশ্বৰ্যান্বিত হৈ পৰিছে ৰাইজ।বিষয়টো ৰহস্যজনক বুলিও একাংশ লোকে ক'ব খোজে। ইমানৰ পিছতো প্ৰশাসন কিম্বা পৰিবহণ বিভাগৰ একেকে কৰণীয় নাইনে?

## ৰাশিফলত আজিৰ দিনটো

৯ আহিন, সোমবাৰ, ২৬ ছেপ্টেম্বৰ, ১৪২৯ ভাস্কৰাব্দ
তিথি ঃ শুক্লা প্ৰতিপদ, নক্ষত্ৰ ঃ উত্তৰফাল্গুনী, জন্ম ৰাশি ঃ কন্যা
সূৰ্যোদয়- ৫-১৬-৫৯, সূৰ্যাস্ত- ৫-১৩-৫৬

■ মেষ ঃ কামত বেমেজালি ■ বৃষ ঃ মনত দুখ ■ মিথুন ঃ পত্নী সুখ ■ কৰ্কট ঃ আন ব্যক্তিৰ সহায় ■ সিংহ ঃ এলাহ বৃদ্ধি ■ কন্যা ঃ সুন্দৰ পৰিৱেশ ■ তুলা ঃ প্ৰতিভা বৃদ্ধি ■ বৃশ্চিক ঃ নৃত্য-গীতত সুনাম ■ ধনু ঃ নানা বৃথূখলা ■ মকৰ ঃ গৃহ নিৰ্মাণ ■ কুম্ভ ঃ জ্যেষ্ঠজনৰ আশীৰ্বাদ ■ মীন ঃ সুনাম।

# হাজোত বিজেপি কিষাণ মৰ্চা হাজো মণ্ডলৰ দ্বিতীয় কাৰ্যনিৰ্বাহক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৫ ছেপ্টেম্বৰ ঃ** হাজোৰ বিযুৱাম মেধি শিশুকল্যাণ ভৱনত ভাৰতীয় জনতা পাৰ্টী হাজো মণ্ডল কিষাণ মৰ্চাৰ দ্বিতীয় কাৰ্যনিৰ্বাহক সভাখন দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে সম্পন্ন হয়। পতাকা উত্তোলন, গছপুলি ৰোপণ, ভাৰত মাতাৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন,পুষ্পাঞ্জলি অৰ্পণ আদিৰে শুভাৰম্ভণি হোৱা কাৰ্যনিৰ্বাহক সভাখনৰ আঁত ধৰে হাজো মণ্ডল কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক অনিৰুদ্ধ ডেকাই। কিষাণ মৰ্চাৰ সভাপতি শচীন নাথে সভাপতিত্ব কৰা সভাত দলীয় ভেটি শক্তিশালী কৰাৰ লগতে কৃষকৰ শ্ৰম মৰ্যাদাৰ উচিত মূল্যায়নকৰণ ওপৰত গঠনমূলক বক্তব্য দাঙি ধৰে কামৰূপৰ জিলা পৰিষদৰ সদস্য বিপুল দাসে। আজিৰ সভাত বিধায়িকা সুমন হৰিপ্ৰিয়া, কামৰূপ জিলা পৰিষদৰ অধ্যক্ষ বীতা তালুকদাৰ, অসম যুৱ আয়োগৰ সদস্য সচিব ৰাতুল শৰ্মা, নিবাৰণ লহকৰ, হাজো মণ্ডল বিজেপিৰ সভাপতি ভূপেন কলিতা, উত্তৰ হাজো মণ্ডল বিজেপিৰ সভাপতি তিলক শৰ্মা, বিজেপি নেতা নগেন মালাকৰ, সভানেত্ৰী দীপাঞ্জলি ভৰালী, টিটুমণি দাস, সতজিত দাসকে প্ৰমূখ্য দুই শতাধিক দলীয় কৰ্মী, বিষয়ববীয়া, কৃষক ৰাইজ উপস্থিত থাকে। আজিৰ সভাতেই সংবাদ সেৱাৰে সমাজ জীৱনলৈ আগবঢ়োৱা বৰঙণিৰ বাবে হাজো সমষ্টিৰ মহিলা যুৱ সাংবাদিক অনামিকা কলিতা আৰু কিক বক্সিং চেম্পিয়নশ্বিপত বিশেষ সফলতা অৰ্জন কৰা কৃতী খেলুৱৈ টংকেশ্বৰ বৈশ্যক গামোচা, মানপত্ৰৰে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে।

# দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত

২৬ ছেপ্টেম্বৰ, ২০২২ ■ সোমবাৰ ■ ৯ আহিন, ১৯৪৪






অসম চৰকাৰে আয়োজন কৰা তিনিদিনীয়া চিন্তা শিবিৰৰ দ্বিতীয় দিনৰ কাৰ্যসূচীৰ অংশ হিচাপে কাজিৰঙাৰ বৰগছ ৰিজৰ্টত অনুষ্ঠিত যোগ অধিৱেশনত সমূহ মন্ত্ৰী পৰিমল শুক্লবৈদ্য, কেশৱ মহন্ত আৰু বিমল বড়া

### সোণতলীত নাজমা হীৰা মেম'ৰিয়েল পাব্লিক স্কুলত হোমেন বৰগোহাঞি স্থায়ী অধ্যয়ন কেন্দ্ৰ মুকলি

## পুলিচৰ চাকৰিৰ ক্ষেত্ৰত এটকাও খৰচ হোৱা নাই ঃ আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, সোণতলী, ২৫ ছেপ্টেম্বৰ ঃ** মই সঞ্চালক থকা অৱস্থাত অসম আৰক্ষীত ১৫ হাজাৰতকৈ অধিক চাকৰি দিছোঁ, চাকৰিৰ ক্ষেত্ৰত এটকাও খৰচ হোৱা নাই-ভাস্কৰজ্যোতি মহন্ত। কামৰূপ জিলাৰ বকো বিধানসভা সমষ্টিৰ অন্তৰ্গত সোণতলীৰ পুৰাণস্থিতি নাজমা হীৰা মেম'ৰিয়েল পাব্লিক স্কুলৰ আজি হোমেন বৰগোহাঞি অস্থায়ী অধ্যয়ন কেন্দ্ৰৰ আধাৰশিলা শুভ উদ্বোধন কৰে আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্ত। সোণতলীত পোন প্ৰথমে উপস্থিত হ'বলৈ পাই বৰ আনন্দিত হয়। উদ্বোধনী অনুষ্ঠানত উপস্থিত হৈ ভাষণ প্ৰসংগত কয় যে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে অসম আৰক্ষী গোট বুলি উল্লেখ কৰি ভাস্কৰজ্যোতি মহন্তই অধ্যয়নৰ বিৰাট এটা উপকাৰিতা থকা বুলি কয়। ই এক বিশেষ মানসিকতাৰ লগতে ব্যক্তিত্বৰো গঢ়। অধ্যয়নৰ জৰিয়তে সমাজৰ ধনাত্মক দিশত চিন্তা কৰিব লাগে। তেওঁ পুনৰ কয়, ড্ৰাগছ আদি অসামাজিক কাৰ্যকলাপৰ পৰিৱৰ্তে সমাজ তথা পৰিয়ালৰ ভাল কামৰ প্ৰতি গুৰুত্ব দিবলৈ আহ্বান জনায়। এইখিনি ভাল কাম কৰিবলৈ অধ্যয়নৰ প্ৰয়োজন। বক্ৰপথৰ পৰিৱৰ্তে মেধাৰ আধাৰত প্ৰায় পোন্ধৰ হেজাৰ যুৱক-যুৱতীক অসমত আৰক্ষীত নিযুক্তি দিয়া বুলি আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই উল্লেখ কৰে। মুকলি সভাত পৰিৱেশন কৰা বৰগীত শুনি আপ্লুত হোৱা ভাস্কৰজ্যোতি মহন্তই ইছলাম ধৰ্মক এক শান্তিপ্ৰিয় ধৰ্ম বুলি উল্লেখ কৰে। তেওঁ জমিয়তৰ উদ্যোগত বেছি ভাগ মাদ্ৰাছা ভালকৈ চলা বুলিও উল্লেখ কৰি কয়-ৰাজ্যত একাংশ মাদ্ৰাছা কিদৰে চলিছে তেওঁলোকৰ কোনো ধাৰণা নাই। সোণতলী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰহমত উল্লাহৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত উপস্থিত থাকে কামৰূপ জিলা উপ-আৰক্ষী অধীক্ষক কল্যায়ণ কুমাৰ পাঠক, অধীক্ষক হিতেশ ৰয়, চমৰীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া, বিমলাপ্ৰসাদ চলিহা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডাঃ আবুল বাসাৰ, জ্যেষ্ঠ সাংবাদিক জিতেন্দ্ৰলাল শৰ্মা, টুপামাৰী জিলা পৰিষদৰ সদস্য ছাহজাহান আলী, মাহতলী গাঁও পঞ্চায়তৰ সভাপতি তাইজুদ্দিন আহমেদ, আঞ্চলিক সদস্য আমিন মইনুল ইছলাম, হোমাৰ অধ্যক্ষ আব্দুল আজিজ আহমেদ উপস্থিত থাকে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে



নাজমা হীৰা মেম'ৰিয়েল পাব্লিক স্কুলৰ পৰিচালন সঞ্চালক আজাদ ওচমান গণি। ইফালে বিভিন্ন ক্ষেত্ৰত সহায় হোৱাৰ বাবে স্কুলৰ ৰেৰছাইট মুকুলি কৰে। সভাত স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে বিভিন্ন ধৰণৰ গীত-মাত, নৃত্য প্ৰদৰ্শন কৰে।

## কোকৰাঝাৰত সৰ্বভাৰতীয় কুডুক লিটাৰেৰী ছ'চাইটীৰ ১৫সংখ্যক ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** বিটিআৰ সদৰ চহৰ সংলগ্ন কোকৰাঝাৰ চাহ বাগিচাৰ ৭নং কৰম পথাৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমনিকাৰে অসম কুডুক (উৰাও) সাহিত্য সভাৰ সহযোগত ৰাষ্ট্ৰীয় কুডুক লিটাৰেৰী ছ'চাইটীৰ সন্মিলন অনুষ্ঠিত কৰিবলৈ ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। অসমসহ তেৰখন ৰাজ্যৰ কুডুক জনগোষ্ঠীৰ বুদ্ধিজীৱী, সাহিত্যিক, লেখক, বিশিষ্ট শিক্ষাবিদ আদি লোকে এই সন্মিলনত অংশগ্ৰহণ কৰিব। অহা ৩০ তাৰিখৰ পৰা অক্টোবৰ মাহৰ ২ তাৰিখলৈকে আয়োজন কৰা সন্মিলনৰ মুকলি সভাত বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োক মুখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰিছে। সদ্যহতে বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য ৰাজীৱ ব্ৰহ্মক সভাপতি, ফ্ৰান্সিচ চেৰমাকোক কাৰ্যকৰী সভাপতি, জুনাছ টপ্নোক উপ-সভাপতি, ধনেশ্বৰ মিঞ্জক সাধাৰণ সম্পাদক হিচাপে লৈ শক্তিশালী অভ্যৰ্থনা সমিতি গঠনৰ উপৰি বহুকেইখন উপ-সমিতি গঠন কৰিছে। অধিবেশনত মুখ্য পৃষ্ঠপোষক হিচাপে ৩০নং কোকৰাঝাৰ পূব সমষ্টিৰ বিধায়ক লৰেন্স ইছলাৰী, পৃষ্ঠপোষক বিটিআৰ ই এম উইলছন হাঞ্ছা আৰু প্ৰাক্তন ৰাজ্যসভাৰ সাংসদ তথা অসম সংখ্যালঘু মৰ্চাৰ সভাপতি শান্তিয়াছ কুজুৰ। কাৰ্যসূচীত ২৯ তাৰিখে বিয়লি প্ৰতিনিধি পঞ্জীয়ন, ৩০ তাৰিখে বাতিপুৱা প্ৰতিনিধি পঞ্জীয়নৰ উপৰি প্ৰতিনিধি আদৰণি, পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, প্ৰতিনিধি সভা উদ্বোধন, কাৰ্যকৰী শিতান, বহুকেইখন মূল্যবান গ্ৰন্থ উন্মোচন, কবিতা, গল্প আবৃত্তি, সাংস্কৃতিক সমাৰোহ, উৰাওসকলৰ সাহিত্য চৰ্চা, গোলকীকৰণ, স্ব-নিৰ্ভৰশীল, ভূমি পৰিচালনা আদিৰ ওপৰত বিশেষজ্ঞসকলৰ মনোজ্ঞ আলোচনা আদিৰে মুখৰিত হ'ব অধিবেশন থলী। একেদৰে ২ অক্টোবৰতো অনুষ্ঠিতব্য প্ৰতিনিধি সভাত ডাঃ নাৰায়ণ উৰাওৰ 'বৰ্তমান সময়ত উৰাওসকলৰ মাতৃভাষা আৰু কথোপকথনত সুবিধা আৰু অসুবিধা' আৰু অৱসৰপ্ৰাপ্ত অধ্যাপক ড' ফ্ৰান্সিচকা কুজুৰৰ 'উৰাওসকলৰ ইতিহাস'ৰ ওপৰত মুকলি আলোচনা। তদুপৰি বাৰেৰবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা। বিয়লি ১২.৩০ বজাত অসম কুডুক সাহিত্য সভাৰ সভাপতি কমলেশ্বৰ টপ্নোৰ সভাপতিত্বত মুকলি সভা। আদৰণী ভাষণ অভ্যৰ্থনা সমিতিৰ সভাপতি ৰাজীৱ ব্ৰহ্মৰ। অতিথি পৰিচয় আৰু সম্বৰ্ধনা পৰ্ব আঁত ধৰিব অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ফ্ৰান্সিচ চেৰমাকোই। ইয়াৰোপৰি আছে নৃত্য-গীত। মুকলি সভাত অসমকে ধৰি বিহাৰ, পশ্চিমবংগ, ঝাৰখণ্ড, ছত্ৰীশগড়, আন্দামান আৰু নিকোবাৰ, দিল্লী, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, চেন্নাই, ওড়িশা আদি ৰাজ্যৰ বিশিষ্ট শিক্ষাবিদ, চিন্তাশীল লেখক, কবি, সাহিত্যক, অধ্যাপকসহ উৰাও জনগোষ্ঠীৰ ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিনিধিত্ব কৰা বহু ব্যক্তিয়ে উপস্থিত থাকিব। একেদৰে বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী, দুগাৰাবী বিধায়ক ক্ৰমে ৰবিৰাম নাৰ্জাৰী আৰু লৰেন্স ইছলাৰী, বিটিচিআৰ এমচিএলএ, কাৰ্যবাহী সদস্য, বড়ো সাহিত্য সভাৰ সভাপতি তৰেণ বড়ো, এবছুৰ সভাপতি দীপেন বড়ো আদি সহ আদিবাসী জনগোষ্ঠীৰ বিভিন্ন সংগঠনৰ নেতৃত্ব দিয়া প্ৰাক্তন আৰু বৰ্তমান কাৰ্যনিৰ্বাহ কৰা সভাপতি, সম্পাদক, শিক্ষাবিদ, চাহ বাগিচাৰ পৰিচালকৰ উপৰি বিভিন্ন জনগোষ্ঠীৰ সংগঠনৰ নেতৃবৃন্দক আমন্ত্ৰণ কৰিছে।

## নগাঁৱত নতুন কবিতা উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় মুখপত্ৰ নতুন কবিতাৰ চতুৰ্ত্ৰিংশতম সংখ্যাটি আজি নগাঁও চহৰৰ খুটিকটীয়াস্থিত ক্ৰান্তিকাল প্ৰকাশনৰ সভাগৃহত উন্মোচন কৰা হয়। নগাঁও জিলা কবি সন্মিলনৰ সভাপতি দ্বিজেন্দ্ৰনাথ হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত প্ৰথম পৰ্বত সদৌ অসম কবি সন্মিলনৰ ডিজিটেল মাধ্যমৰ সম্পাদক সদ্যপ্ৰয়াত মদিৰা শইকীয়া ভূঞাৰ স্মৃতিত এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। কাৰ্যনিৰ্বাহক সভাৰ পাছতেই দ্বিতীয় পৰ্বত নতুন কবিতাৰ উন্মোচন ব্যতিক্ৰমী পৰিৱেশৰ মাজত কৰা হয়। নতুন কবিতাৰ সম্পাদক মদাৰজ্যোতিয়ে আঁত ধৰা অনুষ্ঠানটিত নূপুৰ মোমাইদেউখ্যাত বিশিষ্ট শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, দুৰ্গেশ্বৰ বৰকটকী, অশোকৰাম ভট্টাচাৰ্য, শশী কেওট, অতুল চন্দ্ৰ কাকতি, নিৰলা শইকীয়া, নগাঁও জিলা কবি সন্মিলনৰ সম্পাদক ৰাজু সমীৰণ, কৰবী শইকীয়া, তুলিকা দেৱী, কবিতা বৰা, হাচিনা মমতাজ, লক্ষ্যজ্যোতি বৰা, ৰূপম নাথ, গোলাপ ৰাজখোৱা, আৰতি মেধি, ৰমাকান্ত শৰ্মা, খৰ্গেশ্বৰ বৰা, মুকুল চন্দ্ৰ বৰা, স্মিতা দেৱী, দিগন্ত ভাগৱতী, চোহন বৰঠাকুৰ প্ৰমুখ্যে সভাত উপস্থিত প্ৰতিগৰাকী ব্যক্তিয়েই হাতত নতুন কবিতা লৈ উন্মোচন কৰে। উল্লেখ থাকে যে নতুন কবিতাৰ পৰৱৰ্তী সংখ্যা ৭, ৮ আৰু ৯ অক্টোবৰত অনুষ্ঠিতব্য সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় অধিৱেশনত উন্মোচন হ'ব।



## হাজোত বিজেপি কিষাণ মৰ্চা, হাজো মণ্ডলৰ দ্বিতীয় কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৫ ছেপ্টেম্বৰ ঃ** হাজোৰ বিষ্ণুৰাম মেধি শিশুকল্যাণ ভৱনত ভাৰতীয় জনতা পাৰ্টী হাজো মণ্ডল কিষাণ মৰ্চাৰ দ্বিতীয় কাৰ্যনিৰ্বাহক সভাখন দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে সম্পন্ন হয়। পতাকা উত্তোলন,বৃক্ষৰোপণ, ভাৰত মাতাৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন,পুষ্পাঞ্জলি অৰ্পণ আদিৰে শুভাৰম্ভণি হোৱা কাৰ্যনিৰ্বাহক সভাখনৰ আঁত ধৰে হাজো মণ্ডল কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক অনিৰুদ্ধ ডেকাই। কিষাণ মৰ্চাৰ সভাপতি শচীন নাথে সভাপতিত্ব কৰা সভাত দলীয় ভেটি শক্তিশালী কৰাৰ লগতে কৃষকৰ শ্ৰমৰ মৰ্যাদাৰ উচিত মূল্যাংকনৰ ওপৰত গঠনমূলক বক্তব্য দাঙি ধৰে পঞ্চতীৰ্থ জিলা পৰিষদৰ সদস্য বিপুল দাসে। আজিৰ সভাত বিধায়িকা সুমন হৰিপ্ৰিয়া, কামৰূপ জিলা পৰিষদৰ অধ্যক্ষা ৰীতা তালুকদাৰ, অসম যুৱ



আয়োগৰ সদস্য সচিব ৰাতুল শৰ্মা, নিবাৰণ লহকৰ, হাজো মণ্ডল বিজেপিৰ সভাপতি ভূপেন কলিতা, উত্তৰ হাজো মণ্ডল বিজেপিৰ সভাপতি তিলক শৰ্মা, বিজেপি নেতা নগেন মালাকৰ, সভানেত্ৰী দীপাঞ্জলি ভৰালী, টুটুমণি দাস, সত্যজিত দাসকে প্ৰমুখ্য দুই শতাধিক দলীয় কৰ্মী, বিষয়ববীয়া, কৃষক ৰাইজ উপস্থিত থাকে। আজিৰ সভাতেই সংবাদ সেৱাৰে সমাজ জীৱনলৈ আগবঢ়োৱা বৰঙনিৰ বাবে হাজো সমষ্টিৰ মহিলা যুৱ সাংবাদিক অনামিকা কলিতা আৰু কিক বক্সিং চেম্পিয়নশ্বিপত বিশেষ সফলতা অৰ্জন কৰা কৃতী খেলুৱৈ টংকেশ্বৰ বৈশ্যক গামোচা, মানপত্ৰৰে বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে।

## ধুবুৰীত যুৱকৰ মৃত্যুক লৈ উত্তপ্ত পৰিস্থিতি

**দৈনন্দিন বাৰ্তাৰ সেৱা ধুবুৰী, ২৫ ছেপ্টেম্বৰ ঃ** ধুবুৰীৰ চিলাৰায় মাল্টী স্পেচিয়েলিটী চিকিৎসালয়ত চিকিৎসাৰ গাফিলতিত মৃত্যু হোৱাৰ অভিযোগক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি। মৃতদেহ লৈ পথ অৱৰোধ। বিদ্যুৎস্পৃষ্ট হোৱাৰ পিছত চিকিৎসাৰ বাবে ভৰ্তি কৰাইছিল ধুবুৰীৰ চিলাৰায় মাল্টী স্পেচিয়েলিটী চিকিৎসালয়ত। মৃত যুৱকজনৰ ঘৰ ধুবুৰী ১৬নং ৱাৰ্ড জিটিবি ৰোডত। অভিযোগ অনুসৰি ধুবুৰী জিটিবি ৰোডৰ জমুনা বিনৰ পুত্ৰ বিনোদ বিন নামৰ এগৰাকী যুৱক বিদ্যুৎস্পৃষ্ট হৈ গুৰুতৰ অসুস্থ হয় । তেওঁক ততাতৈয়াকৈ ধুবুৰী জিটিবি ৰোডত থকা ধুবুৰীৰ চিলাৰায় মাল্টী স্পেচিয়েলিটী চিকিৎসালয়ত ভৰ্তি কৰায়। কিন্তু তাতে এঘন্টা সময় ধৰি যুৱক জনক ৰখাৰ পিছতো কোনোধৰণৰ চিকিৎসা প্ৰদান নকৰাৰ অভিযোগ। পিছত পৰিয়ালৰ লোকে যুৱকজনক গৌৰীপুৰ নাৰ্ছিং হোমত লৈ যায় যদিও চিকিৎসকে মৃত ঘোষণা কৰে। ইয়াকে লৈ উত্তপ্ত হৈ পৰা পৰিয়ালৰ লোক আৰু চুবুৰীয়া ৰাইজ উত্তপ্ত হৈ পৰে আৰু মৃতদেহ লৈ চিকিৎসালয়ৰ সন্মুখত পথ অৱৰোধ কৰে। ঘটনাৰ খবৰ পাই ধুবুৰী আৰক্ষী ঘটনাস্থলিত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা অব্যাহত ৰাখে। ইফালে আন এজন ৰোগীক চিকিৎসালয়খনত ভৰ্তিৰ বাবে লৈ আহে যদিও কিবা কথাৰ কটা-কটিক লৈ ৰোগীৰ মাতৃ আৰু ভাতৃক চিকিৎসালয়ৰ কৰ্মীয়ে দুৰ্ব্যৱহাৰ কৰিছে।

## বিশ্বনাথৰ প্ৰজাপিতা ব্ৰহ্মকুমাৰী কেন্দ্ৰৰ ৰূপালী জয়ন্তী উপলক্ষে দহদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হ'ল অমৃত মহোৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ২৫ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ নগৰৰ কল্যাণপুৰস্থিত প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় ধ্যান কেন্দ্ৰৰ ৰূপালী জয়ন্তী উপলক্ষে আজিৰ পৰা দহ দিনীয়া কাৰ্যসূচীৰে অমৃত মহোৎসৱ উদ্‌যাপন কৰে। প্ৰথম দিনৰ কাৰ্যসূচী হিচাপে পুৱা প্ৰজাপিতা ব্ৰহ্মকুমাৰীৰ পতাকা উত্তোলন কৰি এক বিশাল বৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰ উলিওৱা হয়। এই সাংস্কৃতিক শোভাযাত্ৰা বিশ্বনাথৰ কল্যানপুৰস্থিত ব্ৰহ্মকুমাৰী ধ্যান কেন্দ্ৰৰ পৰা কলেজ ৰোড হৈ বিশ্বনাথঘাট ৰাষ্ট্ৰীয় ঘাইপথেৰে পুনৰ এই শোভাযাত্ৰা সমাপ্ত কৰা হয়। এই সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰে দেশৰ বিভিন্ন স্থানৰ পৰা অহা ব্ৰহ্মকুমাৰীৰ ভক্তসকলৰ লগতে সাংস্কৃতিক শোভাযাত্ৰাত সৌষ্ঠৱ বৃদ্ধি কৰে অসমীয়া জনজীৱনৰ বিহু দল, ঝুমুইৰ দল, চাহ জনগোষ্ঠীৰ বিভিন্ন নৃত্য গীত, বড়ো নৃত্য, তিউয়া নৃত্য, গোৰ্খা সম্প্ৰদায়ৰ নৃত্যৰ লগতে জিকিৰ দল আৰু অন্যান্য বহু সাংস্কৃতিক দলে। ইয়াৰ পিছতে মুকলি কৰা হয় বিভিন্ন যোগগুৰু তথা বিভিন্ন জাতি-জনগোষ্ঠীৰ পৰম্পৰাগত আৰু আদৰ্শ ব্যক্তিসকলৰ প্ৰতিমূৰ্তিৰ প্ৰদৰ্শনী অনুষ্ঠান। এই প্ৰদৰ্শনী আনুষ্ঠানিকভাৱে মুকলি কৰে বিশ্বনাথ জিলাৰ উপায়ুক্ত মুনিন্দ্ৰ নাথ ঙাটেই। ইয়াৰ লগতে এই প্ৰদৰ্শনী প্ৰত্যক্ষ কৰিবলৈ বিশ্বনাথৰ বিভিন্ন স্থানৰ লোক উপস্থিত হৈ প্ৰদৰ্শনীস্থলীত। এক উখল-মাখল পৰিৱেশে বিৰাজ কৰিছে বিশ্বনাথৰ কল্যাণপুৰ অঞ্চলত। ইয়াৰ ওপৰিও বিশ্বনাথ প্ৰজাপিতা ব্ৰহ্মকুমাৰী কেন্দ্ৰই উদ্‌যাপন কৰা এই দহ দিনীয়া অনুষ্ঠানত আৰু বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি জানিব পৰা গৈছে।

### কলাবাৰী মহাবিদ্যালয়ত নৱাগত আদৰণী সভা

## নতুন শিক্ষা নীতিয়ে শৈক্ষিক ক্ষেত্ৰত জাগৰণ আনিছে ঃ ড° দিবাকৰ ডেকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গহপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ জিলাৰ পূব প্ৰান্তত অৱস্থিত কলাবাৰী মহাবিদ্যালয়ৰ নৱাগত আদৰণী সভাখন অনুষ্ঠিত হৈ যায়। যোৱা ১৭ ছেপ্টেম্বৰত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যোৱা মূল সভাৰ পূৰ্বে নৱাগতা আদৰণী সভাখন অনুষ্ঠিত হয়। দিনৰ ১০.৩০ বজাত মহাবিদ্যালয়ৰ উপাধ্যক্ষ যতীন ভূঞাৰ বন্তিপ্ৰজ্বলনেৰে নৱাগত আদৰণী সভাখনি আৰম্ভ হয়। সহযোগী অধ্যাপক ধীৰেন নেওগে সঞ্চালনা কৰা ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সতীৰ্থ সন্মিলনখনিত সহযোগী পৰিচালক হিচাপে সহযোগ আগবঢ়াই প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সম্পাদক ইন্দ্ৰজিৎ শইকীয়াই। সভাত ভালেসংখ্যক ন-পুৰণি ছাত্ৰ-ছাত্ৰীয়ে বক্তব্য আগবঢ়ায়। ইয়াৰ পাছতে দিনৰ ১ বজাত মূল সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰদীপ শৰ্মাই আদৰণী ভাষণ আগবঢ়োৱা সভাখনিত সভাপতিত্ব কৰে বিশ্ববিদ্যালয়ৰ মনোনীত সদস্য তথা ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ খগেন গোস্বামীয়ে। মূল সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে মাধৱদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° দিবাকৰ ডেকাই। তেওঁ ভাষণ প্ৰসংগত নতুন শিক্ষা নীতিয়ে শৈক্ষিক ক্ষেত্ৰত জাগৰণ আনিছে বুলিও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বক্তব্য ৰাখে স্থানীয় বিধায়ক উৎপল বৰাই। উক্ত সভাতেই পাপৰি কবি গণেশ গগৈ বঁটা-২১ প্ৰাপক তথা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট কবি, অৱসৰপ্ৰাপ্ত শিক্ষক বংশী বৰাক আনুষ্ঠানিকভাৱে মহাবিদ্যালয়ৰ তৰফৰ পৰা ফুলাম গামোচা, সম্বৰ্ধনা-পত্ৰ, চেলেং, গ্ৰন্থৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ৪ বজাত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। সহযোগী অধ্যাপিকা জয়া বৰাই উদ্বোধন কৰা সাংস্কৃতিক অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে নৃত্য-গীত পৰিৱেশন কৰি অনুষ্ঠান জীপাল কৰি তোলে। ইয়াৰ পূৰ্বে পুৱা ৯ বজাত মহাবিদ্যালয়ৰ চৌহদত গছপুলি ৰোপণ কৰে সহযোগী অধ্যাপক বিমান হাজৰিকা আৰু প্ৰশান্ত বৰাই। ৯.৩০ বজাত পতাকা উত্তোলন কৰে ছাত্ৰ একতা সভাৰ সভাপতি মাধুৰ্য বৰাই। তাৰ পাছতে স্মৃতি তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে প্ৰাক্তন ছাত্ৰ সন্মিলনৰ সভাপতি বিক্ৰমজিৎ ভূঞাই।

## কামৰূপ জিলা ৰাভা জাতীয় পৰিষদৰ দ্বিতীয় ত্ৰি-বাৰ্ষিক প্ৰতিনিধিমূলক সাধাৰণ সভা

**দৈনন্দিন বাৰ্তা সেৱা, বকো, ২৫ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলা ৰাভা জাতীয় পৰিষদৰ উদ্যোগত আৰু বেকেলী মৌজা ৰাভা জাতীয় পৰিষদৰ সহযোগত বন্দাপাৰা জনতা সংঘৰ সভাগৃহত কামৰূপ জিলা ৰাভা জাতীয় পৰিষদৰ দিনজোৰা কাৰ্যসূচীৰে দ্বিতীয় ত্ৰি-বাৰ্ষিক প্ৰতিনিধিমূলক সাধাৰণ সভা অনুষ্ঠিত হয়। পুৱা ৮.৩০ বজাত কামৰূপ জিলা ৰাভা জাতীয় পৰিষদৰ সভাপতি বাপুৰাম ৰাভাই নিখিল ৰাভা জাতীয় পৰিষদৰ পতাকা উত্তোলন কৰি সভাৰ কাৰ্যসূচীৰ পাতনি মেলে। তাৰ পিছত ক্ৰমে ৯.৩০ বজাত স্মৃতি তৰ্পণ, ১০ বজাত গছপুলি ৰোপণ, ১০.৩০ বজাত প্ৰতিনিধি পঞ্জীয়ন আৰু ১২ বজাত আহাৰ গ্ৰহণৰ পিছত ১ বাপুৰাম ৰাভাৰ সভাপতিত্ব অনুষ্ঠিত হয় প্ৰতিনিধিমূলক সাধাৰণ সভা। সভাত উদ্বোধনী ভাষণ প্ৰদান কৰে কামৰূপ জিলা ৰাভা জাতীয় পৰিষদৰ উপ-সভাপতি টিকেন্দ্ৰজিত ৰাভাই। উল্লেখ্য যে সভাত প্ৰত্যেক আঞ্চলিক, মৌজাৰ পৰা ১৫জন পুৰুষ আৰু ৫জনী মহিলা প্ৰতিনিধি সভাত যোগদান কৰা, জাতীয় সাজপাৰ পৰিধান কৰা আৰু প্ৰত্যেক আঞ্চলিক, মৌজাৰ পৰা ৫০০ টকাকৈ বৰঙনি বাধ্যতামূলক কৰে। সভাত আগন্তুক বৰ্ষৰ বাবে ভীষ্মদেৱ ৰাভাক সভাপতি আৰু বুদ্ধেশ্বৰ ৰাভাক সম্পাদক হিচাপে লৈ ২১জনীয়া এখন কমিটী গঠন কৰে।



## নগাঁৱত উদ্ধাৰ হোৱা নৱজাতকৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ সমীপৱৰ্তী কাতিমাৰীত উদ্ধাৰ হোৱা এটি নৱজাতকৰ কালি নগাঁৱৰ ম'হখুলিস্থ মাতৃ আৰু শিশু স্বাস্থ্য চিকিৎসালয়ত মৃত্যু হয়। জানিব পৰা মতে, নৱজাতকটি ২২ ছেপ্টেম্বৰত কোনো অচিনাকি লোকে কাতিমাৰীৰ পথৰ দাঁতিত এৰি গৈছিল। ইয়াৰ পাছতে স্থানীয় লোকৰ খবৰৰ ভিত্তিত হয়বৰগাঁও আৰক্ষীয়ে চাইল্ড লাইনৰ সহযোগত শিশুটিক উদ্ধাৰ কৰি ম'হখুলি চিকিৎসালয়ত ভৰ্তি কৰায়। তেতিয়াৰে পৰা শিশুটি চিকিৎসালয়খনৰ শিশু কক্ষত চিকিৎসাধীন হৈ আছিল। কালি পুৱা ৯ মান বজাত শিশুটিৰ চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বৰ্তমানলৈকে শিশুটিৰ পিতৃ-মাতৃৰ পৰিচয় উদ্ধাৰ হোৱা নাই।

## সদৌ অসম মহিলা কবি মঞ্চৰ প্ৰথম দ্বি-বাৰ্ষিক ৰাজ্যিক অধিৱেশন উপলক্ষে বিশ্বনাথ নগৰত বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ২৫ ছেপ্টেম্বৰ ঃ** অসম মহিলা কবি মঞ্চৰ প্ৰথম দ্বি-বাৰ্ষিক ৰাজ্যিক অধিৱেশনৰ আজি তৃতীয় দিনৰ কাৰ্যসূচী অনুসৰি পুৱাই এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হয়। পুৱা বিশ্বনাথ নগৰৰ সমীপৰ কমলাকান্ত নাট্য সমাজ প্ৰেক্ষাগৃহৰ পৰা মধুপুৰ জ্ঞান ভাৰতী বিদ্যালয় হৈ মধুপুৰ তিনিআলি, তাৰ পিছতে চাৰিআলি বালিকা বিদ্যালয়ৰ সন্মুখেদি গৈ পুনৰ কমলাকান্ত নাট্য সমাজৰ প্ৰেক্ষাগৃহত এই সাংস্কৃতিক শোভাযাত্ৰা সমাপ্ত কৰে। আজিৰ এই ৰাজ্যিক অধিৱেশনৰ অন্তিম দিন হিচাপে দিনজোৰা কাৰ্যসূচীৰে আৰু বহু কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। ইফালে কালি অৰ্থাৎ এই ৰাজ্যিক অধিৱেশনৰ দ্বিতীয় দিনৰ কাৰ্যসূচী হিচাপে পুৱাই পতাকা উত্তোলন কৰে সভানেত্ৰী, সদৌ অসম মহিলা কবি মঞ্চৰ সভানেত্ৰী ড° সুখ বৰুৱাই। বন্তি প্ৰজ্বলন কৰিব বিশ্বনাথ চাৰিআলি শাখা লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী ৰেণু বৰাই। স্মৃতি তৰ্পণ কৰিব জ্যোতিকা ভৰালী, মিলনপ্ৰভা বৰুৱা, দুৰ্গা গজুৰেল আৰু ৰীণা ভট্টাচাৰ্য গোস্বামীয়ে। ইয়াৰ পিছতে প্ৰদৰ্শনী দ্বাৰ উন্মোচন কৰে বিশ্বনাথৰ পৌৰপতি অমৰজ্যোতি বৰঠাকুৰে তাৰ পিছতে ১৩খনৰো অধিক বিভিন্ন গ্ৰন্থ উন্মোচন কৰা কৰা হয়। গ্ৰন্থ উন্মোচনী সভা উদ্বোধন কৰে বিশ্বনাথ জিলা সাহিত্য সভাৰ সভাপতি গোলাপ বৰাই। অসম মহিলা কবি মঞ্চৰ কাৰ্যকৰী সভানেত্ৰী ৰেখা ফুকনৰ সঞ্চালনাত অনুষ্ঠিত হয় উন্মোচনী সভাখন। অনুষ্ঠানৰ আঁত ধৰে মঞ্চৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য সম্পাদিকা পুষ্পা গগৈ আৰু আদৰণী সমিতিৰ সম্পাদিকা বিউটি ফুকন গগৈয়ে। আদৰণী ভাষণ দিয়ে আদৰণী সমিতিৰ সভানেত্ৰী লাৱন্য হাজৰিকা বৰাই।

### কমলপুৰত ৭১সংখ্যক দুৰ্গা পূজা উদ্‌যাপনৰ ব্যাপক আয়োজন

## ৭০ ফুট উচ্চতাৰ প্ৰকাণ্ড ৰাৱণ অন্যতম আকৰ্ষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ কমলপুৰত ৭১সংখ্যক কমলপুৰ আঞ্চলিক সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজা উদ্‌যাপনৰ ব্যাপক আয়োজন কৰা হৈছে। শাৰদীয় দুৰ্গা পূজাৰ লগত সংগতি ৰাখি এইবেলি কমলপুৰ দুৰ্গা পূজাত ৭০ ফুট উচ্চতাৰ এটি প্ৰকাণ্ড ৰাৱণ নিৰ্মাণ কৰা হৈছে। বিগত ২০ দিন ধৰি প্ৰকাণ্ড ৰাৱণটো নিৰ্মাণত ব্যস্ত হৈ আছে উত্তৰ গুৱাহাটীৰ যুৱ শিল্পী ৰমেন বৰুৱা। প্ৰায় ৭০ ফুট উচ্চতাৰ এই ৰাৱণটো সাজিবৰ বাবে শিল্পীগৰাকীয়ে বাঁহ, কাগজ, আঠা, কাপোৰ আৰু নাৰিকলৰ ৰছী আদি ব্যৱহাৰ কৰিছে। ইতিমধ্যে ৰাৱণটোৰ ৯০ শতাংশ কাম সম্পূৰ্ণ হৈছে বুলিও আয়োজক সমিতিয়ে জানিব দিছে। এইবেলিৰ দুৰ্গা পূজাখন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে যোগেন চন্দ্ৰ দাসক মুখ্য সভাপতি, দীপক দাসক কাৰ্যকৰী সভাপতি আৰু বিপুল ডেকাক সাধাৰণ সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হৈছে। আয়োজক সমিতিয়ে জানিব দিয়া অনুসৰি ১ অক্টোবৰৰ পুৱা ৮.৩০ বজাত ধৰ্মধ্বজা উত্তোলনেৰে এইবেলিৰ দুৰ্গা পূজাৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। ইয়াৰ পাছতে স্মৃতি তৰ্পণ, গছপুলি ৰোপণ কাৰ্যসূচী সমাপন কৰাৰ পিছত সন্ধিয়া বৈদিক কাৰ্যসূচীৰে দেৱীৰ বোধন আমন্ত্ৰণ আৰু অধিবাস কাৰ্যসূচী সমাপন কৰা হ'ব। দেৱীৰ সপ্তমী, অষ্টমী, নৱমী, দশমী পূজা ভাগ বৈদিক প্ৰথাৰে অনুষ্ঠিত কৰাৰ সমান্তৰালভাৱে প্ৰতিদিনে নানা মাংগলিক অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। আয়তিৰ নাম, নাগাৰা নাম, থিয় নাম, ওজাপালি, ঢুলীয়াৰ দলে প্ৰতিদিনে পূজাথলীত কাৰ্যসূচী ৰূপায়ণ কৰিব বুলিও আয়োজক সমিতিয়ে সদৰী কৰে। পূজাত কামৰূপ জিলা সাংবাদিক সন্থাৰ সভাপতি মধুসূদন মেধি আৰু বিশিষ্ট সাংবাদিক প্ৰদীপ কুমাৰ ভৰালীয়ে বন্তি প্ৰজ্বলন কৰিব বুলিও পূজা সমিতিয়ে উল্লেখ কৰে। বিজয়া দশমীত যি আকৰ্ষণীয় ৰাৱণ দাহন কাৰ্যসূচী অনুষ্ঠিত হ'ব এই কাৰ্যসূচীত কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী আৰু মহানগৰ আৰক্ষীৰ যুটীয়া আয়ুক্ত পাৰ্থসাৰথি মহন্ত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। নলবাৰীৰ বাঁহজনীৰ আতচবাজী শিল্পীৰ দলে আতচবাজী প্ৰদৰ্শন কৰিব লগা অনুষ্ঠানত বিশিষ্ট সমাজসেৱক হৰেন মহন্ত আৰু গৌতম বৰুৱাই অংশগ্ৰহণ কৰিব। আয়োজক সমিতিয়ে পূজাভাগ সাফল্যমণ্ডিত কৰাৰ বাবে সমূহ ৰাইজৰ উপস্থিতি আন্তৰিকতাৰে কামনা কৰিছে।


NEMCARE
Group of Institutions
ESTD : 2017
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable


জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২৬ ছেপ্টেম্বৰ ■ ২০২২ ■ ৯ আহিন

# নাগৰিকত্ব সংশোধনী আইন আৰু চৰকাৰৰ স্থিতি

নাগৰিকত্ব সংশোধনী আইন (চিএএ) চমুকৈ 'কা'ৰ বিষয়ত চৰকাৰৰ দৃঢ় স্থিতিয়ে সমগ্ৰ দেশজুৰি হোৱা আন্দোলনে চৰকাৰৰ স্থিতিক সবল কৰি তুলিছিল। অৱশেষত এই বিষয়টোৱে আদালতৰ মজিয়া পাইছেগৈ। শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে এই আইনখন পূৰ্বৰ স্থিতিতে ৰখাৰ বাবে উচ্চতম ন্যায়ালয়ত দাখিল কৰে এখন শপতনামা। তাত উল্লেখ কৰা মতে চৰকাৰ পূৰ্বৰ স্থিতিত অটল থাকিলেও অসম, ত্ৰিপুৰাকে ধৰি উত্তৰ-পূবৰ পৰিস্থিতি দেশৰ আন ৰাজ্যৰ লগত একে নহয় বুলি স্পষ্টকৈ উল্লেখ কৰিছে আৰু 'কা' আইনৰ বিৰুদ্ধে জনোৱা আবেদনসমূহ ন্যায়ালয়ক খাৰিজ কৰিবৰ কেন্দ্ৰীয় চৰকাৰে আবেদন জনাইছে। মন কৰিবলগীয়া কথাটো হৈছে কেন্দ্ৰীয় চৰকাৰে দাখিল কৰা শপতনামাত উত্তৰ-পূবৰ ৰাজ্যসমূহৰ পৰিস্থিতি আন ৰাজ্যসমূহৰ সৈতে একে নহয় বুলিও শপতনামাত উল্লেখ কৰিছে। কাৰণ এই ৰাজ্যকেইখনত বেলেগ ধৰণৰ পৰিস্থিতি লক্ষণীয়। সেয়ে এইবোৰ ৰাজ্যৰ ক্ষেত্ৰত এখন পৃথক আবেদন দাখিল কৰা হ'ব বুলি শপতনামাত উল্লেখ কৰিছে। এটা কথা স্পষ্ট হৈছে যে অসম তথা পূবৰ বিষয়ত পূৰ্বৰ স্থিতিৰ বিষয়টো কিছু নৰম হৈছে বুলি উচ্চতম ন্যায়ালয়ত দাখিল কৰা শপতনামাই প্ৰকাশ কৰিছে যদিও কি কি কাৰণত বেলেগ সেয়া শপতনামাত উল্লেখ নাই। এইক্ষেত্ৰত দেশৰ আনবোৰ ৰাজ্যত যে কোনো সমস্যা নাই সেই কথাও উল্লেখ কৰা হৈছে। এইক্ষেত্ৰত বিভিন্নজনে কেন্দ্ৰীয় চৰকাৰৰ শেহতীয়া এই স্থিতিৰ প্ৰতি আদৰণি জনাইছে। অসমৰ 'কা'বিৰোধী বিভিন্ন জাতীয় সংগঠন তথা ৰাজনৈতিক সংগঠনে 'কা' প্ৰত্যাহাৰৰ দাবীত তীব্ৰ আন্দোলন কৰি আহিছে আৰু এই আন্দোলনত কে'বাজনো লোক আৰক্ষীৰ গুলীত শ্বহীদ হৈছে। ক'ভিড মহামাৰীৰ বাবে যোৱা দুটা বছৰ আন্দোলন স্থগিত আছিল যদিও জাতীয় সংগঠনবোৰে পুনৰ আন্দোলন আৰম্ভ কৰাৰ বাবে প্ৰস্তুতি চলাইছে। অৱশ্যে বিষয়টো সদ্যহতে উচ্চতম ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে, সেয়ে অসমৰ জনসাধাৰণে উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ বাবে অপেক্ষা কৰিবলগীয়া হৈছে। অৱশ্যে উচ্চতম ন্যায়ালয়ৰ ৰায় সংশ্লিষ্ট সকলোৰে বাবেই অত্যন্ত গুৰুত্বপূৰ্ণ। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে এই আইনখন গৃহীত কৰি মুছলমানসকলক বাদ দি হিন্দু, জৈন, পাৰ্চি, খ্ৰীষ্টান, শিখ আদি ধৰ্মীয় নিৰ্যাতিত লোকসকলক অসম চুক্তি অমান্য কৰি ২০১৪ চনলৈকে ভাৰতত প্ৰৱেশ আৰু আশ্ৰয় দিয়াৰ বাবে অনুমোদন কৰি বিদেশৰ নাগৰিকক আশ্ৰয় বা নাগৰিকত্ব দিয়াটো দেশৰ সংবিধান বৰ্হিভূত নাইবা আইন বিৰোধী স্থিতি গ্ৰহণ কৰা বুলি অভিযোগ উত্থাপন হৈছে। অসমৰ জনসাধাৰণে এই আইনক ছবছৰীয়া আন্দোলনৰ ঐতিহাসিক অসম চুক্তিক নস্যাৎ কৰিছে আৰু আনহাতে দেশৰ সংবিধান অমান্য কৰা বুলি ৰাজ্যখনৰ জনসাধাৰণে অভিযোগ কৰিছে। এই সংক্ৰান্তত অসমৰ সকলো খিলঞ্জীয়া জনগোষ্ঠী অসমীয়া প্ৰমুখ্যে সকলোৰে ভাষিক, সাংস্কৃতিক, জাতীয় পৰিচয়ৰ প্ৰতি ভাবুকি আহিব। প্ৰতিজন অসমীয়াই শংকিত হৈছে। এইক্ষেত্ৰত অসমৰ বিভিন্ন সন্থা, ৰাজনৈতিক দল, বুদ্ধিজীৱী তথা সমাজ সচেতন লোকে দুয়োখন চৰকাৰকে দাবী জনাই আহিছে। চৰকাৰৰ এইক্ষেত্ৰত গুৰুত্বৰ অভাৱে ৰাজ্যবাসীলৈ পুনৰবাৰ আন্দোলনৰ বাবে ঠেলি দিছে। যিটো অসম চুক্তিৰ পিছত অসমৰ ৰাইজে কামনা কৰা নাছিল। অৱশেষত 'কা' আইন প্ৰৱৰ্তনৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ দৃঢ় মনোভাৱে এনে ভাবুকি আৰু শংকাত জনসাধাৰণ পুনৰ আন্দোলনত নামিব লগা হৈছে 'কা' আইন বাতিলৰ বাবেই।



## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

# অসম বিধানসভাৰ মৰ্যাদা অটুট ৰাখক

বিধায়ক মানে হয়তো সহজ-সৰল ভাষাত ৰাইজৰ প্ৰতিনিধি বা কোনো এটা বিশেষ সমষ্টিক প্ৰতিনিধিত্ব কৰি বিধানসভাৰ মজিয়ালৈ নিজ সমষ্টিৰ অভাৱ-অভিযোগ দাঙি ধৰি উন্নয়নৰ বাবে আলোচনা কৰা। লক্ষ্যণীয় তথা চিন্তনীয় বিষয় এইটোৱেই যে বিগত কেইটামান দিনধৰি অসম বিধানসভা উত্তাল কৰা বিৰোধী বিধায়ক অখিল গগৈ ডাঙৰীয়াই কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াই আহিছে। কিন্তু এইখিনিতে এটা কথা জানি লোৱা উচিত যে তেখেত এতিয়া এজন বিধায়ক, পূৰ্বৰ দৰে কোনো সংগঠনৰ নেতা নহয়। বিধায়ক হিচাপে তেওঁ যিখিনি শালীনতা পৱিত্ৰ সদনৰ মজিয়াত বজায় ৰাখিব লাগিছিলে তাৰ বিপৰীতে এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰাটো পৰিলক্ষিত হৈছে। আচলতে অকল অখিল গগৈ ডাঙৰীয়া বুলিয়েই নহয়, শাসকীয় দলৰ প্ৰতিনিধিসকলেও এইটো কথা জানি লোৱা উচিত যে ৰাজ্যৰ সংবাদ মাধ্যমে সাধাৰণতে বৰ্তমান সময়ত আপোনালোকৰ পৰা এনেধৰণৰ আচৰণেই হয়তো বিচাৰে। কিয়নো বিতৰ্কিত মন্তব্যৰে উত্তাল কৰা বাতৰি যেতিয়া সংবাদ মাধ্যমত প্ৰচাৰিত হ'ব তেতিয়াই চেনেলটোৰ লগতে আপোনালোকৰো জনপ্ৰিয়তা বৃদ্ধি পাব। কথাটো হ'ল যে কেইজনমান তথাকথিত বিধায়কে কেৱলমাত্ৰ টেলিভিছনৰ পৰ্দাত দপ্দপাই থকাৰ বাবেহে বিতৰ্কৰ কাষ চাপে আৰু শাসকীয় দলৰ কেইজনমান বিধায়কে আকৌ প্ৰত্যুত্তৰ দিবলৈহে যেন বৈ থাকে। আচলতে এইবোৰৰ পৰা বিধানসভাৰ মজিয়াত কোনো বিশেষ বাৰ্তা সৰ্বসাধাৰণৰ জনতাৰ মাজলৈ নাযায়, যায় মাথোঁ নিকৃষ্ট তথা নিম্ন মানৰ ৰাজনীতিৰ নমুনা। কোনে কেইটকাৰ কাপোৰ পিন্ধে, কোনে দামী ঘড়ী পিন্ধে এইবোৰে ৰাজ্যৰ ৰাজনীতিত চৰম আঘাত সানিব লোৱাৰ দৰে হৈ পৰিছে। গঠনমূলক, সৃষ্টিমূলক, সাৰ্বজনীন, শৈক্ষিক বাতাবৰণ সমৃদ্ধ আলোচনা যেন অসম বিধানসভাৰ মজিয়াত আজিকালি দেখিবলৈ বা শুনিবলৈ পোৱা নাযায়। বিৰোধী যদি ডালে ডালে তেনেহ'লে শাসকীয় দলৰ প্ৰতিনিধি সকলো পাতে পাতে। এনেকৈ আচলতে নিজৰ নিজৰ ব্যক্তিত্ব প্ৰকাশ কৰি আছে এইসকল ৰাইজৰ নেতাই। পূৰ্বৰ দৰে বৰ্তমান আৰু অসম বিধানসভাৰ সুস্থ বাতাবৰণ সমৃদ্ধ আলোচনা-বিলোচনা যেন ক'ৰবাত হেৰাই গ'ল। লক্ষ্য কৰিছোঁ কেইজনমান বিধায়কে আকৌ দুটা পক্ষৰ মাজত কাজিয়া হ'লে চাই বৰ আমোদ পায়। হয়তো তেওঁলোকে কমেডি শ্ব' চাবলৈহে আছে। তাৰ ভিতৰত এজন হৈছে সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ আৰু এআইইউডিএফ দলৰো কে'বাজনো বিধায়ক আছে তেওঁৰ সংগ লাভ কৰা। নাজানো এই সকল ৰাইজৰ প্ৰতিনিধিয়ে নিজ সমষ্টিৰ কি বিকাশ আনিব। এতিয়া যেন বিধানসভা বুলিলে এখন ডেইলী মাছ বা শাক-পাচলিৰ বজাৰ তেনেকুৱাহে লাগে। মাননীয় বিধানসভাৰ অধ্যক্ষ মহোদয়ে এইবোৰ দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰি কিবা নতুন আইন-কানুন ৰূপান্তৰ কৰিবলৈ অনুৰোধ জনালোঁ, নহ'লে আহিবলগীয়া দিনবোৰত এনেধৰণৰ ৰাইজৰ প্ৰতিনিধিয়ে বিধানসভাৰ মজিয়াত ভয়ংকৰ ৰূপ ধাৰণ কৰিব পাৰে তাত কোনো সন্দেহ নাই।

■ **চন্দন কুমাৰ নাথ**

*ফোন: ৯১৩২৮৪৯৭২৬*

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# মহিষ মৰ্দিনী দেৱী দুৰ্গা

■ **নগেন তালুকদাৰ**

অতি প্ৰাচীন কালৰে পৰা হিন্দুসকলৰ অতি পৱিত্ৰ গ্ৰন্থ হিচাপে স্বীকৃতি পোৱা গ্ৰন্থ 'শ্ৰীশ্ৰীচণ্ডী'। মহাঋষি মাৰ্কাণ্ড এই গ্ৰন্থখনৰ ৰচক। মাৰ্কাণ্ডেয় পুৰাণৰ অন্তৰ্গত এই গ্ৰন্থখন। মাৰ্কাণ্ডেয় পুৰাণৰ ৮১তম্ অধ্যায়ৰ পৰা ত্ৰিনৱতিতম্ অধ্যায়লৈ মুঠ ১৩টা অধ্যায়ক চণ্ডী বোলা হয়। চণ্ডী গ্ৰন্থত মহিমাময়ী দেৱীৰ মহিমা বৰ্ণিত হৈছে। চণ্ডী গ্ৰন্থত বৰ্ণিত দেৱী জগত সৃষ্টি, স্থিতি প্ৰলয়ৰ মূল। এই পৰম শক্তিৰ বলতে সমগ্ৰ সৃষ্টিৰ উত্থান-পতন সম্ভৱ হয়। এই শক্তিয়েই বিশ্ব ব্ৰহ্মাণ্ডৰ স্ৰষ্টা। তিনিটা চৰিতত বৰ্ণনা কৰা 'শ্ৰীশ্ৰী চণ্ডী' পুৰাণৰ তিনিওটা চৰিততে দেৱতাসকলে প্ৰতিহত কৰিব নোৱাৰা তিনিটা দৈত্যক দেৱীয়ে পৰম বিক্ৰমেৰে নিধন কৰিছিল। সেই দেৱী নিত্যা, জন্ম-মৃত্যু ৰহিতা। 'শ্ৰীশ্ৰীচণ্ডী' গ্ৰন্থখনৰ মধ্যম চৰিতত উল্লেখ কৰা এটি আখ্যানৰ জৰিয়তে দেৱী দুৰ্গাৰ সৃষ্টি বৰ্ণনা দিবলৈ লৈছোঁ।

ৰম্ভা নামৰ এটা অসুৰে শিৱক ত্ৰিভুবন বিজয়ী পুত্ৰৰূপে পাবলৈ তপস্যা কৰাত শিৱই সেই তপস্যাত মুগ্ধ হৈ ৰম্ভাসুৰক বৰ প্ৰদান কৰে। বৰ লৈ ৰম্ভাই গৃহাভিমুখে গমন কৰা সময়ত বাটত এগৰাকী তিনিবছৰীয়া মহিষীক লগ পায়। মহিষীক দেখি ৰম্ভাৰ সংগম কৰিবলৈ ইচ্ছা যোৱাত তেওঁ মহিষীৰ লগত সম্ভোগ কৰে। সময়ত মহিষীৰ গৰ্ভত জন্ম হয় মহিষাসুৰৰ। এই মহিষাসুৰে কালক্ৰমত মহাপৰাক্ৰমী, প্ৰবল প্ৰতাপী আৰু অত্যাচাৰী হৈ উঠি পৃথিৱীৰ সকলোকে পৰাজয় কৰি স্বৰ্গৰাজ্য অধিকাৰ কৰাৰ মন মেলি দেৱৰাজ ইন্দ্ৰৰ লগত এশ বছৰ যুদ্ধ কৰে। এই যুদ্ধত ইন্দ্ৰ দেৱতাক পৰাজিত কৰি মহিষাসুৰে স্বৰ্গৰাজ্য অধিকাৰ কৰিলে। নিৰুপায় হৈ দেৱগণে স্বৰ্গৰাজ্য এৰি পলায়ন কৰিলে। বিপদ ঘণ্টা বাজি উঠিল ত্ৰিভুৱনৰ সৰ্বত্ৰ। ইয়াৰ প্ৰতিকাৰৰ বাবে স্বৰ্গৰ তেত্ৰিশ কৌটি দেৱতা গৈ উপস্থিত হ'ল ব্ৰহ্মাৰ ওচৰত। দেৱতাসকলে নিজৰ দুখ-দুৰ্গতিৰ কথা ব্ৰহ্মাৰ আগত কৈ দুখ মোচনৰ উপায় বিচাৰিলে। তাৰ পিছত ব্ৰহ্মাক লৈ দেৱতাসকল উপস্থিত হ'ল শিৱৰ ওচৰত। শেষত ব্ৰহ্মা, শিৱ আৰু দেৱতাসকল গৈ বিষ্ণুৰ ওচৰ চাপিল। ব্ৰহ্মা আৰু শিৱৰ কথা শুনি ব্ৰহ্মা, বিষ্ণু আৰু শিৱ (মহেশ্বৰ)ৰ প্ৰচণ্ড খং উঠিল। বিষ্ণুৱে মহিষাসুৰ নিধন হ'ব বুলি দেৱতাসকলক আশ্বাস বাণী শুনাই তেওঁলোকক মেৰু পৰ্বতৰ ওপৰলৈ যাবলৈ উপদেশ দিলে। বিষ্ণুৰ উপদেশমৰ্মে সকলো দেৱতা গৈ মেৰু পৰ্বতৰ শিখৰত উপস্থিত হ'ল। মেৰু পৰ্বতত মহিষাসুৰ এগৰাকী নাৰীৰ হাতত নিধন হ'ব বুলি ব্ৰহ্মাই দিয়া বৰৰ কথা সকলো দেৱতাকে স্মৰণ কৰাই দিছিল। কিন্তু দেৱতাসকলে জনা নাছিল সেই নাৰীগৰাকী কোন? তেওঁৰ নিৱাস স্থান ক'ত? ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ প্ৰচণ্ড খঙত তেওঁলোকৰ মুখৰ পৰা মহাতেজ নিৰ্গত হ'ল। সেই তেজৰ সংমিশ্ৰণত সৃষ্টি হ'ল এগৰাকী ত্ৰিভুবন মোহিনী অপৰূপা নাৰীৰ। এই গৰাকী নাৰীয়েই ত্ৰিভুবন মোহিনীৰ ৰূপত মহাশক্তিশালিনী, অত্যাচাৰ উৎপীড়ন ধ্বংসকাৰিণী, জগদ্ধাত্ৰী মহামায়াদেৱী ভগৱতী। দেৱতাসকলৰ দুখ-দুৰ্গতিৰ সময়ত আৱিৰ্ভূতা হোৱা বাবে ব্ৰহ্মাই তেওঁৰ নামকৰণ কৰিলে দুৰ্গা। নাৰী মূৰ্তিৰ মুখমণ্ডল সৃষ্টি হ'ল শিৱৰ তেজৰ পৰা, যমৰ তেজৰ পৰা কেশ, বিষ্ণুৰ পৰা বাহুযুগল, চন্দ্ৰৰ পৰা স্তনযুগল, ইন্দ্ৰৰ পৰা বাকিদেহ, বৰুণৰ পৰা জংঘা আৰু উৰুদেহ, ধৰণীৰ পৰা নিতম্ব, ব্ৰহ্মাৰ পৰা পদদ্বয়, সূৰ্যৰ পৰা পদাংগুলি, বসুগণৰ পৰা হস্তাংগুলি, কুবেৰৰ পৰা নাসিকা, বায়ুৰ পৰা কৰ্ণযুগল, সন্ধ্যাৰ পৰা ভ্ৰূযগ আদিৰ সৃষ্টি হ'ল। পৰম ৰহস্যময় এই দেৱীৰ অবৰ্ণনীয় ৰূপ দেখি দেৱতাসকল আনন্দিত হ'ল। অত্যাচাৰী মহিষাসুৰক বধ কৰিবৰ বাবে দশভূজা, ত্ৰিণয়নী ৰূপেৰে আৱিৰ্ভূতা মহামায়া ভগৱতীক আনন্দতে দেৱতাসকলে দেৱ অস্ত্ৰেৰে বিভূষিত কৰি তুলিলে। শিৱই দিলে ত্ৰিশূল, বিষ্ণুৱে দিলে চক্ৰ, ইন্দ্ৰই বজ্ৰ আৰু গজঘণ্টা, ধনু-কাঁড়, বৰুণে শংখ, অগ্নিয়ে যাঠি, বায়ুয়ে ধনুকাঁড়, যমে কালদণ্ড, ব্ৰহ্মাই কামণ্ডলু আৰু ৰুদ্ৰাক্ষৰ মালা, সূৰ্য দেৱতাই দেৱীৰ শৰীৰৰ উজ্জ্বল কিৰণ, মৃত্যু দেৱতাই খড়্গ আৰু ঢাল, বিশ্বকৰ্মাই কুঠাৰ আৰু অভেদ্য বৰ্ম, সমুদ্ৰই পদ্মৰমালা আৰু গিৰিৰাজ হিমালয়ে দেৱীক বাহন হিচাপে দিলে এটা সিংহ। দেৱ-দেৱতাৰ প্ৰদত্ত নানা অস্ত্ৰ অলংকাৰেৰে সজ্জিতা জগৎ মাতা দেৱী দুৰ্গাই ভয়ংকৰ গৰ্জনেৰে পৃথিৱী, আকাশ কঁপাই মহিষাসুৰ বধৰ বাবে অগ্ৰসৰ হ'ল। দশভূজা দুৰ্গাই অসুৰ যুদ্ধত উঠিপৰি লাগি মহিষাসুৰৰ সকলো সেনাপতি আৰু সৈন্য বধৰ লগতে মহিষাসুৰকো বধ কৰি দেৱলোক আৰু মৰ্ত্যলোকত শান্তি প্ৰতিষ্ঠা কৰিলে। এয়াই হ'ল মহিষমৰ্দিনী দেৱী দুৰ্গা। শব্দক কল্পদ্ৰুমৰ শব্দতত্ত্ব অনুসৰি দুৰ্গা শব্দৰ অৰ্থ বিশ্লেষণ কৰিলে 'দ'ই দৈত্য নাশ, 'উ'ই বিপদ নাশ, 'ৰ'ই ৰোগ নাশ, 'গ'ই পাপ নাশ আৰু 'আ'ই ভয় আৰু শত্ৰু নাশ কৰা বুজায়। শ্ৰীশ্ৰীচণ্ডী পাঠত মহামায়া দুৰ্গাদেৱীয়ে ভক্তক ৰক্ষা কৰাৰ বাবে সময়ে সময়ে আৱিৰ্ভাৱ হোৱাৰ কথা উল্লেখ কৰি ভক্তক অভয়বাণী শুনাইছে এনেদৰে- পৃথিৱীত যেতিয়াই দানৱ আৰু অসুৰৰ উৎপাত বৃদ্ধি হ'ব তেতিয়াই মই আৱিৰ্ভূতা হৈ দুষ্ট শক্তিক দমন কৰি শান্তি প্ৰতিষ্ঠা কৰিম।

দুৰ্গা ৰূপত দেৱীক শৰৎ আৰু বসন্ত ঋতুত মহা আড়ম্বৰেৰে পূজা কৰা হয়। ব্ৰহ্ম বৈৱৰ্ত্ত পুৰাণ মতে, মহাৰাজ সুৰথে প্ৰথমতে বসন্ত কালত দুৰ্গা পূজা কৰিছিল। বসন্ত কালত দেৱী দুৰ্গাক পূজা কৰা বাবে সেই পূজাক বাসন্তী পূজা বুলি অভিহিত কৰা হৈছে। ৰাৱণ বধৰ নিমিত্তে ত্ৰেতা যুগত শ্ৰীৰামচন্দ্ৰই অকাল বোধন কৰি শৰৎ কালত পূজা কৰিছিল। অকাল বোধনৰ আভিধানিক অৰ্থ হৈছে অসময়ত টোপনিৰ পৰা জগাই আমন্ত্ৰিত কৰা। সূৰ্য যেতিয়া দক্ষিণায়নত থাকে। দেৱৰাজ ইন্দ্ৰই ৰামৰ সমস্যা সমাধান কৰাৰ বাবে প্ৰজাপতি ব্ৰহ্মাক যেতিয়া প্ৰাৰ্থনা কৰিছিল তেতিয়াই ব্ৰহ্মাই ৰামক আদ্যশক্তি দুৰ্গাদেৱীৰ অকাল বোধন পূজা কৰাৰ বাবে উপদেশ দিছিল। কথিত আছে যে শৰৎ কালত দেৱ-দেৱীসকল নিদ্ৰামগ্ন হৈ থাকে। সেয়ে শংখ, ঘণ্টা, ডবা, কাঁহ, ঢোল-দুন্দুভি বজাই ধূপ-ধূনা, ফুল, বেলপাত, নৈবেদ্যৰে দেৱীক পূজা কৰি নিদ্ৰামগ্ন দেৱীক জাগ্ৰত কৰি তোলা বাবে শৰৎ কালত অকাল বোধন পূজা কৰিবলৈ ব্ৰহ্মাই আজ্ঞা দিছিল। ব্ৰহ্মাবৈৱৰ্ত পুৰাণ মতে, সৃষ্টিৰ আদিতে আদ্যশক্তি দুৰ্গাক গোলক ধামত আৰু তাৰ



পিছত শ্ৰীকৃষ্ণই বৃন্দাবনৰ ৰাসমণ্ডপত, দ্বিতীয়তে মধুকৈটভৰ ভয়ত ব্ৰহ্মাই পৰিত্ৰাণৰ বাবে দুৰ্গাক পূজে, তৃতীয়তে মহাদেৱে, চতুৰ্থতে দুৰ্বাশাৰ শাপত ভ্ৰষ্টমী ইন্দ্ৰই আৰু তাৰ পাছত শ্ৰেষ্ঠ মণিসৰে, মানৱ, দানৱসকলে অভীষ্ট সিদ্ধিৰ অৰ্থে দেৱী দুৰ্গাক পূজিবলৈ লয়। যি কি নহওক, দুৰ্গা শক্তিৰ আধাৰ। অত্যাচাৰ-উৎপীড়নৰ পৰা ৰক্ষা পাবৰ বাবে, অপায়-অমংগল তথা দুখ-দুৰ্দশাৰ পৰা হাত সাৰিবৰ বাবে আদ্যাশক্তি স্বৰূপা মহিষ মৰ্দিনী ৰূপত প্ৰতিমূৰ্তি নিৰ্মাণ কৰি দুৰ্গাক পূজা কৰা তথা স্মৰণাতীত কালৰ পৰা চলি আহিছে। প্ৰাচীন সাহিত্য অনুযায়ী মাহামায়া দেৱী দুৰ্গাৰ ১০৮ টা নাম আছে। নামবোৰ হ'ল- (১) দুৰ্গা (২) ভৱানী (৩) দেৱাশী (৪) বিশ্বনাথ প্ৰিয়া (৫) শিৱা (৬) ঘোৰসংস্থা (৭) কল্যাণী (৮) মুণ্ডমালা (৯) বিভূষণা (১০) ৰুদ্ৰাণী (১১) তাৰিণী (১২) তাৰা (১৩) মহেশী (১৪) ভৱবল্লভা (১৫) মহেশ্বৰী (১৬) নাৰায়ণী (১৭) সিদ্ধিদাত্ৰী (১৮) মহাদেৱপ্ৰিয়া (১৯) জয়া (২০) বিজয়া (২১) জয়ৰাধা (২২) শৰ্বাণী (২৩) হৰবল্লভা (২৪) অসিতা (২৫) চানিমা (২৬) দেৱী (২৭) লঘিমা (২৮) গৰিমা (২৯) শুভা (৩০) বিস্কণী (৩১) গৌৰী (৩২) পৰ্বত নন্দিনী (৩৩) নিত্যা (৩৪) লক্ষ্মী (৩৫) নিস্কলাংকা (৩৬) নিৰিহা (৩৭) নিক্যানুতনা (৩৮) ৰক্তা (৩৯) ৰজমুখী (৪০) বানী (৪১) বসুযুক্তা (৪২) বসুপ্ৰদা (৪৩) ৰামপ্ৰীয়া (৪৪) ৰামৰতা (৪৫) ৰমা (৪৬) ৰামা (৪৭) বৰপ্ৰদা (৪৮) ৰাজেশ্বৰী (৪৯) ৰাজ্যৰতা (৫০) কৃষ্ণা (৫১) বিদ্যা (৫২) অম্বিকা (৫৩) যশোদা (৫৪) ৰাধিকা (৫৫) ডণ্ডী (৫৬) দ্ৰৌপদী (৫৭) ৰুক্মিণী (৫৮) শিৱানী (৫৯) গুহপ্ৰিয়া (৬০) গুহৰতা (৬১) ত্ৰিশূলধাৰিণী (৬২) পদ্মা (৬৩) পৰমা সুন্দৰী (৬৪) গণেশ জননী (৬৫) জগদম্বা (৬৬) বিশ্বৰূপা (৬৭) জাহ্নবী (৬৮) গংগা (৬৯) কালী (৭০) কাশী (৭১) ভৈৰৱী (৭২) নিৰ্মলা (৭৩) ভুৱনেশ্বৰী (৭৪) দেৱীকা (৭৫) দেৱ (৭৬) দক্ষজা (৭৭) দক্ষিণা (৭৮) দক্ষা (৭৯) সুশীলা (৮০) যক্ষবিনাশীনি (৮১) সুন্দৰী (৮২) সৌম্যা (৮৩) মাতংগী (৮৪) কমলা (৮৫) নিশুম্ভ (৮৬) শুভনাশিনী (৮৭) চণ্ডনালিনী (৮৮) ধুম্ৰলোচন সংহস্ত্ৰী (৮৯) মহিষাসুৰ মৰ্দিনী (৯০) উমা (৯১) কামিনী (৯২) কৰালোগ্ৰা (৯৪) বিশ্বৰূপিনী (৯৫) সংকটহৰিনী (৯৬) মংগলকাৰিনী (৯৭) দুৰ্গতিনাশিনী (৯৮) অসুৰ ঘাটিনী (৯৯) পাৰ্বতা (১০০) চণ্ডিকা (১০১) গিৰিজা (১০২) আদ্যশক্তি (১০৩) ভাগীৰথী (১০৪) হৈমাৱতী (১০৫) মহামায়া (১০৬) অন্নপূৰ্ণ (১০৭) অন্নদা (১০৮) জগদ্ধাত্ৰী। শেষত—

যা দেৱী সৰ্বভূতেষু শক্তিৰূপেণ সংস্থিতা।
নমস্তসৈ নমস্তসৈ নমস্তসৈ নমো নমঃ।।

*ফোন ঃ ৬০০০৩৬৮৮৩১*

# কৰ্মৰ ফলাফল আৰু আত্মবিশ্লেষণৰ প্ৰাসংগিকতা

■ **চুমিন্দ্ৰ চৌধুৰী**

সাম্প্ৰতিক ৰাজ্যখনৰ শিক্ষা আৰু কৰ্ম দুয়োখন ক্ষেত্ৰত হৈ যোৱা চূড়ান্ত আৰু বাছনি পৰীক্ষাসমূহৰ পৰিসমাপ্তিৰ পাছত শিক্ষাৰ্থী-প্ৰশিক্ষাৰ্থীসকলৰ লগতে কৰ্মসংস্থাপন লাভৰ বাবে হাবাথুৰি খোৱা আবেদনকাৰীসকলে নানাধৰণৰ মানসিক অৱস্থাৰ সন্মুখীন হ'ব লগা হৈছে। দৰাচলতে সফলতা আৰু বিফলতা দুয়োটাকে একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি বুলি কোৱা হয় যদিও প্ৰকৃততে ভুক্তভোগী এজনৰ বাবে বিফলতাৰ বিষাদ অগ্ৰাহ্য কৰিব পৰাটো সহজ কথা নহয়। বিফলতাক জীৱনৰ যাত্ৰাপথত সন্মুখীন হোৱা ৰ'দ-বতাহ আৰু বৰষুণৰ দৰে বাস্তৱিক পৰিঘটনা বুলি ভাবি নিজৰ প্ৰয়াস অবিৰত ৰাখি আগুৱাই যোৱাজনক সফলতাপ্ৰাপ্তিৰ পৰা স্বয়ং ভগৱানেও বঞ্চিত কৰিব নোৱাৰে। আনহাতে, সফলতা লাভ কৰাজনেও একেই উদ্দীপনা আৰু প্ৰয়াসেৰে প্ৰাপ্ত সাফল্যক পৰৱৰ্তী স্তৰলৈ উন্নীত কৰিবলৈ চেষ্টা কৰিব লাগিব। লগতে আনকো সেই সফলতা প্ৰাপ্তিৰ সমভাগী কৰিব পাৰিব লাগিব। তেতিয়াহে তেওঁৰ সফলতাৰ গৰিমা চিৰযুগমীয়া হৈ ৰ'ব। গতিকে সফলতাৰ সোৱাদত মচগুল হৈ নপৰি এজন সফল ব্যক্তিয়ে নিজৰ সৈতে প্ৰতিযোগিতা কৰি আগুৱাই যাব পাৰিলে ভৱিষ্যতে অভাৱনীয় সাফল্য প্ৰাপ্তি লাভ কৰিব পাৰিব। সফল-বিফল দুয়োজন ব্যক্তিৰে নিজৰ আগ্ৰহ আৰু নিৰন্তৰ অধ্যৱসায়ৰ বাবে বিভিন্ন স্তৰৰ সফলতাই তেওঁলোকক তেওঁলোকৰ ছাঁৰ দৰে অনুসৰণ কৰে। কিন্তু নিজৰ ছাঁটোৰ অস্তিত্ব কেৱল পোহৰতে দেখা যায়। সেইবাবে সফল-বিফল দুয়োজন ব্যক্তিয়ে জ্ঞান আৰু বুদ্ধিৰে আলোকিত ক্ষেত্ৰ এখনৰ মাজত থাকিহে অধ্যয়ন, বিশ্লেষণ আৰু প্ৰয়াসৰ জৰিয়তে নিজৰ নিজৰ লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হ'ব। এইখিনিতেই আপোনালোকক আজি মই মহাত্মা তথাগত আৰু এজন জাপানীজ জেন গুৰুৰ দুটা পৃথক পৃথক কাহিনী অৱগত কৰিব বিচাৰিম। এবাৰ এজন ছাত্ৰই নিজৰ লক্ষ্যত বিফলতা লাভ কৰাৰ বাবে হতাশাগ্ৰস্ত হৈ ভগৱান বুদ্ধৰ ওচৰ চাপিছিল। সৰ্বজান্তা দয়ালু তথাগতে ছাত্ৰজনৰ মনৰ বিষাদ আৰু হতাশাৰ কথা সন্তেদ পাইছিল। প্ৰভু তথাগতে ছাত্ৰজনক সেই হতাশা আৰু বিষাদৰ পৰা মুক্ত কৰাৰ সিদ্ধান্ত লৈছিল। ছাত্ৰজনক অনুসৰণ কৰিবলৈ কৈ মহাপ্ৰভুৱে এখন অৰণ্যৰ ফালে খোজ মেলিছিল। ভগৱান তথাগতৰ উপদেশ সাৰোগত কৰি ছাত্ৰজনেও তেওঁৰ পাছে পাছে অনুসৰণ কৰি গৈ আছিল। কিছু দূৰ বাট অতিক্ৰম কৰাৰ পাছত ভগৱান বুদ্ধই ছাত্ৰজনক উদ্দেশ্যি কৈছিল-কল্পনা কৰা তুমি এই অটব্য অৰণ্যখনৰ মাজেদি গৈ থাকোঁতে হঠাৎ ক'ৰবাৰ পৰা উৰি অহা এপাট শৰে তোমাৰ শৰীৰ শালি পেলালে। তেতিয়া তোমাৰ অৱস্থা পীড়াদায়ক ন'হবনে? মহাপ্ৰভুৰ প্ৰশ্নটো শুনি শেঁতা পৰা মুখৰ ছাত্ৰজনে নিম্ন স্বৰত ভক্তিসহকাৰে কৈছিল-নিশ্চয় কষ্ট পাম প্ৰভু। এতিয়া কল্পনা কৰা প্ৰথমপাট শৰৰ পীড়া উপশম হোৱাৰ আগতেই দ্বিতীয় এপাট শৰ তীব্ৰ বেগত আহি তোমাৰ শৰীৰৰ আন এঠাইত খোঁচ মাৰি দিলেহি। দ্বিতীয়পাট শৰৰ আঘাতত তোমাৰ কিমান পীড়া হ'ব? প্ৰভু তথাগতৰ দ্বিতীয়টো প্ৰশ্ন শুনি এইবাৰ ছাত্ৰজনে চকু দুটা ডাঙৰকৈ মেলি কৈছিল- প্ৰভু বহুত বেদনাদায়ক হ'ব। দ্বিতীয়পাট শৰৰ আঘাতত শৰীৰৰ পীড়া দুগুণ বৃদ্ধি পাব। হয়তো ইয়াক সহ্য কৰাটোৱেই অসম্ভৱ হৈ পৰিব। সত্য কথা বুলি কৈ প্ৰভু বুদ্ধই ক্ষন্তেকৰ বাবে নীৰৱ হৈ পুনৰ ছাত্ৰজনক কৈছিল- যেতিয়া আমি দুৰ্ভাগ্যৰ সন্মুখীন হওঁ তেতিয়া দুপাট শৰ আমাৰ ফালে উৰি আহে। প্ৰথম শৰপাটে প্ৰিয়জনৰ মৃত্যু, প্ৰিয়জনৰ সৈতে বিচ্ছেদ, মূল্যৱান সম্পত্তিৰ বিনাশ, আকস্মিক দুৰ্ঘটনাগ্ৰস্ত হোৱা অথবা ৰোগাক্ৰান্ত হোৱা ইত্যাদি অশুভ ঘটনাক বুজায়। আমাৰ সকলোৰে বাবে এইপাট শৰৰ আঘাত অনিবাৰ্য। কিন্তু দ্বিতীয়পাট শৰ হৈছে বৈকল্পিক। এইপাট শৰ হৈছে প্ৰথমপাট শৰৰ আঘাতৰ ওপৰত আমাৰ প্ৰতিক্ৰিয়া। এই শৰপাটে প্ৰথম পাট শৰে সংঘটিত কৰা দুৰ্ভাগ্যজনক ঘটনাবোৰৰ নেতিবাচক দিশ তথা চিন্তা-ভাৱনাক প্ৰতিনিধিত্ব কৰে। এইপাট শৰে আমাৰ বাবে অযথা আৰু অতিৰিক্ত দুখ-কষ্ট কঢ়িয়াই আনে। আমাৰ হৃদয়ত হতাশা, আত্ম-পৰিহাস আৰু অসন্তুষ্টি আদি নেতিবাচক অনুভৱ জগাই প্ৰথমপাট শৰে সংঘটিত কৰি থৈ যোৱা অবাঞ্ছিত ঘটনাবোৰৰ ওপৰত প্ৰতিক্ৰিয়া কৰি আমাৰ দুখ-কষ্ট বহু গুণে বৃদ্ধি কৰে। প্ৰথমপাট শৰৰ আঘাতৰ পৰা আমি কোনেও নিস্তাৰ নাপাওঁ। কিন্তু দ্বিতীয়পাট পছন্দৰ সম্ভাৱনাৰ সৈতে আহে। আমি প্ৰত্যেকেই জীৱনত সচাঁকৈয়ে নানাধৰণৰ কষ্টজনক পৰিস্থিতিৰ সন্মুখীন হওঁ। পাছে আমাৰ মনৰ মাজৰ পৰা উৰি অহা দ্বিতীয়পাট শৰে দিয়া আঘাতৰ পীড়া অতি অসহ্যকৰ। আমাক অনুভৱ কৰায় যে আমাৰ সৈতে অন্যায় কৰা হৈছে তথা আমি ভাগ্যৰ বলি হৈছোঁ। প্ৰভু অমিতাভৰ কথাখিনি শুনাৰ পাছত ছাত্ৰজনৰ মনৰ পৰা বিষাদ আৰু হতাশা আঁতৰি গৈছিল। ছাত্ৰজনে বুজি পাইছিল যে তেওঁ তেওঁৰ বাবে নিয়তিয়ে স্থিৰ কৰা পীড়াৰ মাজেৰেই পাৰ হৈ যাব লাগিব। লগতে ছাত্ৰজনে এইটোও বুজিছিল তেওঁৰ ওচৰত এতিয়া বিকল্প আছে। পীড়াৰ বেদনাৰ পৰা মুক্ত হৈ পীড়াৰ মাজেৰে পাৰ হৈ যোৱাৰ বিকল্প। নিজৰ বিফলতা অথবা দুখ-কষ্টৰ বাবে আনক দোষাৰোপ নকৰি আৰু ভাগ্যক ধিয়াই হাত সাৱটি নাথাকি সেইবোৰৰ আত্মবিশ্লেষণ কৰি আত্মপ্ৰয়াসেৰে সকলোধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। এয়াই আছিল এজন বিফল ছাত্ৰৰ প্ৰতি প্ৰভু তথাগতৰ অমৃত জ্ঞান। এতিয়া আপোনালোকক অৱগত কৰাব বিচাৰিম জেন বৌদ্ধ ধৰ্মৰ এজন গুৰুৰ আনটো কাহিনী।

বহু বছৰ আগত জাপানৰ ওচাকা চহৰৰ উপকণ্ঠৰ এখন গাঁৱত এজন প্ৰসিদ্ধ দৌৰবিদ আছিল। তেওঁ ইখনৰ পাছত সিখন দৌৰ প্ৰতিযোগিতাত জয়ী হৈ এটাৰ পাছত আনটো পুৰস্কাৰ বুটলি অতি কম দিনৰে ভিতৰতেই বিখ্যাত হৈ পৰিছিল। যাৰ বাবে প্ৰতিযোগিতাত বিজয়ী হোৱাটোৱেই আছিল একমাত্ৰ উদ্দেশ্য। প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰি বিজয়ীৰ খিতাপ লাভ কৰাটো প্ৰসিদ্ধ দৌৰবিদজনৰ পাছলৈ নিচাত পৰিণত হৈছিল। ওচাকা চহৰত এবাৰ এখন প্ৰতিযোগিতামূলক দৌৰ খেলৰ আয়োজন কৰা হৈছিল। প্ৰসিদ্ধ দৌৰবিদজনেও সেই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বুলি সন্তেদ পাই এজন মহান জেন গুৰু খেলপথাৰত উপস্থিত হৈছিল। প্ৰথমলানিৰ প্ৰতিযোগিতাত দৌৰবিদজনে অনায়াসে নৱ প্ৰজন্মৰ প্ৰতিদ্বন্দ্বীসকলক পৰাজিত কৰি চূড়ান্ত বিজয়ীৰ খিতাপ লাভ কৰিছিল। খেলপথাৰত গোট খোৱা সমগ্ৰ দৰ্শকে জাউৰিয়ে জাউৰিয়ে হাত চাপৰি মাৰি দৌৰবিদজনক অভিনন্দন যাচিছিল। কিন্তু জেন গুৰুজনে অকণো উৎসাহ প্ৰদৰ্শন নকৰি শান্তমনে বহি আছিল। দ্বিতীয়লানি প্ৰতিযোগিতাত দৌৰবিদজন বহুকেইজন শক্তিশালী প্ৰতিদ্বন্দ্বীৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। খেলপথাৰত এক বিশেষ উত্তেজনাৰ সৃষ্টি হৈছিল। কিছু দৰ্শকে দৌৰবিদজন আৰু কিছুই আন প্ৰতিদ্বন্দ্বীসকলৰ সমৰ্থনত চিঞৰ- বাখৰ কৰিছিল। কিন্তু আত্মবিশ্বাসেৰে বলীয়ান প্ৰসিদ্ধ দৌৰবিদজনে সেইবাৰো হেলাৰঙে প্ৰতিদ্বন্দ্বীসকলক পৰাজিত কৰি চূড়ান্ত বিজয়ী হৈছিল। দৌৰবিদজনক অভিনন্দন জনাবলৈ সমগ্ৰ দৰ্শকে মৰা জাউৰিয়ে জাউৰিয়ে হাত চাপৰিত দৌৰবিদজন উৎফুল্ল হৈ পৰিছিল। কিন্তু সেইবাৰো জেন গুৰুজন ভাৱাবেগবিহীন হৈ বহি আছিল। প্ৰসিদ্ধ দৌৰবিদজনে সেইবাৰ গুৰুজনৰ কাষ চাপি সুধিছিল- প্ৰভু আপুনি বাৰু মোৰ সফলতাৰ বাবে সুখী হোৱা নাই নেকি? তেতিয়া জেন গুৰুজনে এটা কোমল হাঁহি মাৰি বাচা তুমি এখন প্ৰকৃত খেলত চূড়ান্ত বিজয়ী হ'লেহে মই সুখী হ'ম বুলি কৈছিল। জেন গুৰুজনে দৌৰবিদজনৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ দৰ্শকসকলৰ মাজৰ পৰা এজনী দুৰ্বল মহিলা আৰু এজন খোৰা মানুহক বাছনি কৰি আনি আন এখন দৌৰ প্ৰতিযোগিতাৰ ঘোষণা কৰিছিল। দৌৰ খেলখনৰ আৰম্ভণিতেই দৌৰবিদজনে মহিলা আৰু খোৰা মানুহজনক থিয় হৈ থকা ঠাইতে এৰি থৈ তীব্ৰ বেগত চূড়ান্ত শাৰীত উপস্থিত হৈছিল। কিন্তু সেইবাৰ কোনো দৰ্শকে দৌৰবিদজনৰ বাবে হাত চাপৰি মৰা নাছিল। তেতিয়াই দৌৰবিদজনে দৰ্শকসকলে তেওঁৰ সফলতাৰ বাবে কিয় হাত চাপৰি মৰা নাছিল বুলি জেন গুৰুজনক প্ৰশ্ন কৰিছিল। জেন গুৰুজনে তেতিয়া দৌৰবিদজনক দুৰ্বল মহিলাজনী আৰু খোৰা মানুহজনকো তেওঁৰ সফলতাৰ সমভাগী সজাবলৈ উপদেশ দিছিল। দৌৰবিদজনে জেন গুৰুৰ কথাখিনি ভালদৰে উপলব্ধি কৰি লৈছিল। পুনৰবাৰ দৌৰবিদজন, দুৰ্বল মহিলাজনী আৰু খোৰা মানুহজনক জেন গুৰুজনে প্ৰতিযোগিতাত ভাগ ল'বলৈ আদেশ দিছিল। গুৰুজনৰ আদেশ শিৰোধাৰ্য কৰি তিনিওজনে দৌৰিব ধৰিছিল। পাছে এইবাৰ দৌৰবিদজনে দুৰ্বল মহিলাগৰাকী আৰু খোৰা মানুহজনকো সমানে আগবাঢ়ি যাবলৈ সহায় কৰিছিল। অৱশেষত তিনিওজনে একলগে খেলপথাৰখনৰ শেষৰ শাৰীত উপস্থিত হৈছিল। লগে লগে খেলপথাৰত উপস্থিত দৰ্শকৰ লগতে জেন গুৰুজনে দুগুণ উৎসাহেৰে জাউৰিয়ে জাউৰিয়ে চাপৰি মাৰি অভিনন্দন জ্ঞাপন কৰিছিল। তেতিয়া দৌৰবিদজন পুনৰ জেন গুৰুজনৰ ওচৰলৈ গৈ সুধিছিল-মহাশয় সমগ্ৰ দৰ্শকে বাৰু কাৰ বাবে ইমান উৎসাহিত হৈ হাত চাপৰি মাৰিছিল? মোৰ বাবে নে আন দুজন প্ৰতিদ্বন্দ্বীৰ বাবে? জেন গুৰুজনে ছাত্ৰজনৰ মূৰত হাত থৈ কৈছিল- বাচা তুমি আজিলৈ জীৱনত খেলা আটাইবোৰ খেলৰ মাজৰ এই খেলখনতেই সকলোতকৈ অধিক বিজয়ী হৈছা। দৰ্শকসকলে বিশেষকৈ আজি কোনো বিজয়ীক অভিনন্দন জনাই হাত চাপৰি বজোৱা নাছিল। জীৱনত কেৱল নিজৰ সফলতা আৰু বিজয়েই একমাত্ৰ উদ্দেশ্য হ'ব নালাগে। একমাত্ৰ নিজৰ সফলতা আৰু বিজয়ক লৈ গুৰুত্ব দিয়া মানুহ এজনৰ কৃতকাৰ্যতাৰ বাবে মানুহে এটা সময়লৈ গৌৰৱ কৰিব। তেওঁৰ সফলতা অথবা কৃতকাৰ্যতাই যদি সমাজক একো উপকৃত নকৰে তেন্তে লাহে লাহে তেওঁৰ কৃতকাৰ্যতাৰ প্ৰতি মানুহৰ আগ্ৰহ নাইকিয়া হৈ পৰে। গতিকে এজন ব্যক্তিৰ সফলতা তথা কৃতকাৰ্যতা আত্মকেন্দ্ৰিক নহৈ সাৰ্বজনীন হ'লে তেওঁৰ সেই সফলতাৰ গৰিমা চিৰস্থায়ী হৈ ৰ'ব। কালৰ পাছত কাল মানুহে তেওঁক স্মৰণ কৰিব। এজন ব্যক্তিয়ে জীৱনত যিকোনো এটা বিষয়ত সফলতাৰ চূড়ান্ত শিখৰত উপনীত হোৱাটোৱেই ডাঙৰ কথা নহয়। ডাঙৰ কথাটো হ'ব সফল হোৱাৰ পাছত তেওঁৰ লগত প্ৰতিযোগিতাত নমা প্ৰতিদ্বন্দ্বীসকলকো সফলতা প্ৰাপ্তিৰ বাবে যদি তেওঁ উৎসাহ তথা সহায়ৰ হাত আগবঢ়ায়। সমাজৰ লোকসকল যিজন ব্যক্তিৰ কৃতকাৰ্যতাৰ হিতাধিকাৰী হ'ব পাৰে তেওঁকহে প্ৰকৃতাৰ্থত এজন সফল ব্যক্তি বুলি ক'ব পৰা যায়। সেইবাবে জীৱনত যেতিয়াই কিবা বিষয়ত সফলতা লাভ কৰোঁ তেতিয়াই আমি আত্মবিশ্লেষণৰ দ্বাৰা প্ৰতিদ্বন্দ্বীসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰদৰ্শন কৰাৰ লগতে আমাৰ সফলতাৰ বাবে তেওঁলোকৰ প্ৰত্যক্ষ আৰু পৰোক্ষ অৱিহণাৰ মূল্যাংকন কৰা উচিত।

উপৰিউক্ত কাহিনী দুটাৰ পৰা এটা কথা বোধগম্য হৈছে যে সফল আৰু বিফল দুয়োজন ব্যক্তিৰ বাবেই আত্মবিশ্লেষণৰ বহুত বেছি প্ৰয়োজনীয়তা আছে। বিফলতাক এপাট অমোঘ বাণৰ দৰে সফলতাৰ সন্ধান কৰিবলৈ আৰু সফলতাক সমাজৰ হিতৰ বাবে উপযোগ্য সজাবলৈ এই আত্মবিশ্লেষণ অপৰিহাৰ্য। সহকৰ্মী—ৰবাৰ্ট এফ ষ্টুৱেৰ্ট, অটিছ জে বেনেপে আৰু আৰ্নল্ড মিচেলে—কোম্পানীৰ পৰিকল্পনাকাৰী বিষয়া এজনে কাৰ্যনিৰ্বাহৰ সময়ত বৰ্তমান সন্মুখীন হোৱা সন্তুষ্টি আৰু ত্ৰুটিৰ লগতে ভৱিষ্যতৰ কাৰ্যকলাপৰ সময়ত সংঘটিত

হ'ব পৰা সুযোগ আৰু ভাবুকি এই চাৰিটা উপাদানক সংযোজন কৰি সংক্ষিপ্ত ৰূপত তৈয়াৰ কৰা বিশ্লেষণ পদ্ধতিৰে কোম্পানীৰ সফলতা-বিফলতাৰ পৰ্যালোচনা কৰিব পৰা যাব বুলিও উল্লেখ কৰিছিল। সেই বছৰতে ইংলেণ্ডৰ হাৰ্ভাৰ্ড গ্ৰেজুৱেট স্কুল অৱ বিজনেছ এডমিনিষ্ট্ৰেচনৰ চাৰিজন সহকৰ্মী এডমাণ্ড পি লাৰ্নেড, চি, ৰোনাল্ড খ্ৰীষ্টেচেন, কেনেথ আৰ এণ্ড্ৰিউজ আৰু উইলিয়াম ডি গুথে ওপৰোক্ত ছফ্ট বিশ্লেষণ পদ্ধতিৰ সামান্য সালসলনি কৰি পূৰ্বৰ চাৰিওটা উপাদানক আভ্যন্তৰীণ আৰু বাহ্যিক মূল্যায়নত বিভক্ত কৰি শ্বট বিশ্লেষণ পদ্ধতি বিকাশ কৰিছিল। লগতে পূৰ্বতে উল্লেখ কৰা সন্তুষ্টি নামৰ উপাদানটোক সামৰ্থ্য আৰু ত্ৰুটি নামৰ উপাদানটোক দুৰ্বলতালৈ পৰিৱৰ্তন কৰি প্ৰযুক্তিগতভাৱে অধিক যুক্তিসংগত আৰু ব্যৱহাৰ্য ৰূপত শ্বট বিশ্লেষণ পদ্ধতি তৈয়াৰ কৰিছিল। আজি কৰ্পোৰেট লীডাৰশ্বিপ ডেভলপমেন্ট প্ৰগ্ৰামৰ কৰ্মশালাসমূহতো শ্বট বিশ্লেষণ পদ্ধতিৰে ব্যক্তিগত সফলতা আৰু বিফলতাৰ বিশ্লেষণৰ অনুশীলন কৰোৱা হয়। এজন ব্যক্তিয়ে সন্মুখীন হোৱা সফলতা-বিফলতাৰ পাছত অথবা নতুনকৈ নিৰ্ধাৰণ কৰা লক্ষ্যত উপনীত হোৱাৰ আগতে এই লেখাটোৰ লগত সংলগ্ন তালিকাখন প্ৰস্তুত কৰি ল'ব লাগে। তালিকাখনৰ চাৰিটা ঘাই উপাদান সামৰ্থ্য, সুযোগ, দুৰ্বলতা আৰু ভাবুকিয়েই যিকোনো এটা কামক প্ৰধানকৈ প্ৰভাৱান্বিত কৰে। সেইবাবে কৰিবলগীয়া তথা ইতিমধ্যেই কৰি পেলোৱা কাম এটাৰ সম্ভাব্য এই চাৰিটা উপাদানক বিচাৰি উলিয়াই নিজক ভৱিষ্যতৰ বাবে প্ৰস্তুত কৰাৰ অতি প্ৰয়োজন।

প্ৰথমেই আমি নিজে চালি-জাৰি শ্বট বিশ্লেষণৰ তালিকাখনত ইতিমধ্যেই সম্পাদন কৰা কামটোৰ বাবে আমাৰ নিজৰ যিবোৰ ব্যক্তিগত সামৰ্থ্য আছিল সেইবোৰ একাদিক্ৰমে লিখি যাব লাগে। দৰাচলতে এইবোৰ সামৰ্থ্যৰ বাবেহে কামটো সম্পন্ন কৰা সম্ভৱপৰ হৈছিল।

দ্বিতীয়তে সামৰ্থ্যৰ বিপৰীতে আমাৰ ব্যক্তিগত দুৰ্বলতাসমূহ এফালৰ পৰা টুকি ল'ব লাগে। যিবোৰ দুৰ্বলতাই আমাৰ লক্ষ্যত উপনীত হোৱাৰ বাবে বাধাৰ প্ৰাচীৰ হিচাপে থিয় দিছিল। যাক প্ৰতিহত কৰাৰ বাবে যথাযথ সামৰ্থ্যৰ সহায় লোৱা হৈছিল।

তৃতীয়তে আমি কামটো সমাধা কৰাৰ পাছত অথবা কামটো কৰি থকা সময়ত বিভিন্ন দিশৰ পৰা আহিব পৰা সম্ভাব্য সুযোগসমূহ বিচাৰি উলিয়াই টুকি থ'ব লাগে। এই সম্ভাব্য সুযোগসমূহ সাধাৰণতে পৰিৱেশৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰে।

চতুৰ্থতে, যিকোনো এটা কাম হাতত ল'লে কামটো কৰি থকা সময়ত অথবা পাছত কেতিয়াবা কিছুমান অনাকাংক্ষিত ভাবুকিৰো সন্মুখীন হোৱা যায়। এই অনাকাংক্ষিত ভাবুকি তালিকাভুক্ত কৰিব লাগে। সাধাৰণতে পৰিৱেশ আৰু পৰিস্থিতি সাপেক্ষে এই ভাবুকিসমূহৰ সম্ভাৱনা আৰু প্ৰাবল্য বেলেগ বেলেগ হয়। এই অনাকাংক্ষিত ভাবুকিবোৰো লক্ষ্যত উপনীত হোৱাৰ প্ৰধান অন্তৰায় হৈ পৰে। শ্বট পদ্ধতিৰে সফলতা আৰু বিফলতাৰ উচিত বিশ্লেষণ কৰি এক নতুন চিন্তাধাৰাৰে জীৱনৰ কৰণীয় কামবোৰ সফলতাৰে সম্পন্ন কৰি ভৱিষ্যতে আগুৱাই যাব পাৰি। গতিকে আহকছোন আমি সকলোৱেই শ্বট বিশ্লেষণৰ অনুশীলন আৰম্ভ কৰোঁ।

*সাহিত্য অভিযন্তা, নয়ডা, উত্তৰ প্ৰদেশ*

# চাওতালসকলৰ 'পূজা পৰ্ব' এক কাহানিৰ আলমত

■ **ৰমেশ চন্দ্ৰ চৰেণ**

চাওতালসকল অসমৰ ভূমিপুত্ৰ। তাহানি কালৰে পৰাই চাওতালসকলে পাহাৰ ভৈয়ামত বসবাস কৰি আহিছে। জল, জংঘল তথা প্ৰকৃতিৰ লগত নিবিড় সম্পৰ্ক থকা চাওতালসকলে কেতিয়াবা প্ৰকৃতিৰ ৰোষৰ পৰা বাচিবলৈ, বিভিন্ন অপশক্তিৰ পৰা ৰক্ষা পাবৰ নিমিত্তে, লগতে সুখ-শান্তি-সমৃদ্ধিৰ হেতু এক পূজা কৰা পৰম্পৰা গঢ় লৈ উঠিছে। আজিও চাওতালসকলে তেওঁলোকৰ সমাজ ব্যৱস্থাত পূজা পৰ্বকে মুখ্য স্থান দি আহিছে। পূজাৰ দ্ৰব্যাদিৰ ভিতৰত ঘৰৰ চাউলেৰে বনোৱা পনীয় সুৰাই উৎকৃষ্ট। যাক সহজ ভাষাত 'লাওপানী'বুলি কোৱা হয়। পূজা কৰাৰ নিৰ্দিষ্ট ৪, ৫ দিনমানৰ আগতেই গৃহিণী মহিলাসকলে ৰাতিপুৱা ভাগত স্নান কৰি নিৰ্দিষ্ট নীতি-নিয়মত পূজাৰ বাবে চাউলৰে পনীয় সুৰা প্ৰস্তুত কৰে। পূজা কৰাৰ নিৰ্দিষ্ট দিনত পৰিয়ালৰ সকলোৱে গা-পা ধুই ঘৰ-দুৱাৰ লেপি চাফ চিকুণ কৰি ৰাখে। পৰিয়ালৰ বয়োজ্যেষ্ঠসকলে নতুন লুঙী পাঞ্জী আৰু গেঞ্জী পৰিধান কৰি চাউলেৰে বনোৱা পনীয় সুৰা, সেন্দুৰ, ধূপ-দীপ, পানী, গাখীৰ, মুড়ি, চিৰা, পিঠাৰ লগতে পূজাৰ অন্যান্য নৈবেদ্য লৈ ঘৰৰ পূজাথলীত পূজা-অৰ্চনা কৰে। যথা সময়ত পূজা সমাপ্তিৰ অন্ততঃ পূজাত অৰ্পণ কৰা লাওপানী আৰু অন্যান্য অৰ্পিত দ্ৰব্য আদি প্ৰসাদ ৰূপে সকলোৱে গ্ৰহণ কৰে। এদিনাখনৰ কথা, ঘৰত এইদৰে পূজা কৰা দেখি ঘৰৰ এগৰাকী কনিষ্ঠ পুত্ৰই নিজ পিতাকক ক'লে যে পিতাই এনেই লাওপানীভৰ্তি পাত্ৰটো (টুকুইটো) ঘৰৰ ভিতৰত লৈ গৈ পূজা কৰা বুলি কয় আৰু সমস্ত লাওপানী (চাউলেৰে বনোৱা এক প্ৰকাৰ পনীয় সুৰা) নিজে গোগ্ৰাসে গিলি থয়। মই এইসব পূজা নামানো বুলি ঠাট্টা-বিদ্ৰূপভৰা ব্যঙ্গাত্মক সুৰত ক'লে। পুত্ৰৰ মুখত পিতৃয়ে এইধৰণৰ কথা শুনি বিশ্বাস আৰু উষ্মাভৰা সুৰেৰে ক'লে যে ঠিক আছে পুত্ৰ। এদিনাখন চাবা মই পূজা কৰোঁ নে নকৰোঁ। লগতে মোৰ পূজা কৰাৰ প্ৰমাণো চাব লাগিব বুলি ক'লে। ঠিক বহু প্ৰতীক্ষাৰ সেই নিৰ্দিষ্ট দিনটো আহিল। অমাৱস্যাৰ দিন। পিতা-পুত্ৰই দুয়ো পূজা কৰাৰ নিমিত্তে যা-যোগাৰ কৰাত ব্যস্ত। পুত্ৰৰো উৎকণ্ঠা বাঢ়ি আছে। দেউতাই কৰা পূজাৰ প্ৰমাণ চাব। দুয়ো ঘৰৰ ভিতৰত পূজাথলীত লাওপানীৰ পাত্ৰখনৰ লগতে পূজাৰ অন্যান্য সামগ্ৰীৰে ভৰা ডলা এখন সন্মুখত ৰাখি থ'লে। পূজা আৰম্ভ হ'ল। পুতেকে অধীৰ আগ্ৰহেৰে পূজা কৰা চালে। অৱশেষত পুত্ৰক উদ্দেশ্যি পিতাকে ক'লে যে পূজা কৰা শেষ হ'ল; আৰু তুমিও সেৱা এটি কৰা। এতিয়া মই তোমাক মোৰ পূজা কৰাৰ প্ৰমাণ দেখুৱাম। এই বুলি কৈ ধূপ-দীপ দি পিতাকে মন্ত্ৰ মতাৰ নিচিনা মুখতে কিবা ভোৰভোৰালে আৰু ক'লে যে পুত্ৰই পূজা আদি বিশ্বাস নকৰে; গতিকে পুত্ৰই বিশ্বাস কৰিব পৰাকৈ উপায় এটি দিয়া বুলি পিতাই পূজ্যদেৱতাক ভক্তি ভাৱেৰে সেৱা জনাই ক'লে। সচাঁকৈ মুহূৰ্ততে দৈত্যসদৃশ বিৰাটকায় পুৰুষৰ আৱিৰ্ভাৱ হ'ল। কুৎসিত চেহেৰা। দীঘল দীঘল হাত। নখো দীঘল দীঘল। জিভা বাহিৰ কৰা এক বীভৎকায় ৰূপ দেখি পুত্ৰই বাপেকক ভয়তে সাবটি ধৰিলে। অণ্ঠকণ্ঠ শুকাই গ'ল। মুখৰ মাত হৰিল। যথেষ্ট ভীতিবিহ্বলা হৈ কোনোমতে পিতাকক ক'লে যে এই দৈত্যসদৃশ বিৰাটকায় ভূতটোক ইয়াৰ পৰা যাবলৈ কোৱা, যাবলৈ দিয়া। মই আৰু এই বিৰাটকায় ৰূপ সহ্য কৰিব নোৱাৰা হৈছোঁ। সোনকালে যাবলৈ কোৱা বুলি বিলাপ কৰিবলৈ ধৰিলে। পুতেকৰ এনে অৱস্থা দেখি পিতাকে ক'লে-বেটা, তুমি মোক এনেয়েই পূজা কৰি লাওপানী খোৱা বুলি কৈছিলা নহয়–এতিয়া প্ৰমাণ পালাতো। ভয় নাখাবা- এই বুলি আশ্বাস প্ৰদান কৰি ক'লে যে এইজনেই আমাৰ কুল দেৱতা হয়। এওঁক সন্তুষ্ট কৰাৰ নিমিত্তে আমি পূজা-পৰ্বসমূহ কৰিব লাগে। এওঁ সন্তুষ্ট হ'লেহে আমাৰ ঘৰত সুখ-শান্তি সমৃদ্ধি আহিব। লগতে বিভিন্ন অপশক্তিৰ পৰা আমি ৰক্ষা পাব পাৰিম। এই বুলি পুত্ৰক বুজনি দিলে। শেষত মুখেৰে কিবা এটা মন্ত্ৰ মতাতহে ভূতৰূপী বিৰাটকায় ৰূপ নিমিষতে নাইকিয়া হ'ল। পিছে সিদিনাখনৰ পৰাই দেউতাৰ পৰামৰ্শমতে পুতেকে পূজাসমূহ পালন কৰি আহিছে। চাওতালসকলৰ পূজা পৰম্পৰা আজিও অঞ্চলভেদে নিজ নিজ নিয়ম অনুযায়ী কৰা দেখা যায়। (চাওতাল সম্প্ৰদায়ৰ মাজত মুখ বাগৰা কথাৰ আলমত)

*ফোন ঃ ৯৯৫৪৮৩৪৬৪১*

# চৰাইদেউ জিলা কাৰাগাৰত এইচআইভি এইড্‌ছ আৰু টি বি ৰোগৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৫ ছেপ্টেম্বৰ ঃ** অসম ৰাজ্যিক এইড্‌ছ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত শিৱসাগৰ ৰাষ্ট্ৰীয় যক্ষ্মা ৰোগ নিৰ্মূল কাৰ্যসূচী আৰু ভাগ্যলক্ষ্মী আঞ্চলিক শিশু কল্যাণ কেন্দ্ৰৰ অধীনত ৰূপায়িত এইচ আই ভি, এইড্‌ছ প্ৰকল্প লাইফ লাইন তথা ইয়াৰ্জ কেয়াৰ, অসমৰ সহযোগত কালি চৰাইদেউ জিলাৰ সোণাৰি জে'লত এখন এইচ আই ভি-এইড্‌ছ আৰু টিবিৰ সজাগতা সভা আৰু এইচ আই ভিৰ ৰক্ত পৰীক্ষা কৰা হয়। এই সজাগতা সভা সন্দৰ্ভত সংবাদ মাধ্যমলৈ দিয়া এক বিবৃতিযোগে অসম ৰাজ্যিক এইড্‌ছ নিয়ন্ত্ৰণ সমিতিৰ সমল ব্যক্তি গোপাল পাণ্ডেই জনাইছে যে সোণাৰি জে'লৰ অধীক্ষক ধ্ৰুৱজ্যোতি বৰুৱা, জে'লৰ চিকিৎসক পল্লৱ গগৈ, গোলাঘাট জিলাৰ ইয়াৰ্জৰ প্ৰকল্প পৰিচালক মধুস্মিতা বৰুৱা, ভাগ্যলক্ষ্মীৰ অধীনত ৰূপায়িত এইচআইভি নিয়ন্ত্ৰণৰ প্ৰকল্প লাইফ লাইনৰ কাউন্সিলৰ জাফ্ৰী আহমেদ, অ'আৰ ডব্লিউ লক্ষ্যজিৎ বৰপাত্ৰগোহাঁই, গৌৰীশংকৰ ফুকনে সজাগতা সভাত অংশগ্ৰহণ কৰে। এইচআইভি-এইড্‌ছ সজাগতা সভাত অসম ৰাজ্যিক এইড্‌ছ নিয়ন্ত্ৰণ সমিতিৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকি বক্তব্য আগবঢ়ায় গোপাল পাণ্ডেই। তেওঁ কয় যে এইচ আই ভি ভাইৰাছে মানুহৰ শৰীৰত প্ৰৱেশ কৰাৰ পিছৰে পৰা ক্ৰমান্বয়ে শৰীৰৰ ৰোগ প্ৰতিৰোধক ক্ষমতা হ্ৰাস কৰিবলৈ ধৰে। এজন সুস্থ ব্যক্তিৰ শৰীৰত থকা তেজৰ প্ৰতি কিউবিক মিলি মিটাৰত ৫০০ৰ পৰা ১৫০০ চি ডি '৪' ছেল থাকে আৰু এইবিলাকেই হৈছে ৰোগ প্ৰতিৰোধী কোষ। এইচ আই ভি ভাইৰাছে এই কোষবিলাকক আক্ৰমণৰ লক্ষ্য কৰি লয় আৰু ক্ৰমান্বয়ে ধ্বংস কৰিবলৈ ধৰে। এনেদৰে ধ্বংস কৰি একেবাৰে নিম্নতম পৰ্যায়লৈ নিবৰ বাবে প্ৰায় ৭ৰ পৰা ১০ বছৰ পৰ্যন্ত সময় লাগে। উল্লেখ্য যে এইচ আই ভিৰ দ্বাৰা সংক্ৰমিত হ'লেও ৰোগ প্ৰতিৰোধী (চি ডি '৪' ছেল) কোষৰ সংখ্যা নিম্নগামী নোহোৱা পৰ্যন্ত সংক্ৰমিত ব্যক্তিৰ শৰীৰত কোনো ধৰণৰ এ আই ডি এছৰ লক্ষণ দেখা নিদিয়ে। কিন্তু নিম্নগামী পৰ্যায় অতিক্ৰম কৰাৰ লগে লগে সেই সংক্ৰমিত ব্যক্তিৰ শৰীৰত বিভিন্ন ধৰণৰ বেমাৰৰ লক্ষণ দেখা দিব পাৰে আৰু এই লক্ষণ দেখা দিয়া পৰ্যায়টোকে এইড্‌ছ হোৱা বুলি কোৱা হয়। অৰ্থাৎ সদ্য এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ শৰীৰত এইড্‌ছৰ লক্ষণ দেখা দিবলৈ ৭ৰ পৰা দহ বছৰ সময় লাগে। কিন্তু এই সময়ছোৱাৰ আগতেই শৰীৰত এইচআই ভি থকা বুলি গম পাই এআৰটি ঔষধ নিয়মীয়াকৈ গ্ৰহণ কৰিলে আজীৱন সুস্থ হৈ থাকিব পাৰে। বিবৃতিত লগতে উল্লেখ কৰিছে যে আই ভি ভাইৰাছে চাৰিটা মাধ্যমেৰে মানুহৰ শৰীৰত প্ৰৱেশ কৰিব পাৰে সেইকেইটা ক্ৰমে ১) এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ লগত অসুৰক্ষিত সম্পৰ্ক কৰিলে। ২) এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ তেজ বা তেজৰ উপাদান বা টিছু বা অংগ প্ৰত্যাৰোপণৰ বাবে গ্ৰহণ কৰিলে। ৩) এইচ আই ভি সংক্ৰমিত ব্যক্তিয়ে ব্যৱহাৰ কৰা নিডল ছিৰিঞ্জ পৰিশোধন নকৰাকৈ ব্যৱহাৰ কৰিলে আৰু ৪) এইচ আই ভি সংক্ৰমিত গৰ্ভৱতী মাতৃৰ পৰা গৰ্ভস্থ শিশুৰে গৰ্ভত থকা কালত বা প্ৰসৱৰ সময়ত আৰু জন্মৰ পিছত মাকৰ গাখীৰ সেৱন কৰাৰ ফলত এইচ আই ভিৰ দ্বাৰা সংক্ৰমিত হ'ব পাৰে যদিও গৰ্ভধাৰণ কৰাৰ পূৰ্বৰে পৰা বা গৰ্ভধাৰণৰ প্ৰাৰম্ভিক কালত এইচ আই ভি সংক্ৰমিত মাতৃগৰাকীয়ে উপযুক্ত চিকিৎসা গ্ৰহণ কৰিলে গৰ্ভস্থ শিশুটিয়ে এইচ আই ভি সংক্ৰমিত নোহোৱা কৈ জন্মগ্ৰহণ কৰিব পাৰে। ইঞ্জেক্টেবল ড্ৰাগ ইউজাৰ (আই ডি ইউ)সকলে একেটা নিডল ছিৰিঞ্জ ব্যৱহাৰ কৰাৰ ফলত অধিক হাৰত এইচ আই ভিৰ দ্বাৰা সংক্ৰমিত হোৱা পৰিলক্ষিত হয়। সাধাৰণতে সদ্য এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ তেজৰ নমুনা পৰীক্ষা কৰিলেও প্ৰায় তিনি মাহলৈকে সেই তেজত এইচ আই ভি ভইৰাছ ধৰা নপৰে এই সময়ছোৱাকে উইণ্ড পিৰিয়ড বুলি কোৱা হয়, কেতিয়াবা উইণ্ড পিৰিয়ডৰ সময় তিনি মাহতকৈ কম-বেছি হ'ব পাৰে। এই সময়ছোৱাৰ এইচ আই ভি সংক্ৰমিত ব্যক্তিয়ে আনক তেজ দিলে, তেজ গ্ৰহণ কৰোঁতাজনেও এইচ আই ভিৰ দ্বাৰা সংক্ৰমিত হ'ব পাৰে। এইচ আই ভি ভাইৰাছক ধ্বংস কৰিব পৰা কোনো ধৰণৰ ঔষধ বৰ্তমানলৈকে আৱিষ্কাৰ হোৱা নাই যদিও ইয়াক প্ৰতিৰোধ কৰিব পৰা ফলপ্ৰসু চিকিৎসা পদ্ধতি আছে, যাক এণ্টি ৰেট্ৰ ভাইৰেল থেৰাপী (এ আৰ টি) বুলি কোৱা হয়। বৰ্তমান 'টেষ্ট এণ্ড ট্ৰিট পলিচী'ৰ জৰিয়তে এইচ আই ভি ভাইৰাছৰ দ্বাৰা আক্ৰান্ত বুলি নিশ্চিত হোৱাৰ লগে লগে এআৰটি কেন্দ্ৰত পঞ্জীয়ন কৰি কেইটামান যাৱতীয় পৰীক্ষা কৰাৰ পিছত এআৰটি ঔষধ বিনামূলীয়াকৈ প্ৰদান কৰা হয়। অসমৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত থকা এ আৰ টি কেন্দ্ৰত এই সুবিধা আছে। এআৰটি ঔষধ চিকিৎসকৰ পৰামৰ্শ অনুসৰি নিয়মীয়াকৈ আৰু যতি নপৰাকৈ যাৱজ্জীৱন লৈ থাকিব লাগে। এ আৰ টি ঔষধে এইচ আই ভি ভাইৰাছক শৰীৰত বিস্তাৰ লাভ কৰাত বাধা কৰে। ঔষধ নিয়মীয়াকৈ প্ৰায় ছয়-সাত মাহ খালে এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ ভাইৰেল লোড হ্ৰাস পায় আৰু সেই সময়ত সেই সংক্ৰমিত ব্যক্তিৰ এইচআইভি পৰীক্ষা কৰিলেও এইচআইভি ভাইৰাছৰ উপস্থিতি শৰীৰত ধৰা নপৰে, কিয়নো ভাইৰাছৰ সংখ্যা তেনেই নগণ্য হয়। এই পৰ্যায়টোক টাৰ্গেট নট ডিটেকটেড (TND Level) পোৱা বুলি কোৱা হয়। এই পৰ্যায় লাভ কৰা ব্যক্তিৰ পৰা আনলৈ এইচ আই ভি সংক্ৰমণ হোৱাৰ সম্ভাৱনা নাথাকে। এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ C D ৪ Cell ঊৰ্দ্ধগামী হোৱাৰ লগে লগে সুস্থতা লাভ কৰে আৰু সংযমী জীৱন-যাপনৰ জৰিয়তে আজীৱন সুস্থ হৈ থাকিব পাৰে। এইচআইভি সংক্ৰমিত ব্যক্তিয়ে সুস্থতা অটুট ৰাখিবৰ বাবে নিয়মিত সন্তুলিত পুষ্টিকৰ আহাৰ গ্ৰহণ কৰাৰ লগতে যোগভ্যাস, প্ৰাণায়াম আদিও কৰিব পাৰিলে ভাল। যোগাত্মক চিন্তাধাৰাই সুস্থতা ঘূৰাই অনাত যথেষ্ট সহায়ক হয়। এইচ আই ভিৰ বিনামূলীয়া ৰক্ত পৰীক্ষা প্ৰতিখন চিকিৎসা মহাবিদ্যাল্যয়ত, অসামৰিক চিকিৎসালয়ত, সামূহিক স্বাস্থ্য কেন্দ্ৰত থকা আই চি টি চিত কৰাৰ লগতে খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত থকা এফ আই চি টি চিত কৰা হয়। এইচ আই ভি ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হ'ব পৰা কাম-কাজৰ লগত জড়িত ব্যক্তিসকলে প্ৰতি ৬ মাহৰ মূৰে মূৰে ৰক্ত পৰীক্ষা কৰাটো অতি প্ৰয়োজন। যক্ষ্মা ৰোগৰ প্ৰাৰম্ভিক লক্ষণসমূহ হৈছে- দুসপ্তাহতকৈ অধিক কাহ, গধূলি গধূলি জ্বৰ, ৰাতি ঘামি থকা, ওজন কমি যোৱা আৰু ভোক নলগা আদি আৰু এই লক্ষণসমূহ দেখা দিলে যক্ষ্মাৰোগৰ পৰীক্ষা কৰাব লাগে। শিবিৰত ৩১জন কাৰাবন্দী লোকে স্বইচ্ছাৰে এইচআইভিৰ বাবে তেজৰ নমুনা পৰীক্ষা কৰায় নিজৰ স্থিতি এইচ আই ভিমুক্ত বুলি গম পায়।




# মৰিগাঁৱত ৰাষ্ট্ৰীয় সুৰক্ষা মহামিছন ভাৰতৰ সাধাৰণ সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয় সুৰক্ষা মহা মিছন ভাৰত' ৰ মৰিগাঁও জিলা সমিতিৰ প্ৰথমখন সাধাৰণ সভা আজি মৰিগাঁৱত অনুষ্ঠিত হয়। বিজেপিৰ মৰিগাঁও জিলাৰ সদৰৰ কাৰ্যালয়ত ৰাষ্ট্ৰীয় সুৰক্ষা মহা মিছন ভাৰত'ৰ মৰিগাঁও জিলা সমিতিৰ সভাপতি হংস নাৰায়ণ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত সাধাৰণ সভাখনত জিলাখন সমিতিৰ উপৰিও জিলাখনৰ অন্তৰ্গত তিনিওটা সমষ্টিৰে সমষ্টি সমিতিৰ বিষয়ববীয়া সকলে অংশগ্ৰহণ কৰে। সভাখনত ৰাষ্ট্ৰীয় সুৰক্ষা মহা মিছন ভাৰত ' ৰ ৰাজ্যিক সভাপতি লক্ষিপ্ৰসাদ চুংক্ৰাং,মুখ্য উপদেষ্টা দিলীপ বৰদলৈকে ধৰি ৰাজ্যিক সমিতিৰ কেইবা গৰাকীও বিষয়ববীয়াই ৰাষ্ট্ৰীয় সুৰক্ষা মহা মিছন ভাৰত ' ৰ উদ্দেশ্য আৰু কাৰ্যৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায় ৷সভাখনত ৰাষ্ট্ৰীয় সুৰক্ষা মহা মিছন ভাৰতৰ ৰাজ্যিক সমিতিৰ কেইবাগৰাকীও বিষয়ববীয়াৰ লগতে ৰাজ্যিক মহিলা মৰ্চাৰ সম্পাদিকা বৰ্ণালী সোঁকাই সহ নগাওঁ জিলা সমিতিৰ কেইবা গৰাকীও বিষয়ববীয়া উপস্থিত থাকে ৷সভাখন পৰিচালনাত আঁত ধৰে জিলা সমিতিৰ সাধাৰণ সম্পাদক পিংকু নাথে।

# জনজাতিকৰণ প্ৰসংগ ঃ আলোচনাৰ নামত চৰকাৰে মুষ্টিমেয় তথাকথিত নেতাক ল'লীপপ দি জনগোষ্ঠীকেইটাক ন্যায্য অধিকাৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰি আহিছে ঃ কোচ-ৰাজবংশী জাতীয় পৰিষদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** কোচ ৰাজবংশীকে ধৰি ছয় জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত বিজেপি নেতৃত্বাধীন ৰাজ্য আৰু কেন্দ্ৰীয় ডাবল ইঞ্জিন চৰকাৰে হোঁহকা-পিছলা স্থিতি গ্ৰহণ কৰি সুদীৰ্ঘ দিন ধৰি চৰম প্ৰতাৰণা কৰি আহিছে বুলি কোচ ৰাজবংশী জাতীয় পৰিষদে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। এই সন্দৰ্ভত কোচ ৰাজবংশী জাতীয় পৰিষদৰ সভাপতি বিমল কুমাৰ বৰ্মন আৰু সাধাৰণ সম্পাদক বিশ্বজিত ৰায়ে এক প্ৰেছ বিবৃতিটোত কয় যে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে প্ৰত্যেকবাৰেই তথাকথিত আলোচনাৰ নামত জনগোষ্ঠীকেইটাক কণা হাঁহক পতান দিয়াৰ নামত শাসনাধিষ্ঠিত চৰকাৰে জনগোষ্ঠীকেইটাৰ মুষ্টিমেয় তথাকথিত জনগোষ্ঠীয় নেতাৰ উন্নয়ন আৰু উন্নতিৰ নামত ললী পপ দি জনগোষ্ঠীকেইটাক ন্যায্য অধিকাৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰি আহিছে। শুকুৰবাৰে মুখ্যমন্ত্ৰীৰ স'তে ছয় জনগোষ্ঠীৰ অনুষ্ঠিত আলোচনাই জনগোষ্ঠীকেইটাৰ জনজাতিকৰণৰ বিষয়টোত ৰাজ্য চৰকাৰৰ স্থিতিয়ে জনজাতিকৰণৰ ইচ্ছুক যে চৰকাৰে গুৰুত্বই দিয়া নাই আৰু সমস্যাটোৰ সমাধানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ যে কোনো সদিচ্ছা তথা আন্তৰিকতা নাই তাকে স্পষ্ট কৰিছে বুলি বৰ্মন আৰু ৰায়ে বিবৃতিটোত কয়। ইতিমধ্যেই জনজাতিকৰণৰ সকলো বৈশিষ্ট্যপূৰ্ণ কৰা বুলি অসম তথা ভাৰত চৰকাৰৰ বিভিন্ন সংস্থাই প্ৰতিবেদন প্ৰদান কৰাৰ পিছতেই কেন্দ্ৰীয় চৰকাৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিলখনক ৰাজ্য সভাত উত্থাপন কৰিছিল। তেনেস্থলত মুখ্যমন্ত্ৰীয়ে আলোচনা কালত জনজাতিকৰণৰ কাম ছল্লিশ শতাংশহে আগবঢ়া বুলি কোৱাটো ষড়যন্ত্ৰমূলক বুলি নেতৃদ্বয়ে বিযোদগাৰ কৰি ধিক্কাৰ দিয়ে। মুখ্যমন্ত্ৰীয়ে জনজাতিকৰণৰ কাম ছল্লিশ শতাংশহে আগবঢ়াইছিল বুলি কোৱাৰ পিছতো ইতিমধ্যেই ইয়াৰ পূৰ্বে ছয় জনগোষ্ঠীৰ নব্বৈ শতাংশ জনজাতিকৰণৰ কাম আগবঢ়া বুলি ঢাক -ঢোল বজাই নিজকে জনগোষ্ঠীয় ৰাইজৰ সন্মুখত টেঁটু ফালি আভুৱা-ভাঁৰা নেতাসকলে মানি লৈ আলোচনা আশাব্যঞ্জক বুলি সংবাদ মাধ্যমৰ আগত কোৱাটো গৰিহণাৰ যোগ্যই নহয় চৰম লজ্জাজনক বুলিও কয়। বিবৃতিটোত কোচ ৰাজবংশী জাতীয় পৰিষদৰ নেতাদ্বয়ে গভীৰ উদ্বেগেৰে কয় যে কোচ ৰাজবংশী জনগোষ্ঠীয়ে ১৯৬৮ চনৰ পৰা জনজাতিকৰণৰ ন্যায্য প্ৰাপ্যৰ দাবীৰ সমৰ্থনত সুদীৰ্ঘ ৫৪ বছৰ অতিক্ৰম কৰিলে। এই সুদীৰ্ঘ কালছোৱাত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা হোৱাৰ পিছত যদি ৪০ শতাংশহে জনজাতিকৰণৰ কাম আগবাঢ়িছে তেন্তে বাকী থকা ৬০ শতাংশ কাম আগবাঢ়িবলৈ আৰু যাঠি বছৰৰ অধিক কাল লাগিব বুলি নেতাদ্বয়ে কটাক্ষ কৰে। কোচ ৰাজবংশীৰ জনজাতিকৰণৰ কাম যদি ৪০ শতাংশহে বাঢ়িছে তেতিয়াহ'লে ১৯৯৬ চনত কোচ ৰাজবংশীসকলক মহামহিম ভূতপূৰ্ব ৰাষ্ট্ৰপতিয়ে অধ্যাদেশৰ জৰিয়তে কিদৰে জনজাতিকৰণ কৰিছিল বুলি মুখ্যমন্ত্ৰীক প্ৰশ্ন কৰে। মুখ্যমন্ত্ৰীৰ বক্তব্যই সাংসদ ড° অমৰ ৰায় প্ৰধানী নেতৃত্বাধীন যুটীয়া সংসদীয় সমিতিৰ কোচ ৰাজবংশীৰ সপক্ষে জনজাতিকৰণৰ প্ৰতিবেদনখনকো নস্যাৎ কৰা বুলি নেতাদ্বয়ে তীব্ৰ ক্ষোভ প্ৰকাশ কৰি ছয় জনগোষ্ঠীৰ লগত লগ লাগি থকা কোচ ৰাজবংশীৰ জাতীয় সংগঠনসমূহক ওলাই আহি নিজ জনগোষ্ঠীৰ জনজাতিকৰণৰ হকে মাত মাতিবলৈ আহ্বান জনায়।

# সোণাইপাৰ গৌৰীনাথ মন্দিৰত মহালয়াৰ ব্যাপক উছাহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাজৰি, ২৫ ছেপ্টেম্বৰ ঃ** আজি শুভ মহালয়া। শৰতৰ ভাল লগা দিনবোৰ দুৱাৰডলিত। স্মৃতিৰ ৰহঘৰত আকৌ সৃষ্টি হ'ব এক নতুন গানৰ। শৰতৰ এক মিঠা আলোড়ন। গ্ৰীষ্মৰ উত্তাপ আঁতৰাই কাতিৰ মিঠা পৰশ সানিবলৈ শৰতৰ আগমন। শৰত আৰু শেৱালিৰ মধুৰ সম্পৰ্ক। আজি শুভ মহালয়া। আজিৰ দিনটোৰ পৰাই আৰম্ভ হয় উৎসৱৰ বতৰ। মহালয়াই ধৰালৈ আগমন জনায় দুৰ্গোৎসৱক। সৰ্বত্ৰ এতিয়া মা দুৰ্গাক আদৰাৰ প্ৰস্তুতি। সকলোৰে মাজত আনন্দ-উৎসাহ-উদ্দীপনা। শৰতৰ আগমনত সকলোৰে মন মতলীয়া। আনন্দত সকলো আপোন পাহৰা। সৃষ্টিক এক নতুন উদ্যম দি এয়া মধুৰ স্মৰণীয় ক্ষণ। ৰাইজৰ সেমেকা মনক প্ৰতিহত কৰি শৰতৰ হিমসনা পুৱাৰ হেঙুলী কিৰণে সকলোৰে মন প্ৰফুল্ল কৰিব। ইফালে, পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি সোণাইপাৰ গৌৰীনাথ মন্দিৰত মহালয়াৰ ব্যাপক উছাহ পৰিলক্ষিত হয়।



## শ্ৰদ্ধাঞ্জলি ঃ ইন্দু গগৈলৈ

যোৱা ১৭ ছেপ্টেম্বৰৰ কাহিলি পুৱাতেই বাতৰিটো পাই হতভম্ব হৈ পৰিছিলোঁ আৰু দিনটোলৈ মন শোকাচ্ছন্ন হৈ ৰ'ল। বাতৰিটো আছিল ১৬ ছেপ্টেম্বৰৰ নিশাতেই মোৰ বৰবিয়নী, মোৰ ডাঙৰ জোঁৱাই দিগন্ত গগৈৰ মাতৃ আৰু মোৰ বৰ জীয়ৰী নীৰা গগৈ সোনোৱালৰ শাহু আই ইন্দু গগৈৰ দেহাৱসান ঘটিল। বাতৰিটো মোৰ কাৰণে আচম্বিত যেন লাগিল। কাৰণ দুমাহ আগলৈকে তেখেতৰ বৰপুত্ৰৰ গুৱাহাটীস্থ বাসগৃহত থাকোঁতে অলপ অসুস্থ হ'লেও হাঁহি-মাতি কথা পাতি সময়বোৰ কটাইছিলোঁ। অৱশ্যে যোৰহাটলৈ উভতি যাবৰ বাবে উদ্বিগ্ন হৈ কথাৰ মাজতে কৈছিল— 'বিয়নীও শেষ ঠিকনাটো ঠিকেই ৰাখিব লাগিব নহয়।' তেখেত যোৰহাটলৈ উভতি গ'ল আৰু কেইদিনমানৰ পিছতেই পৰি ভৰিৰ হাড় ভঙাত অস্ত্ৰোপচাৰ কৰিবলগীয়া হৈছিল যদিও ক্ৰমাৎ সুস্থ অনুভৱ কৰি আহিছিল।

গুৱাহাটীত থকা কালতে আমাৰ মাজত বহুতো কথোপকথনৰ মাজতে তেখেতে কৈছিল তেখেতৰ বিয়াৰ কথা, চাকৰিয়াল দেউতাকৰ স'তে অসমৰ বিভিন্ন ঠাইত ঘূৰি ফুৰা কালত বিভিন্ন স্কুলত পঢ়া-শুনা কৰাৰ বিভিন্ন স্মৃতিৰ কথা। তেখেত আছিল এখন সু-সংস্কৃত পৰিয়ালৰ জীয়ৰী। তেখেতৰ পিতৃ আছিল স্কুল পৰিদৰ্শক স্বৰ্গীয় ৰাম গোহাঁই (তেতিয়াৰ দিনৰ বি এ, বিটি) আৰু মাতৃ আছিল স্বৰ্গীয় আইকণ গোহাঁই। ১৯৩২ চনত লক্ষীমপুৰত জন্ম লাভ কৰা ইন্দু গোহাঁই পিতৃ-মাতৃৰ বাৰটি সন্তানৰ ভিতৰত পঞ্চম সন্তান। দেউতাকৰ স'তে অসমৰ বিভিন্ন ঠাইত ঘূৰি পঢ়া-শুনা কৰিছিল। বিবাহ উপযুক্ত সময়ত যোৰহাটৰ সম্ভ্ৰান্ত পৰিয়ালৰ তেতিয়াৰ দিনৰ মুন্সীফ কনকেশ্বৰ গগৈ আৰু তৰা গগৈৰ পুত্ৰ এচিএছ বিষয়া স্বৰ্গীয় অতুল গগৈৰ লগত বিবাহপাশত আবদ্ধ হয়। তেখেতসকলৰ দুটি পুত্ৰ আৰু দুগৰাকী কন্যা সন্তানেৰে সংসাৰ পৰিপূৰ্ণ হয়। স্বামীৰ স'তে বিভিন্ন স্থানত ঘূৰি ফুৰাৰ পিছত যোৰহাটৰ বঙালপুখুৰীস্থ নিজ বাসগৃহত থিতাপি লয়।

মোৰ বিয়নী এগৰাকী সৰল মন আৰু ব্যক্তিত্বৰ গৰাকী আছিল। ভগৱন্তৰ প্ৰতি অগাধ বিশ্বাস, সাহিত্যানুৰাগী, সমাজ কল্যাণৰ প্ৰতি সদা সচেতন, সেয়ে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি, কৰুণাধাৰা আৰু নানান অনুষ্ঠান-প্ৰতিষ্ঠানলৈ পেন্সন আৰু সাঁচতীয়া ধনৰ টোপোলা আগবঢ়াইছিল। সকলোৰে প্ৰতি কৰা সুন্দৰ আচৰণেৰে সকলোকে মোহিত কৰিব পাৰিছিল।

জীৱনত উত্থান-পতন, দুখ-দুৰ্গতি, সুখ-দুখ অবিচ্ছেদ্য অংগ। তেখেতে সবল মনেৰে জীৱনৰ খলা-বমা পথ হাঁহিমুখে পাৰ কৰি নিজৰ সন্তানক সু-প্ৰতিষ্ঠিত কৰি পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনীৰে এখনি ভৰপূৰ সংসাৰ এৰি গ'ল। এৰি গ'ল তেখেতৰ বহুতো গুণমুগ্ধ বন্ধু-বান্ধৱী, আত্মীয়-কুটুম্ব, এৰি গ'ল মোক অকলশৰীয়া বিয়নীজনীক।

আজি তেখেতৰ আদ্যশ্ৰাদ্ধৰ দিনা তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি বিচাৰি ভগৱন্তৰ ওচৰত অন্তৰৰো অন্তৰৰ পৰা প্ৰাৰ্থনা জনালোঁ।

**সুনীতি সোনোৱাল**
তাং ঃ ২৬/৯/২০২২ নতুন দিল্লী

মানুহগৰাকী গোলাঘাটৰ আছিল। যোৰহাটৰ ব্ৰিটিছৰ দিনৰ মুঞ্চিফৰ পদত থকা মুষ্টিমেয় আঢ্যৱন্ত আৰু অভিজাত পৰিয়ালকেইটাৰ অন্যতম কনক গগৈৰ বৰপুত্ৰ স্বৰ্গীয় অতুল গগৈৰ সৈতে বিবাহ সূত্ৰে যোৰহাট বঙালপুখুৰীৰ বাসিন্দা হৈ পৰিল। দুজনী ছোৱালী আৰু দুটা ল'ৰাৰ মাক হৈ তেখেতে জীৱনটোত আহি পৰা বহু ঘাত-প্ৰতিঘাত হেলাৰঙে পাৰ কৰি যোৱা ১৬ ছেপ্টেম্বৰৰ নিশা একেবাৰে নিজৰ ঘৰখনলৈ গুচি গ'লগৈ। সৰবৰহী আৰু শেষৰফালে ধৰ্মক লৈ ব্যস্ত হৈ পৰিছিল।

সম্বন্ধত তেখেত মোৰ মামী, কিন্তু বছৰ লেখেৰে প্ৰায় ৯১টা বছৰ সু-স্বাস্থ্যৰে পাৰ কৰা মামী মোতকৈ ২০ বছৰ ডাঙৰ হ'লেও বন্ধুৰ নিচিনা হৈ পৰিছিল। এয়াও হৈছিল একমাত্ৰ মামীৰ অনুসন্ধিৎসু মনটোৰ বাবে। সমাজৰ প্ৰায় সকলো খবৰেই লৈছিল শেষ বয়সলৈকে। অজস্ৰ অসমীয়া-বাংলা কিতাপ পঢ়াৰ বাবেই সেইবোৰৰ আলোচনাৰ বাবেই ময়ো মামীৰ লগ হ'ব লগা হৈছিল প্ৰায়ে। সেইগৰাকী মামী ইন্দু গগৈয়ে বঙালপুখুৰীৰ ঘৰখনৰ পৰা গুচি গ'ল মোক অকলশৰীয়া কৰি।

**মনোৰঞ্জন গগৈ**
তাং ঃ ২৬/০৯/২০২২ বঙাল পুখুৰী, যোৰহাট

# অক্টোবৰত মাজবাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ সমিতি গঠনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজবাট, ২৫ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ পূব প্ৰান্তৰ এক উল্লেখযোগ্য শিক্ষানুষ্ঠান মাজবাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ সমিতি গঠনৰ প্ৰস্তুতি চলোৱা হৈছে। অহা ৭ অক্টোবৰৰ আবেলি ১ বজাত মাজবাট উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত আয়োজিত ৰাজহুৱা সভাত বিদ্যালয়খনৰ সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীকে উপস্থিত থাকিবলৈ আহ্বায়ক সমিতিয়ে আহ্বান জনাইছে। উল্লেখ্য যে যোৱা ২৪ ছেপ্টেম্বৰত বিদ্যালয় পৰিচালনা সমিতিৰ সভপতি মথুৰ চন্দ্ৰ পাঠকৰ সভাপতিত্বত কে'বাগৰাকী প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অৱসৰপ্ৰাপ্ত শিক্ষক আৰু বিদ্যালয়ৰ শিক্ষক, তথা ৩৯নং পাঁচনৈ ছেৰফাং সমষ্টিৰ পাৰিষদ দীপক মৌৰৰ উপস্থিতিত এখন আহ্বায়ক সমিতি গঠন কৰা হৈছিল। সভাখনত উপস্থিত থাকে প্ৰাক্তন এমচিএলএ জিতু কিষাণ, অৱসৰ প্ৰাপ্ত শিক্ষক ৰামকৰণ গোঁড়ৰ লগতে বহু গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে। অহা ৭ অক্টোবৰৰ সভাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলক লৈ পূৰ্ণ পৰ্যায়ৰ সমিতি গঠন কৰা হ'ব বুলি আহ্বায়ক সমিতিয়ে জানিব দিছে।



# এএছএফএফ ডিচিৰ চলচ্চিত্ৰ নিৰ্মাণবিষয়ক কৰ্মশালা উদ্বোধন সাংস্কৃতিক মন্ত্ৰী বিমল বড়াৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ ছেপ্টেম্বৰ ঃ** অসম ৰাজ্যিক চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগম লিমিটেড (এএছএফএফডিচি)ৰ উদ্যোগত স্থানীয় অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত দুদিনীয়াকৈ আয়োজিত চলচ্চিত্ৰ বিষয়ক এখন আলোচনা-চক্ৰ আনুষ্ঠানিকভাৱে কালি উদ্বোধন কৰে ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান দপ্তৰৰ মন্ত্ৰী বিমল বড়াই। এএছএফএফডিচিৰ অধ্যক্ষ সীমান্ত শেখৰ, উপাধ্যক্ষ আলেক্ষ বৰুৱা, পৰিচালন সঞ্চালক মণিদীপা বৰকটকীৰ লগতে ভালেসংখ্যক অংশগ্ৰহণকাৰীৰ উপস্থিতিত বন্তি প্ৰজ্বলনেৰে মন্ত্ৰী বড়াই কৰ্মশালাখন উদ্বোধন কৰে। তেওঁৰ উদ্বোধনী ভাষণত মন্ত্ৰীগৰাকীয়ে বিশ্বৰ শক্তিশালী গণ-মাধ্যম চলচ্চিত্ৰ এতিয়া কেৱল এটা মনোৰঞ্জনৰ মাধ্যমেই হৈ থকা নাই বুলি উল্লেখ কৰি ই মানৱ জীৱনৰ সকলো দিশেই সামৰি মানুহৰ চিন্তন মননকে গভীৰভাৱে প্ৰভাৱান্বিত কৰিছে বুলি কয়। সম্প্ৰতি চলচ্চিত্ৰই পৰ্যটন, যোগাযোগ তথা হোটেল উদ্যোগৰ বিকাশতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা বুলি মত প্ৰকাশ কৰি মন্ত্ৰী বড়াই অসমীয়া চলচ্চিত্ৰক এটা সম্পূৰ্ণ উদ্যোগত পৰিণত কৰাৰ বাবে এএছএফএফডিচিয়ে কেতবোৰ ফলপ্ৰসু আঁচনি লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আমাৰ ৰাজ্যখনৰ শৌৰ্য-বীৰ্যক চলচ্চিত্ৰৰ জৰিয়তে উদ্ভাসিত কৰি তোলাৰ ক্ষেত্ৰত এএছএফএফডিচিৰ দায়িত্ব আছে বুলিও মন্ত্ৰী বড়াই কয়। উল্লেখ্য, অসম তথা উত্তৰ-পূবৰ চলচ্চিত্ৰ উৎসাহীসকলক চলচ্চিত্ৰৰ সংগীত আৰু শব্দ, কাহিনী আৰু চিত্ৰনাট্য লিখা, পৰিচালনা আৰু চলচ্চিত্ৰ নিৰ্মাণৰ ওপৰত দুদিন ধৰি কৰ্মশালাখনত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। এই কৰ্মশালাখনৰ সমল ব্যক্তি হিচাপে অংশ গ্ৰহণ কৰিব ক্ৰমে মুম্বাই চলচ্চিত্ৰ উদ্যোগৰ সৈতে জড়িত ললিত পণ্ডিত, দেৱজিৎ চাংমাই, ফিল্ম মিক্সিং ইঞ্জিনিয়াৰ অমৃত প্ৰিতম, ছাউণ্ড ইঞ্জিনিয়াৰ ধ্ৰুৱজ্যোতি ফুকন, গায়ক-চলচ্চিত্ৰ পৰিচালক জুবিন গাৰ্গ আৰু অভিনেতা-পৰিচালক যতীন বৰাই।

প্ৰসংগ ঃ মেট্ৰিকত শূন্য ফলাফলৰ অজুহাত

# ৰৌতাৰ পদ্মপুখুৰী হাইস্কুল বন্ধৰ সিদ্ধান্ত বাতিল কৰিবলৈ শিক্ষামন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ ওদালগুৰি আমছুৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা, ২৫ ছেপ্টেম্বৰ ঃ** চলিত বৰ্ষৰ মেট্ৰিকত শূন্য ফলাফলৰ অজুহাতত ৰাজ্যৰ ৩৪খন বিদ্যালয় চিৰদিনলৈ বন্ধ কৰি দিবলৈ ওলোৱা চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া অব্যাহত আছে। কপালৰ ঘাম মাটিত পেলাই ৰাইজে গঢ় দিয়া বিদ্যালয়সমূহ এটি মাত্ৰ ঘোষণাতে বন্ধ কৰিবলৈ ওলোৱা চৰকাৰৰ হঠকাৰী সিদ্ধান্ত কোনোপদ্ধেই মানি ল'ব পৰা নাই স্থানীয় ৰাইজ, দল-সংগঠনে। উক্ত সিদ্ধান্ত বাতিল কৰিবলৈ দাবী উত্থাপন কৰিছে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ (আমছু) ওদালগুৰি জিলা সমিতিয়ে। উল্লেখ্য, শেহতীয়াকৈ ৰাজ্যৰ শিক্ষা বিভাগে শূন্য ফলাফল প্ৰদৰ্শন কৰা ৩৪খন বিদ্যালয়ৰ নামৰ তালিকা প্ৰকাশ কৰিছিল। এই তালিকাৰ ভিতৰত ওদালগুৰি জিলাৰ ওদালগুৰি শিক্ষা খণ্ডৰ অন্তৰ্গত পদ্মপুখুৰী হাইস্কুলৰ নামো অন্তৰ্ভুক্ত হোৱাত চিন্তিত হৈ পৰিছে ছাত্ৰ-ছাত্ৰী, স্থানীয় ৰাইজ, দল-সংগঠন। ১৯৯২ চনত উচ্চ প্ৰাথমিক বিদ্যালয় হিচাপে স্থাপন হোৱা পদ্মপুখুৰী এম ই মাদ্ৰাছাখন ২০১৭ চনত হাইস্কুল হিচাপে উন্নীতকৰণ কৰা হৈছিল। উন্নীতকৰণৰ পিছৰে পৰা মাত্ৰ দুজন শিক্ষকৰে পাঠদান চলি আছিল। তেনেকৈয়ে বিদ্যালয়ৰ প্ৰথম তথা ২০১৯ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ হাৰ ৭২.৭৩ শতাংশ আৰু ২০২০ বৰ্ষত ১০০ শতাংশ উত্তীৰ্ণ হৈছিল। কিন্তু ২০২২ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত এজনো ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হ'ব পৰা নাই। মাত্ৰ দুজন শিক্ষক থকাৰ বাবেই বিদ্যালয়খনৰ ফলাফল শূন্য হোৱাৰ আশংকা প্ৰকাশ কৰিছে আমছুৱে। শিক্ষকৰ সমস্যাত জৰ্জৰিত বিদ্যালয়ত শিক্ষক নিযুক্তি দিয়াৰ বাবে বিভিন্ন সময়ত দল-সংগঠন, প্ৰধান শিক্ষকে অনুৰোধ জনাইছিল যদিও বিভাগে কোনো গুৰুত্ব দিয়া নাছিল। ফলত এইবেলি বিদ্যালয়খনে ভাল ফলাফল দেখুৱাব পৰা নাই। এই সন্দৰ্ভত শুকুৰবাৰে জিলা আমছুৰ এটি সঁজাতী দলে ওদালগুৰিৰ নৱ-নিযুক্ত উপায়ুক্তৰ জৰিয়তে শিক্ষামন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। অতিকে ভিতৰুৱা তথা পিছপৰা অঞ্চলত অৱস্থিত হাইস্কুলখন বন্ধ হ'লে শিক্ষাৰ পৰা বঞ্চিত হ'ব দুখীয়া ছাত্ৰ-ছাত্ৰীসকল। ১৫-২০ কিলোমিটাৰ নিলগত নাই দ্বিতীয়খন চৰকাৰী হাইস্কুল। ফলত বহু ছাত্ৰ-ছাত্ৰীয়ে আধাতে সামৰি লাগিব শিক্ষা। গতিকে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰৰ বিদ্যালয় বন্ধৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰাৰ লগতে বিদ্যালয়খনত পৰ্যাপ্ত শিক্ষক নিযুক্তি দিবলৈ শিক্ষামন্ত্ৰীক অনুৰোধ জনায় আমছুৱে। উপায়ুক্তক সাক্ষাৎ কৰা সঁজাতী দলটোত আমছুৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ছফিকুল ইছলাম, সাংগঠনিক সম্পাদক দিলোৱাৰ হুছেইন, জিলা আমছুৰ উপদেষ্টা ৰফিকুল ইছলাম, সভাপতি ফুলমামুদ, সাধাৰণ সম্পাদকদ্বয় খুৰছেদ আলম আৰু মুস্তাফিজুৰ ৰহমান উপস্থিত থাকে।

# ওদালগুৰিৰ সিং গাঁৱত আদিবাসী মহিলাৰ মৃতদেহ উদ্ধাৰ দোষীক কৰায়াত্ত কৰি শাস্তিৰ দাবী চাওতাল ছাত্ৰ সন্থাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানেৰী, ২৫ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ ধাননিপথাৰত এগৰাকী মহিলাৰ সদৰৰ নিকটৱৰ্তী সিং গাঁৱৰ মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰে। ঘটনাত প্ৰকাশিত মতে, গাঁওখনৰ ভগৈ মুৰ্মুৰ পত্নী মণিকা কিস্কু (৩৪) নামৰ মহিলাগৰাকী আন দিনৰ দৰে ধাননিপথাৰলৈ ২৩ তাৰিখে আবেলি ঘাঁহ কাটিবলৈ যোৱাৰে পৰা সন্ধানহীন হৈ থাকে। ৰাতিৰ পৰা পৰিয়াল তথা ওচৰ-চুবুৰীয়াই বিচাৰ-খোঁচাৰ কৰে যদিও সন্ধান উলিয়াব নোৱাৰিলে। পুনৰ ২৪ তাৰিখে পুৱা গাঁও তথা পৰিয়ালৰ লোকে বিচাৰি যোৱাত ধাননিপথাৰত ডিঙি কটা ৰক্তাক্ত অৱস্থাত স্থানীয় লোকে উদ্ধাৰ কৰে। লগে লগে আৰক্ষী লোকক খবৰ কৰাত ওদালগুৰি আৰক্ষী চকীৰ এটা দল উপস্থিত হয়। কিছু সময়ৰ পিছতে জিলাখনৰ আৰক্ষী অধীক্ষকগৰাকী উপস্থিত হৈ ঘটনাৰ তদন্ত আৰম্ভ কৰে। উল্লেখ্য যে মহিলাগৰাকীৰ স্বামী কৰ্মসূত্ৰে বহিঃৰাজ্যত কৰ্মৰত। লগতে মহিলাগৰাকীৰ দুটি শিশু হাৰমা মুৰ্মু (৯) আৰু সুপতি মুৰ্মক (৭) এৰি যায়। উচিত শাস্তিৰ দাবী ঘটনাত উপস্থিত হৈ সদৌ চাওতাল ছাত্ৰ সন্থাৰ ওদালগুৰিৰ জিলা সভাপতি লক্ষ্মীৰাম চৰেনে ঘটনাৰ উচিত তদন্ত কৰাৰ লগতে দোষীক কৰায়ত্ত কৰি কঠোৰ শাস্তিৰ দাবী জনায় আৰু সন্তান দুটিৰ দায়িত্ব ল'বলৈ জিলা প্ৰশাসনক আহ্বান জনায়।

# ধুবুৰীত প্ৰসিদ্ধ ব্ৰীউ বেক্স কফি ৰেষ্টুৰেণ্টৰ পৰা সন্দেহযুক্ত অস্ত্ৰ সৰবৰাহকাৰী গ্ৰেপ্তাৰ ঃ উদ্ধাৰ পিষ্টল, মেগজিন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৫ ছেপ্টেম্বৰ ঃ** শাৰদীয়া দুৰ্গাৎসৱৰ সময়ত উগ্ৰবাদী দলসমূহে যাতে জিলাখনত কোনধৰণৰ কূটাঘাত কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে ধুবুৰী জিলা আৰক্ষী অধীক্ষক অভিজিৎ গুৰাৱৰ নেতৃত্বত জিলাখনত আৰক্ষীয়ে ব্যাপক অভিযান চলাই থকাৰ সময়ত আৰক্ষী অধীক্ষকৰ নিৰ্দেশত আৰক্ষীৰ দলে অভিযান চলাই বৃহৎ পৰিমাণৰ অস্ত্ৰ, ড্ৰাগ্‌ছ উদ্ধাৰ কৰাৰ ঘটনাত চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনাৰ বিবৰণী মতে, গোপন সূত্ৰৰ পম খেদি জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰোজীৰাণী শৰ্মাৰ নেতৃত্বত আৰক্ষীৰ দলে চহৰৰ মাজমজিয়াত থকা প্ৰসিদ্ধ ব্ৰীউ ৰেক্স কফি শ্ব'পত আজি দিনৰ ১১.৩০ বজাত অভিযান চলাই কফি সেৱন কৰি থকা অৱস্থাত অস্ত্ৰধাৰী যুৱক এজনক আটক কৰে। ধৃত যুৱকজন বছিৰউদ্দিন খান (৪০), ঘৰ মাঝেৰচৰ প্ৰথম খণ্ডৰ বাসিন্দা। তেওঁৰ পৰা তলাচী চলাই আৰক্ষীয়ে ১টা .২২ পিষ্টল, ২টা মেগজিন, ১টা ভিভো ম'বাইল, ১খন পালচাৰ মটৰচাইকেল, আৰ ৭ টেবলেট, ৫০০ ষ্ট্ৰীপ, ৫ কণ্টেইনাৰ হেৰ'ইন উদ্ধাৰ কৰা হয়। এই সম্পৰ্কে আৰক্ষী অধীক্ষকে জনায়। ধৃত যুৱকজনক জেৰা কৰি থকা হৈছে। যুৱকজন কোনটো সংগঠনৰ লগত, এতিয়ালৈকে যুৱকজনে মুখ খোলা নাই। তদন্ত চলিছে। আজিৰ অভিযানত টাউন এছ আই হীৰকজোতি দাস, সাব ইন্সপেক্টৰ হৃদয় গোস্বামী, হাকিম আলী, মহিবুল ইছলামে অংশ গ্ৰহণ কৰে।



# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে ছালাকাটিত বিনামূলীয়া চিকিৎসা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ২৫ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে ভাৰতীয় জনতা পাৰ্টী (বিজেপি) দলে ভাৰতবৰ্ষত ১৭ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ পযেকজোৰাকৈ বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ কাৰ্যসূচী হাতত লৈছে। তাৰে অংশ স্বৰূপে ভাৰতীয় জনতা পাৰ্টী ছালাকাটি মণ্ডলৰ উদ্যোগত ভুমকি দ্বিতীয় খণ্ড বজাৰ প্ৰাংগণত বিনামূলীয়া চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। বাংগালডোবা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক নাতাচি ভট্টাচাৰ্যীয়ে অঞ্চলটোৰ দ্বি-শতাধিক ৰোগীক স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়া ঔষধ-পাতি প্ৰদান কৰে। অনুষ্ঠানত বিজেপি মহিলা মৰ্চাৰ অসম ৰাজ্যিক কমিটীৰ উপ-সভানেত্ৰী কবিতা বসুমতাৰী, ছালাকাটি মণ্ডলৰ সভাপতি ৰাকেশ ব্ৰহ্ম, কোকৰাঝাৰ জিলা অনুসূচিত জাতি মৰ্চাৰ সভাপতি বীৰেন দাস, কোকৰাঝাৰ জিলা অ'বি চি মৰ্চাৰ উপ-সভাপতি যাত্ৰা বৰ্মন আদি উপস্থিত থাকি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলাত সহায়-সহযোগ আগবঢ়ায়। ভাৰতবৰ্ষৰ শাসনাধিষ্ঠিত বিজেপি দলৰ এনে কাৰ্যত বিশেষকৈ অঞ্চলৰ দুখীয়া-নিছলা পৰিয়ালৰ লোকে গভীৰ সন্তোষ প্ৰকাশ কৰে।



৭৫ৰ কটনিয়ান ক্লাছ আৰু সংগীত সত্ৰৰ সহযোগত ৰঙ্গমঞ্চত আয়োজন কৰা বিলেভেছ অৱ ডান্স ইন ডেইলী লাইফ শীৰ্ষক বক্তৃতানুষ্ঠানত অংশগ্ৰহণ পদ্মবিভূষণ ড° সোণাল মানসিঙৰ

## গড়গাঁও মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনি দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৫ ছেপ্টেম্বৰ ঃ** ঐতিহ্যমণ্ডিত গড়গাঁও মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত ২৪ ছেপ্টেম্বৰত উলহ-মালহেৰে উদ্‌যাপন কৰা হয় ৰাষ্ট্ৰীয় সেৱা আঁচনি দিৱস। মহাবিদ্যালয় প্ৰাংগণত চাফাই অভিযান আৰু গছ পুলি ৰোপণেৰে প্ৰাৰম্ভিক কাৰ্যসূচী সম্পাদন কৰা হয়। ইয়াৰ পাছতে অনুষ্ঠিত কৰা পুনৰ বিন্যাস কাৰ্যসূচীত এগছি বন্তি প্ৰজ্বলনেৰে 'ৰাষ্ট্ৰীয় সেৱা আঁচনি দিৱস উদযাপনৰ' শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° বীণা সন্দিকৈয়ে। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া ডৰবিৰুদ্ধিম বৰাই আদৰণী ভাষণত এই দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰি কয় যে সামাজিক কাৰ্যাৱলীৰ জড়িয়তে ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক ব্যক্তিত্ব বিকাশত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ভূমিকা অপৰিসীম। অনুষ্ঠানটিত সমল ব্যক্তি ৰূপে উপস্থিত থাকে নাজিৰা মহকুমাৰ সমবায় সমিতি সহকাৰী পঞ্জীয়ক ড° নাছিৰুদ্দিন আহমেদ আৰু নাজিৰা মহকুমাৰ সহকাৰী আয়ুক্ত তন্ময় চেটিয়া। মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° বীণা সন্দিকৈ, ড° নাছিৰুদ্দিন আহমেদ আৰু তন্ময় চেটিয়াই ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ গুৰুত্ব অনুধাৱন কৰি, সমাজলৈ অবিহণা আগবঢ়োৱাৰ লগতে সাম্প্ৰতিক সময়ত যুব প্ৰজন্মৰ সবলীকৰণৰ বাবে যুব ছাত্ৰ-ছাত্ৰী সকলে কেনেধৰণেৰে জীৱনৰ উদ্দেশ্য আৰু লক্ষ্য নিৰ্ধাৰণ কৰিব লাগে সেই সম্পৰ্কে বক্তব্য প্ৰদান কৰে। ইয়াৰ পাছতে ছাত্ৰ ছাত্ৰীসকলে নৃত্য -গীত- বাদ্যৰ সমন্বয়েৰে এক সাংস্কৃতিক অনুষ্ঠানো আয়োজন কৰে। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সদস্য বিশ্বজিৎ দত্ত আৰু ৰাজশ্ৰী গগৈয়ে আঁত ধৰা অনুষ্ঠানটিত অধ্যাপক ড° বিদ্যানন্দ বৰকাকতী, আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° সুৰক্ষিত শইকীয়া, গ্ৰাম্য উন্নয়ন বিভাগৰ অধ্যাপক প্ৰজ্ঞা জ্যোতি বৰুৱাকে প্ৰমুখ্যে কৰি মহাবিদ্যালয়ৰ বহুকেইগৰাকী শিক্ষক শিক্ষয়িত্ৰী তথা প্ৰায় তিনিশৰো অধিক ছাত্ৰ-ছাত্ৰী তথা স্বেচ্ছাসেৱক -স্বেচ্ছাসেৱিকাই অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি কৰে। অনুষ্ঠানটিত শলাগৰ শৰাই আগবঢ়াই ড° ৰিমঝিম বৰাই।

### সৰভোগত এছএফআইৰ ৰাজ্যিক সন্মিলন

# ৰাজ্যৰ বিজেপি চৰকাৰে অসমৰ শিক্ষা খণ্ডটোক ধ্বংস কৰিব বিচাৰিছে ঃ মনোৰঞ্জন তালুকদাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, সৰভোগ, ২৫ ছেপ্টেম্বৰ ঃ** ভাৰতৰ ছাত্ৰ ফেডাৰেচনৰ ১৭তম অসম ৰাজ্যিক সন্মিলন আজি বিশাল জনসভাৰে জৰিয়তে সৰভোগত আৰম্ভ হয়। অসমৰ গণতান্ত্ৰিক আন্দোলনৰ অন্যতম প্ৰাণকেন্দ্ৰ সৰভোগৰ স্থানীয় ঐতিহাসিক গান্ধী ভৱন ময়দানত এচ এফ আইৰ মুকলি সমাৱেশ অনুষ্ঠিত হয়। এচ এফ আইৰ ৰাজ্যিক সভাপতি প্ৰণুল বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সম্পাদক তথা অভ্যৰ্থনা সমিতিৰ সম্পাদক হৰিজিৎ দাসে। মুখ্য বক্তা হিচাপে বক্তব্য ৰাখি ৰাজ্যিক সম্পাদক নিৰংকুশ নাথে অসমৰ বিজেপি চৰকাৰৰ ৰাজ্যৰ শিক্ষা বিৰোধী নীতিৰ কঠোৰ সমালোচনা কৰি আমাৰ চাকৰি ক'ত বুলি প্ৰশ্ন তুলি কয় জাতি মাটি ভেটিৰ নামত ক্ষমতালৈ আহি অসমৰ ৰাজহুৱা খণ্ডৰ শিক্ষানুষ্ঠানৰ শিক্ষক, আন্তঃগাঁথনিৰ সমস্যা সমাধানৰ ব্যৱস্থা নকৰি বিলুপ্তিকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। তেওঁ কয় যে আজিৰ এই সন্মিলনৰ জৰিয়তে এক বিকল্প নীতি দাঙি ধৰিব। আমন্ত্ৰিত সভাত এচ এফ আইৰ সৰ্বভাৰতীয় সাধাৰণ সম্পাদক ময়ুখ বিশ্বাসে কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ শিক্ষা বিৰোধী, জন বিৰোধী কৰ্পোৰেট প্ৰেমী নীতিৰ কঠোৰ সমালোচনা কৰে। তেওঁ উল্লেখ কৰে নৰেন্দ্ৰ মোদী চৰকাৰে সকলোবোৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান ব্যক্তিগত অনুষ্ঠানৰ হাতত জড়িত আদানী আৰু আম্বানী প্ৰতিষ্ঠানক হস্তান্তৰ কৰিবৰ বাবে আগবাঢ়িছে। সভাত উপস্থিত থাকি সভাটো সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে বক্তব্য ৰাখি কয় যে ৰাজ্যৰ বিজেপি চৰকাৰে অসমৰ শিক্ষা খণ্ডটোক ধ্বংস কৰিব বিচাৰিছে। তেওঁ কয় যে অসম চৰকাৰে সংলগ্নিকৰণ(এমালগেমেছন)ৰ নামত ৰাজহুৱা খণ্ডৰ ১০ লাখ শিক্ষানুষ্ঠান বিলুপ্তিকৰণ কৰিবলৈ ওলাইছে। তেওঁ কয় যে বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নত নকৰি, শিক্ষক নিযুক্তি নিদিয়াকৈ ৰাজহুৱা খণ্ডৰ ধ্বংস কৰিব বিচাৰিছে। তেওঁ লগতে কয় যে বিজেপি চৰকাৰে মূল সমস্যাৰ পৰা আতৰি নতুন শিক্ষা নীতিৰ দ্বাৰা আৰু ভয়ংকৰ অৱস্থালৈ ঠেলি দিব বিচাৰিছে। উক্ত সমাৱেশত এচ এফ আইৰ সৰ্বভাৰতীয় সভাপতি কমৰেড ভি পি চানু, এচ এফ আইৰ অসম ৰাজ্যিক কমিটিৰ প্ৰাক্তন সম্পাদক নয়ন ভূঞা প্ৰমুখ্যে নেতা-কৰ্মীৰ লগতে ৰাজ্য খনৰ বিভিন্ন প্ৰান্তৰ এচ এফ আইৰ প্ৰতিনিধি সকল উপস্থিত থাকে।

## সদৌ অসম ভিত্তিত প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** তামুলপুৰ জিলাৰ দক্ষিণ কুমাৰীকাটা আঞ্চলিক পুথিভঁৰালৰ সোণালী জয়ন্তী ৰ সতে সংগতি ৰাখি সদৌ অসম ভিত্তিত এখনি প্ৰবন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি ৰখা এই প্ৰতিযোগিতাৰ বিষয় 'চিন্তন আৰু অধ্যয়ন ঃ বৰ্তমানৰ পুথিভঁৰাল ব্যৱস্থা আৰু ভৱিষ্যৎ' আৰু অসমীয়া জাতীয় চিন্তা চেতনাৰ অগ্ৰদূত শংকৰদেৱ-মাধৱদেৱ'। যিকোনো এটা বিষয়ৰ ওপৰত ১৫০০ শব্দৰ ভিতৰত প্ৰবন্ধ ৰচনা কৰি ৩০ নৱেম্বৰ আগত পোৱাকৈ ডাকযোগে প্ৰেৰণ কৰাৰ বাবে উদযাপন সমিতিয়ে অনুৰোধ জনাইছে। ছাত্ৰ-ছাত্ৰী সকলে বিদ্যালয়-মহাবিদ্যালয় ৰ পৰিচয় পত্ৰ গাঁথি দিব লাগিব। বিজয়ী প্ৰতিযোগীক মুঠ ১০,০০০ টকা নগদ, কিতাপৰ টোপোলা আৰু প্ৰমাণ-পত্ৰৰে পুৰস্কৃত কৰা হ'ব। প্ৰবন্ধসমূহ মৌলিক ৰচনা হ'ব লাগিব আৰু প্ৰয়োজন অনুসৰি পদটীকা,গ্ৰন্থপঞ্জী আদি উল্লেখ কৰিব পাৰিব। প্ৰৱন্ধ সমূহ " সম্পাদক ,দক্ষিণ কুমাৰীকাটা আঞ্চলিক পুথিভঁৰাল, ডাক-কুমাৰীকাটা, জিলা-তামুলপুৰ বিটিআৰ (অসম), পিন-৭৮১৩৬৭ ঠিকনাত পঠাব লাগিব। সকলোপ্ৰকাৰৰ যোগাযোগ নম্বৰ ঃ ৭০০২৫২৮৫১১ অথবা ৬৯১৩৩২৫৮৭২।

## গোলমাগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ প্ৰস্তুতি, স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৫ ছেপ্টেম্বৰ ঃ** বড়োলেণ্ড টেৰিটৰিয়েল ৰিজিঅনৰ অন্তৰ্গত ওদালগুৰি জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান ১৯৪০ চনতে প্ৰতিষ্ঠা কৰা গোলমাগাওঁ উচ্চ মাধ্যামিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী মহোৎসৱ অহা নবেম্বৰ মাহৰ তৃতীয় সপ্তাহত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰা হব। যোৱা ১৫ আগষ্টত বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য তথা ওদালগুৰি বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীৰ উপস্থিতিত অনুষ্ঠিত এখন ৰাজহুৱা সভাত স্হানীয় শিক্ষাবিদ, সমাজকৰ্মী নেতৃস্থানীয় ৰাইজ, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতি, শিক্ষক- শিক্ষয়িত্ৰী আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে সৰ্বসন্মতভাৱে এই সিদ্ধান্ত গ্ৰহণ কৰে। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি হৰি শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাতে বিশিষ্ট সমাজকৰ্মী শ্ৰীকুবেৰ চন্দ্ৰ চেত্ৰীক মুখ্য উপদেষ্টা, বি টি আৰৰ উপ মুখ্য কাৰ্যবাহী সদস্য তথা ওদালগুৰিৰ বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীক সভাপতি, শিক্ষাবিদ বিষ্ণু শৰ্মা নেউপানেক কাৰ্যকৰী সভাপতি, কমল প্ৰসাদ উপাধ্যায়ক প্ৰধান সম্পাদক, শ্ৰীৰি শৰ্মা আৰ ৰাজীৱ কুমাৰ চেত্ৰীক যুটীয়া সম্পাদক, হৰিভক্ত শৰ্মাক কোষাধ্যক্ষ, ধীৰেন্দ্ৰ নাথ বৰুৱাক স্মৃতিগ্ৰন্থৰ সম্পাদক, বৈদ্যনাথউপাধ্যায়ক প্ৰচাৰ সম্পাদক, শ্ৰীনবাহাদুৰ ছেত্ৰীক কাৰ্যালয় সম্পাদক হিচাপে লৈ এখন মহাৰজত জয়ন্তী মহোৎসৱ উদযাপন সমিতিও গঠন কৰা হয়। সভাত তিলবাহাদুৰ ছেত্ৰীক সভাপতি আৰু মোহন ৰাউটক সম্পাদক হিচাপে লৈ প্ৰাক্তন ছাত্ৰ সন্মিলনখন গঠন কৰাৰ লগতে ১০খন উপসমিতিও গঠন কৰে। গোলমাগাওঁ উচ্চ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী মহোৎসৱ অহা নবেম্বৰ মাহৰ তৃতীয় সপ্তাহত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হব। সেয়ে এই উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থৰ বাবে গৱেষক,শিক্ষাবিদ, শিক্ষক-শিক্ষয়িত্ৰী, লেখক- লেখিকা তথা বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰছাত্ৰীসকলৰ পৰা শিক্ষামূলক প্ৰবন্ধ বিচৰা হৈছে। গতিকে সকলো লেখক- লেখিকাকে তেওঁলোকৰ লেখা সমূহ অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত ধীৰেন্দ্ৰ নাথ বৰুৱা, মুখ্য সম্পাদক স্মৃতিগ্ৰন্থ, মহাৰজত জয়ন্তী মহোৎসৱ, গোলমাগাওঁ উচ্চ মাধ্যমিক বিদ্যালয়, ওদালগুৰি, পিন-৭৮৪৫০৯ (ফোন ঃ ৭০০২২৮১৯১৮, ই-মেইল dhirenbaruah 2810@gmail.com) এই এই ঠিকনাত পঠাবলৈ আহ্বান জনাইছে।

## নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত সেৱা আৰু সবলীকৰণৰ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ ছেপ্টেম্বৰ ঃ** উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত বাঁহগড়া দেউৰী মৰনৈ যুৱক কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত সেৱা আৰু সবলীকৰণ কাৰ্যসূচীৰ লগত সংগতি ৰাখি এখনি সজাগতা সভা অনুষ্ঠিত হৈ যায়। উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ ৰাষ্ট্ৰীয় স্বেচ্ছাসেৱীকা নিতুমণি বৰাই আঁত ধৰা উক্ত সজাগতা সভাত বাল্যবিবাহ আৰু মহিলা সৱলীকৰণৰ ওপৰত গাঁৱৰ ৰাইজৰ মাজত সজাগতা বৃদ্ধি কৰাৰ উদ্দেশ্যে উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ যুৱ সমন্বয়ক বিষয়া সুজাতা ভৌমিকে ভাষণ প্ৰদান কৰে। সভাত ৰূপমজ্যোতি চেতিয়াই বাল্যবিবাহৰ ফলত কেনেধৰণৰ সমস্যাৰ সৃষ্টি হয় তাৰ ওপৰত উপস্থিত ৰাইজক অৱগত কৰে।তেওঁ লগতে গাওঁ এখনত যুৱক সংঘ আৰু মহিলা সমিতিয়ে এই সম্পৰ্কে ৰাইজৰ মাজত কেনেদৰে সজাগতা বৃদ্ধি কৰিব পাৰিব তাৰ বিষয়েও ৰাইজক জনায়। উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত উক্ত সভাত উপস্থিত থাকে উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ যুৱ সমন্বয়ক বিষয়া সুজাতা ভৌমিক, উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ ৰূপমজ্যোতি চেতিয়া, ৰাষ্ট্ৰীয় স্বেচ্ছাসেৱক নিতুমণি বৰা, অৰুণ ঙাটে, জিণ্টু গগৈ, বাঁহগড়া দেউৰী মৰনৈ যুৱক কৃষ্টি সংঘৰ সভাপতি-সম্পাদকৰ লগতে সদস্যসকল।




দীঘলীপুখুৰী পাৰ্কত মুক্তাংগণৰ উদ্যোগত আয়োজন কৰা মহালয়াৰ এটি দৃশ্য

### কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ জৰুৰী কাৰ্যনিৰ্বাহক সম্পন্ন

# শীতকালীন অধিৱেশনত দিল্লীত ধৰ্ণা কাৰ্যসূচী ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** অসমৰ অন্যতম শক্তিশালী সংগঠন কোচ-ৰাজবংশী সংগ্ৰাম সমিতি চমুকৈ কে আৰ এছ এছৰ এখনি জৰুৰী কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক বৈঠক ২৩ ছেপ্টেম্বৰত ধুবুৰী জিলাৰ ৰতিয়াদহ হাইস্কুল প্ৰাঙ্গণত অনুষ্ঠিত হৈ যায়। উক্ত দিনা দিনৰ ১২ বজাৰ পৰা ৰতিয়াদহ হাইস্কুল প্ৰাঙ্গণত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাখনিত অসমৰ ভূমিপুত্ৰ কোচ-ৰাজবংশী জনগোষ্ঠীৰ ন্যায্য-প্ৰাপ্য মৰ্যাদা প্ৰদান আন্দোলনৰ অগ্ৰগতিৰ পৰ্যালোচনা তথা জনজাতিৰ মৰ্যাদাৰ দাবীত আন্দোলন কাৰ্যসূচী গ্ৰহণ, সাংগঠনিক দিশ, সন্থাৰ ভৱিষ্যৎ কৰ্ম আঁচনি নিৰ্ণয়, অন্যান্য প্ৰসংগকে আদি কৰি জাতীয় জীৱনৰ লগত জড়িত ভালেকেইটা বিষয়ত পুংখানুপুংখভাৱে আলোচনামৰ্মে বহুকেইটা সিদ্ধান্ত গ্ৰহণ কৰি কেইবাটাও প্ৰস্তাৱ গ্ৰহণ কৰে। সংগঠনটিৰ সভাপতি নাৰায়ণ মেধিৰ পৌৰোহিত্যত, কাৰ্যকৰী সভাপতি ৰূপজ্যোতি দত্তই আঁত ধৰা, সম্পাদক দুলাল চন্দ্ৰ ৰায়ে উদ্দেশ্য ব্যাখ্যা কৰা কাৰ্যনিৰ্বাহক বৈঠকখনিত কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক বিষয়ববীয়া, কাৰ্যনিৰ্বাহকৰ সদস্য-সদস্যা, উপদেষ্টা মণ্ডলী, জিলা সমিতি, মহকুমা সমিতিসমূহৰ সভাপতি, সম্পাদকসকল, কোচ-ৰাজবংশী মহিলা সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় যুটীয়া সম্পাদিকা, বিষয়ববীয়াকে প্ৰমুখ্য কৰি নেতৃবৃন্দ, শুভাকাংক্ষী উপস্থিত থাকে। এই সভাতেই সৰ্বসন্মতিক্ৰমে সাংসদৰ শীতকালীন অধিৱেশনত অসমৰ ভূমিপুত্ৰ কোচ-ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণকে প্ৰমুখ্য কৰি ন্যাৰ্য প্ৰাপ্য প্ৰদানৰ দাবীত দিল্লীত ধৰ্ণাৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ সিদ্ধান্ত লয়। সভাই ছয় জনগোষ্ঠীয় ঐক্য মঞ্চৰ ঘোষণা কৰা কাৰ্যসূচী সমূহলৈ কে আৰ এছ এছে সমৰ্থনৰ সিদ্ধান্তক অনুমোদন জনায়। সভাই বঙাইগাঁও জিলাৰ প্ৰতিনিধি বাবুলু ৰায়ক সহকাৰী সম্পাদক ৰূপে কাৰ্যনিৰাহকত অন্তভূক্ত কৰে। সভাই জিলা, মহকুমা সমিতি সমূহক ন্যাৰ্য প্ৰাপ্য মৰ্যদাৰ দাবীত জৰুৰীভাৱে কাৰ্যসূচী গ্ৰহণৰ পৰামৰ্শ দিয়ে। অসমৰ ভূমিপুত্ৰ সহজ-সৰল কোচ-ৰাজবংশী জনগোষ্ঠীৰ জনজাতিকৰণ তথা সংবিধান প্ৰদত্ত ন্যায্য-প্ৰাপ্য অধিকাৰ নোপোৱা পৰ্যন্ত কোচ-ৰাজবংশী সকলে গণতান্ত্ৰিক পদ্ধতিৰে আন্দোলন অব্যাহত ৰাখিব বুলি সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰে। অসমৰ অন্যতম বৃহৎ জনগোষ্ঠী ভূমিপুত্ৰ কোচ-ৰাজবংশী সকলক বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে জনজাতিকৰণৰ ইছুটো কেৱল মাত্ৰ নিৰ্বাচনী বৈতৰণী পাৰহোৱাৰ স্বাৰ্থত ভোট বেংক হিচাপে ব্যৱহাৰ কৰি অহা কাৰ্য অমানৱীয় কাৰ্য বুলি অভিহীত কৰি শীঘ্ৰে নিৰ্বাচনী ইস্তাহাৰৰ প্ৰতিশ্ৰুতিমৰ্মে কোচ-ৰাজবংশী সকলক জনজাতিৰ মৰ্যদা প্ৰদান কৰিবলৈ আহ্বান জনায়। ইয়াৰ অন্যথা আগন্তুক লোকসভা আৰু পঞ্চায়ত নিৰ্বাচনত বিজেপি দলে উচিৎ প্ৰত্যুত্তৰ লাভ কৰিব বুলি এক বিজ্ঞপ্তিৰ জৰিয়তে কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি ৰূপজ্যোতি দত্তই সংবাদ মাধ্যমক জানিবলৈ দিয়ে।

## বাক্সাৰ শালবাৰী মহাবিদ্যালয়ত অসম আৰক্ষী, শিক্ষা বিভাগত নিযুক্তিপ্ৰাপ্ত, কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৫ ছেপ্টেম্বৰ ঃ** বাক্সা জিলাৰ শালবাৰী মহাবিদ্যালয়ত মহাবিদ্যালয়খনৰ আই কিউ এ চিৰ উদ্যোগত আজি শালবাৰী অঞ্চলৰ নতুনকৈ চৰকাৰী চাকৰিত নিযুক্তি লাভ কৰা প্ৰাৰ্থী, কৃতী শিক্ষাৰ্থীক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে শালবাৰী মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত মহাবিদ্যালয়খনৰ সহকাৰী অধ্যাপক মণ্টু বড়োৱে আঁত ধৰা সভাত কালি অসম আৰক্ষীত নিযুক্তি লাভ কৰা শালবাৰী অঞ্চলৰ ১৫ গৰাকী যুৱক-যুৱতীক মহাবিদ্যালয়ৰ আইকিউএচিৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰে। তদুপৰি সৰুপেটাৰ বিএইচবি মহাবিদ্যালয়ত বড়ো বিভাগত সহকাৰী অধ্যাপকৰূপে নিযুক্তি লাভ কৰা শালবাৰীৰ উধিয়াগুৰি গাঁৱৰ ৰূপা বসুমতাৰী,শালবাৰী মহাবিদ্যালয়ত গ্ৰন্থাগাৰিকৰূপে নিযুক্তি পোৱা শালবাৰীৰ অ'গুৰি গাঁৱৰ ৰাধিকা দেৱী বসুমতাৰীক সম্বৰ্ধনা জনোৱাৰ লগতে শালবাৰী মহাবিদ্যালয়ৰ পৰা স্নাতক কলা শাখাৰ চূড়ান্ত পৰীক্ষাত বিভিন্ন বিভাগত শ্ৰেষ্ঠত্ব অৰ্জন কৰা ৯ গৰাকী শিক্ষাৰ্থীকো সম্বৰ্ধনা জনায়। সভাত শালবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জগত চন্দ্ৰ বসুমতাৰীয়ে বক্তৃতা প্ৰদান কৰাৰ লগতে আমন্ত্ৰিত অতিথিৰূপে ভাষণ দিয়ে জালাহ বিঞ্জ বি কিষাণ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ধৰ্মেশ্বৰ ব্ৰহ্মই।

## ভাৰতীয় জনতা পাৰ্টীৰ কমলপুৰ মণ্ডল আৰু বিহদিয়া জাজিকোণা মণ্ডলৰ সাংগঠনিক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** শুকুৰবাৰে ভাৰতীয় জনতা পাৰ্টিৰ বিহদিয়া জাজিকোণা মণ্ডল সমিতি আৰু কমলপুৰ মণ্ডল সমিতিৰ উদ্যোগত শ্ৰী শ্ৰী পিঙ্গলেশ্বৰ অৰ্দ্ধনাৰীশ্বৰ দেৱালয়ৰ সভাগৃহত এখন বিশেষ সাংগঠনিক সভাৰ আয়োজন কৰা হয়।বিশেষ সাংগঠনিক সভাখনত মংগলদৈ লোকসভা সমষ্টিৰ সাংসদ তথা ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া আৰু কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা উপস্থিত থাকে। উক্ত সভাত দলীয় কাৰ্যকৰ্তা সকলৰ সৈতে মনৰ ভাৱ বিনিময় কৰাৰ লগতে আগন্তুক পঞ্চায়ত আৰু লোকসভা নিৰ্বাচনৰ ওপৰত আলোচনা হয় বুলি সাংসদ দিলীপ শইকীয়াই জানিবলৈ দিয়ে। সাংসদ গৰাকীয়ে হিমন্ত বিশ্ব শৰ্মা চৰকাৰখনক প্ৰশংসা কৰি কয় চৰকাৰখনে ভাল কাম কৰি আছে আৰু অনাগত দিনবোৰতো ভাল কাম কৰি যাব। শুক্ৰবাৰে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত নিযুক্তি পত্ৰ প্ৰদান অনুষ্ঠানত নিযুক্তি লাভ কৰা প্ৰতিগৰাকী যুৱক যুৱতীক অভিনন্দন জ্ঞাপন কৰে সাংসদ গৰাকীয়ে। বিধায়ক দিগন্ত কলিতাই তেওঁৰ বক্তব্যত সাংগঠনিক ভেটি অধিক মজবুত কৰাৰ বাবে দলীয় কাৰ্যকৰ্তাক আহ্বান জনায়। সাংগঠনিক সভাত ভাৰতীয় জনতা পাৰ্টিৰ উত্তৰ কামৰূপ জিলাৰ সভাপতি সুবল পালৰ লগতে কমলপুৰ আৰু বিহদিয়া জাজিকোণা মণ্ডলৰ সভাপতি ক্ৰমে কুমুদ কাকতি আৰু উমেশ ডেকাৰ লগতে বিষয়ববীয়া আৰু কাৰ্যকৰ্তা সকল উপস্থিত থাকে। ইয়াৰ উপৰি পিংগলেশ্বস্থিত শ্ৰী শ্ৰী অৰ্দ্ধনাৰীশ্বৰ দেৱালয়ৰ যাত্ৰীসকলৰ বাবে অসম চৰকাৰৰ ২০১৯-২০২০ অসম দৰ্শন আঁচনিৰ অনুদানেৰে নিৰ্মাণ হোৱা জিৰণি গৃহটো শুভাৰম্ভণি কৰে সাংসদ দিলীপ শইকীয়া আৰু বিধায়ক দিগন্ত কলিতাই। উক্ত শুভাৰম্ভণি অনুষ্ঠানত মন্দিৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া সকলৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকে।

## খুটীয়াপোটা প্ৰাথমিক বিদ্যালয়ত স্বাস্থ্য মেলা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ২৫ ছেপ্টেম্বৰ ঃ** বিজেপি ঢেকৰগড়া মণ্ডল আৰু অনুসুচিত জাতি মৰ্চাৰ সহযোগত যোৰহাটৰ ৩৮নং বালিগাঁও পঞ্চায়তৰ অন্তৰ্গত খুটীয়াপোটা প্ৰাথমিক বিদ্যালয়ত দেশৰ প্ৰধান মন্ত্ৰীৰ জন্মদিনৰ 'সেৱা পযেক'ৰ অন্তৰ্গত যোৱা ২৩ ছেপ্টেম্বৰত স্বাস্থ্য মেলা অনুষ্ঠিত কৰা হয়। উক্ত কাৰ্যসূচীত উপস্থিত থাকে বিজেপি ঢেকৰগড়া মণ্ডলৰ সভাপতি চিত্তৰঞ্জন দাস, যোৰহাট জিলা অনুসুচিত জাতি মৰ্চাৰ প্ৰভাৰী বকুল হাজৰীকা, সম্পাদক নিৰেণ শইকীয়া, যোৰহাট জিলাৰ উপ-সভানেত্ৰী মঞ্জু দত্ত, ঢেকৰগড়া মণ্ডলৰ উপ- সভাপতি প্ৰজিপ দত্ত, যোৰহাট জিলাৰ অবিচি মৰ্চাৰ সম্পাদক মৃদুল গগৈ, ঢেকৰগড়া মণ্ডলৰ অনুসুচিত জাতি মৰ্চাৰ সভাপতি ৰত্নেশ্বৰ দাস ,উপ সভাপতি ৰাজেন দাস ,সম্পাদক পবিত্ৰ দাস, ৩৮নং পঞ্চায়তৰ প্ৰমুখ ধ্ৰুৱজ্যোতি নেওগ, মহিম দাস ঢেকৰগড়া মণ্ডল মহিলা মৰ্চাৰ সম্পাদিকা মামু নেওগ, ঢেকৰগড়া মণ্ডলৰ উপ -সভানেত্ৰী লক্ষীমাই নেওগৰ লগতে বুথৰ সভাপতি-সম্পাদক আৰু দলীয় কাৰ্যকতাসকলৰ লগতে যোৰহাট জিলা সামাজিক মাধ্যমৰ দুল হাজৰিকা, ঢেকৰগড়া মণ্ডলৰ সামাজিক মাধ্যমৰ সহঃ আহ্বায়ক অজিত বৰা উপস্থিত থাকে।

## চাপৰৰ ৰত্নপীঠ মহাবিদ্যালয়ত গণ-অভিৱৰ্তন

### ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাক জিলা আৰু চাপৰ তথা সাপটগ্ৰামক মহকুমা হিচাপে ঘোষণা কৰাৰ দাবীত এই গণ-অভিৰৰ্তন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৫ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাক জিলা ঘোষণাৰ দাবীত, চাপৰ আৰু সাপটগ্ৰামক মহকুমা ঘোষণা কৰিবলৈ দীৰ্ঘদিন ধৰি দাবী উত্থাপন কৰি আহিছে বিভিন্ন দল-সংগঠনৰ লগতে সচেতন ৰাইজে। দীৰ্ঘদিন ধৰি বিভিন্ন সময়ত বিভিন্ন ধৰণে এই দাবী জনাই আছিল বিলাসীপাৰা জিলা দাবী সমিতি নামৰ সংগঠনটোৱে। বিলাসীপাৰা মহকুমাক জিলা ঘোষণাৰ দাবী ইতিপূৰ্বে বিধায়িকা গুল আখতাৰা বেগম আৰু বৰ্তমানৰ বিধায়ক ছামছুল হুদাই বিধানসভাৰ মজিয়াত এই দাবী উত্থাপন কৰিছিল যদিও আজিলৈ এই দাবী চৰকাৰে গুৰুত্ব সহকাৰে নোলোৱাৰ অভিযোগ। যাৰ পৰিপ্ৰেক্ষিতত বিলাসীপাৰা মহকুমাক জিলাৰ দাবী পুনৰ গা কৰি উঠিছে। এই দাবী সদনৰ পৰা ৰাজপথলৈ লৈ যোৱাৰ উদ্দেশ্যে ঠায়ে ঠায়ে গণ-অভিৱৰ্তন অনুষ্ঠিত কৰি বৃহৎ আকাৰত জনমত গঠন বাবে এনেদৰে সভা অনুষ্ঠিত কৰা পৰিলক্ষিত হৈছে। আজি ৰত্নপীঠ মহাবিদ্যালয়ত অনুষ্ঠিত গণ-অভিৱৰ্তন চাপৰ অঞ্চলৰ বিভিন্ন দল-সংগঠনৰ লগতে সচেতন ৰাইজ উপস্থিত হৈ চাপৰ মহকুমা সমিতিখন সাল-সলনি কৰে। সভাৰ জৰিয়তে আছু, আমছু, দেশী জনগোষ্ঠী মঞ্চ অসম, নাথযোগী সন্মিলনী, আক্ৰাছু, লেখিকা সমাৰোহ সমিতি, শিক্ষক সন্মিলনী, কংগ্ৰেছ, এআইইউডিএফ, বিজেপি, এনচিপি, চাপৰ মাল্টি মিডিয়াপ্ৰেছ ক্লাব আদি বিভিন্ন ৰাজনৈতিক-অৰাজনৈতিক দল উপস্থিত থাকি চৰকাৰক এই দাবীৰ প্ৰতি সঁহাৰি জনাবলৈ আহ্বান জনায়।

## যোৰহাট পূজা মন্দিৰত গোসাঁনী নাম প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২৫ ছেপ্টেম্বৰ ঃ** শতবৰ্ষৰ ইতিহাসেৰে সমৃদ্ধ যোৰহাট পূজা মন্দিৰত বিগত বছৰৰ দৰে এইবাৰো জয়দা দেৱী সোঁৰণী গোসাঁনী নামৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ৩০ছেপ্টেম্বৰৰ পুৱা ১০-০০ বজাৰ পৰা যোৰহাট পূজা মন্দিৰত অনুষ্ঠিত হ'ব লগীয়া প্ৰতিযোগিতাত বিজয়ী তিনিটা দলক নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰিব। প্ৰতিযোগীসকলে আগতীয়াকৈ নাম পঞ্জীয়নৰ বাবে আহ্বায়কদ্বয় শান্তা শৰ্মা (৯৪৩৫০৫২৫৪৬) আৰু দীপ্তি চক্ৰৱৰ্তীৰ (৯৩৯৪২৩৫৭৫০) লগত যোগাযোগ কৰিবলৈ উদ্যোক্তাসকলে আহ্বান জনাইছে।



চানডুবিত বিশ্ব পৰ্যটন দিৱসৰ প্ৰাক উদ্‌যাপনৰ সময়ত নাও ছাফাৰী উপভোগ কামৰূপৰ উপায়ুক্ত কীৰ্থি জল্লীৰ

# বিশ্ব হাঁওফাঁও দিৱস ঃ ধূমপান কৰা লোকসকলৰ ক্ষেত্ৰত হাঁওফাঁওৰ কৰ্কট ৰোগৰ আশংকা ২৪ৰ পৰা ৩৬ গুণলৈ বেছি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ ছেপ্টেম্বৰ ঃ** প্ৰতি বছৰে ২৫ ছেপ্টেম্বৰত বিশ্ব হাঁওফাঁও দিৱস পালন কৰা হয়। ইয়াৰ উদ্দেশ্য হৈছে হাঁওফাঁওৰ স্বাস্থ্যৰ বিষয়ে মানুহক সজাগ কৰা। আমাৰ প্ৰকৃতিত পৰিষ্কাৰ আৰু স্বাস্থ্যকৰ বায়ু থকাটো নিশ্চিত কৰাটোও গুৰুত্বপূৰ্ণ, যি হাঁওফাঁওক ৰোগমুক্ত কৰি ৰাখিব পাৰে। বিশ্ব হাঁওফাঁও দিৱস হৈছে ফ'ৰাম অৱ ইণ্টাৰনেচনেল ৰেস্পিৰেটৰী ছ'চাইটীজ (এফ আই আৰ এছ)-এ আৰম্ভ কৰা এটা বিশেষ দিন। হাঁওফাঁওৰ কৰ্কট ৰোগে আজি বিশ্বব্যাপী ত্ৰাসৰ সৃষ্টি কৰিছে। সচৰাচৰ হোৱা কৰ্কট ৰোগবোৰৰ ভিতৰত ইয়ো এটা। ই স্তন, মলাশয় আৰু প্ৰষ্টেট কৰ্কট ৰোগৰ তুলনাত এবছৰত অধিক লোকৰ প্ৰাণ হানি কৰি আহিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে কৰ্কট ৰোগৰ ফলত হোৱা পাঁচজনৰ ভিতৰত প্ৰায় এজনৰ মৃত্যু হয় হাঁওফাঁওৰ কৰ্কট ৰোগত। ২০১২ চনত হাঁওফাঁওৰ কৰ্কট ৰোগীৰ সংখ্যা আছিল ১.৮ নিযুত। ২০১৮ চনত এই সংখ্যা আছিল ২.০৯ নিযুত। তদুপৰি, কেৱল ২০১৮ চনত হাঁওফাঁওৰ কৰ্কট ৰোগত ১.৭৬ নিযুত লোকে প্ৰাণ হেৰুৱাই ছিল। হাঁওফাঁওৰ কৰ্কট ৰোগত মৃত্যু ঘটা লোকৰ শতাংশ হাৰ হৈছে ১৭.৮ শতাংশ। ইণ্টাৰনেচনেল এছ'চিয়েচন ফৰ দ্য ষ্টাডী অৱ লাং কেন্সাৰে হাঁওফাঁওৰ কৰ্কট ৰোগৰ বিষয়ত বিশ্ব সন্মিলনৰ (ডব্লিউচিএলচি) আয়োজন কৰি আহিছে। এয়া হাঁওফাঁওৰ কৰ্কট ৰোগৰ বাবে সমৰ্পিত বিশ্বৰ সৰ্ববৃহৎ সন্মিলন। ১০০খনতকৈও অধিক দেশৰ ৭০তকৈও অধিক প্ৰতিনিধিয়ে এই সন্মিলনত শেহতীয়াকৈ অংশগ্ৰহণ কৰিছে। অংশগ্ৰহণকাৰীসকলৰ ভিতৰত আছে শল্য চিকিৎসক, ৰেডিয়েচন অংকলজিষ্ট, মেডিকেল অংকলজিষ্ট, পেথলজিষ্ট, এপিডেমিঅ'লজিষ্ট, পালমোনোলজিষ্ট, ৰেডিঅ'লজিষ্ট, বিজ্ঞানী, নাৰ্ছ ইত্যাদি আছিল। বিংশ শতিকাৰ আৰম্ভণিতে হাঁওফাঁওৰ কৰ্কট ৰোগ এক বিৰল ৰোগ আছিল, হাঁওফাঁওৰ কৰ্কট ৰোগৰ ঘটনা ক্ৰমান্বয়ে বৃদ্ধি পাইছিল আৰু ধূমপান বৃদ্ধি হৈ থকাৰ ফলত এনে কৰ্কট ৰোগে পৃথিৱীত ত্ৰাসৰ সৃষ্টি কৰিছে। ধঁপাতজাত সামগ্ৰী, ঔদ্যোগিক সামগ্ৰী যেনে ইউৰেনিয়াম, এছবেষ্টছ, বিকিৰণ আদি, বায়ু প্ৰদূষণ আৰু পুষ্টিৰ অভাৱৰ বাবে এনে কৰ্কট ৰোগ হোৱা দেখা যায়। শেহতীয়া অধ্যয়নবোৰে দেখুৱাইছে যে কাৰ্চিনোজেনিক সামগ্ৰীয়ে হাঁওফাঁওৰ কৰ্কটৰোগৰ আশংকা বৃদ্ধি কৰে। ধূমপান হাঁওফাঁওৰ কৰ্কট ৰোগৰ আন এক প্ৰধান কাৰক। হাঁওফাঁওৰ কৰ্কট ৰোগৰ ৯৪ শতাংশৰ বাবে ধূমপান দায়ী। ধূমপান নকৰা লোকৰ তুলনাত ধূমপান কৰা লোকৰ ক্ষেত্ৰত হাঁওফাঁওৰ কৰ্কট ৰোগৰ আশংকা ২৪ৰ পৰা ৩৬ গুণ বেছি। নিষ্ক্ৰিয় ধূমপানত হাঁওফাঁওৰ কৰ্কট ৰোগৰ আশংকা ৩.৫ শতাংশ। হাঁওফাঁওৰ কৰ্কট ৰোগৰ আগতীয়া চিনাক্তকৰণ আৰু চিকিৎসাৰ বাবে মুখ্য লক্ষণ আৰু স্ক্ৰীণিং বিকল্পবোৰ জনাটো গুৰুত্বপূৰ্ণ। হাঁওফাঁওৰ কৰ্কট ৰোগৰ কিছুমান লক্ষণ হৈছে— শ্লেষ্মাৰ পৰিৱৰ্তন, কাহিলে তেজ ওলোৱা, বুকু বা পিঠিৰ বিষ, গিলিবলৈ অসুবিধা হোৱা ইত্যাদি। হাঁওফাঁওৰ কৰ্কট ৰোগ নিৰ্ণয় কৰিবলৈ ব্যৱহৃত পৰীক্ষাবোৰৰ ভিতৰত আছে বুকুৰ এক্স-ৰে, ব্ৰঙ্কোস্কোপী, বায়োপচি, চিটী আৰু পিইটি স্কেন ইত্যাদি। আমেৰিকান লাং এছ'চিয়েচনৰ মতে প্ৰতি বছৰে ১.৬ নিযুত লোক হাঁওফাঁওৰ কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যুমুখত পৰে। চিডিচিৰ মতে প্ৰতি ১৩জনৰ ভিতৰত এজন লোক হাপানিত ভুগি আছে। হাঁওফাঁওৰ ৰোগ, যেনে নিউমোনিয়া, যক্ষ্মা, হাপানি, চিঅ'পিডি (দীৰ্ঘম্যাদী প্ৰতিৰোধী পালমোনাৰী ৰোগ) আৰু হাঁওফাঁওৰ কৰ্কট ৰোগৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ গুৰুত্ব উপলব্ধি কৰিয়েই কাইলৈ বিশ্ব হাঁওফাঁও দিৱস পালন কৰা হ'ব। স্বাস্থ্য বিশেষজ্ঞ বিক্ৰম জাগ্গীয়ে কয়, 'মানুহে ধূমপান কৰিব নালাগে, প্ৰদূষণৰ বিষয়ে অৱগত হোৱা উচিত আৰু প্ৰদূষণৰ স্তৰ, বায়ুৰ মানৰ বিষয়ে সচেতন হ'ব লাগে। হাঁওফাঁওৰ স্বাস্থ্য নিশ্চিত কৰিবলৈ উপযুক্ত পদক্ষেপ লোৱা উচিত। যোগাসনে হাঁওফাঁওৰ সামৰ্থ্য উন্নত কৰাত যথেষ্ট সহায় কৰে। ফল আৰু পাচলিসমৃদ্ধ আহাৰ খোৱাৰ লগতে পৰ্যাপ্ত ব্যায়াম কৰিব লাগে। হাঁওফাঁওৰ স্বাস্থ্য নিশ্চিত কৰিবলৈ এইবোৰ কিছুমান সৰল পদক্ষেপ অনুসৰণ কৰিব পাৰি। হাঁওফাঁওৰ কৰ্কট ৰোগ হৈছে এক প্ৰতিৰোধযোগ্য ৰোগ। ইয়াক যিমান আগতে চিনাক্ত কৰা হয়, ইয়াৰ পৰা বাচি থকাৰ সম্ভাৱনা অধিক হয়'।

## শিৱসাগৰত বিনামূলীয়া চিকিৎসা শিবিৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৫ ছেপ্টেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টীৰ শিৱসাগৰ জিলা অনুসূচিত জাতি মৰ্চাৰ উদ্যোগত আৰু নগৰ মণ্ডল অনুসূচিত জাতি মৰ্চাৰ সহযোগত নগৰৰ থানামুখত এটি বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰে। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিন উপলক্ষে সেৱা পযেকৰ অংশৰূপে এই স্বাস্থ্য শিবিৰ সম্পন্ন হয়। এই চিকিৎসা শিবিৰত থানামুখৰ লগতে উপকণ্ঠ অঞ্চলৰ প্ৰায় ১৫০ শতাধিক ৰাইজক বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰা হয়। মধুমেহ, ৰক্তচাপ, চকু, দাঁতৰ লগতে এই চিকিৎসা শিবিৰত তেজৰ প্ৰাৰম্ভিক পৰীক্ষা আদি কৰা হয়। এই শিবিৰটোৰ উদ্বোধনী অনুষ্ঠানটোৰ আঁত ধৰে নগৰ মণ্ডলৰ অনুসূচিত জাতি মৰ্চাৰ সভাপতি নিৰঞ্জন দাসে। এই স্বাস্থ্য শিবিৰটোত ডাক্তৰ পাৰ্থ প্ৰতিম গগৈৰ লগতে কেইবাজনো ডাক্তৰে চিকিৎসা সেৱা আগবঢ়োৱাৰ উপৰি শিৱসাগৰ পৌৰসভাৰ সভানেত্ৰী মৃণালী কোঁৱৰ, জিলা বিজেপিৰ সম্পাদক মানৱ আদিত্য, নগৰ মণ্ডলৰ সভাপতি প্ৰণৱ বৰুৱা, ৱাৰ্ড মেম্বাৰ দীপু হাজৰিকা, জিলা বিজেপিৰ মিডিয়া কোষৰ আহ্বায়ক ৰাতু কুমাৰ দাসৰ লগতে বহুকেইজন নেতা-কৰ্মী উপস্থিত থাকে।

## ধৰ্মসহায় ফাউণ্ডেচনৰ উদ্যোগত শিমলীতলাত ঋণ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেল্লা, ২৫ ছেপ্টেম্বৰ ঃ** স্বেচ্ছাসেৱী অনুষ্ঠান ধৰ্মসহায় ফাউণ্ডেচনে আৰ্থিক সহযোগ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে আৰ্থিক সহযোগ কাৰ্যসূচীৰ অধীনত ৰংজুলি ব্লকৰ অন্তৰ্গত শিমলীতলাত কেইবাটাও গোটক ঋণ প্ৰদান কৰে। ধৰ্মসহায় ফাউণ্ডেশ্যনৰ অধীনত পঞ্জীয়ণভুক্ত কেইবাটাও গোটক ঋণ প্ৰদান কৰা হয়। অনুষ্ঠানটোত ধৰ্মসহায় ফাউণ্ডেশ্যনৰ সঞ্চালক প্ৰবন্ধক অপু কুমাৰ দাস, ধৰ্মসহায় ফাউণ্ডেশ্যনৰ বিষয়ববীয়া ক্ৰমে হেমাংগ কলিতা, ৰাতুল সাউদ, নৰজিৎ সাউদ প্ৰমুখ্যে বহুসংখ্যক লোক উপস্থিত থাকে।

# অসম-নাগালেণ্ড সীমান্তৰ খটখটিত মুছাৰ শিক্ষা জাগৰণ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** অসমৰ পিছপৰা মুছলিম ছাত্ৰ-ছাত্ৰীক শিক্ষাৰ পোহৰ দেখুৱা খটখটীৰ ছানছাইন ইংলিছ স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীসকলক সম্বৰ্ধনা মুছলিম ছাত্ৰ সন্থাৰ। অসম-নাগালেণ্ড সীমান্তৰ খটখটী এলেকাত মুছলমান সম্প্ৰদায়ৰ মাজত শিক্ষাৰ পোহৰ বিলাবলৈ মুছলিম ছাত্ৰ সন্থা, অসমৰ কাৰ্বি আংলং জিলা সমিতিয়ে গ্ৰহণ কৰিছে এক প্ৰশংসনীয় পদক্ষেপ। মুছাৰ কাৰ্বি আংলং জিলা সমিতিৰ সভাপতি মইনুল হুছেইন ওজা আৰু কাৰ্যকৰী সভাপতি আছাদউদ্দিন আহমেদৰ বিশেষ উদ্যোগত খটখটীৰ ছানছাইন নামৰ এখন ব্যক্তিগত বিদ্যালয়ৰ শিক্ষকবৃন্দক সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে লাহৰীজান আৰু খটখটী এলেকাৰ আৰ্থিকভাৱে জুকলা মুছলিম ছাত্ৰ-ছাত্ৰীসকলক ছানছাইন ইংলিছ স্কুলত বিনামূলীয়াকৈ নামভৰ্তি কৰি দিয়া আৰু বিদ্যালয়খনত অসমীয়া বিষয়কো অন্তৰ্ভুক্ত কৰাৰ বাবে মুছাই বিদ্যালয়খনৰ শিক্ষক সমাজক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক আৰিফুৰ ৰহমানৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত মুছাৰ কাৰ্বি আংলং জিলা সমিতিৰ সভাপতি মইনুল হুছেইন ওজা, কাৰ্যকৰী সভাপতি আছাদ উদ্দিন আহমেদ, উপ-সভাপতি মেহেৰ শিকদাৰ, সহঃ সম্পাদক ইয়াছিন লস্কৰ, ক্ৰীড়া সম্পাদক ছেহেল লস্কৰ, কাৰ্যালয় সম্পাদক আৰমান আলী, সাংগঠনিক সম্পাদক আশ্ৰাফ খান, সাংবাদিক ছাইদুল ইছলাম, আনন্দ তেৰাং, বিপুল কুৰ্মী, এজেৱাইচিপিৰ বোকাজান আঞ্চলিক সভাপতি ৰাইচং তেৰাং, মুছাৰ উপদেষ্টা মওলানী নাজমা বেগম আবুল কাছিম (মিণ্টু) মুন্নী বেগম, নুননেহাৰ বেগমক সম্বৰ্ধনা জ্ঞাপন কৰে। নিজৰ ভাষণ প্ৰসংগত মুছাৰ ৰাজ্যিক সাধাৰণ সম্পাদক আশিক ৰব্বানিয়ে কয় যে অতিকৈ পিছপৰা অসমৰ মুছলমান সমাজৰ আৰ্থিক, সামাজিক, শৈক্ষিক দিশত উন্নতি কৰিবলৈ ২০০৫ চনত মুছাৰ জন্ম হৈছিল। তেতিয়াৰ পৰা মুছাই মুছলমান সকলৰ জাতীয় স্বাৰ্থৰ বাবে কাম কৰি আহিছে।

বিদ্যালয় সমূহত অসমীয়া মাধ্যমৰ শিক্ষা গ্ৰহণ কৰাৰ ওপৰত মন্তব্য কৰে নেতাগৰাকীয়ে কয় যে এক বিন্দু তেজ থকালৈকে মুছাই অসমীয়া ভাষা শিক্ষা প্ৰসাৰৰ বাবে কাম কৰি যাব। মুছলিম সমাজৰ বাল্যবিবাহ, নিচাযুক্ত সামগ্ৰীৰ ব্যৱহাৰ কমাই এখন সুস্থ সমাজ গঢ়িবলৈ আহ্বান জনায়। খটখটীৰ ছানছাইন ইংৰাজী স্কুলত অসমীয়া বিষয়টো শিক্ষাদান হিচাপে লোৱাটো প্ৰশংসাৰ যোগ্য বুলি কয়। এজুৱাই ম'বাইল ব্যৱহাৰৰ দিশটোত অভিভাৱক সতৰ্কতা অৱলম্বন কৰাৰ বাবে পৰামৰ্শ দিয়ে। আনহাতে, সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত খটখটীৰ ছানছাইন স্কুলৰ প্ৰধান শিক্ষকগৰাকীয়ে কয় যে অন্যান্য ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহত কেৱল ইংৰাজী মাধ্যমৰ শিক্ষা প্ৰদান কৰা হয় যদিও ছানছাইন ইংৰাজী স্কুলত মাতৃভাষা শিক্ষাৰ সমান্তৰালকৈ প্ৰদান কৰিবলৈ তেওঁৰ সপোন আছিল। আনহাতে, বিদ্যালয় খনত অসমীয়া বিষয়টো সমান্তৰাল কৈ আগবঢ়াই নিস্বাৰ্থ প্ৰচেষ্টা হাতত লোৱাৰ বাবে ছানছাইন ইংৰাজী স্কুলৰ শিক্ষকবৃন্দক কৃতজ্ঞতা জ্ঞাপন কৰে।






## মানকাচৰ মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ 'প্ৰতিষ্ঠা দিৱস' পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৫ ছেপ্টেম্বৰ ঃ** ভাৰত-বাংলাদেশৰ সীমান্তৱৰ্তী দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ একমাত্ৰ প্ৰাদেশীকৰণ মহাবিদ্যালয় "মানকাচৰ মহাবিদ্যালয়ত অন্যান্য বছৰৰ দৰে এইবছৰো ছেপ্টেম্বৰ মাহৰ ২৪ তাৰিখ শনিবাৰে ৰাষ্ট্ৰীয় সেৱা আচঁনিৰ প্ৰতিষ্ঠা দিৱস উলহ-মালহেৰে পালন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ উপলক্ষে দুপৰীয়া ১ বজাত মহাবিদ্যালয়ৰ অধ্যক্ষা ড° সুদীপ্তা দত্তৰ সভাপতিত্বত এখনি সজাগতামূলক সভা অনুষ্ঠিত হয় । সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়ৰ সহকাৰি অধ্যাপক তথা প্ৰোগ্ৰাম অফিচাৰ ড° মোঃ মোৰশেদুজ জামানে। সভাত মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যাপিকা ড° ফিৰদুছা বেগম আৰু প্ৰিয়ংকা গগৈয়ে ।মুখ্য অতিথিৰ ভাষণত অধ্যাপিকা ড° বেগমে ছাত্ৰ- ছাত্ৰীসকলক উদ্দেশ্যি পৰিৱেশ, প্ৰদূষণ, সজাগতামূলক সম্পৰ্কীয় বক্তব্য ৰাখে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়খনৰ বৰ্তমানৰ উত্তৰণৰ দিশসমূহৰ লগতে পোষণ সম্পৰ্কে বক্তব্য ৰাখে মহাবিদ্যালয়ৰ অধ্যাপিকা প্ৰিয়ংকা গগৈয়ে। সভাৰ আগতে পুৱাৰ ভাগত মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ স্বেচ্ছাসেৱী সকলে মহাবিদ্যালয়ৰ বিভাগীয় কোঠাবোৰৰ লগতে শ্ৰেণীকোঠাসমূহ পৰিষ্কাৰ কৰে ইয়াৰ পিছতে মহাবিদ্যালয়ত স্বেচ্ছাসেৱী সকলে পোষ্যগ্ৰাম মহন্তপাৰাত বৃক্ষৰোপণ কাৰ্যসূচী সম্পন্ন কৰে ।মহাবিদ্যালয়ৰ ছাত্ৰ — ছাত্ৰী , শিক্ষক- শিক্ষয়িত্ৰী আৰু শুভাকাংক্ষীসকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাখনৰ শেষত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা এন এছ এছৰ গীত পৰিৱেশনেৰে প্ৰতিষ্ঠা দিৱসৰ সভা সামৰণি পৰে।

## ডবকাৰ যমুনাগাঁৱত কৃতী শিক্ষক জুবেৰ আহমেদ বৰভূঞাক ৰাজহুৱা সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ২৫ ছেপ্টেম্বৰ ঃ** হোজাই জিলাৰ মোৰাঝাৰ থানাৰ অন্তৰ্গত যমুনাগাঁও পঞ্চায়ত কাৰ্যালয় প্ৰেক্ষাগৃহত কালি যমুনা আঞ্চলিক যুৱ মঞ্চৰ উদ্যোগত হোজাই জিলা প্ৰশাসন আৰু শিক্ষা বিভাগৰ দ্বাৰা সম্বৰ্ধিত কৃতী শিক্ষক যমুনাগাঁও নদীৰপাৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক জুবেৰ আহমেদ বৰভূঞাক ফুলাম গামোচা, জাপি আৰু এখন সম্বৰ্ধনা-পত্ৰৰে ৰাজহুৱা সম্বৰ্ধনা জনোৱা হয়। যমুনাগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক জলাল উদ্দিন লস্কৰৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাখন পৰিচালনা কৰে সাংবাদিক হবিবুৰ ৰহমানে। এই সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যোলয়ৰ অধ্যক্ষ ফাইজ মহাম্মদ বৰভূঞাই। অধ্যক্ষ বৰভূঞাই নিজৰ ভাষণত সমাজৰ বহুকেইটা দিশৰ ওপৰত আলোকপাত কৰে। বিশেষকৈ উপস্থিত থকা শিক্ষকসকলক উদ্দেশ্য কৰি কয়-শিক্ষকতা আপোনালোকে চাকৰি বুলি কাম নকৰিব, শিক্ষকসকলে সমাজ সেৱাৰ উদ্দেশ্যে কাম কৰিব লাগে বুলি মন্তব্য প্ৰদান কৰে। এই সভাত উদমাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক মইনুল হক লস্কৰ, নমাটি শিক্ষা কেন্দ্ৰৰ প্ৰাক্তন কেন্দ্ৰ সম্পাদক আব্দুল হান্নান, যমুনাগাঁও মণ্ডল কংগ্ৰেছৰ সভাপতি ফজৰ আলী, কাব্যচৰ্চা অসমৰ সম্পাদক ৰফিক উদ্দিন তালুকদাৰ, মানৱ অধিকাৰ সংস্থা, অসমৰ ৰাজ্যিক উপ-সভানেত্ৰী ফাৰমিন বেগম, সাংবাদিক চইফ উদ্দিন লস্কৰ, হাফিজ জিয়াউৰ ৰহমানসহ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে। এই সম্বৰ্ধনা অনুষ্ঠানত যমুনাগাঁও এলেকাৰ বহুকেইখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসহ শতাধিক স্থানীয় ৰাইজ উপস্থিত থাকে। উল্লেখ্য যে জুবেৰ আহমেদ বৰভূঞাক যোৱা ৫ ছেপ্টেম্বৰত হোজাই জিলা প্ৰশাসন আৰু শিক্ষা বিভাগে কৃতী শিক্ষক হিচাপে বাচনি কৰি সম্বৰ্ধনা জনাইছিল। যমুনা আঞ্চলিক যুৱ মঞ্চই এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰাত সভাত উপস্থিত হোৱা অতিথিসকলে উদ্যোক্তাসকলক ভূয়সী প্ৰশংসা কৰে।

## ছিপাঝাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী

### স্মৃতি গ্ৰন্থৰ বাবে লেখা আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৫ ছেপ্টেম্বৰ ঃ** দৰঙৰ অন্যতম আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান ছিপাঝাৰ মহাবিদ্যালয়ৰ প্ৰস্তাৱিত সোণালী জয়ন্তী উৎসৱ অহা ২০২৩ চনৰ জানুৱাৰী মাহত অনুষ্ঠিত হ'ব। এই লৈ মূল উদযাপন সমিতিৰ লগতে নিয়াৰিকৈ চলাই নিবলৈ গঠন কৰা হৈছে আন কেইবাখনো উপ-সমিতি। এই উপ-সমিতিসমূহে নিজৰ বিভাগৰ কাম-কাজসমূহ জোৰদাৰ ৰূপত চলাই গৈছে। ইয়াৰ স্মৃতিগ্ৰন্থ উপ-সমিতিয়েও সোণালী জয়ন্তীৰ লগত সংগতি ৰাখি এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা গ্ৰহণ কৰিছে। উক্ত স্মৃতিগ্ৰন্থৰ বাবে মহাবিদ্যালয়খনৰ অনুভৱ লেখা আহ্বান কৰিছে উপ-সমিতিখনে। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, প্ৰাক্তন অধ্যাপক-অধ্যাপিকা, প্ৰাক্তন কৰ্মচাৰী, অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী, কৰ্মৰত অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, শুভাকাংক্ষীসকলৰ পৰা অনুভৱ লেখাৰে অহা ৩০ অক্টোবৰৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিবলৈ জনোৱা হৈছে।

## বস্ত্ৰনগৰীত প্ৰৱঞ্চকৰ দলৰ টিঘিল্‌ঘিলনী মহিলাৰ পৰা লুটি নিলে লক্ষাধিক টকাৰ সোণৰ গহনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২৫ ছেপ্টেম্বৰ ঃ** বস্ত্ৰনগৰী শুৱালকুছিত আজি কিছুদিন ধৰি প্ৰৱঞ্চকৰ দলৰ টিঘিলঘিলনীয়ে স্হানীয় ৰাইজক শংকিত কৰি তুলিছে । আজি প্ৰায় তিনিমাহমানৰ পূৰ্বে পূব শুৱালকুছিৰ এগৰাকী মহিলাক প্ৰৱঞ্চনা কৰি কেবা লক্ষাধিক টকাৰ সোণৰ আ অলঙ্কাৰ সৰকোৱাৰ পিছত কালি আকৌ এক এনে ঘটনা শুৱালকুছিত সংঘটিত হোৱাত অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে ।প্ৰাপ্ত তথ্যমতে, শুৱালকুছি হাস্পতাল ৰোডৰ প্ৰয়াত লোহিত বৈশ্যৰ পত্নী সত্যবালা বৈশ্যৰ পৰা ঘৰত কোনো নথকাৰ সুযোগতে দুজনীয়া প্ৰৱঞ্চকৰ দল এটাই ডিঙি আৰু কাণত পিন্ধি থকা সোণৰ অলংকাৰ লৈ উধাও হয় । মহিলাগৰাকীয়ে দিয়া ভাষ্যমতে কালি দুপৰীয়া প্ৰায় ১২-৪৫ বজাত এজন হিন্দীভাষী লোকে তেওঁলোকৰ চোতালত প্ৰৱেশ কৰি বাচন-বৰ্তন চাফা কৰিবলৈ অহা বুলি কৈ সন্মুখতে থকা এটা কাচৰ গিলাচ ধুনীয়া দেখাকৈ চাফা কৰি দি সোণৰ আ-অলংকাৰ চাফা কৰাৰ কথা কয়। পিছত মহিলাগৰাকীয়ে এইবোৰ কৰিব নালাগে বুলি লোকজনক ওভতাই পঠিয়াই ।কিছুপৰ পিছত লোকজনে আন এজন লোকক লৈ আহি জোৰ কৰি মহিলাগৰাকীৰ ডিঙিত পিন্ধি থকা ডেৰ তোলা ওজনৰ সোণৰ চেইন আৰু কাণত পিন্ধি থকা আধা তোলা সোণৰ কাণফুলি দুপাত খুজি লৈ চাফা কৰি এটা থোঙাত ভৰাই দি কিছু পলমকৈ খুলি চাবলৈ কয় লোক দুজন নিমিষতে নাইকিয়া হয়। পিছত মহিলাগৰাকীৰ সন্দেহ হোৱাত থোঙাটো খুলি চোৱাত তাত পাউডাৰ সহিতে এটা শিলৰ টুকুৰা ওলায়। এই ঘটনা বিয়পি পৰাৰ লগে লগে লোক দুজনক বহুত বিচাৰ-খোঁচাৰ কৰা হয় যদিও কোনো সন্ধান নোলাল ।প্ৰৱঞ্চকৰ এনে দুষ্কাৰ্যই বয়োজ্যেষ্ঠ মহিলাগৰাকীক হচকিত কৰি তোলে। ইতিমধ্যে ঘটনা সন্দৰ্ভত পৰিয়ালৰ তৰফৰ পৰা শুৱালকুছি আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰা হৈছে। শুৱালকুছিত এনেধৰণৰ কে'বাটিও ঘটনা সংঘটিত হ'ল যদিও আজিলৈকে কোনো এজন প্ৰৱঞ্চকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই। আৰক্ষীক এই ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ শুৱালকুছিৰ ৰাইজে আহ্বান জনাইছে ।

## নিমাতী ঘাটত ব্ৰহ্মপুত্ৰ নদীৰ ব্যাপক খহনীয়া এক নং বুলহেডক লৈ শংকিত জনতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২৫ ছেপ্টেম্বৰ ঃ** বৰ্তমান ব্ৰহ্মপুত্ৰ নদীৰ পানী কিছু পৰিমাণে বাহি আছে যদিও নিমাতী ঘাটৰ ব্ৰহ্মপুত্ৰ নদীৰ গৰা চপৰা চপৰে খহিব ধৰিছে । উত্তৰ যোৰহাটৰ জনতাৰ ৰক্ষাৰ কৱচ স্বৰূপ ঐতিহাসিক ককিলা নদীৰ সমীপৰ এক নং বুল হেডত ব্ৰহ্মপুত্ৰ নদীৰ প্ৰৱল সোতে খুন্দা মৰাত বুলহেডৰ তল অংশ ফাটি যোৱাত কিছু কিছু অংশ তললৈ বহি গৈছে । অন্য হাতে নদীৰ জলস্তৰ বৰ্তমানে বাহি আছে যদিও নিমাতীৰ গোবিন্দ পুৰ নমঘৰৰ ওছৰত ভয়ানক ভাৱে গৰা খহাই নদীখন যোৰহাটৰ দিশে গতি কৰিছে । এনে পৰিস্থিতিত স্থানীয় ৰাইজক শংকীত হৈ পৰিছে ।এনেদৰে দৈনিক নদীৰ পাৰ খহি থাকিলে কম দিনৰ ভিতৰত বৰালি মাঠাউৰী ওচৰ পাবহি বুলি স্থানীয় ৰাইজে সন্দেহ পোষণ কৰিছে ।বৰ্তমান জলসম্পদ বিভাগে অ বৈজ্ঞানিক ভাৱে নিমাতী সুৰক্ষাৰ নামত কোটি কোটি চৰকাৰী টকা খৰচ কৰি আহিছে যদিও কোনো সুফল ধৰা নাই বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে । বৰ্তমানে ব্ৰহ্মপুত্ৰ নদীৰ গতিপথ সম্পূৰ্ণ ভাৱে সলনি হৈ ঐতিহাসিক ককিলা নদীৰ দিশে আগবাঢ়ি আহিছে আৰু এক নং বুলহেডত বিস্তৰ ক্ষতি কৰাৰ শংকা ই দেখা দিছে ।অতি সোনকালে



অসম চৰকাৰৰ জলসম্পদ বিভাগে নিমাতী সুৰক্ষাৰ কাম বিজ্ঞান সম্মত ভাৱে গ্ৰহণ নকৰিলে যোৰহাট জিলাৰ এটা অংশ ব্ৰহ্মপুত্ৰত জাহ যাবলৈ বেছি দিন নালাগিব বুলি স্থানীয় ৰাইজে শংকা প্ৰকাশ কৰিছে ।

## লাহৰীঘাট প্ৰাথমিক বিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি সভা ৮ অক্টোবৰত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট শিক্ষা খণ্ডৰ অধীনস্থ ৭৫৮নং লাহৰীঘাট প্ৰাথমিক বিদ্যালয়ৰ ২০২৩ বৰ্ষত উদযাপন কৰিবলগীয়া হীৰক জয়ন্তীৰ প্ৰস্তুতি সম্পৰ্কে আজি দিনৰ ১২ বজাত আহ্বায়ক সমিতিৰ লগতে প্ৰাক্তন শিক্ষাৰ্থীসকলৰ উপস্থিতিত উক্ত বিদ্যালয় গৃহতে এখনি সভা অনুষ্ঠিত হয়। সভা সঞ্চালনা



কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক চোৰহাব আলীয়ে। সভাৰ মূল উদ্দেশ্য আছিল আগন্তুক হীৰক জয়ন্তী উদ্‌যাপন উপলক্ষে এখন অভ্যৰ্থনা সমিতি গঠন কৰা। কিন্তু প্ৰাক্তন শিক্ষাৰ্থী সকলৰ উপস্‌হিতিৰ সংখ্যা কম হোৱাত মঞ্চত উপবিষ্ট সন্মানীয় মুৰব্বী সকলৰ লগতে উপস্থিত থকা প্ৰাক্তন শিক্ষাৰ্থী সকলৰ মতামত অনুযায়ী পৰৱৰ্তী ৮ অক্টোবৰ শনিবাৰে দিনৰ ১ বজাত পুনৰ আৰু এখন বহল ভিত্তিত প্ৰস্তুতি সভা অনুষ্ঠিত হব বুলি সিদ্ধান্ত গ্ৰহণ কৰে। সভাখনত আহবায়ক সমিতিৰ বিষয়ববীয়াসকল, প্ৰাক্তন শিক্ষাৰ্থীসকলৰ লগতে মঞ্চত জেষ্ঠ নাগৰিক চান্দ মামুদ, হাজী গিয়াছ উদ্দিন, অৱসৰপ্ৰাপ্ত শিক্ষক চামচুল হক, স্নাতকোত্তৰ শিক্ষক ছাইফুল ইছলাম, প্ৰধান শিক্ষক ফেৰদৌছ হুছেইনো উপস্থিত আছিল।

## বৌতাত বিপিএফ ওদালগুৰি জিলা মহিলা মৰ্চাৰ সাধাৰণ সভা

## মহিলাসকলৰ অৰিহণা অবিহনে কোনো ৰাজনৈতিক দলে শাসনৰ বাঘজৰী হাতত ল'ব নোৱাৰে ঃ জিলা মহিলা মৰ্চাৰ সম্পাদিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানেৰী, ২৫ ছেপ্টেম্বৰ ঃ** মহিলাসকলৰ অৰিহনা অবিহনে কোনো ৰাজনৈতিক সলে শাসনৰ বাঘ জৰী হাতত লব নোৱাৰে, গতিকে পুৰুষৰ সমনে মহিলাসকলেও সম-অধিকাৰৰ অধিকাৰি। এই চৰ্ত ৰাখি অনাগত দিনত হাগ্ৰামা মহিলাৰি নেতৃত্ব বিটিচিত পুনৰ বিপিএফ শাসনত অনাৰ সংকল্প গ্ৰহণ কৰে। এই মন্তব্য বিপিএফৰ ওদালগুৰি জিলা মহিলা মৰ্চাৰ সম্পাদীকা ৰুদ্ৰ মায়া দেৱীৰ। বিপিএফ মহিলা মৰ্চাৰ জিলা সমিতিৰ ২৪ ছেপ্টেম্বৰত বৌতাত অনুষ্ঠিত হোৱা সাধাৰণ সভাৰ শেষত সাংবাদিকৰ সৈতে মত বিনিময় কৰি বৰ্তমান বিটিচি শাসনত থকা প্ৰমোদ বড়ো নেতৃত্ব থকা ইউপিপিএল শাসন বিটিচিবাসীয়ে হাগ্ৰামা মহিলাৰীৰ নেতৃত্ব বিপিএফ দলে বিটিচিবাসীৰ সৰ্বাঙ্গীণ উন্নতিৰ ফলস্বৰূপে পুনৰ হাগ্ৰাম মহিলাৰীৰ চৰকাৰ গঠন কৰাটো বিচৰা বুলি মন্তব্য কৰে। তেওঁ উল্লেখ কৰে ওদালগুৰি জিলা বিপিএফৰ মহিলা মৰ্চাৰ যথেষ্ট শক্তশালী। অনাগত দিনত আৰু শক্তিশালী কৰাৰ বাবে মহিলা মৰ্চাৰ বিষয়ববীয়া তথা



মহিলাসকলো সকলো ফালৰ পৰা বঞ্চিত বুলি অভিযোগ কৰে। লগতে মহিলাসকলক স্বাৱলম্বন কৰি বিটিচি বাসীক সৰ্বাঙ্গীণ উন্নতি কৰাৰ মিছা প্ৰতিশ্ৰুতি দি শাসনৰ গাদীত বহা বুলি অভিযোগ কৰে। প্ৰাক্তন মন্ত্ৰী তথা বিপিএফ জিলা সমিতিৰ সভাপতি ৰিহন দৈমাৰী সভাত উপস্থিত থাকি সভাৰ শেষত সাংবাদিকৰ আগত কয় যে প্ৰমোদ বড়োৰ চৰকাৰে নিৰ্বাচনৰ সময়ত প্ৰদান কৰা প্ৰতিশ্ৰুতিসমূহ আৰু বিটিআৰ চুক্তিৰ দফাসমূহ পূৰণ কৰিবলৈ ব্যৰ্থ হোৱাৰ বাবে বিটিচিবাসীয়ে তেওঁ নেতৃত্বক নস্যাৎ কৰা বুলি মন্তব্য কৰে। লগতে তেওঁ যোৱা সোতৰটা বছৰ সকলো সদস্যাক আহ্বান জনায়। প্ৰাক্তন মন্ত্ৰী দৈমাৰীৰ লগতে কেন্দ্ৰীয় সমিতিৰ সম্পাদক ৰবিনছন মোছাহাৰী, মাজবাট সমষ্টিৰ বিধায়ক যুৱ সমিতিৰ সভাপতি চৰণ বড়ো, ধনশ্ৰী সমষ্টি পৰিষদীয় সদস্য ফ্ৰেন্চ মোছাহাৰী, প্ৰাক্তন বিধায়ক ৰখেশ্বৰ ব্ৰহ্ম উপস্থিত থাকি দলীয় কৰ্মীসকলৰ মাজত সাংগঠনিক দিশত গুৰুত্ব দিবলৈ আহ্বান জনায়। জিলা মহিলা মৰ্চাৰ উপদেষ্টা ক্ৰমে হিৰণময়ী গোস্বামী আৰু শান্তি বাস্কে, বিপিএফ জিলা সমিতিৰ সম্পাদক ফাদাৰাম বড়ো, মহিলা মৰ্চাৰ জিলা সভানেত্ৰী মীৰা দৈমাৰী তথা জিলা সমিতিৰ বিষয়ববীয়াৰ লগতে বহু জিলা সদস্যা উপস্থিত থাকে।

## বকোৰ সামাজিক-সাংস্কৃতিক আৰু ক্ৰীড়া সংগঠন বগাইৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ সাধাৰণ সভা সম্পন্ন, অভ্যৰ্থনা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৫ ছেপ্টেম্বৰ ঃ** সমাজ আৰু সামাজিক দায়িত্ববোধৰ কামৰ জৰিয়তে কামৰূপ জিলাৰ বকোত স্বেচ্ছাসেৱী অনুষ্ঠান হিচাপে পৰিচিত 'বগাই' নামৰ সংস্থাটোৰ ২৫ বছৰ পূৰ্তি উপলক্ষে এই বেলি ৰূপালী জয়ন্তী বৰ্ষ হিচাপে উদ্‌যাপন কৰিবলৈ ঠিৰাং কৰা হৈছে। সেই উপলক্ষে আজি বকোস্থিত ৰাভা হাছং সংগ্ৰাহালয়ত আয়োজন কৰা হৈছে বৃহৎ সাধাৰণ সভা।বৃহত্তৰ অঞ্চলটোৰ দুই শতাধিক উদীয়মান যুৱ কৰ্মীৰ উপস্থিতিত আয়োজন কৰা সাধাৰণ সভাত ৰূপালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচী আৰু সাংস্কৃতিক সন্ধিয়াৰ অনুষ্ঠান উদ্‌যাপন কৰিবলৈ গঠন কৰা হয় অভ্যৰ্থনা সমিতিখন। পঁচিশ বছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে ৰূপালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ অৰ্জুন চেত্ৰীক সভাপতি, কাৰ্যকৰী সভাপতি হিচাপে কাম্বুৰাম ৰাভা, উপ-সভাপতি তিনিজন ক্ৰমে মুনিন ডেকা, পৱন কলিতা আৰু অমূল্য ৰাভাৰ লগতে সাধাৰণ সম্পাদক হিচাপে হিৰণ্য পাঠক, সহকাৰী সম্পাদক হিচাপে সাৰংগ পাটোৱাৰী, হৃদয়প্ৰতিম মহন্ত আৰু জয়ন্ত ৰাভাক দায়িত্ব অৰ্পণ কৰি গঠন কৰে এখন বৃহৎ সমিতি। আজিৰ সভাত উপস্থিত থাকে বহুকেইগৰাকী প্ৰাক্তন সভাপতি, সম্পাদক, ৰাভা হাছং স্বাযত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ সুমিত ৰাভা, আদিত্য ৰাভা; সমাজ কৰ্মী পৰাণজ্যোতি দাস, দুলাল ৰাণা, মনোৰঞ্জন কলিতাকে ধৰি বহুসংখ্যক সামাজিক ব্যক্তি।

## বঙাইগাঁৱৰ গীতাল নাট্যশালাৰ উদ্যোগত ৭ অক্টোবৰৰ পৰা তিনিমহীয়া অভিনয় প্ৰশিক্ষণৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** বঙাইগাঁৱৰ গীতাল নাট্যশালাৰ উদ্যোগত অহা ৭ অক্টোৱৰৰ পৰা ৭ জানুৱাৰীলৈ বঙাইগাঁৱৰ বীৰঝৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অভিনয়ৰ ওপৰত এক তিনিমহীয়া প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰিছে ।অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা প্ৰতিদিনে আবেলি ৩.৩০ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ প্ৰদান কৰা হ'ব প্ৰশিক্ষণ। ৭ অক্টোবৰত এই প্ৰশিক্ষণ শিবিৰ মুকলি কৰিব আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন মূকাভিনয় শিল্পী তথা সংগীত নাটক একাডেমী বঁটাপ্ৰাপক মইনুল হকে। লগতে উক্ত দিনা সন্ধিয়া ৬.৩০ বজাত বীৰঝৰা পাব্লিক লাইব্ৰেৰীৰ প্ৰেক্ষগৃত মইনুল হকৰ মূকাভিনয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অভিনয় প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষক হিচাপে থাকিব ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক অনুপম কৌশিক বৰা, চাংকু নিৰঞ্জন নাথ ৰ উপৰিও অভিনয়ৰ লগত জড়িত বিশেষ অভিজ্ঞ প্ৰশিক্ষক। ইতিমধ্যে প্ৰ পত্ৰ দি থকা হৈছে। ইচ্ছুক প্ৰশিক্ষাৰ্থীক ৯৯৫৭১১৬১৪০ নম্বৰত যোগাযোগ কৰিবলৈ গীতাল নাট্যশালাৰ তৰফৰ পৰা অনুৰোধ জনাইছে ।

## ৰংদৈ বামুণগাঁৱৰ সাৰ্বজনীন দুৰ্গা মন্দিৰত জীৱেশ্বৰ শৰ্মা, অনিল শৰ্মা সোঁৱৰণী পকী কোঠাৰ দ্বাৰ উদ্‌ঘাটন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২৫ ছেপ্টেম্বৰ ঃ** পৱিত্ৰ মহালয়াৰ দিনা উত্তৰ যোৰহাটৰ ৰংদৈ সাৰ্বজনীন দুৰ্গোৎসৱ উদ্‌যাপন সমিতয়ে ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি জীৱেশ্বৰ শৰ্মা আৰু অনিল শৰ্মাৰ সোঁৱৰণত উৎসৰ্গিত দুটি পকী কোঠাৰ আজি দ্বাৰ উদ্‌ঘাটন কৰে। গোলাঘাট জিলাৰ প্ৰকৃতিপ্ৰেমী তথা দৈনিক জনমভূমি কাকতৰ প্ৰাক্তন সাংবাদিক অপূৰ্ব বল্লভ গোস্বামীয়ে ফিটা কাটি মাংগলিকভাৱে দুয়োগৰাকী ব্যক্তিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই কোঠাৰ দ্বাৰ উদ্‌ঘাটন কৰে। সংস্কৃত পণ্ডিত তথা বাহনা উচ্চ ইংৰাজী বালক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সংস্কৃত শিক্ষক তথা দুৰ্গা পূজা সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি জীৱেশ্বৰ বৰুৱা আৰু নাজীৰা উচ্চচৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক অনিল শৰ্মাৰ সোঁৱৰণত পৰিয়ালবৰ্গই আগবঢ়োৱা কোঠা দুটাৰ দ্বাৰ মাংগলিকভাৱে উদ্‌ঘাটন কৰি ব্যক্তি দুজনৰ জীৱন পৰিক্ৰমা সম্পৰ্কত তাত্বিকভাৱে অপূৰ্ব বল্লভ গোস্বামীয়ে ভাষণ প্ৰদান কৰে। ৰংদৈ উচ্চ ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক পৰাণ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত দ্বাৰ উদ্‌ঘাটন সভখনত বাহনা উচ্চ মাধ্যমিক বালক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক উপেন হাজৰিকাই দুয়োজন ব্যক্তিৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰি পৰিয়ালবৰ্গক এনে কাৰ্যৰ বাবে ধন্যবাদ জনায়। অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ শিক্ষক হৰেন শৰ্মা, কমল বৰা, মুকুল বৰা, টীয়কৰ কৃতী শিক্ষক তথা লেখক হিমেন ভট্ট, কৃতী শিক্ষক পৰাণ শৰ্মা, অচিন্ত শৰ্মা, যাদৱ বৰুৱা, যতীন শৰ্মা, স্বৰ্গীয় জীৱেশ্বৰ শৰ্মাৰ সহধৰ্মিণী সাৰদা বৰুৱা, স্বৰ্গীয় অনিল শৰ্মাৰ সহধৰ্মিণী অৰ্চনা গোস্বামী শৰ্মা, অৰুণ শৰ্মা দ্বাৰ উদ্‌ঘাটন সভাত উপস্থিত থাকে ।উল্লেখ্য যে সমাজকৰ্মী জগন্নাথ অগ্নি বৰাই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা সভাখনত জীৱেশ্বৰ শৰ্মাৰ পৰিয়ালৰ পুত্ৰ-বোৱাৰী, জী-জোঁৱাই নাতি নতুনা আৰু অনিল শৰ্মাৰ পৰিয়ালবৰ্গৰ সকলোৱে দ্বাৰ উদঘাটন সভাত উপস্থিত থকা সকলোকে কৃতজ্ঞতা আৰু শলাগ জ্ঞাপন কৰে।



## নগৰবেৰাত বিশ্ব ফাৰ্মাচিষ্ট দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৫ ছেপ্টেম্বৰ ঃ** সমগ্ৰ বিশ্বৰ লগতে কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ নগৰবেৰাতো আজি বিশ্ব ফাৰ্মাচিষ্ট দিৱস পালন কৰা হয়। এই উপলক্ষে নগৰবেৰা ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ প্ৰাংগণত এখন মুকলি সভা অনুষ্ঠিত কৰা হয়। হেকৰা ৰাজ্যিক চিকিৎসালয়ৰ ফাৰ্মাচিষ্ট হানিফ আলী খানৰ পৰিচালনাত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে নাইটৰ কল্যাণপুৰ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ফাৰ্মাচিষ্ট নুৰুল ইছলামে। সভাত নগৰবেৰা ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা চিকিৎসা ও স্বাস্থ্য বিষয়া ডাঃ কাৰ্তিক পাটোৱাৰী, জ্যোষ্ঠ চিকিৎসক ডাঃ মহম্মদ আলী, অৱসৰপ্ৰাপ্ত ফাৰ্মাচিষ্ট সুভাষ দাস, ফাৰ্মাচিষ্ট আবুল কাশেম আনছাৰী, ফাৰ্মাচিষ্ট জেহেৰুল ইছলাম, এম ফাৰ্ম আব্দুল কাদিৰ জিলানী, সাংবাদিক ক্ৰমে, মিজানুৰ ৰহমান, ৰবিউল হুছেইন, জাকিৰ হুছেইন মণ্ডলৰ লগতে বহুকেইগৰাকী ফাৰ্মাচিষ্ট আৰু নাৰ্ছে অংশগ্ৰহণ কৰে। উল্লেখ্য যে হেকৰা ৰাজ্যিক চিকিৎসালয়ৰ ফাৰ্মাচিষ্ট হানিফ আলী খানে উক্ত অনুষ্ঠানটিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীত গাই উপস্থিত সকলোকে আপ্লুত কৰে।




## ওদালগুৰিতৰ শংকৰমিছন মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ স্মৰণিকাৰ বাবে লেখা আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৫ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান শংকৰদেৱ মিছন মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ সামৰণি অনুষ্ঠান ২০২৩ বৰ্ষৰ ১৯, ২০, ২১ আৰু ২২ জানুৱাৰী তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব ।উৎসৱৰ লগত সংগতি ৰাখি প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থৰ বাবে অসমৰ বিশিষ্ট গৱেষক, শিক্ষাবিদ, লেখক-লেখিকা, শিক্ষক-শিক্ষয়িত্ৰীৰ পৰা শিক্ষামূলক প্ৰবন্ধ আৰু বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ পৰা বিদ্যালয়ৰ স্মৃতি বিজৰিত লেখা বিচৰা হৈছে । গতিকে সংশ্লিষ্ট ব্যক্তিসকলক অহা ২০ অক্টোবৰৰ ভিতৰত তেওঁলোকৰ লেখাসমূহ নিম্নলিখিত ঠিকনালৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

## প্ৰথম পৃষ্ঠাৰ পৰা—

## এতিয়া ‘মাল্টি ক্ৰপিং’ৰ দিন

তেওঁৰ মূল্যৱান প্ৰৱচন আগবঢ়ায়। তেওঁ অনুষ্ঠানত অংশ লোৱা মন্ত্ৰী, বিধায়ক আৰু বিষয়াসকলক উদ্দেশ্যি কয় যে হিংসামুক্ত সমাজ, ৰোগমুক্ত দেহ, বিভ্ৰান্তিমুক্ত মন, বাধাহীন জ্ঞান, আঘাতমুক্ত স্মৃতিশক্তি আৰু দুখমুক্ত আত্মা প্ৰতিজন ব্যক্তিৰ জন্মস্বত্ব অধিকাৰ। তেওঁ খঙক মানুহৰ এটা সহজাত প্ৰবৃত্তি বুলি উল্লেখ কৰি কয় যে এই খং চিৰস্থায়ী হ’লে ক্ষতিৰ আশংকা বাঢ়ি যায়। তেওঁ কয় যে আচলতে খং কৰি নিজকহে শাস্তি দিয়া হয়, কাৰণ খঙে মানুহৰ ইমানেই ক্ষতি কৰে যে ব্যক্তিসত্তাৰ মাজত থকা ইতিবাচক ধাৰণাসমূহ লোপ পাবলৈ আৰম্ভ কৰে। খঙক আটাইতকৈ মূল্যৱান হিচাপে আৰু হাঁহিক আটাইতকৈ কম খৰচী হিচাপে গণ্য কৰি জীৱনৰ পথত আগবাঢ়িবলৈ তেওঁ সকলোৰে প্ৰতি আহ্বান জনায়। তেওঁ ৰাজ্যখনৰ কৃষি ব্যৱস্থাৰ ব্যাপক উন্নয়ন হেতু ‘মাল্টি ক্ৰপিং’ অৰ্থাৎ কেইবাবিধো শস্যৰ খেতি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ অসমৰ মানুহক ভাল আৰু শান্তিপ্ৰিয় বুলি প্ৰশংসা কৰে। আধ্যাত্মিক গুৰুগৰাকীয়ে মানসিক স্বাস্থ্য সবল কৰি ৰখাত গুৰুত্ব আৰোপ কৰি কয় যে ধ্যানে বহু সমস্যা সমাধানৰ পথ উলিয়াব পাৰে। তেওঁ সকলোকে পুৱা কাৰ্যালয়লৈ অহাৰ পূৰ্বে কিছু সময় ধ্যান কৰিবলৈ আহ্বান জনায়। আনহাতে, উগ্ৰপন্থী সংগঠনৰ সদস্যসকলক মূলসুঁতিলৈ ওভতাই অনাৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লোৱা ভূমিকাৰ তেওঁ শলাগ লয়। তেওঁ কয় যে কেৱল কথা পাতিয়েই বহু সমস্যা সমাধান কৰিব পাৰি । তেওঁ বিষয়াসকলক উদ্দেশ্যি কয় যে অধিকাংশ সংঘাত আলোচনাৰ অভাৱৰ বাবে হোৱা দেখা যায়। তেওঁ কাৰ্যালয়ৰ যিকোনো বৰ্গৰ কৰ্মচাৰীসকলক হেয় জ্ঞান নকৰি এটা মানৱীয় সম্পৰ্ক ৰক্ষা কৰি ‘টিম’ হিচাপে কাম কৰাৰ ক্ষেত্ৰত অনুপ্ৰেৰণা যোগাবলৈ বিষয়াসকলৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে নিম্নবৰ্গৰ কৰ্মচাৰী এজনকো নিজৰ ধাৰণা আৰু চিন্তাসমূহ ব্যক্ত কৰাৰ সুযোগ দিয়া উচিত, কিয়নো কেতিয়াবা তেনে এজন কৰ্মচাৰীৰ পৰাই সৃজনীমূলক নব্য ধাৰণা ওলাই আহিব পাৰে। তেওঁ কয় যে যদি চৰকাৰী বিষয়া-কৰ্মচাৰীয়ে নিজৰ কাম পেলাই নোথোৱাকৈ উদ্যমেৰে সময় মতে সম্পন্ন কৰে, তেনেহ’লে সমাজলৈ আমূল পৰিৱৰ্তন আহিব। আধ্যাত্মিক গুৰুগৰাকীয়ে উপস্থিত মন্ত্ৰী আৰু বিষয়াসকলৰ সৈতে এটা মত-বিনিময় কাৰ্যসূচীতো ভাগ লয়। আজিৰ কাৰ্যসূচীত কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, অতুল বৰা, উৰ্খাও গৌৰা ব্ৰহ্ম, পৰিমল শুক্লবৈদ্য, কেশৱ মহন্ত, ৰণোজ পেগু, অশোক সিংহল, যোগেন মহন, সঞ্জয় কিষাণ, অজন্তা নেওগ, জয়ন্ত মল্ল বৰুৱা, পীযূষ হাজৰিকা, অসম চৰকাৰৰ মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ আৰু ভালেসংখ্যক আমোলা-বিষয়া উপস্থিত আছিল। আজিৰ অনুষ্ঠানৰ অংশৰূপে অসম চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব চৈয়দ আব্বাচিয়ে উদ্যোগ, আন্তঃগাঁথনি আৰু উদ্ভাৱনী শীৰ্ষক বিষয় লৈ আন্তঃগাঁথনি খণ্ডৰ অন্তৰ্গত বিভিন্ন বিভাগৰ আলোচনাত অংশ লয়। আন্তঃগাঁথনি খণ্ডৰ অন্তৰ্গত কেইবাটাও বিভাগে অনুষ্ঠানত প্ৰেজেণ্টেচন আগবঢ়ায় । ইয়াৰ ভিতৰত লোকনিৰ্মাণ, শক্তি, জলসিঞ্চন, সংহত বান আৰু খহনীয়া প্ৰতিৰোধ ব্যৱস্থাপনা, জল জীৱন অভিযান, উদ্যোগ, পৰিবহণ আৰু তথ্য-প্ৰযুক্তি আদি খণ্ড অন্যতম। আটাইকেইটা বিভাগে যোৱা ৫ বছৰৰ কাম-কাজৰ খতিয়ান দাঙি ধৰাৰ লগতে ২০২৬ চনত উপনীত হোৱাৰ বাবে নিৰ্ধাৰণ কৰা লক্ষ্য সন্দৰ্ভত বিতং পৰিকল্পনা আৰু ইয়াৰ ব্যাখ্যা আগবঢ়ায় । তদুপৰি এই নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত সন্মুখীন হ’ব পৰা সম্ভাব্য প্ৰত্যাহ্বানসমূহৰ বিষয়েও অৱলোকন কৰা হয়। আনহাতে, ৰাজহ প্ৰশাসন সন্দৰ্ভত কৰ্ণাটকৰ জৰীপ, বন্দোবস্তি আৰু ভূমি তথ্য বিভাগৰ আয়ুক্ত মুনিষ মৌদগীলে প্ৰেজেণ্টেচন আগবঢ়ায় । অনুষ্ঠানত ইজ অৱ ডুয়িং বিজনেছ সন্দৰ্ভত অন্ধ্ৰ প্ৰদেশৰ মুখ্য সচিব সমীৰ শৰ্মা আৰু নগৰীয়া আন্তঃগাঁথনি আৰু নগৰ পৰিক্ৰমা বিষয় লৈ উত্তৰ প্ৰদেশৰ মুখ্য সচিব দুৰ্গা শংকৰ মিশ্ৰই প্ৰেজেণ্টেচন আগবঢ়ায়। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু কেইবাগৰাকীও কেবিনেট মন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। আজি পুৱাৰ ভাগত বৰগছ ৰিজৰ্টত আয়ুষ মন্ত্ৰণালয়ৰ দ্বাৰা মন্ত্ৰী-বিষয়াসকলক যোগাভ্যাসো কৰোৱা হয়।

## ৰাজস্থানত মুখ্যমন্ত্ৰী হ’ব নে

বুলি জানিব পৰা গৈছে। সূত্ৰসমূহে কৈছে যে পাইলট মুখ্যমন্ত্ৰী হ’লে গেহলট শিবিৰে গ্ৰহণ কৰিব লগা পৰৱৰ্তী কাৰ্যপন্থা নিৰ্ধাৰণ কৰিবলৈ বৈঠকখন আহ্বান কৰা হৈছে। ধাৰিৱালৰ বাসভৱনত উপস্থিত থকাসকলৰ ভিতৰত আছে ৰাজ্যখনৰ মন্ত্ৰী মহেশ যোশী, শকুন্তলা ৰাৱট আৰু বিধায়ক ডেনিছ আব্ৰাৰ, মহেন্দ্ৰ চৌধুৰী আৰু আলোক বেনিৱাল। অৱশ্যে, গেহলটে তেওঁৰ বক্তব্যৰ পৰা প্ৰমাণ কৰিছে যে তেওঁ এই গোটতকৈ পৃথক আৰু যুৱ নেতৃত্বক গুৰুত্ব দিব বিচাৰে। উল্লেখ্য, অশোক গেহলটে কংগ্ৰেছৰ সভাপতিৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ওলোৱাৰ পিছতে ৰাজ্যখনত নতুন মুখ্যমন্ত্ৰীৰ সন্ধান কৰিবলগীয়া হৈছে। ৰাজস্থানৰ পঞ্চায়তী ৰাজ আৰু গ্ৰামোন্নয়ন ৰাজ্যিক মন্ত্ৰী ৰাজেন্দ্ৰ গুধাই প্ৰকাশ কৰা অনুসৰি মুখ্যমন্ত্ৰী অশোক গেহলট দলৰ ৰাষ্ট্ৰীয় সভাপতিৰ পদত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ওলোৱাৰ বাবেই মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিব। এইক্ষেত্ৰত শচীন পাইলটক ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত কৰা হ’ব পাৰে বুলি তেওঁ কয়। উল্লেগুধা ছয়জন বিধায়কৰ ভিতৰত আছিল যিয়ে বিএছপি ত্যাগ কৰিছিল আৰু কংগ্ৰেছত যোগদান কৰিছিল। অশোক গেহলট কংগ্ৰেছৰ পৰৱৰ্তী সভাপতি হ’ব পাৰে বুলি গ্ৰীণ ছিগনেল দিছে গান্ধী পৰিয়ালেও।

## লিংগ সমতাৰ আদিপাঠ

অন্তৰংগ আলাপ কৰে। দলেয়ে ছাত্ৰীসকলক উদ্দেশ্য কৰি কয় যে ভয়কহে ভয় কৰিব লাগে আৰু নিজৰ ঘৰখনৰ পৰাই লিংগ সমতাৰ আদি পাঠ আৰম্ভ কৰিব লাগে, তেতিয়াহে সমাজত লিংগ বৈষম্য নোহোৱা হ’ব। তেওঁ লগতে অতি সৰু কালৰ পৰাই প্ৰত্যাহ্বান নেওচি প্ৰশাসনিক বিষয়া হোৱাৰ তথা নিজৰ জীৱন যুদ্ধৰ কথা ছাত্ৰীসকলক অৱগত কৰে। তেওঁ লগতে উল্লেখ কৰে যে প্ৰচুৰ প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ বৈচিত্ৰ্যময় উত্তৰ-পূৰ্বাঞ্চল পুংখানুপুংখভাৱে ঘূৰিলে বহু জ্ঞান অৰ্জন কৰিব পাৰি আৰু এই জ্ঞানে সফলকাম হোৱাত অৰিহণা যোগাব। লগতে উল্লেখ কৰে যে কিতাপ হ’ল নিসংগতাৰ সংগী, স্থানীয় ভাষাৰ উপৰি বিশ্বৰ বিভিন্ন ভাষাৰ গ্ৰন্থৰাজি অধ্যয়নৰ যোগেদি ছাত্ৰীসকলৰ অধ্যয়ন পিপাসু মনটো সদায় জাগ্ৰত কৰি ৰাখিবৰ বাবে আহ্বান জনায় আৰু কেৱল গভীৰ অধ্যয়ন আৰু নিয়মানুৱৰ্তিতাৰ যোগেদিহে জীৱনত সফলকাম হ’ব পাৰি। আৰক্ষী অধীক্ষকগৰাকীয়ে নিজৰ কথাৰে মাতৃত্বৰ লগতে আৰক্ষী অধীক্ষকৰ দৰে অতি দায়িত্বশীল কৰ্ম সম্পাদন কৰাৰ এক অনুপ্ৰেৰণামূলক অভিজ্ঞতা প্ৰকাশ কৰে। লগতে কয় যে আৰক্ষীৰ কৰ্মত এনেকুৱা এটা সুযোগ আৰু সুবিধা আছে, যাৰ যোগেদি সমাজৰ ভিন্ন ক্ষেত্ৰত কাম কৰাৰ লগতে সহায়ৰ হাত আগবঢ়াব পাৰি। শ্বহীদ প্ৰভাত পাটৰ ছাত্ৰী নিৱাসৰ ছাত্ৰী পৰ্যবেক্ষিকা প্ৰিয়ংক্ষী গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানত সভাপতিত্ব কৰে অধ্যক্ষ ড° শৰৎ বৰকটকীয়ে। ড° বৰকটকীয়ে ভাষণত আৰক্ষী অধীক্ষক লীনা দলেক মহাবিদ্যালয়ৰ ছাত্ৰী নিৱাসৰ নৱাগত আদৰণী সভাত উপস্থিত থাকি ছাত্ৰীসকলক প্ৰেৰণাদায়ক আৰু জীৱনত কৃতকাৰ্য হোৱাৰ মনোজ্ঞ বক্তৃতা আৰু অন্তৰংগ আলাপত অংশগ্ৰহণ কৰাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। ড° বৰকটকীয়ে তেওঁৰ ভাষণত ছাত্ৰীসকলক সকলোৰে উৰ্দ্ধত অহংভাৱ পৰিত্যাগ কৰি দায়িত্বশীল নাগৰিক আৰু মানৱ সেৱা কৰিবৰ বাবে আহ্বান জনায়। প্ৰভাত পাটৰ ছাত্ৰী নিৱাসৰ অধ্যক্ষ ড° জ্যোতিস্মিতা দাসে আদৰণী ভাষণ প্ৰদান কৰা এই অনুষ্ঠানতে নগাঁও কলেজ (অট’নমাচ)ৰ উপাধ্যক্ষ বন্তি নেওগ, আভ্যন্তৰীণ মান আশ্বাসন কোষৰ সমন্বয়ক ড° ভুৱন চন্দ্ৰ চুতীয়া, জীৱিকা আৰু পৰামৰ্শ কোষৰ সম্বন্বয়ক ঋষি ভাৰ্গৱ দাস উপস্থিত থাকি ন-পুৰণি ছাত্ৰীসকলক উদ্দেশ্যি প্ৰেৰণামূলক বক্তব্য প্ৰদান কৰে। উপাধ্যক্ষ বন্তি নেওগে তেওঁৰ ভাষণত নৱাগতসকলক উদ্দেশ্য কৰি কয় যে নৱাগতাসকল হ’ল নতুন সূৰুয আৰু ছাত্ৰীসকলক কলেজৰ সৰ্বাংগীণ উন্নতিৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়। ড° চুতীয়াই ছাত্ৰীসকলক উদ্দেশ্যি দিয়া তেওঁৰ ভাষণত কয় যে শ্বহীদ প্ৰভাত পাটৰ ছাত্ৰী নিৱাস কলেজৰ এক অনবদ্য সম্পদ। এই নিৱাসৰ পৰাই সমাজৰ বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠিত হৈ ছাত্ৰীসকলে নিৱাসৰ লগতে কলেজৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। লগতে কয় যে আত্মবিশ্বাস, অধ্যৱসায়, উদ্ভাৱনাত্মক আৰু সৃজনীমূলক মন হ’ল সফলতাৰ চাবি-কাঠী। সহকাৰী অধ্যাপক ঋষি ভাৰ্গৱ দাসে ৰৰ্ক শব্দটোৰ তাৎপৰ্য ব্যাখ্যা কৰি ছাত্ৰীসকলক নিয়মানুৱৰ্তিতাৰে আগুৱাই যাবলৈ আহ্বান জনায়। নৱাগত আদৰণী সভাত ছাত্ৰী নিৱাসৰ ডেৰ শতাধিক ছাত্ৰী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া, এন এছ এছৰ সদস্য আৰু নিমন্ত্ৰিত অতিথিসকল উপস্থিত থাকে আৰু এক বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানো প্ৰদৰ্শন কৰা হয়।

## প্ৰাক্তন বিধায়ক অশোক শৰ্মাৰ

আগমনত উৎফুল্ল হোৱা দেখা গ’ল ভাৰতীয় জনতা পাৰ্টীৰ নেতা-কৰ্মীৰ। তদুপৰি সৰ্বানন্দ সোণোৱাল জিন্দাবাদ ধ্বনি দলীয় কৰ্মীৰ মুখত। বৰ্তমান প্ৰাক্তন বিধায়ক অশোক শৰ্মাৰ বাসগৃহত বৈঠকত মিলিত হৈছে সৰ্বানন্দ সোণোৱাল। ইয়াৰ পিছতে অশোক শৰ্মাৰ বাসগৃহত ৰৈ থকা দলীয় নেতা-কৰ্মীক সম্বোধন কৰে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালক বিভিন্নজনে জ্ঞাপন কৰিলে উষ্ম আদৰণি। হঠাতে প্ৰাক্তন বিধায়ক অশোক শৰ্মাৰ ঘৰলৈ সোণোৱালৰ আগমন আৰু দলীয় কৰ্মীৰে বিৰ দি বাট নোপোৱা পৰিৱেশে প্ৰভাৱ পেলাব নেকি বৰ্তমানৰ শাসকীয় বিজেপি চৰকাৰৰ। সময় অনুসৰি এই বিষয় পিছলৈ লক্ষণীয় হ’ব।

## শিৱসাগৰত কোনে কাক

নোৱাৰে বুলি উল্লেখ কৰি তেওঁ কয় যে ধৰ্মৰ নামত দেশ গঢ়াৰ সপোন দেখা আৰ এছ এছ ব্ৰিটিছৰ মিত্ৰ আছিল। আনহাতে, সংবাদ মেলত অমৰজিৎ কৌৰে সাম্প্ৰদায়িক বিজেপি চৰকাৰক ক্ষমতাৰ পৰা উৎখাত কৰাৰ সময় সমাগত আৰু এই উৎখাত ন্যূনতম উমৈহতীয়া লক্ষ্য আগত লৈ ভাৰতৰ ৰাজনৈতিক শক্তিসমূহ একত্ৰিত হৈ কৰিব বুলি সদৰী কৰে। বিজেপি দলৰ চৰকাৰৰ দিনত সংবিধান অৱমাননা, মূল্যবৃদ্ধি, সংখ্যালঘুৰ ওপৰত অত্যাচাৰ, নিবনুৱা সমস্যা বৃদ্ধি, ৰাজহুৱা খণ্ডৰ উদ্যোগ-সংস্থা বিক্ৰী আদিৰ বাদে কি উন্নয়ন হৈছে বুলিও তেওঁ প্ৰশ্ন কৰে। আনহাতে, চৰকাৰী নিয়োগ নীতিক সম্পূৰ্ণ জলাঞ্জলি দি এইখন চৰকাৰে কেৱল বহিঃ উৎসৰ দ্বাৰা ফিক্সড্ পে’ৰ আধাৰত দেশত এক কোম্পানী শাসন চলোৱা বুলিও তেওঁ অভিযোগ কৰে। অগ্নিবীৰ সৃষ্টিৰ দ্বাৰা এই ফিক্সড্ পে’ নীতিক এতিয়া ভাৰতীয় সেনাত প্ৰচলন কৰি ভাৰতৰ যুৱ-প্ৰজন্মক পংগু কৰাৰ চেষ্টা কৰা বুলি সমালোচনা কৰি কৌৰে প্ৰশ্ন কৰে যে চাৰি বছৰৰ পিছত এইসকল অগ্নিবীৰক লৈ চৰকাৰে কি কৰিব? এই অগ্নিবীৰসকলক সংখ্যালঘুক আক্ৰমণ কৰিবলৈ ব্যৱহাৰ কৰিব নে চৰকাৰবিৰোধী শক্তিক প্ৰতিহত কৰিবলৈ ব্যৱহাৰ কৰিব বুলিও তেওঁ বিস্ফোৰক অভিযোগ আনে। সভ্যতা আৰু সংস্কৃতিৰ দেশ ভাৰতক ধৰ্মৰ নামত অশান্তিৰ বীজ সিঁচা বিজেপি দলে কেৱল ৰাইজৰ ক্ষণিক আৱেগ ব্যৱহাৰ কৰি নিৰ্বাচনত জয়ী হৈ আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে এইখন চৰকাৰে কেৱল দমন আৰু বিভেদৰ ৰাজনীতি কৰি আহিছে। বহুধাবিভক্ত বিৰোধী ৰাজনৈতিক দলসমূহৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি বিজেপিয়ে স্বেচ্ছাচাৰিতাৰে দেশ শাসন কৰি গৈছে। অভিযোগ দিয়াজনক ভয়-ভাবুকিৰে জে’ললৈ পঠোৱাৰ উপৰি ই ডি ৰ ভয় দেখুৱাই দেশত সন্ত্ৰাসৰ সৃষ্টি কৰিছে বুলিও তেওঁ উল্লেখ কৰে। দেশত বিজেপি দলৰ শাসন আৰম্ভ হোৱাৰ পৰা দেশৰ অৰ্থনীতি কোঙা হোৱা বুলি অভিযোগ তুলি তেওঁ কয় যে নৰেন্দ্ৰ মোদী শাসনলৈ অহাৰ সময়ত ডলাৰৰ বিপৰীতে টকাৰ মূল্য ৬০ টকা থকাৰ সময়ত তেওঁ ভাৰতীয় অৰ্থনীতি আইচিইউত আছে বুলি উল্লেখ কৰিছিল। কিন্তু আজিৰ দিনত ভাৰতীয় মুদ্ৰাৰ দৰ এক ডলাৰৰ বিপৰীতে ৮০ টকা পাৰ কৰিছে, !তেন্তে এতিয়া দেশৰ অৰ্থনীতি কি বুলি তেওঁ মোদীক প্ৰশ্ন কৰে। দেশৰ কৃষক, মজদুৰ, মেহনতী জনতাৰ অধিকাৰ কাঢ়ি এইখন চৰকাৰে কেৱল পুঁজিবাদীৰ বাবে ৰঙা দলিচা পৰা বুলি উল্লেখ কৰি তেওঁ কয় যে দেশ এতিয়া মোদীৰ দুই পৰম মিত্ৰ আদানি আৰু আম্বানিৰ হাতত বিক্ৰী গৈছে। কৰুণাকালৰ সময়ত ২০২০ চনত ভাৰতত এশগৰাকী বিলিয়নাৰ থকাৰ বিপৰীতে এতিয়া বিলিয়নাৰৰ সংখ্যা এশ ছল্লিশগৰাকী পাৰ হৈছে। কিন্তু ইয়াৰ বিপৰীতে ভাৰতত নিবনুৱাৰ সংখ্যা অভাৱনীয় ধৰণে বৃদ্ধি পাইছে। কিয়নো বিজেপি চৰকাৰ জনগণৰ প্ৰতি নহয় বৰঞ্চ পুঁজিপতিৰ প্ৰতি অধিক দায়বদ্ধ বুলি তেওঁ অভিযোগ কৰে। সংবাদ মেলত কৌৰে বিজেপি চৰকাৰৰ প্ৰতি এক গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে কিছু মাহৰ আগত আদানিৰ মালিকীস্বত থকা এক বন্দৰত সত্তৰ হাজাৰ কোটি টকাৰ ড্ৰাগছ ধৰা পৰিছিল। কিন্তু এই সন্দৰ্ভত কোনো গোচৰ ৰুজু নহ’ল। কিন্তু কোনো অভিনেতাৰ পুতেকৰ হাতত মাত্ৰ এঘাৰ গ্ৰাম ড্ৰাগছ পোৱাৰ পিছতে আৰক্ষীয়ে গোচৰ ৰুজু কৰি হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি কৰে। এয়া বৰ্তমান ভাৰতৰ শাসনৰ স্বৰূপ বুলিও তেওঁ সমালোচনা কৰে। অনাগত দিনত ভাৰতৰ কমিউনিষ্ট পাৰ্টীয়ে আগন্তুক লোকসভা নিৰ্বাচনৰ আগত দেশৰ কৃষক-বনুৱা-মেহনতী জনতাক লগত লৈ চৰকাৰৰ বিৰুদ্ধে এক প্ৰৱল প্ৰতিৰোধ কৰিব বুলিও তেওঁ সংবাদ মেলত সদৰী কৰে। আনহাতে, বিজেপিৰ অপশাসনৰ বিৰুদ্ধে বাঁওপন্থী আৰু সোঁপন্থী দলসমূহে একত্ৰিত হোৱাৰ পৰিকল্পনা কৰিছে বুলি সদৰী কৰি তেওঁ কয় যে ভাৰতৰ সকলো গণতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ দলসমূহ একগোট হৈ অনাগত দিনত সাম্প্ৰদায়িক বিজেপিক শাসনৰ পৰা চিৰবিদায় দিব। আজিৰ সংবাদ মেলত চি পি আইৰ ৰাষ্ট্ৰীয় সম্পাদক পল্লৱ সেনগুপ্ত, ৰাজ্যিক সম্পাদক মুনীন মহন্ত, অভ্যৰ্থনা সমিতিৰ সভাপতি ধৰ্ম বৰুৱা আৰু ৰাজ্যিক কাৰ্যনিৰ্বাহক অৰূপ কলিতা উপস্থিত থাকে।

## চুতীয়া জনগোষ্ঠী

জিলা চুতীয়া ছাত্ৰ সন্থাই। গোলাঘাটৰ এন আৰ এল পেট্ৰল পাম্পৰ পৰা প্ৰায় আঠ শতাধিক প্ৰতিবাদকাৰীয়ে হাতে হাতে জোঁৰ লৈ হিমন্ত বিশ্ব শৰ্মা মিছলীয়া, হিমন্ত বিশ্ব শৰ্মা গ’বৈক, বিজেপি চৰকাৰ মিছলীয়া, বিজেপি চৰকাৰ হুচিয়াৰ, বিজেপি চৰকাৰ গ’বৈক, নৰেন্দ্ৰ মোদীৰ কাম নাই, নৰেন্দ্ৰ মোদী মিছলীয়, নৰেন্দ্ৰ মোদী গ’বৈক, ন’ এছ টি ন’ ৰেষ্ট, আমাক জনজাতি লাগিবই, জনজাতিকৰণ আমাৰ জন্মগত অধিকাৰ, জনজাতিকৰণক লৈ প্ৰতাৰণা সহ্য কৰা নহ’ব, আহ ঐ আহ ওলাই আহ, সদৌ অসম চুতীয়া ছাত্ৰ সন্থা জিন্দাবাদ আদি শ্ল’গানেৰে গোলাঘাট নগৰৰ মাজেদি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি বেজবৰুৱা চাৰিআলিত উপস্থিত হৈ প্ৰতিবাদী সভা অনুষ্ঠিত কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি সন্থাৰ কেন্দ্ৰীয় সভাপতি মহেন বৰাই কয় যে জনজাতিকৰণ আমাৰ জন্মগত অধিকাৰ। এই অধিকাৰৰ পৰা আমাক কোনেও আঁতৰাই ৰাখিব নোৱাৰিব। জনজাতিকৰণক লৈ বিজেপি চৰকাৰে কৰা ৰাজনীতি শীঘ্ৰেই বন্ধ নকৰিলে ইয়াৰ ফল বিজেপি চৰকাৰে ভুগিব লাগিব বুলি কয়। ব’হাগত কুলিয়ে মতাৰ দৰে বিজেপি চৰকাৰে নিৰ্বাচনৰ সময়তহে ছয় জনগোষ্ঠীৰ জনজাতিকৰণলৈ মনত পৰে বুলি বক্তব্য কৰে। বিজেপি চৰকাৰে প্ৰতিশ্ৰুতি পালনত ব্যৰ্থ হৈছে। জনজাতিকৰণক লৈ বিজেপি চৰকাৰৰ সদিচ্ছাৰ অভাৱ বুলিও বক্তব্য আগবঢ়ায়। এইবাৰ ছয় জনগোষ্ঠীৰ ৰাইজে নিৰ্বাচনৰ সময়ৰ জনজাতিকৰণৰ ললিপপ নাখায়। এমাহৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰলৈ মন্ত্ৰী গোটক প্ৰতিবেদন প্ৰেৰণ কৰিব বুলি ফোঁপজহি মৰা মন্ত্ৰী সভাৰ অধ্যক্ষ ড° হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰায় তিনি বছৰে প্ৰতিবেদন প্ৰেৰণ কৰিবলৈ সক্ষম নহ’ল বুলি আক্ষেপ প্ৰকাশ কৰে। ছয় জনগোষ্ঠীক জনজাতিকৰণ নকৰালৈকে গাঁৱে-ভুঞে, চহৰে- নগৰে ধাৰাবাহিক সংগ্ৰাম গঢ়ি তোলা হ’ব বুলি কয়। আৰু যি কোনো পৰ্যায়লৈ যাবৰ বাবে সন্থাৰ কৰ্মীসকলক সাজু হ’বলৈ আহ্বান জনোৱাৰ লগতে স্বায়ত্ত শাসনৰ ক্ষেত্ৰতো চুতীয়া জনগোষ্ঠীক বিজেপি চৰকাৰে চূড়ান্ত প্ৰতাৰণা কৰাৰ কথা উল্লেখ কৰে। কাৰ্যসূচীত সন্থাৰ উপদেষ্টা মধুমাধৱ শইকীয়া, উপ- সভাপতি পাপু শইকীয়া, সদৌ চুতীয়া জাতি সন্মিলন অসমৰ সম্পাদক ৰুবুল বৰা আদি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। আজিৰ কাৰ্যসূচী গোলাঘাট, যোৰহাট, শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড়, তিনিচুকীয়া, ধেমাজি, লখিমপুৰ, মাজুলী, বিশ্বনাথ আৰু মৰিগাঁও জিলাত ৰূপায়ণ কৰা হয়। যোৰহাটৰ তিতাবৰ, লখিমপুৰত পুলিচৰ লগত প্ৰতিবাদকাৰীৰ গঁতিয়াগঁতি। চৰাইদেউত কাৰ্যসূচী ৰূপায়ণ কৰাৰ পিছত সন্থাৰ বিষয়ববীয়াক আটক কৰিছে। এই হিমন্ত বিশ্ব শাসনাধীন বিজেপি চৰকাৰে গণতান্ত্ৰিক আন্দোলনৰ ভাষা বুজি নাপায়। আজি প্ৰতিবাদকাৰীক পুলিচে গঁতিওৱা কাৰ্যক গৰিহণা দিয়াৰ লগতে ইয়াৰ উচিত প্ৰত্যুত্তৰ দিয়া হ’ব বুলি সন্থাৰ সভাপতি মহেন বৰাই সকীয়াই দিয়াৰ লগতে হিমন্ত বিশ্ব শৰ্মাক অসমত হিটলাৰী শাসন চলাবলৈ দিয়া নহ’ব বুলি কয়।

## নগাঁও চহৰৰ মাজমজিয়াতে

কোনো দুৰ্বৃত্তই চোকা অস্ত্ৰৰে ডিঙি ৰেপি নৃশংসভাৱে হত্যা কৰে। তেজেৰে তুমৰলি অৱস্থাত মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ হোৱাৰ লগে লগে অঞ্চলটোত হুৱা-দুৱা লাগে। এই বিষয়ে লগে লগে স্থানীয় আৰক্ষীক খবৰ দিয়াত আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। কোনে, কি কাৰণত সম্ভ্ৰান্ত ঘৰৰ এই বোৱাৰীগৰাকীক সন্ধিয়াতে নৃশংসভাৱে হত্যা কৰিলে তাৰ একো উৱা-দিহ উলিয়াব পৰা নাই আৰক্ষীয়ে। উল্লেখ্য যে, মহিলাগৰাকীৰ এটি দহ-বাৰবছৰীয়া পুত্ৰ সন্তান আছে। পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, আজি সন্ধিয়া ৰাজদীপ দত্ত নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠানত ব্যস্ত আছিল। সেই সময়ত ৰুবী দত্তই মাতৃৰ সৈতে ফোনত কথা পাতি আছিল। কিন্তু তাৰ মাজতে ৰুবীৰ মাতৃয়ে এক চিৎকাৰ শুনিবলৈ পায় আৰু লগে লগে ফোনৰ সংযোগ বিচ্ছিন্ন হৈ পৰে। প্ৰথমাৱস্থাত তেওঁ জীয়েক পিছল খাই পৰা বুলি সন্দেহ কৰি জোঁৱায়েকলৈ ফোন কৰে। নগাঁও সদৰ থানাৰ পৰা প্ৰায় তিনিশ মিটাৰ দূৰত্বত সন্ধিয়া সংঘটিত এই ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইপিনে, নগাঁৱৰ উপ-আৰক্ষী অধীক্ষক ত্ৰিদীপ কুম্বাঙে সাংবাদিকৰ আগত কয়— ‘আমি ৰুবী দত্তৰ দহ-বাৰ বছৰীয়া পুত্ৰৰ পৰা জানিব পাৰিছো যে তেওঁ সন্ধিয়া ৭.৩০মান বজাত মাকৰ সৈতে ফোনত কথা পাতি আছিল। তেনেতে তেওঁলোকৰ ঘৰৰ কলিংবেলটো বাজি উঠাত ৰুবী দত্তই ঘৰৰ দুৱাৰখন খুলি দিয়ে। তেতিয়াই হাতত চোকা অস্ত্ৰ লৈ অহা দুৰ্বৃত্তই তেওঁক ডিঙি ৰেপি হত্যা কৰে। হত্যাকাৰীয়ে সেই ছুৰীখনো পেলাই থৈ গৈছে। এয়া ডকাইতিৰ ঘটনা নহয়। কিয়নো ঘৰৰ একো বয়-বস্তু ইফাল-সিফাল হোৱা নাই। আমি তদন্ত আৰম্ভ কৰিছো। সময়ত সকলো পোহৰলৈ আহিব।’ ইপিনে, মহিলাগৰাকীৰ স্বামী ৰাজদীপ দত্তই সাংবাদিকৰ আগত কয়— ‘মই ঘৰত নাছিলো। দাদাই ফোন কৰি খবৰ দিলে। মই আহি দেখো তেওঁ মজিয়াত ৰক্তাক্ত হৈ পৰি আছে।’

## মৈৰাবাৰীৰ সৰুচলাত গ্ৰেপ্তাৰ

(২১)। সৰুচলা গাঁৱত অৱস্থিত নাজিৰ উদ্দীনৰ ঘৰত তালাচী চলাই আৰক্ষীৰ দলটিয়ে ৭৭৬খন চিম কাৰ্ড, ৭টা মোবাইল ফোন, ১১খন বেলেগ বেলেগ বেংকৰ এ টি এম, ৮খন পান কাৰ্ড, ৫খন অবৈধ পান কাৰ্ড, ২খন বেংক পাছবুক আৰু এ এছ-২১ জে-৪৬৬১ নম্বৰৰ পালছাৰ বাইক, এ এছ-০২ ডব্লিউ-৯৮৭৫ নম্বৰৰ বাজাজ চি টি ১০০ বাইক জব্দ কৰাৰ লগতে বহুতো অপত্তিজনক নথি উদ্ধাৰ কৰে। সম্প্ৰতি মৈৰাবাৰী আৰক্ষীয়ে যুৱক দুজনক জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

## আজি প্ৰতিপদ

গ’ল। নৱৰাত্ৰি পালনেৰে যোল্ল আনা বৈদিক পৰম্পৰা আগত ৰাখি ন দিনীয়া দুৰ্গা পূজাৰ প্ৰস্তুতি এতিয়া পৰম শিৱম মন্দিৰত। বেনাৰসৰ পৰা আমন্ত্ৰণ কৰা সহস্ৰ পুৰোহিতে দুদিন ধৰি চণ্ডী পাঠেৰে দেৱীক মৰতলৈ আমন্ত্ৰণ জনাব। সমান্তৰালভাৱে থাকিব হনুমান চালিচাৰ পাঠ। যজ্ঞৰ বেদীত পঞ্চামৃত আহুতিৰে বন্দিত হ’ব দেৱী দুৰ্গা। মহালয়াৰ দিনটোত পৰম শিৱম মন্দিৰ বৈদিক ক্ৰিয়া-কাণ্ড মন্ত্ৰোচ্চাৰণত তীৰ্থ পীঠ উত্তৰ গুৱাহাটী ভক্তি ৰসত হ’ল গদ্ গদ্। সৰ্বভূতত বিৰাজমান দেৱীক যেন আৰাধনাৰে পুনৰ প্ৰাণৱন্ত কৰাৰ আখৰা চলিছে ৰুদ্ৰেশ্বৰৰ পৰম শিৱম মন্দিৰত। দেশৰ ভিন্ন প্ৰান্তৰ সাধু-সন্ত, পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ বন্দনাৰে ন দিনধৰি দেৱীৰ পূজা-অৰ্চনা চলিব বুলি পৰিচালনা সমিতিৰ তৰফৰ পৰা জানিব পৰা গৈছে।

**কাঠৰ দুৰ্গা প্ৰতিমাখ্যাত পুৰণিগুদামত ১৩৮সংখ্যক দুৰ্গা পূজাৰ প্ৰস্তুতি**

**দৈনন্দিন বাৰ্তাৰ সেৱা, পুৰণিগুদাম, ২৫ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদামৰ ঐতিহ্য আৰু সাংস্কৃতিক সম্পদৰ মাজত উজ্জ্বল হৈ জিলিকি থকাৰ লগতে এশ বছৰ অতিক্ৰমী ইতিহাস ৰচনা কৰা কাঠৰ দুৰ্গা প্ৰতিমাখনত বিগত বছৰবোৰৰ দৰে এই বছৰো ১৩৮সংখ্যক শ্ৰীশ্ৰীদুৰ্গা পূজা আৰু উৎসৱৰ আয়োজনৰ প্ৰস্তুতি চলিছে। ঐতিহ্যমণ্ডিত পুৰণিগুদামৰ স্থায়ী পূজা মন্দিৰত অহা ১ অক্টোবৰৰ পৰা ৫ অক্টোবৰলৈ শ্ৰীশ্ৰীদুৰ্গা পূজা আৰু উৎসৱ অনুষ্ঠিত হ’ব। পুৰণিগুদামৰ অমৰ শিল্পী লেৰেলা খনিকৰ ওৰফে লেশধৰ শৰ্মাই অস্থায়ী মৃন্ময় দুৰ্গা প্ৰতিমাৰ সলনি নিৰ্মাণ কৰা স্থায়ী কাঠৰ প্ৰতিমাত যোৱা এশ একৈশ বছৰ ধৰি পুৰণিগুদামৰ ৰাইজে সযত্নে সংৰক্ষণ কৰি পূজা অনুষ্ঠিত কৰি আহিছে। কাৰ্যসূচী অনুসৰি ১ অক্টোবৰৰ পুৱা ৯.১৬ বজাত দেৱীৰ বোধন, আমন্ত্ৰণ, সন্ধ্যা ৭ বজাত অধিবাস, ষষ্ঠী বিহিত কল্পাৰম্ভ, নিশা ৮ বজাত ষষ্ঠাদি কৰ্মৰ অন্তত মূৰ্তি স্থাপন। ২ অক্টোবৰৰ পুৱা ৭ বজাত জলযাত্ৰা, পুৱা ৮.১৯ বজাত দেৱীৰ নৱ-পত্ৰিকা প্ৰৱেশ আৰু সপ্তমী বিহিত পূজা, সন্ধিয়া ৬ বজাত আৰতি, ৩ অক্টোবৰৰ পুৱা ৮.২০ বজাত দেৱীৰ মহাষ্টমী বিহিত পূজা আৰম্ভ, দিনৰ ৩.৩৬ বজাত সন্ধি পূজা আৰম্ভ, সন্ধ্যা ৬ বজাত আৰতি। ৪ অক্টোবৰৰ পুৱা ৮.১৭ বজাত দেৱীৰ মহানৱমী বিহিত পূজা আৰম্ভ, দিনৰ ১২.১৫ বজাত কুমাৰী পূজা, দিনৰ ১২.৪৫ বজাত হোম, সন্ধ্যা ৬ বজাত আৰতি। ৫ অক্টোবৰৰ পুৱা ৯ বজাৰ পৰা দেৱীৰ দশমী বিহিত পূজা আৰম্ভ, পুৱা ১০.৩০ বজাত মহাশান্তি আৰু কৰচ ধাৰণ। ৯ অক্টোবৰৰ সন্ধিয়া ৭ বজাৰ পৰা শ্ৰীশ্ৰীলক্ষ্মী পূজা অনুষ্ঠিত হ’ব। শ্ৰীশ্ৰীদুৰ্গা পূজা আৰু উৎসৱ ভাগ পৰিচালনাৰ বাবে বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীক মুখ্য উপদেষ্টা, দুৰ্লভ শৰ্মা, ভূপাল বৰুৱা আৰু মহেশ্বৰ শৰ্মাক উপদেষ্টা, মিণ্টু শৰ্মাক সভাপতি, অলক খাউণ্ড আৰু ৰণ্টু শৰ্মাক উপ-সভাপতি, ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যক (কৰুণা) সম্পাদক, ৰাতুল শৰ্মা,গুণীন্দ্ৰ শৰ্মা, ৰঞ্জন শৰ্মা, হীৰকজ্যোতি ভট্টাচাৰ্য, ৰিতুৰাজ খাউণ্ডক সহঃ সম্পাদক, দিলীপ ভট্টাচাৰ্য আৰু হেৰম্ব প্ৰসাদ গোস্বামীক হিচাপ পৰীক্ষক হিচাপে লৈ এখন উদ্যাপন সমিতি গঠন কৰা হৈছে। দুৰ্গোৎসৱ উদ্যাপন সমিতিয়ে পূজাৰ সমূহ কাৰ্যসূচীত ৰাইজৰ সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

## কংগ্ৰেছ নেতা পৱন সিং

জীৱনতাৰা ঘাটোৱাৰৰ পুত্ৰ যুৱ কংগ্ৰেছ নেতা প্ৰাঞ্জল ঘাটোৱাৰে পুনৰ বিজেপিত যোগদান কৰিব বুলি ওলোৱা খবৰে ৰাজনৈতিক মহলত ব্যাপক চৰ্চা লাভ কৰিছে। ৰাজ্যৰ কেইবাজনো কংগ্ৰেছ নেতাৰ সৈতে প্ৰাঞ্জল ঘাটোৱাৰে বিজেপিত যোগদান কৰিব বুলি খবৰ ৰাজহুৱা হোৱাৰ পাছতে ধুমুহা আৰম্ভ হৈছে বিজেপিৰ ভিতৰচ’ৰাত। খবৰ ওলাইছে অমিত শ্বাহ আৰু জে পি নাড্ডাৰ উপস্থিতিত বিজেপিত যোগ দিবলৈ সাজু কেইবাগৰাকীও কংগ্ৰেছী নেতাসহ প্ৰাঞ্জল ঘাটোৱাৰ। উজনিৰ শক্তিশালী চাহ জনগোষ্ঠীৰ কংগ্ৰেছ নেতা পৱন সিং ঘাটোৱাৰৰ পুত্ৰ প্ৰাঞ্জল ঘাটোৱাৰে বিজেপিত যোগদান কৰা সম্পৰ্কত আজি মৰাণৰ চেপনত সাংবাদিকৰ আগত তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিলে প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামীয়ে। কাৰ্যকৰী সভাপতিগৰাকীয়ে কয়— ‘পৱন সিং ঘাটোৱাৰ জ্যেষ্ঠ নেতা, তেওঁৰ ওপৰত কথা নকওঁ। কিন্তু ইতিহাস আছে দললৈ বহু নেতা আহিব আৰু যাব। কংগ্ৰেছ দললৈও বহু নেতা আহিছে আৰু বহু গৈছে, এইটো নতুন কথা নহয়’। ঘাটোৱাৰ জ্যেষ্ঠ নেতা হোৱা বাবেই এই বিষয়ত প্ৰতিক্ৰিয়া নিদিও বুলি কয় প্ৰদেশ কংগ্ৰেছ কমিটীৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামীয়ে। কংগ্ৰেছৰ কাৰ্যকৰী সভাপতিগৰাকীৰ এই ধৰণৰ মন্তব্যই ঘাটোৱাৰ পৰিয়ালৰ বিজেপি গমনৰ কিছু ইংগিত বহন কৰা পৰিলক্ষিত হয়।

## চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং

কৰা হৈছে। উৰাবাতৰি মতে চীনৰ ৰাষ্ট্ৰপতি জি জিনপিং সামৰিক অভ্যুত্থানৰ ভাবুকিৰ সন্মুখীন হৈছে আৰু এজন শক্তিশালী সামৰিক জেনেৰেল লি কিয়াওমিঙক দেশৰ ৰাষ্ট্ৰপতি হিচাপে অধিষ্ঠিত কৰা হ’ব। চীনা পিপলছ লিবাৰেচন আৰ্মী (পিএলএ)ৰ আটাইতকৈ জ্যেষ্ঠ বিষয়াসকলৰ ভিতৰত থকা লি কিয়াওমিঙে ছেপ্টেম্বৰ ২০১৭ৰ পৰা নৰ্দাৰ্ণ থিয়েটাৰ কমাণ্ডৰ কমাণ্ডাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিছে। কিয়াওমিঙে চীনা সেনাৰ বিভিন্ন গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰিছে, যাৰ ভিতৰত আছে ৩৬৪ ৰেজিমেণ্টৰ কমাণ্ডাৰ, ৩৬১ ৰেজিমেণ্টৰ চীফ অৱ ষ্টাফ আদি। কমাণ্ডাৰ লি কিয়াওমিং চীনৰ কমিউনিষ্ট পাৰ্টীৰ কেন্দ্ৰীয় সমিতিৰ সদস্য। চীনৰ ৰাষ্ট্ৰপতি ঝি জিনপিঙক গৃহবন্দী কৰি ৰখাৰ উৰাবাতৰি আৰু দেশখনত এক সম্ভাব্য অভ্যুত্থান সংঘটিত হোৱাৰ উৰাবাতৰিক লৈ ছ’চিয়েল মিডিয়া তৎপৰ হৈ পৰিছে এক বিশেষ ঘটনাৰ পিছত। চীনৰ দুজন প্ৰাক্তন মন্ত্ৰীক দুৰ্নীতিৰ বাবে দণ্ডিত কৰাৰ এসপ্তাহ পিছত এনে উৰাবাতৰি বিয়পি পৰিছে। উল্লেখ্য, এই উৰাবাতৰিটোৱে বেছি দ্ৰুতগতিত বিয়পি পৰে যেতিয়া চীনা কমিউনিষ্ট পাৰ্টীৰ জ্যেষ্ঠ নেতাসকলে তেওঁক পিপলছ লিবাৰেচন আৰ্মীৰ মুৰব্বী পদৰ পৰা আঁতৰাই দিয়াৰ পিছত তেওঁক গৃহবন্দী কৰা বুলি কেইবাটাও চীনা ছ’চিয়েল মিডিয়া হেণ্ডেলে টুইট কৰে। অৱশ্যে এতিয়ালৈকে এই উৰাবাতৰিবোৰৰ কোনো সত্যতা প্ৰমাণ হোৱা নাই । এটা টুইটাৰ পোষ্টত আনকি কোৱা হয় যে পিএলএ কমাণ্ডাৰ জেনেৰেল লি কিয়াওমিং চীনৰ নতুন ৰাষ্ট্ৰপতি হৈছে। আন এটা পোষ্টত কোৱা হয় যে চীনৰ পৰা কেইবাখনো বিমান বাতিল কৰা হৈছে। প্ৰাক্তন উপ সুৰক্ষা মন্ত্ৰী চান লিজুনক আজীৱন কাৰাদণ্ডৰ নিৰ্দেশ দিয়াৰ পিছতে এই উৰাবাতৰি প্ৰচাৰ আৰম্ভ হয়। উল্লেখ কৰিব পাৰি যে চীনৰ প্ৰাক্তন উপ-নিৰাপত্তা মন্ত্ৰী চান লিজুন, যিয়ে ‘ৰাজনৈতিক গোট’ৰ নেতৃত্ব দিছিল আৰু জিৰ প্ৰতি সামান্য আনুগত্য দেখুৱাইছিল, শুকুৰবাৰে তেওঁক আজীৱন কাৰাদণ্ড বিহা হয়। তেওঁৰ বিৰুদ্ধে দলৰ ঐক্যক গৰিহণা দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল।

## জাঁজী নদীত দুৰ্বৃত্তই উটুৱালে

প্ৰাথমিক বিদ্যালয়ৰ কাষত মৃত গাহৰি পেলোৱাক লৈ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰত্যক্ষদৰ্শীৰ পৰা জানিব পৰা মতে এখন মালবাহী বলেৰ’ গাড়ীয়ে পুৱতি নিশা উক্ত মৃত গাহৰিৰ মাংস জাঁজী নদীৰ পাৰৰ একাধিক স্থানত পেলাই থৈ যায়। উল্লেখ্য যে, কাষেৰে বৈ যোৱা জাঁজী নদীৰ গৰাৰ কাষত উক্ত মাংসসমূহ পৰি থকাৰ বাবে দুৰ্গন্ধময় পৰিৱেশ সৃষ্টি হৈছে। এখন প্ৰাথমিক বিদ্যালয় আৰু এখন অংগনবাড়ী কেন্দ্ৰ থকা স্থানত কণ কণ ল’ৰা-ছোৱালীৰ স্বাস্থ্যৰ প্ৰতি ভাবুকি সৃষ্টি কৰা দুৰ্বৃত্তৰ এনে কাণ্ডৰ বাবে স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। চেলেংহাট আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে যদিও কোনো লোকক আটক কৰিবলৈ সক্ষম হোৱা নাই। স্মৰ্তব্য যে শিৱসাগৰ জিলাত পুনৰ আৰম্ভ হৈছে বহিঃৰাজ্যৰ গাহৰিৰ মুক্ত ছিণ্ডিকেট। ছিণ্ডিকেট বাহিনীটোৱে যোৰহাট জিলাৰ মৰিয়নিৰ চেলেংহাট এলেকাত বহিঃৰাজ্যৰ গাহৰি অবৈধভাৱে ৰখাৰ কেইবাটাও পামঘৰ আছে। এই পামঘৰৰ পৰা পশ্চিমবংগ, উত্তৰ প্ৰদেশ পৰা সৰবৰাহ হোৱা গাহৰি ধোদৰ আলিয়েদি আমগুৰি চাৰিআলি হৈ হালোৱাটিঙৰ ৬১নং ৰাষ্ট্ৰীয় ঘাইপথেৰে নাগালেণ্ডলৈ সৰবৰাহ হয়। এই সৰবৰাহ চক্ৰৰ সৈতে আমগুৰিৰ জনৈক ভাই, শশাংক, অভিজিত বাহিনীৰ নেতৃত্বত আৰম্ভ হয় ছিণ্ডিকেট। আমগুৰি আৰু হালোৱাটিঙৰ মাজেদি বলেৰ’ পিক-আপৰ যোগেদি যোৰহাট জিলাৰ চেলেংহাট, জাজী হাতীমূৰীয়াৰ এক বিশেষ স্থানৰ পৰা আনি নামতি, জাঁজী, সোণাৰি, চৰাইদেউ আদি এলেকালৈ সৰবৰাহ কৰে। স্মৰ্তব্য যে ছিণ্ডিকেট চক্ৰটোৱে ব্যৱহাৰ কৰা বলেৰ’ পিক আপত কোনো কেটল পাৰ্মিট নাই। একোখন বলেৰ’ পিক আপত ১৫-১৬টাকৈ গাহৰি সৰবৰাহ কৰাৰ পিছতো আমগুৰি-হালোৱাটিং আৰক্ষীৰ চকু নপৰে। ৰাজ্যখনৰ থলুৱা গাহৰিপালকৰ মূৰত মাধমাৰ শোধাই গাহৰিৰ ছিণ্ডিকেট চক্ৰটোৱে কোটি কোটি টকা ৰাজহ ফাঁকিৰে অবাধে বহিঃৰাজ্যৰ পৰা বিশেষকৈ উত্তৰ প্ৰদেশৰ পৰা সৰবৰাহ কৰি আহিছে অবৈধ গাহৰিৰ মুক্ত ব্যৱসায়। আমগুৰি থানা, হালোৱাটিং থানা আৰু নামতি থানাৰ সন্মুখেৰে দৈনিক কেইবা শতাধিক গাহৰি নাগালেণ্ডলৈ চালান হৈ আহিছে। এইক্ষেত্ৰত আমগুৰিৰ জনৈক ভূএগ উপাধিৰ দুই ভাতৃ, শইকীয়া, ম’ৰাবজাৰৰ জনৈক অভিজিতৰ লগতে সাপেখাঁতী লংপটীয়াৰ জনৈক হৰেনে বৃহৎ গাহৰিৰ ছিণ্ডিকেটেৰে নাগালেণ্ডলৈ গাহৰিৰ অবাধ সৰবৰাহ চলাই আহিছে। এনে বহিঃৰাজ্যৰ গাহৰি আমগুৰিৰ বৰবাম, চুতীয়াবস্তি, নেপালীবস্তি, হালোৱাটিঙৰ পৰাই সৰু সৰু টাটা ডি আই গাড়ীত নৈশ ভাগত ৬১নং ৰাষ্ট্ৰীয় ঘাইপথ আৰু ধোদৰ আলিয়েদি বহুকেইখন থানা পাৰ হৈ নাগালেণ্ডত প্ৰৱেশ কৰে। উল্লেখ্য, এই অবৈধ ছিণ্ডিকেট চক্ৰটোৰ সৰবৰাহ কৰা গাড়ীৰ কোনো কেটোল পাৰ্মিট নথকাৰ লগতে অসম চৰকাৰৰ পশুপালন সৰবৰাহৰ নিয়ম, খাদ্য সুৰক্ষা, উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ আৰু অসমৰ দহ লাখ গাহৰিপালকৰ সুৰক্ষা নস্যাৎ কৰি সমগ্ৰ অসমতে গাহৰিৰ ছিণ্ডিকেট চলাই আহিছে। এইক্ষেত্ৰত শীঘ্ৰে প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে আমগুৰিৰ বহুকেইটা জাতীয় দল-সংগঠনে।



### ডিব্ৰুগড়ত ড° বন্দিতা গোস্বামী শইকীয়াৰ ৩৮ সংখ্যক গ্ৰন্থ উন্মোচন

## যিমানেই ছ’চিয়েল মিডিয়াৰ আগ্ৰাসন নহওক কিয় গ্ৰন্থৰ কদৰ আৰু প্ৰয়োজনীয়তা কেতিয়াও শেষ হৈ নাযায় ঃ ড° নগেন শইকীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰ ঃ** ‘মুঠ ৩৮খন গ্ৰন্থৰে অসমীয়া সাহিত্যৰ ভঁৰাললৈ অনবদ্য অৱদান আগবঢ়োৱা বিশিষ্ট লেখিকা, অনুবাদিকা ড° বন্দিতা গোস্বামী শইকীয়াই ‘দেশী-বিদেশী অনূদিত গল্প সম্ভাৰ’ শীৰ্ষক গ্ৰন্থৰ জৰিয়তে দেশ বিদেশৰ বিভিন্ন গল্পকাৰৰ মৌলিক গল্পবোৰৰ স’তে অসমীয়া পঢ়ুৱৈক চিনাকি কৰাই দিলে। গ্ৰন্থখনিৰ জৰিয়তে আধুনিক গল্পৰ যি স্বকীয়তা আৰু মৌলিকত্ব সেয়া পাঠকৰ অনুভূত হ’ব। আজি বিয়লি ডিব্ৰুগড়ত অসমৰ এগৰাকী বিশিষ্ট লেখিকা, তিতাবৰৰ নন্দনাথ শইকীয়া কলেজৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা ড° বন্দিতা গোস্বামী শইকীয়াৰ নৱতম গ্ৰন্থ ‘দেশী-বিদেশী অনূদিত গল্প সম্ভাৰ’ শীৰ্ষক গ্ৰন্থখনি উন্মোচন কৰি এইদৰে কয় প্ৰথিতযশা সাহিত্যিক, সাহিত্য অকাডেমীৰ ফেল’, মিতভাষৰ স্ৰষ্টা ড° নগেন শইকীয়াই। ডিব্ৰুগড়ৰ কৌস্তুভ প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত উক্ত গ্ৰন্থখনিৰ উন্মোচনী ভাষণ প্ৰসংগত সাহিত্যিক গৰাকীয়ে কয় যে প্ৰকৃত লেখকে ব্যৱসায়ৰ বাবে কোনোদিনে কিতাপ নিলিখে। কিন্তু গ্ৰন্থ অধ্যয়ন আৰু গ্ৰন্থ ক্ৰয় কৰাৰ ওপৰত আমি সকলোৱে গুৰুত্ব আৰোপ কৰা উচিত। তেহে লেখক উৎসাহিত হ’ব।যিমানেই ছ’চিয়েল মেডিয়াৰ আগ্ৰাসন নহওক কিয় গ্ৰন্থৰ কদৰ আৰু প্ৰয়োজনীয়তা কেতিয়াও শেষ হৈ নোযায় বুলিও তেওঁ তাৎপৰ্যপূৰ্ণ বক্তব্য আগবঢ়াই গ্ৰন্থখনি পঢ়ুৱৈ ৰাইজে আদৰি ল’ব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বসন্ত কুমাৰ শৰ্মা, ডিব্ৰু কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোতি বৰগোহাঁই, তিতাবৰ নন্দনাথ শইকীয়া কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° গুনাৰাম নাথেও সাম্প্ৰতিক অসমীয়া সাহিত্যৰ পৰিৱেশৰ উপৰি অনুবাদিকাক শুভেচ্ছা জ্ঞাপন কৰি সাৰুৱা বক্তব্য আগবঢ়ায়। সাংবাদিক ৰতন হাজৰিকাই আঁতধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত অনুবাদিকা ড° বন্দিতা গোস্বামী শইকীয়াই গ্ৰন্থখনিৰ আঁৰৰ কথা আৰু নিজৰ সাহিত্য-কৰ্ম সম্পৰ্কত বক্তব্য আগবঢ়ায়। অংশ্ৰুতা আলফুল বৰুৱাৰ মংগলাচৰণেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰে কৌস্তুভ প্ৰকাশনৰ পৰিচালন উপদেষ্টা বীৰেন বৰুৱাই। অনুষ্ঠানত অসম আদিত্য কাকতৰ কাৰ্যবাহী সম্পাদক মনজিৎ বৰা, ডিব্ৰুগড় চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হৃদয় চৌধুৰী, তিতাবৰৰ উন্মিলিতা নাৰী সংঘৰ সভানেত্ৰী প্ৰগতি শইকীয়া, সম্পাদিকা ডলী বৰা, শিক্ষয়িত্ৰী লিপিকা দত্ত, তিতাবৰ লেখিকা সমাৰোহ সমিতিৰ সহকাৰী সম্পাদিকা ঋজু আহমেদকে ধৰি কুৰিৰো অধিক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

### জামুগুৰিহাটৰ হাটিঙা শিল কোৰেৰীত ৰাইজৰ প্ৰতিবাদ

## বৈধ শিল কোৰেৰীক লৈ চলা অপপ্ৰচাৰ বন্ধ কৰাৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ২৫ ছেপ্টেম্বৰ ঃ** নদুৱাৰৰ অন্তৰ্গত হাটিঙা শিল কোৰেৰীক লৈ চলোৱা অপপ্ৰচাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে অঞ্চলটোৰ সৰ্বসাধাৰণ ৰাইজ। আজি পুৱা মঙলবৰীয়াত অঞ্চলটোৰ শতাধিক লোক একত্ৰিত হৈ শিল কোৰেৰীটোৰ বিৰুদ্ধে চলোৱা অপপ্ৰচাৰক তীব্ৰ বিৰোধিতা কৰে। ৰাইজৰ দাবী— ১৯৮৭ চনতে চৰকাৰে স্বীকৃতি দিয়া হাটিঙা শিল কোৰেৰীৰ পৰা চৰকাৰে যথেষ্ট ৰাজহ লাভ কৰি আহিছে। সম্পূৰ্ণ চৰকাৰী নীতি-নিয়মেৰে সম্পাদন হৈ থকা এই শিল কোৰেৰী অবৈধ বুলি কোৱাৰ লগতে আৰু এই শিল কোৰেৰীৰ লগত অনাহকত বিধায়ক পদ্ম হাজৰিকাৰ নামটো সাঙুৰি অনাত আমি গভীৰ দুখ প্ৰকাশ কৰিছো বুলি মন্তব্য কৰে স্থানীয় ৰাইজে। উত্তৰ অসমৰ অন্যতম এই শিল কোৰেৰীৰ জৰিয়তে শতাধিক নিবনুৱাই কৰ্মসংস্থাপন লাভ কৰাৰ লগতে শিলসমূহ খন্দাৰ অন্তত সেই পুখুৰীত মাছ পুহি স্বাৱলম্বিতাৰ পথ সুগম কৰিছে বুলি মন্তব্য কৰে উত্তৰ মূঢ়াদ’ল গাঁও পঞ্চায়তৰ সভাপতি দীপক নেৱাৰে। সভাপতিগৰাকীয়ে কয়— এই শিল কোৰেৰীৰ জৰিয়তে স্বাৱলম্বী হৈ উঠা নিবনুৱাসকলক উৎসাহ-অনুপ্ৰেৰণা যোগাই আহিছে চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাই। অঞ্চলটোৰ বিশিষ্ট সমাজকৰ্মী তথা প্ৰাক্তন আঞ্চলিক পঞ্চায়তৰ সভাপতি ধনপতি কাফলেয়ে কয়— হাটিঙা শিল কোৰেৰীৰ পৰা চৰকাৰে ডেৰ কোটিৰো অধিক টকা সংগ্ৰহ কৰি আহিছে। এই শিল কোৰেৰীৰ পৰা সৰবৰাহ হোৱা শিলৰ পৰা অঞ্চলটোৰ ৰাস্তা-ঘাটকে ধৰি স্থানীয় বহু ৰাজহুৱা অনুষ্ঠান গঢ় লৈ উঠিছে। চৰকাৰৰ এনে বৈধ শিল কোৰেৰীক এটা দুষ্ট চক্ৰই অবৈধ আখ্যা দিয়াটো দুৰ্ভাগ্যজনক আৰু সেইসকলক আমি গৰিহণা দিছো। সমাজকৰ্মী প্ৰবীণ দাস, যুৱ সমাজকৰ্মী ভাস্কৰ শইকীয়াই কয়— অঞ্চলটোৰ শ শ নিবনুৱাক সংস্থাপন দি অহা এই হাটিঙা শিল কোৰেৰীয়ে কাৰো জীৱনলৈ ভাবুকি কঢ়িয়াই অনা নাই। বৰঞ্চ শ শ পৰিয়ালক ভাত-কাপোৰৰ সংস্থাপন দি আহিছে। এটা দুষ্ট চক্ৰই বিধায়ক পদ্ম হাজৰিকাৰ ভাবমূৰ্তিত আঘাত হানিবলৈকে বিধায়কগৰাকীৰ ছত্ৰ-ছায়াতে অবৈধ বন ধ্বংস চলি থকা বুলি মিছা অভিযোগ উত্থাপন কৰিছে। বিধায়কগৰাকীৰ বিৰুদ্ধে নিকৃষ্ট কাৰ্যত জড়িত নহ’বলৈ আজি স্থানীয় একাংশ লোকে মঙলবৰীয়াত ক্ষোভ উজাৰি দুষ্ট চক্ৰক সকীয়নি দিয়াৰ লগতে বিভিন্ন শ্ল’গানো দিয়ে।

### অসম লেখিকা সমাজ আৰু একলব্য আই এ এছ একাডেমীৰ যৌথ উদ্যোগ

## গুৱাহাটীত সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি সম্পৰ্কীয় কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ ছেপ্টেম্বৰ ঃ** অসম লেখিকা সমাজ আৰু একলব্য আই এ এছ একাডেমীৰ যৌথ উদ্যোগত গুৱাহাটীৰ গনেশগুৰিস্থিত ৰাধিকা ভৱনত প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হ’বৰ বাবে প্ৰয়োজনীয় প্ৰস্তুতি সন্দৰ্ভত অনুষ্ঠিত কৰা তিনিদিনীয়া কৰ্মশালাৰ আজি দ্বিতীয় দিন। আজিৰ প্ৰশিক্ষণকালত সাধাৰণ জ্ঞানকে ধৰি প্ৰতিযোগিতামূলক পৰীক্ষাত ল’বলগীয়া বিভিন্ন বৈকল্পিক বিষয় সন্দৰ্ভত অৱলোকন কৰা হয়। প্ৰশিক্ষকালত অসম অসামৰিক সেৱাৰ বিষয়া ক্ৰমে নীলোৎপল গোহাঁই আৰু বিপাঞ্চী দত্তই প্ৰশিক্ষাৰ্থীসকলৰ লগত মত বিনিময় কৰে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ৪০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাখনি কালি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে ভাৰতীয় প্ৰশাসনিক সেৱা (আই এ এছ)ৰ অৱসৰপ্ৰাপ্ত বিষয়া হৰিশ সোণোৱালে। অসম লেখিকা সমাজৰ সভাপতি পদুমী গগৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উদ্বোধনী সভাত ভাৰতীয় আৰক্ষী সেৱাত কৰ্তব্যৰত বিষয়া অৰবিন্দ কলিতা আৰু দি আছাম ট্ৰিবিউন কাকতৰ কাৰ্যবাহী সম্পাদক প্ৰশান্তজ্যোতি বৰুৱাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে উপস্থিত প্ৰশিক্ষাৰ্থীসকলক উদ্দেশ্যি প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি সন্দৰ্ভত পৰামৰ্শ আগবঢ়াই অনুপ্ৰেৰণামূলক বক্তৃতা দিয়ে। প্ৰধান সম্পাদিকা বৰ্ণালী দত্ত বৰাই আঁত ধৰা অনুষ্ঠানত মংগল বন্তি প্ৰজ্বলন কৰে একাডেমীখনৰ অধ্যক্ষ হৰমোহন কলিতাই আৰু সভাপতি শ্ৰীমতী গগৈয়ে আদৰণি ভাষণ প্ৰদান কৰে। অনুষ্ঠানত লেখিকা সমাজৰ কাৰ্যকৰী সভাপতি ৰেণু মহন্তকে ধৰি অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে। কাইলৈ অন্ত পৰিবলগীয়া কৰ্মশালাখনিৰ সামৰণি অনুষ্ঠানত অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া লংকি ফংচ’ সন্মানীয় অতিথিৰূপে উপস্থিত থাকিব। উল্লেখযোগ্য যে ২০২১ বৰ্ষৰ নৱেম্বৰ মাহত প্ৰতিষ্ঠা হোৱা অসম লেখিকা সমাজে যোৱা প্ৰায় এবছৰীয়া কাৰ্যকালত সাহিত্যৰ ক্ষেত্ৰখনৰ লগতে সামাজিক-সাংস্কৃতিক-শৈক্ষিক ক্ষেত্ৰখনৰ উন্নয়নৰ বাবেও বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি আহিছে। ইয়াৰে অংশ হিচাপে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে নিজকে সাজু কৰাৰ ক্ষেত্ৰত ৰাজ্যখনৰ ল’ৰা-ছোৱালীসকলক উৎসাহিত কৰাৰ উদ্দেশ্যে এই কৰ্মশালাখনি অনুষ্ঠিত কৰে।

# চৰাইদেউ জিলা কাৰাগাৰত এইচ আই ভি, এইড্‌ছ আৰু টি বি ৰোগৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৫ ছেপ্টেম্বৰ ঃ** অসম ৰাজ্যিক এইড্‌ছ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত শিৱসাগৰ ৰাষ্ট্ৰীয় যক্ষ্মা ৰোগ নিৰ্মূল কাৰ্যসূচী আৰু ভাগ্যলক্ষ্মী আঞ্চলিক শিশু কল্যাণ কেন্দ্ৰৰ অধীনত ৰূপায়িত এইচ আই ভি-এইড্‌ছ প্ৰকল্প লাইফ লাইন তথা ইয়াৰ্জ কোয়াৰ, অসমৰ সহযোগত ২৪ ছেপ্টেম্বৰত চৰাইদেউ জিলাৰ সোণাৰি জে'লত এখন এইচ আই ভি- এইড্‌ছ আৰু টি বিৰ সজাগতা সভা আৰু এইচ আই ভিৰ ৰক্ত পৰীক্ষা কৰা হয়। আজি এই সজাগতা সভা সন্দৰ্ভত সংবাদ মাধ্যমলৈ দিয়া এক বিবৃতিযোগে অসম ৰাজ্যিক এইড্‌ছ নিয়ন্ত্ৰণ সমিতিৰ সমল ব্যক্তি গোপাল আগৰৱায় গোপাল পাণ্ডেই। তেওঁ কয় যে এইচ আই ভি ভাইৰাছে মানুহৰ শৰীৰত প্ৰৱেশ কৰাৰ পিছত ৰোগ ক্ৰমান্বয়ে শৰীৰৰ ৰোগ প্ৰতিৰোধক ক্ষমতা হ্ৰাস কৰিবলৈ ধৰে। এজন সুস্থ ব্যক্তিৰ শৰীৰত থকা তেজৰ প্ৰতি কিউবিক মিলিমিটাৰত ৫০০ৰ পৰা ১৫০০ চি ডি '৪' ছেল থাকে আৰু এইবিলাকেই হৈছে ৰোগ প্ৰতিৰোধী কোষ। এইচ আই ভি ভাইৰাছে এই কোষবিলাকক আক্ৰমণৰ লক্ষ্য কৰি লয় আৰু ক্ৰমান্বয়ে ধ্বংস কৰিবলৈ ধৰে। এনেদৰে ধ্বংস কৰি একেবাৰে নিয়ন্ত্ৰণ পৰ্যায়লৈ নিবৰ বাবে প্ৰায় ৭ৰ পৰা ১০ বছৰ পৰ্যন্ত সময় লাগে। উল্লেখ্য যে এইচ আই ভিৰ দ্বাৰা সংক্ৰমিত হ'লেও ৰোগ



প্ৰতিৰোধী (চি ডি '৪' ছেল) কোষৰ সংখ্যা নিয়ংগামী নোহোৱা পৰ্যন্ত সংক্ৰমিত ব্যক্তিৰ শৰীৰত কোনো ধৰণৰ এ আই ডি এছৰ লক্ষণ দেখা নিদিয়ে কিন্তু নিয়ংগামী পৰ্যায় অতিক্ৰম কৰাৰ লগে লগে সেই সংক্ৰমিত ব্যক্তিৰ শৰীৰত বিভিন্ন ধৰণৰ এইড্‌ছৰ লক্ষণ দেখা দিব পাৰে আৰু এই লক্ষণ দেখা দিয়া পৰ্যায়টোকে এইড্‌ছ হোৱা বুলি কোৱা হয়। অৰ্থাৎ সদ্য এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ শৰীৰত এইড্‌ছৰ লক্ষণ দেখা দিবলৈ ৭ৰ পৰা দহ বছৰ সময় লাগে কিন্তু এই সময়ছোৱাৰ আগতেই শৰীৰত এইচ আই ভি থকা বুলি গম পাই এআৰটি ঔষধ নিয়মীয়াকৈ গ্ৰহণ কৰিলে আজীৱন সুস্থ হৈ থাকিব পাৰে। বিবৃতিত লগতে উল্লেখ কৰিছে যে, আই ভি ভাইৰাছে চাৰিটা মাধ্যমেৰে মানুহৰ শৰীৰত প্ৰৱেশ কৰিব পাৰে সেইকেইটা ক্ৰমে ১) এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ লগত অসুৰক্ষিত সম্পৰ্ক কৰিলে। ২) এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ তেজ বা তেজৰ উপাদান বা টিছু বা অংগ প্ৰত্যাৰোপণৰ বাবে গ্ৰহণ কৰিলে। ৩) এইচ আই ভি সংক্ৰমিত ব্যক্তিয়ে ব্যৱহাৰ কৰা নিডল চিৰিঞ্জ পৰিশোধন নকৰাকৈ ব্যৱহাৰ কৰিলে আৰু ৪) এইচ আই ভি সংক্ৰমিত গৰ্ভৱতী মাতৃৰ পৰা গৰ্ভস্থ শিশুৰ গৰ্ভত থকা কালত বা প্ৰসৱৰ সময়ত আৰু জন্মৰ পিছত মাকৰ গাখীৰ সেৱন কৰাৰ ফলত এইচ আই ভিৰ দ্বাৰা সংক্ৰমিত হ'ব পাৰে যদিও গৰ্ভধাৰণ কৰাৰ পূৰ্বৰে পৰা বা গৰ্ভধাৰণৰ প্ৰাৰম্ভিক কালত এইচ আই ভি সংক্ৰমিত মাতৃগৰাকীয়ে উপযুক্ত চিকিৎসা গ্ৰহণ কৰিলে গৰ্ভস্থ শিশুটিয়ে এইচ আই ভি সংক্ৰমিত নোহোৱাকৈ জন্মগ্ৰহণ কৰিব পাৰে। ইঞ্জেক্সনেল ড্ৰাগ ইউজাৰ (আই ডি ইউ)সকলে একেটা নিডল চিৰিঞ্জ ব্যৱহাৰ কৰাৰ ফলত অধিক হাৰত এইচ আই ভি দ্বাৰা সংক্ৰমিত হোৱা পৰিলক্ষিত হয়। সাধাৰণতে সদ্য এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ তেজৰ নমুনা পৰীক্ষা কৰিলেও প্ৰায় তিনি মাহলৈকে সেই তেজত এইচ আই ভি ভাইৰাছ ধৰা নপৰে এই সময়ছোৱাক উইণ্ড পিৰিয়ড বুলি কোৱা হয়, কেতিয়াবা উইণ্ড পিৰিয়ডৰ সময় তিনি মাহতকৈ কম-বেছি হ'ব পাৰে। এই সময়ছোৱাৰ এইচ আই ভি সংক্ৰমিত ব্যক্তিয়ে আনক তেজ দিলে, তেজ গ্ৰহণ কৰোঁতাজনেও এইচ আই ভি ৰ দ্বাৰা সংক্ৰমিত হ'ব পাৰে। এইচ আই ভি ভাইৰাছক ধ্বংস কৰিব পৰা কোনো ধৰণৰ ঔষধ বৰ্তমানলৈকে আৱিষ্কাৰ হোৱা নাই যদিও ইয়াক প্ৰতিৰোধ কৰিব পৰা ফলপ্ৰসূ চিকিৎসা পদ্ধতি আছে, যাক এন্টি ৰেট্ৰ ভাইৰেল থেৰাপী (এ আৰ টি) বুলি কোৱা হয়। বৰ্তমান 'টেষ্ট এণ্ড ট্ৰিট পলিচী'ৰ জৰিয়তে এইচ আই ভি ভাইৰাছৰ দ্বাৰা আক্ৰান্ত বুলি নিশ্চিত হোৱাৰ লগে লগে এ আৰ টি কেন্দ্ৰত পঞ্জীয়ন কৰি কেইটামান যাৱতীয় পৰীক্ষা কৰাৰ পিছত এ আৰ টি ঔষধ বিনামূলীয়াকৈ প্ৰদান কৰা হয়। অসমৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত থকা এ আৰ টি কেন্দ্ৰত এ সুবিধা আছে। এ আৰ টি ঔষধ চিকিৎসকৰ পৰামৰ্শ অনুসৰি নিয়মীয়াকৈ আৰু যতি নপৰাকৈ যাৱজ্জীৱন লৈ থাকিব লাগিব। এ আৰ টি ঔষধে এইচ আই ভি ভাইৰাছক শৰীৰত বিস্তাৰ লাভ কৰাত বাধা কৰে। ঔষধ নিয়মীয়াকৈ প্ৰায় ছয়-সাত মাহ খালে এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ ভাইৰেল লোড হ্ৰাস পায় আৰু সেই সময়ত সেই সংক্ৰমিত ব্যক্তিৰ এইচ আই ভিৰ পৰীক্ষা কৰিলেও এইচ আই ভি ভাইৰাছৰ উপস্থিতি শৰীৰত ধৰা নপৰে, কিয়নো ভাইৰাছৰ সংখ্যা তেনেই নগণ্য হয়। এই পৰ্যায়টোক টাৰ্গেট নট ডিটেক্টেড (TND Level) পোৱা বুলি কোৱা হয়। এই পৰ্যায় লাভ কৰা ব্যক্তিৰ পৰা আনলৈ এইচ আই ভি সংক্ৰমণ হোৱাৰ সম্ভাৱনা নাথাকে। এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ C D 4 Cell উৰ্ধগামী হোৱাৰ লগে লগে সুস্বাস্থ্য লাভ কৰে আৰু সংযমী জীৱন-যাপনৰ জৰিয়তে আজীৱন সুস্থ হৈ থাকিব পাৰে। এইচ আই ভি সংক্ৰমিত ব্যক্তিয়ে সুস্থতা অটুট ৰাখিবৰ বাবে নিয়মিত সন্তুলিত পুষ্টিকৰ আহাৰ গ্ৰহণ কৰাৰ লগতে যোগব্যায়াম, প্ৰাণায়াম আদিও কৰিব পাৰিলে ভাল। যোগাযোগ চিন্তাধাৰাই সুস্থতা ঘূৰাই অনাত যথেষ্ট সহায়ক হয়। এইচ আই ভিৰ বিনামূলীয়া ৰক্ত পৰীক্ষা প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত, অসামৰিক চিকিৎসালয়ত, সামূহিক স্বাস্থ্য কেন্দ্ৰত থকা আই, চি টি চি কৰা লগতে ৩৩ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত থকা এফ আই চি টি চিত কৰা হয়। এইচ আই ভি ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হ'ব পৰা কাম-কাজৰ লগত জড়িত ব্যক্তিসকলে প্ৰতি ৬ মাহৰ মূৰে মূৰে ৰক্ত পৰীক্ষা কৰাটো অতি প্ৰয়োজন। যক্ষ্মা ৰোগৰ প্ৰাৰম্ভিক লক্ষণসমূহ হৈছে- দুই সপ্তাহতকৈ অধিক কাহ, ধংখুলি ধংখুলি জ্বৰ, ৰাতি ঘাম ঘকা, ওজন কমি যোৱা আৰু ভোক নলগা আদি আৰু এই লক্ষণসমূহ দেখা দিলে যক্ষ্মাৰোগৰ পৰীক্ষা কৰাব লাগে। শিবিৰত ৩১জন কাৰাবন্দী লোকে স্বইচ্ছাৰে এইচ আই ভিৰ বাবে তেজৰ নমুনা পৰীক্ষা কৰায় নিজৰ স্থিতি HIV মুক্ত বুলি গম পায়।

পাওঁতে জনাইছে যে, সোণাৰি জে'লৰ অধীক্ষক ধ্ৰুৱজ্যোতি বৰুৱা, জে'লৰ চিকিৎসক পল্লৱ গগৈ, গোলাঘাট জিলাৰ ইয়াৰ্জৰ প্ৰকল্প পৰিচালক মধুস্মিতা বৰুৱা, ভাগ্যলক্ষ্মীৰ অধীনত ৰূপায়িত এইচ আই ভি নিয়ন্ত্ৰণ প্ৰকল্প লাইফ লাইনৰ কাউন্সিলৰ জাহ্নৱী আহমেদ, অ' আৰ ডব্লিউ লক্ষ্যজিৎ বৰপাত্ৰগোহাঁই, গৌৰীশংকৰ ফুকনে সজাগতা সভাত অংশ গ্ৰহণ কৰে। এইচ আই ভি-এইড্‌ছ সজাগতা সভাত অসম ৰাজ্যিক এইড্‌ছ নিয়ন্ত্ৰণ সমিতিৰ সমল ব্যক্তি হিচাপে উপস্থিত থাকি বক্তব্য



## ননৈ মহাবিদ্যালয়ৰ বাৰ্ষিক পত্ৰিকা 'আলোকপৰ্ণা' উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** নগাঁৱৰ ননৈ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত কালি ২০১৮-১৯ আৰু ২০১৯-২০ বৰ্ষৰ দ্বাদশ-ত্ৰয়োদশ সংখ্যাৰ মহাবিদ্যালয়খনৰ মুখপত্ৰ 'আলোকপৰ্ণা' উন্মোচন কৰা হয়। উন্মোচন কৰে অসম সাহিত্য সভাৰ হিতৈষী সভা তথা নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন পত্ৰিকা সম্পাদক ঘনকান্ত বৰাই। ভাষণ প্ৰসংগত বৰাই ছাত্ৰ-ছাত্ৰীসকলক নিচাজাতীয় দ্ৰব্য সেৱন, মোবাইলৰ পৰা বিৰত থাকি পাঠ্যপুথিৰ লগতে গ্ৰন্থ, আলোচনী, বাতৰি কাকত নিয়মীয়াকৈ পঢ়িবলৈ আহ্বান জনায়। বৰ্তমান সময়ত নৱ-প্ৰজন্মক বিপথে পৰিচালিত কৰা নিচা আৰু মোবাইলৰ প্ৰভাৱে উঠি অহা প্ৰজন্মৰ চিন্তা-চেতনা আৰু সৃষ্টিশীল মনক ধাবাৰ প্ৰাটিকৰণৰ দিয়া পৰিলক্ষিত হৈছে, গতিকে এইক্ষেত্ৰত শিক্ষক, অভিভাৱক, সচেতন ব্যক্তি আৰু ছাত্ৰসকলেও বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব। মহাবিদ্যালয়ৰ মুখপত্ৰ 'আলোকপৰ্ণা' উন্মোচন কৰি বৰাই কয়, ভাষা-সাহিত্য চৰ্চাৰ কঠীয়াতলিস্বৰূপ বিদ্যালয়ৰ মুখপত্ৰই শিক্ষাৰ্থীসকলৰ মাজত যোগাযোগ প্ৰভাৱ পেলাব, সেয়ে মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক আৰু শিক্ষাৰ্থীসকলৰ প্ৰচেষ্টাত ধাৰাবাহিকভাৱে মুখপত্ৰখন প্ৰকাশ কৰি অহা কাৰ্যক ভূয়সী প্ৰশংসা কৰে। ৰাঙলু শাখা সাহিত্য সভাৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক নজিবুৰ ৰহমানে মহাবিদ্যালয়খনৰ মুখপত্ৰখনৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য চৰ্চাৰ ক্ষেত্ৰত বিশেষ উদগনি যোগাব বুলি আশা প্ৰকাশ কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ বীতা শৰ্মাই সভাপতিত্ব কৰা উন্মোচনী অনুষ্ঠানৰ আঁত ধৰে সমন্বয়ক ৰাতুল শইকীয়াই। 'আলোকপৰ্ণা'ৰ তত্ত্বাৱধায়ক তৰালি দেৱী আৰু আব্দুল ছালামে ক'ভিড পৰিস্থিতিৰ বাবে পত্ৰিকাখন কিছু পলমকৈ প্ৰকাশ হোৱাৰ কথা উল্লেখ কৰে আৰু মহাবিদ্যালয়খনৰ অধ্যাপক, কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলৰ প্ৰচেষ্টাৰ 'আলোকপৰ্ণা' উন্মোচন কৰিবলৈ সক্ষম হোৱাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। সহকাৰী অধ্যাপক ড° বসন্ত বৰাই মহাবিদ্যালয়খনলৈ শতাধিক গ্ৰন্থ দীননাথ বৰা গ্ৰন্থাগাৰলৈ উপহাৰ দিয়াৰ বাবে মহাবিদ্যালয় তৰফৰ পৰা ঘনকান্ত বৰালৈ এখন সম্বৰ্ধনা-পত্ৰ অধ্যক্ষৰ জৰিয়তে অৰ্পণ কৰে। 'আলোকপৰ্ণা'ৰ সম্পাদিকা আঞ্জুমা খাতুনে উন্মোচক এখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। সভাত মহাবিদ্যালয়ৰ শতাধিক শিক্ষাৰ্থীৰ লগতে উপস্থিত থাকে সহকাৰী অধ্যাপকসকলৰ হৈ চুনতানা চৰিয়া বেগম, যুতিকা বৰা, কবিতা দেৱী কুৰ্মী, মেৰী বাণী দেৱী, জ্যোতিশিখা শৰ্মা, ড° দিগন্ত বৰা, ৰুণু দেৱী, বনজ্যোতি গায়ন, ইৰফানুল ইছলাম, বিভা দেৱনাথ, ভনিতা শইকীয়া, ফাৰুক শ্বেয়াৰ্ড আৰু কৰ্মচাৰীসকলো উপস্থিত থাকে।

## কুমাৰীকাটাত ৮৩সংখ্যক দুৰ্গা পূজাৰ ব্যাপক প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** তামুলপুৰ জিলাৰ কুমাৰীকাটাত পূৰ্ণোদ্যমে চলিছে ৮৩সংখ্যক কুমাৰীকাটা বাৰোৱাৰী শ্ৰীশ্ৰীদুৰ্গা পূজাৰ ব্যাপক প্ৰস্তুতি। বাৰোৱাৰী দুৰ্গা পূজা পৰিচালনা সমিতিয়ে জনোৱা মতে ১ অক্টোবৰৰ পুৱা ৮ বজাত ধৰ্মধ্বজা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰিব দুৰ্গা পূজা পৰিচালনা সমিতিৰ সভাপতি শৈলেন বসুমতাৰীয়ে। ইয়াৰ পিছত অনুষ্ঠিত হ'ব স্মৃতি তৰ্পণ, মুখ্যদ্বাৰ উন্মোচন আৰু ৯ বজাত জলযাত্ৰা অনুষ্ঠান। জলযাত্ৰা কাৰ্যসূচী মুকলি কৰিব দৰঙ্গাজুলি পৰিষদীয় সমষ্টিৰ এমচিএলএ বিজিৎ গৌৰা নাৰ্জাৰীয়ে। সন্ধিয়া ৬ বজাত দুৰ্গা দেৱীৰ বোধন আমন্ত্ৰণ অধিবাস। ৬.৩০ বজাত মন্দিৰৰ মুখ্য দ্বাৰ উন্মোচন কৰিব কুমাৰীকাটা বাৰোৱাৰী দুৰ্গা মন্দিৰ সমিতিৰ সভাপতি দেৱৰাজ দাসে। ৭ বজাত বন্তি প্ৰজ্বলন কৰিব উত্তৰ-পূৰ্বাঞ্চল পতঞ্জলি যোগপীঠ ন্যাসৰ সভাপতি পূজনীয় সাধী স্বৰূপাজী, বাৰোৱাৰী দুৰ্গা মন্দিৰ সমিতিৰ প্ৰাক্তন সভাপতি খেত বাহাদুৰ ছেত্ৰী, ডাঃ অৰিন্দম কলিতা, সমাজকৰ্মী বীৰেন দাস, সমাজকৰ্মী চিনাকান্ত বসুমতাৰী প্ৰমুখ্যে অঞ্চলটোৰ বিশিষ্ট ব্যক্তিসকলে। ২ অক্টোবৰৰ পুৱা চণ্ডী পাঠ, ৮.৫৮ বজাত শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ নৱ-পত্ৰিকা আৰু সপ্তমী পূজা আৰম্ভ। ইয়াৰ পিছত আয়তীৰ নাম, আৰতি আৰু ৬.৩০ বজাত একক নৃত্য প্ৰতিযোগিতা। একক নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব ডাঃ চেমুৰেল সৰকাৰে। ৩ অক্টোবৰৰ পুৱা চণ্ডী পাঠ, অষ্টমী পূজা, আয়তীৰ নাম, সন্ধি পূজা আৰু বিয়লি ৩ বজাত নৱজ্যোতি কোচ ৰাজবংশী কৃষ্টি দলৰ কৃষ্টি প্ৰদৰ্শন। সন্ধিয়া ৭.৩০ বজাত কুমাৰীকাটা উত্তৰণ নাট্য গোষ্ঠীৰ দ্বাৰা 'সূৰ্যস্নান' নাট প্ৰদৰ্শন। উদ্বোধন কৰিব দৰঙ্গাজুলি সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ ফণীন্দ্ৰ নাৰ্জাৰীয়ে। ৪ অক্টোবৰৰ পুৱা চণ্ডী পাঠ, শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ মহানৱমী কল্পাৰম্ভ আৰু মহানৱমী বিহিত পূজা। ১০ বজাত মহিলা কীৰ্তন দলৰ কীৰ্তন পৰিৱেশন। ১২ বজাত হোমযজ্ঞ আৰু বিয়লি ৩ বজাত কুমাৰীকাটা আঞ্চলিক বৰ্মন কছাৰী কৃষ্টি দলৰ কৃষ্টি প্ৰদৰ্শন, ঝুমুৰ নৃত্য প্ৰদৰ্শন। সন্ধিয়া ৭ বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে। অংশগ্ৰহণ কৰিব আমন্ত্ৰিত শিল্পী অংকুৰ সমীৰ আৰু অমৰ নয়নাই। ৫ অক্টোবৰৰ পুৱা ৯.১৫ বজাত শ্ৰীশ্ৰীদুৰ্গা দেৱীৰ দশমী বিহিত পূজা সমাপন আৰু বিসৰ্জন। ১২ বজাত ঘট বিসৰ্জন আৰু ১ বজাৰ পৰা পৰম্পৰাগত চাওতালী দাসাই নৃত্য প্ৰদৰ্শন। বিয়লি ৫.৩০ বজাত প্ৰতিমা বিসৰ্জন।

## নিতাইপুখুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ত আম আদমি পাৰ্টীৰ ছাত্ৰ সংগঠন, ছাত্ৰ-যুৱ সংগ্ৰাম সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা , ডিমৌ, ২৫ ছেপ্টেম্বৰ ঃ** শুকুৰবাৰে নিতাইপুখুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ত আম আদমি পাৰ্টীৰ ছাত্ৰ সংগঠন 'ছাত্ৰ-যুৱ সংগ্ৰাম সমিতি'খন গঠন কৰা হয়। আম আদমি পাৰ্টীৰ থাওৰা সমষ্টিৰ নেতা চন্দনজ্যোতি ফুকনৰ উপস্থিতিত নিতাইপুখুৰীত ৰাজা চাবুকধৰাৰ সভাপতিত্ব অনুষ্ঠিত হোৱা সভাত ছাত্ৰ-যুৱ সংগ্ৰাম সমিতিখনৰ নিতাইপুখুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় গোট গঠন কৰা হয়। উক্ত সভাৰ সৰ্বসন্মতি মৰ্মে হেমন্ত খাৰিয়াক সভাপতি, যদুমণি সন্দিকৈ, প্ৰিয়ংকা সন্দিকৈ, পৰিণীতা গগৈক উপ-সভাপতি, হিৰকজ্যোতি বৰাক সাধাৰণ সম্পাদক, দীপজ্যোতি দিহিঙীয়া, শ্যামল বৰগোহাঁইক সহকাৰী সম্পাদক, দীপাংকৰ গগৈ, ঋষীকেশ ৰাজখনিকৰ, মণ্টু গগৈ, পবিত্ৰ বৰুৱা আৰু স্বৰাজ বৰগোহাঁইক সদস্য হিচাপে লৈ নিতাই হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ-যুৱ সংগ্ৰাম সমিতিৰ গোট গঠন কৰা হয়।

## মহালয়া উপলক্ষে বৃহত্তৰ বেবেজীয়া অঞ্চলত পুৱাই ৰাজপথত অগণন যুৱক-যুৱতী-মহিলাৰ সমাৱেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেবেজীয়া, ২৫ ছেপ্টেম্বৰ ঃ** শৰতৰ আগমনৰ লগে লগে আৰম্ভ হয় দুৰ্গোৎসৱৰ বতৰ। বিশ্ব খনিকৰ বিশ্বকৰ্মা পূজাৰ পৰাই আৰম্ভ হয় এই শাৰদীয় পূজাৰ। দুৰ্গতি নাশিনী মা দুৰ্গা পূজালৈ ইতিমধ্যে প্ৰতিখন পূজা মণ্ডপ সাজু হৈ উঠিছে। সেই উপলক্ষে আজি শুভ মহালয়া। তাহানিৰে পৰা বিশ্বাস কৰি অহা হৈছে যে আজিৰ দিনটোত দেৱী দুৰ্গাই তেওঁৰ সন্তান-লক্ষ্মী, কাৰ্তিক, সৰস্বতী আৰু গণেশৰ সৈতে নাও, হাতী বা ঘোঁৰাত কৈলাসৰ পৰা পৃথিৱীত থকা তেওঁৰ পিতৃগৃহলৈ আহে। অৰ্থাৎ ধৰালৈ নামি আহে। তদুপৰি বিশ্বাস কৰা হয় যে দহ দিনৰ ভিতৰত দেৱী দুৰ্গাই পৃথিৱীৰ পৰা ৰাক্ষসৰ লগতে অপায়-অমংগল সকলো আঁতৰাই তেওঁৰ ভক্তসকলক আশীৰ্বাদ দিয়ে। মহালয়াৰ সপ্তম দিনা দুৰ্গা পূজা আৰম্ভ হয় আৰু দশম দিনা সমাপ্ত হয়। মহালয়াৰ আৰম্ভণিৰ সময়ত ভক্তসকলে পুৱাই শোৱাপাটীৰ পৰা উঠি গা-পা ধুই দেৱী দুৰ্গাক উপাসনা কৰে। মহালয়া উপলক্ষে আজি পুৱতি নিশাৰে পৰা নগাঁও জিলাৰ বিভিন্ন প্ৰান্তৰ লগতে বৃহত্তৰ বেবেজীয়া অঞ্চলত যুৱক-যুৱতী, মহিলা-বোৱাৰী সকলোকে ৰাজপথত প্ৰাতঃ ভ্ৰমণ কৰা দেখিবলৈ পোৱা যায়। ইয়াৰ সমান্তৰালভাৱে নগাঁও চহৰৰ বিভিন্ন ৰাজপথত সহস্ৰাধিক যুৱক-যুৱতী, মহিলা, কণ কণ শিশুসকলক প্ৰাতঃ ভ্ৰমণ কৰা দেখিবলৈ পোৱা যায়। প্ৰাতঃ ভ্ৰমণৰ অন্তত নগাঁৱৰ বিভিন্ন নদীৰ ঘাটত অনুষ্ঠিত হ'ব তৰ্পণ কাৰ্যসূচী। উল্লেখ্য যে নগাঁৱৰ বেবেজীয়াকে আদি কৰি বিভিন্ন প্ৰান্তৰ কেইবাখনো পূজা মণ্ডপত মহালয়া উপলক্ষে চণ্ডী পাঠো সম্পন্ন হয়।

### খাৰুপেটীয়াত সাংবাদিকসকলৰ বৈঠক 'পূব দৰং প্ৰেছ ক্লাব গঠন'

## সাংবাদিকসকলৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য পালনত ব্ৰতী হোৱাৰ আহ্বান জ্যেষ্ঠ সাংবাদিকৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ২৫ ছেপ্টেম্বৰ ঃ** দৰঙৰ খাৰুপেটীয়া পৰিদৰ্শন বঙলাত আজি পূব দৰং সাংবাদিকসকলৰ এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভা অনুষ্ঠিত হৈ যায়। দলগাঁৱৰ প্ৰাগ নিউজৰ জ্যেষ্ঠ সাংবাদিক আব্দুল আজিজৰ সভাপতিত্বত অনুষ্ঠিত সভাত বেচিমাৰী, দলগাঁও, ধূলা, খাৰুপেটীয়াৰ জ্যেষ্ঠ-কনিষ্ঠ সাংবাদিকসকল উপস্থিত থাকে । সভাত চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিকৰ লগতে বৰ্তমান ডিজিটেল সেৱাৰ সময়ত পৰ্টেল সাংবাদিককে আদি কৰি সকলো সাংবাদিকে নিজৰ নিজৰ ষ্টেচনত বা বাতৰি পৰিৱেশন কৰাৰ ক্ষেত্ৰত পালন কৰিবলগীয়া দায়িত্ব-কৰ্তব্য আদিৰ ওপৰত ডি ৱাই-৩৬৫ৰ খাৰুপেটীয়াৰ জ্যেষ্ঠ সাংবাদিক শ্ৰৱণ কুমাৰ ঝা, জ্যেষ্ঠ সাংবাদিক আব্দুল হাকিম প্ৰমুখ্যে কেইবাজনো কনিষ্ঠ সাংবাদিকেও গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। লগতে সাংবাদিকসকলে প্ৰায়েই নিগ্ৰহ হৈ থকা ঘটনাৰ উদ্বেগ প্ৰকাশ কৰি সাংবাদিকসকলে বক্তব্য প্ৰদান কৰে। সভাত সাংবাদিকসকলৰ প্ৰাপ্য অধিকাৰ আদায় কৰিবলৈ আৰু বিভিন্ন সময়ত লাঞ্চিত হোৱা কাৰ্য ৰোধ কৰা তথা সাংবাদিকসকলৰ হকে মাত মাতিবলৈ সভাত জ্যেষ্ঠ সাংবাদিক আব্দুল আজিজক সভাপতি, শ্ৰৱণ কুমাৰ ঝাক উপ-সভাপতি, আছাম টক্‌ছৰ জ্যেষ্ঠ সাংবাদিক ইমদাদুল ইছলামক সম্পাদক, আব্দুল হাকিমক সহঃ সম্পাদক হিচাপে লৈ সৰ্বসন্মতিক্ৰমে পূব দৰং প্ৰেছ ক্লাব গঠন কৰা হয়। সভাত সমাজ তথা দেশৰ হকে কাম কৰিবলৈ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। উল্লেখ্য যে পৰৱৰ্তী সভাত প্ৰেছ ক্লাবৰ সমিতিত কেইবাটাও শাখাৰ দায়িত্ব কনিষ্ঠ সাংবাদিকসকলৰ ওপৰত অৰ্পণ কৰা হ'ব। সভাত দৰঙৰ জ্যেষ্ঠ সাংবাদিক মেছেৰ আলী, আতোৱাৰ ৰহমান, সমাজ সেৱক মাখন সাহা, খাৰুপেটীয়া পৌৰ সভাৰ ৱাৰ্ড কমিছনাৰ জয় নন্দী প্ৰমুখ্যে কেইবাজনো ব্যক্তি উপস্থিতিত থাকি সকলোকে অনুপ্ৰাণিত আৰু উৎসাহিত কৰে।

## ডিমৌ পৌৰ সভাৰ পঞ্চদশ বিত্তীয় আয়োগৰ ৩৮ লাখটকীয়া ভৱন উদ্বোধন বিধায়ক সুশান্ত বৰগোহাঁইৰ ডিমৌ পৌৰ সভা কম দিনৰ ভিতৰত বোকামুক্ত কৰাৰ পৰিকল্পনা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৫ ছেপ্টেম্বৰ ঃ** পঞ্চদশ বিত্তীয় আয়োগৰ অনুদানেৰে নতুনকৈ নিৰ্মাণ কৰা ৩৮ লাখটকীয়া ডিমৌ পৌৰ সভাৰ এটি আৰ চি চি ভৱন আজি বন্তি প্ৰজ্বলন আৰু ফিতা কাটি শুভ উদ্বোধন কৰে ১০৭নং থাওৰা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁয়ে। ভৱন উদ্বোধনী অনুষ্ঠানত ডিমৌ পৌৰ সভাৰ নতুনকৈ কাৰ্যবাহী বিষয়াৰ দায়িত্ব লাভ কৰা ডিমৌ ৰাজহ চক্ৰৰ সংলগ্ন চক্ৰ বিষয়া মেৰী ভি ৰালচুন, ডিমৌ পৌৰ সভাৰ পৌৰনেত্ৰী পল্লৱিতা গগৈ, ডিমৌ পৌৰ সভাৰ কনিষ্ঠ অভিযন্তা গৌতম কলিতা, উপ-পৌৰপতি অজিত বৰগোহাঁই, বিজেপি ডিমৌ মণ্ডলৰ সভাপতি নিপেন ফুকনৰ লগতে ডিমৌৰ ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। নতুন ভৱন উদ্বোধন কৰি বিধায়ক সুশান্ত বৰগোহাঁয়ে কয় যে, আগন্তুক দিনত ডিমৌ পৌৰ সভাত কৰিবলগীয়া বহুকেইখন গুৰুত্বপূৰ্ণ আঁচনি হাতত লোৱা কথা ব্যক্ত কৰে। তদুপৰি ডিমৌ পৌৰ সভা এলেকাৰ জাবৰ-জোঁথৰ নিষ্কাশন, নলা-নৰ্দমা নিৰ্মাণ কৰি এখন বোকামুক্ত পৌৰ সভা পৌৰ এলেকা ৰাইজক দিয়াৰ পৰিকল্পনা হাতত লোৱাৰ লগতে পৌৰ এলেকাৰ কেঁচা পথসমূহ নিৰ্মাণ কৰাৰ কথা ব্যক্ত কৰে বিধায়কগৰাকীয়ে।

## অসম পুলিচৰ কমাণ্ডোত বেটেলিয়নত নৱ-নিযুক্ত চাৰি যুৱকক সম্বৰ্ধনা মেদক গাঁওবাসীৰ

### আনন্দ-উল্লাসৰ মাজেৰে চাৰি যুৱকক লৈ শোভাযাত্ৰা ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২৫ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ মহুৰামুখ অঞ্চলৰ মেদক গাঁৱত অসম পুলিচৰ কমাণ্ডো বেটেলিয়ন পদত নৱ-নিযুক্ত চাৰিগৰাকী যুৱকক সম্বৰ্ধনা জনোৱা হয়। মিছিমিআটী মেদক গাঁও, আলমি ৰাগদিয়া গাঁওৰক্ষী বাহিনীৰ যৌথ উদ্যোগত আৰু মেদক গাঁওবাসী আৰু মেদক ৰৃংগং কেবাং গোলাঘাট বাংকেৰ সহযোগত আয়োজিত আজিৰ সম্বৰ্ধনা অনুষ্ঠানত সভাপতিত্ব কৰে সমাজ সেৱক দিলীপ কোঁৱৰে আৰু উদ্দেশ্য ব্যাখ্যা কৰে আলমি ৰাগদিয়া গাঁওৰক্ষী বাহিনীৰ সম্পাদক যোগেন হাজৰিকাই। মিছিমিআটী মেদক গাঁও গাঁওৰক্ষী বাহিনীৰ সম্পাদক মালিৰাম লইঙে আঁত ধৰা অনুষ্ঠানত শিক্ষক প্ৰেমধৰ ভূএগ্ৰা, সমাজকৰ্মী দেৱৰাম মেদকে মেধাৰ ভিত্তিত চৰকাৰে দিয়া চাকৰিৰ সম্পৰ্কত যুৱ-প্ৰজন্মৰ আগত বক্তব্য দাঙি ধৰি অতি দুখীয়া হোৱাৰ পিছতো একাগ্ৰতা আৰু শ্ৰমৰ জৰিয়তে ইপ্সিত লক্ষ্যত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত এই চাৰিগৰাকী যুৱকক আদৰ্শ হিচাপে গ্ৰহণ কৰিবলৈ উৎসাহ দি ভাষণ প্ৰদান কৰে। ন-শিকাৰু চান ভট্টাচাৰ্য আৰু তেওঁৰ সংগীসকলে পৰিৱেশন কৰা ঢোলবাদনেৰে আৰম্ভ হোৱা অনুষ্ঠানত কেইবাটাও সংগঠন, ৰাইজ আৰু অপৃন কেবাঙে সম্বৰ্ধনা জনোৱাৰ উপৰি যুৱককেইজনক লগত লৈ গাঁওখনত শোভাযাত্ৰা কৰে। মেদক গাঁও মুৰং ঘৰত আয়োজিত আজিৰ



অনুষ্ঠানত মেদক অপৃন কেবাঙৰ কেন্দ্ৰীয় উপ-সভাপতি বিশ্বজিত মেদক, গোলাঘাট ৰৃকং কেবাঙৰ আহ্বায়ক ৰিতুল মেদক, মিছিং ছাত্ৰ সংগঠন চমুকৈ টি এম পি কেৰ নেতা অনিল মেদক, আলমি ৰাগদিয়া গাঁওৰক্ষী বাহিনীৰ সভাপতি ভৰেন শইকীয়া, সাংবাদ কৰ্মী বলোৰাম কামানকে ধৰি বহু কেইগৰাকী লোক উপস্থিত থাকি নৱ-নিযুক্তিপ্ৰাপ্ত নয়নজ্যোতি মেদক, জিতেন মেদক, পদ্ম পাতিৰ আৰু সুৰেন লইঙক আশিস দিয়ে।

## গুৱাহাটীত সদৌ অসম লেখিকা সমাৰোহৰ নতুন শাখা 'সন্মিলিত গুৱাহাটী লেখিকা সমাৰোহ সমিতি' গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ ছেপ্টেম্বৰ ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ অন্তৰ্গত 'সন্মিলিত লেখিকা সমাৰোহ সমিতি' নামেৰে গুৱাহাটীত গুগল মিটৰ জৰিয়তে অলপতে এটি শাখা মুকলি কৰা হয়। অনলাইন মাধ্যমেৰে হোৱা অনুষ্ঠানটিত সঃ অঃ লেঃ সঃ সমিতিৰ তথা কেন্দ্ৰীয় কমিটীৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথ, কাৰ্যকৰী সভানেত্ৰী সুৰ্বণ শইকীয়া বৰদলৈৰ লগতে শাখাটোৰ মুখ্য সংগঠক মৃদুস্মিতা শৰ্মা উপস্থিত থাকে। ড° লখিমী গগৈয়ে পৰিচালনা কৰা অনুষ্ঠানৰ আৰম্ভণিতে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী প্ৰয়াত ড° শীলা বৰঠাকুৰৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তিপ্ৰজ্বলন কৰে নিৰ্মিতা বৰগোহাঁয়ে। গুৰুজনাৰ এটি প্ৰাৰ্থনাৰে সভা আৰম্ভ কৰা হয়। ছৈয়দা আঞ্জুম আৰা হুছেইনে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। সভাত কেন্দ্ৰীয় সমিতিৰ সভানেত্ৰী ড° চাৰু চহৰীয়া নাথ আৰু কাৰ্যকৰী সভানেত্ৰী সুৰ্বণ শইকীয়া বৰদলৈয়ে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উদ্দেশ্য আৰু কাৰ্যক্ৰমণিকাৰ বিষয়ে চমুকৈ কয়। সন্মিলিত গুৱাহাটী লেখিকা সমাৰোহ সমিতিৰ মুখ্য সংগঠক তথা কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মৃদুস্মিতা শৰ্মাৰ সৈতে আলোচনা কৰি সমিতিখন চলাই নিবৰ বাবে এখন কমিটী গঠন কৰা হয়। আগন্তুক কাৰ্যকালৰ বাবে ছৈয়দা আঞ্জুম আৰা হুছেইনক সভানেত্ৰী, ড° লখিমী গগৈ, ইন্দু বৰুৱাক কাৰ্যকৰী সভানেত্ৰী, নিৰ্মিতা বৰগোহাঁইক সম্পাদিকা হিচাপে লৈ নতুন সমিতি গঠন কৰা হয়। এই সমিতিত উপদেষ্টা হিচাপে থাকিব কেন্দ্ৰীয় সমিতিৰ ড° চাৰু চহৰীয়া নাথ, সুৰ্বণ শইকীয়া বৰদলৈ, দৰ্পণা বৰা নেওগ, মৃদুস্মিতা শৰ্মা, শাখাটিৰ উপদেষ্টা হিচাপে থাকে মিনতি বৰুৱা, ৰঞ্জুশ্ৰী বৰ্মন। উক্ত সমিতিখনত অলকা মহন্ত বৰুৱাক পত্ৰিকা সম্পাদিকা, মধুস্মিতা বৰাক সাংস্কৃতিক সম্পাদিকা আৰু ৰিংকু দেৱী বৰ্মনক প্ৰচাৰ সম্পাদিকাৰ পদ দিয়া হয়। জাতীয় সংগীতেৰে অনলাইন অনুষ্ঠানটি সামৰণি মৰা হয়।

## শুৱালকুছি মহাবিদ্যালয়ত অনুষ্ঠিত যুৱ মহোৎসৱৰ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২৫ ছেপ্টেম্বৰ ঃ** অসমত বৰ্তমান শিক্ষা আৰু সাংস্কৃতিক বিপ্লৱৰ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়ত অধ্যয়ন কৰাৰ সময়তে শিক্ষাৰ গভীৰতাত প্ৰৱেশ কৰিব লাগিব। এই সময়টো প্ৰতিভা বিকাশৰ বাবে উপযুক্ত সময়। এই মন্তব্য গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° হেমন্ত কুমাৰ নাথৰ। শুৱালকুছি মহাবিদ্যালয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উদ্যোগত অনুষ্ঠিত মাণ্ডলিক যুৱ মহোৎসৱৰ সামৰণী অনুষ্ঠানত উপস্থিত থাকি পঞ্জীয়কগৰাকীয়ে পুনৰ কয় যে, ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিভা বিকাশৰ এই সময়ছোৱা কেতিয়াও বেয়াৰ ফালে নিব নালাগে। এই সময়ত নিজকে ভাল চিন্তাত বা ভাল কামত আবদ্ধ কৰি ৰাখিব পাৰিলে তাৰ পৰৱৰ্তী সময়ত নিজকে উপযুক্তভাৱে গঢ় দিব পৰাটো সম্ভৱ হৈ উঠে। সভাত উপস্থিত থাকি শুৱালকুছি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপেশ চন্দ্ৰ ভাগৱতীয়ে ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক জীৱন আগবঢ়াই নিয়াৰ ক্ষেত্ৰত কেতিয়াও আপোচ কৰিব নালাগে বুলি উল্লেখ কৰি কয় যে সংগীত, নাটক, নৃত্য, সাহিত্য আদিৰ লগতে নিজৰ শিক্ষাৰ দিশটো সঠিকভাৱে আগবঢ়াই নিব লাগিব বুলি উল্লেখ কৰি এক গাম্ভীৰ্যপূৰ্ণ বক্তব্য দাঙি ধৰে। উপাধ্যক্ষ ড° বন্তি বৰাই সামৰণী অনুষ্ঠানত অংশ লৈ যুৱ মহোৎসৱৰ তিনিটা দিন সংগীত, নৃত্য, নাটক আদিৰে জীপাল হৈ মহাবিদ্যালয়খনত এক অনন্য পৰিৱেশৰ সৃষ্টি হৈছিল। বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা ছাত্ৰ-ছাত্ৰীসকলে হিয়া উজাৰি নিজৰ নিজৰ প্ৰতিভা বিকাশৰ বাবে চেষ্টা চলাইছিল। তেওঁ প্ৰতিযোগিতাত পুৰস্কাৰ পোৱাসকলক অভিনন্দন জনায় আৰু নোপোৱাসকলকো ধন্যবাদ জ্ঞাপন কৰে। অধ্যাপক কুসুম্বৰ বৈশ্যই আঁত ধৰা অনুষ্ঠানত শিক্ষক গোটৰ সভাপতি ড° যোগেশ ডেকা, সাংস্কৃতিক কৰ্মী তথা মুখ্য বিচাৰক গৌতম কুমাৰ শৰ্মা প্ৰমুখ্যে কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

## দৰং জিলাৰ দেওমৰনৈত দেওমৰনৈ শাখা কবি সমাজ গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৫ ছেপ্টেম্বৰ ঃ** দৰং জিলাৰ দেওমৰনৈ সাহিত্য সভা ভৱনত অসমৰ কবি সমাজৰ দৰং জিলা কবি সমাজৰ অন্যতম শাখাৰূপে দেওমৰনৈ শাখা কবি সমাজ গঠন কৰা হয়। দৰং জিলা কবি সমাজৰ সহকাৰী সম্পাদক অপূৰ্ব শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত সমাজ সংগঠক নৱজিৎ শৰ্মাই সভাপতিত্ব কৰে। সভাত উপস্থিতি থাকি অসমীয়া প্ৰতিদিন কাকতৰ সংবাদকৰ্মী দিব্যজ্যোতি শৰ্মা, দৰং জিলা কবি সমাজৰ সম্পাদক তথা কবি জয়ন্ত ৰাজবংশী, দেওমৰনৈ সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সৰ্বানন্দ শৰ্মাই ভাষণ আগবঢ়াই ইয়াৰ উপৰি সভাত দেওমৰনৈ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি চিণ্টু নাথ আৰু সমাজসেৱক দীপক কলিতা উপস্থিত থাকে। সভাৰ সিদ্ধান্ত অনুসৰি কবি তথা চিকিৎসক কমলাকান্ত শৰ্মা আৰু অৱসৰী শিক্ষক সৰ্বানন্দ শৰ্মাক উপদেষ্টা, সাহিত্য সেৱক নৱজিৎ শৰ্মাক সভাপতি, সংবাদ কৰ্মী দিব্যজ্যোতি শৰ্মা, দেওমৰনৈ স্নাতক মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা অনিতা দেৱী আৰু পল্লৱ বৰুৱাক উপ-সভাপতি, যুৱ লেখক অপূৰ্ব শৰ্মাক সম্পাদক, যুৱ কবি শিৱাণী শৰ্মা বশিষ্ঠ (দেৱজিৎ শৰ্মা), কৌস্তভ কলিতা, তন্ময় বণিয়াক সহকাৰী সম্পাদক, বনজিৎ ডেকা, চিণ্টু নাথ, মৃগাংক চলিহা, জিণ্টু বণিয়াক সাংগঠনিক সম্পাদক, পলাশ শৰ্মাক প্ৰচাৰ সম্পাদক হিচাপে লৈ এখন দুবছৰীয়া কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। সভাত কংকী বৰুৱা আৰু সাগৰিকা নাথে গীত পৰিৱেশন কৰাৰ লগতে শিৱাণী শৰ্মা বশিষ্ঠই কবি পাঠ কৰে।

## ডিমৌ পৌৰ সভাৰ কাৰ্যবাহী বিষয়া দীপাৱলী কুৰ্মীৰ বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৫ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ সহকাৰী আয়ুক্ত দীপাৱলী কুৰ্মী ২০ ডিচেম্বৰ ২০২১ তাৰিখে ডিমৌ পৌৰ সভাৰ কাৰ্যবাহী বিষয়া হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি ২৩ ছেপ্টেম্বৰত ডিমৌৰ পৰা বদলি হয়। এইগৰাকী কাৰ্যবাহী বিষয়াই ডিমৌ পৌৰ সভা এলেকাৰ বিভিন্ন উন্নয়নমূলক কাম-কাজত জড়িত হৈ পৰিছিল আৰু এইগৰাকী বিষয়াৰ দিনতে এখন পূৰ্ণাংগ পৌৰ সভা ডিমৌবাসীয়ে লাভ কৰে। আজি এই উপলক্ষে ডিমৌ পৌৰ সভাৰ কাৰ্যালয়ত কনিষ্ঠ অভিযন্তা গৌতম কলিতাই আঁত ধৰা পৌৰপতি পল্লৱিতা গগৈৰ সভাপতিত্ব অনুষ্ঠিত হোৱা এক সভাৰ জৰিয়তে এইগৰাকী কাৰ্যবাহী বিষয়া দীপাৱলী কুৰ্মীক আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনায় পৌৰ সভাৰ ৱাৰ্ড কমিছনাৰ আৰু কৰ্মচাৰীসকলে। পূৰ্বৰ কাৰ্যবাহী বিষয়া দীপাৱলী কুৰ্মী বিদায় সভাত নৱ-নিযুক্ত কাৰ্যবাহী বিষয়া তথা ডিমৌ ৰাজহ চক্ৰৰ সংলগ্ন চক্ৰ বিষয়া মেৰী ভি ৰালচুন উপস্থিত থাকি আনুষ্ঠানিক দায়িত্বভাৰ গ্ৰহণ কৰে। বিদায়ী কাৰ্যবাহী বিষয়া দীপাৱলী কুৰ্মীক পৌৰ সভাৰ তৰফৰ পৰা ফুলাম গামোচা আৰু সম্বৰ্ধনা-পত্ৰ, শৰাই আদিৰে বিদায় সম্বৰ্ধনা জনায়।

# হাজোৰ কুলহাটীত এঘাৰদিনীয়া শতবাৰ্ষিকী দুৰ্গোৎসৱৰ শুভাৰম্ভ

## বিশাল বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাৰে মুখৰ সমগ্ৰ কুলহাটী, মহালয়া শীৰ্ষক আলোচনা-চক্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৫ ছেপ্টেম্বৰ ঃ** কঁহুৱাৰ কোঁহে কোঁহে শৰৎ আহে। শৰৎ আহে নিয়ৰত ভিজা শেৱালিৰ কোমল পাপৰিত। শৰৎ যেন পূজা পৰ্বৰ বতৰ, আনন্দ উৎসৱৰ বতৰ। এনে এক শুভক্ষণতে দুৰ্গতিনাশিনী শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাক আৰাধনা কৰিবলৈ তীৰ্থনগৰী হাজোৰ কুলহাটীৰ ৰাইজে উদ্‌যাপন কৰি অহা সাৰ্বজনীন দুৰ্গা পূজাই এইবেলি শতবৰ্ষ গৰকিছে। সেয়ে কুলহাটী ৰাইজৰ এই শতবাৰ্ষিকী দুৰ্গোৎসৱ আজিৰে পৰা ৫ অক্টোবৰলৈ বিস্তৃত কাৰ্যসূচীৰে এঘাৰদিনীয়াকৈ শুভাৰম্ভ হৈছে। তদুপলক্ষে আজি ৰাতিপুৱা প্ৰায় দহ বজাত কুলহাটী দুৰ্গা মন্দিৰ চৌহদৰ পৰা উলিয়াই এক বিশাল বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা। কুলহাটী অঞ্চলৰ বত্ৰিশটাকৈ চুবুৰিৰ প্ৰায় তিনি সহস্ৰাধিক পুৰুষ-মহিলা, ডেকা-গাভৰুৰ পৰা বয়োবৃদ্ধই অংশ গ্ৰহণ কৰা এই বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা শুভ উদ্বোধন কৰে হাজোৰ বিধায়িকা সুমন হৰিপ্ৰিয়াই। এই বিশাল বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত কুলহাটী অঞ্চলৰ ক্ৰমে মাজৰটোলা চুবুৰিয়ে শ্ৰীশ্ৰীবাসুদেৱ ৰথ যাত্ৰা, শৰণীয়া চুবুৰিয়ে আয়তীৰ নাম প্ৰসংগ, বৰবিল চুবুৰিয়ে কৃষিকাৰ্যৰ দৃশ্যাৱলী, ২নং গোসাঁইঘৰ চুবুৰিয়ে জেং বিহুৰ দল, ১নং মিলনপুৰ চুবুৰিয়ে পৰম্পৰাগত নাওখেলৰ দৃশ্য-জপাথোৰা পৰিৱেশন, গনাক-পূজামণ্ডপ-ৰতনপুৰ চুবুৰিয়ে বিয়াৰ পানীটোলা, ৩নং হিডালগুৰি চুবুৰিয়ে আয়তীৰ নাম প্ৰসংগ, কোনাদিয়া চুবুৰিয়ে কৃষি আৰু ফুলখেতিৰ প্ৰদৰ্শন, ভাটীপাৰা চুবুৰিয়ে ফাকুৱা উৎসৱৰ প্ৰদৰ্শন, পুৰাণপাৰা চুবুৰিয়ে কাতি বিহুৰ চাকি জ্বলোৱা-আয়তীৰ নাম প্ৰসংগ, আঁহতগুৰি চুবুৰিয়ে মাঘ বিহু-কাতি বিহু-ব'হাগ বিহুৰ দৃশ্য প্ৰদৰ্শন, ১নং গোসাঁইঘৰ চুবুৰিয়ে বিয়াত পানীটোলা, ২নং মিলনপুৰ চুবুৰিয়ে দৰা-কইনাৰ বেশ, ১নং হিডালগুৰি চুবুৰিয়ে চাহ বাগানীয়া ছোৱালীৰ বেশভূষা, সৰু বৰবিল চুবুৰিয়ে ফাকুৱা পৰিৱেশন, ২নং হিডালগুৰি চুবুৰিয়ে বিয়াত পানীটোলা দৃশ্য, পশ্চিমটোল চুবুৰিয়ে মাছমৰীয়া দৃশ্য, নৰমিলনপুৰ চুবুৰিয়ে বীৰাংগনাৰ বেশভূষা, মাছকুছি চুবুৰিয়ে আয়তীৰ নাম প্ৰসংগ, নপাৰা চুবুৰিয়ে হলিগীত পৰিবেশন, ঔতল চুবুৰিয়ে জোৰণদিয়া দৃশ্য পৰিবেশন, ছাত্ৰশালী চুবুৰিয়ে জীৱন্ত হনুমানৰ বেশভুশা, ঠাকুৰীয়াপাৰা চুবুৰিয়ে জপাথোৰা পৰিবেশন, গৰাঘাট চুবুৰিয়ে চৰাই ব্ৰতৰ দৃশ্য - বৰগীত পৰিবেশন, দ-বড়িটোল-বড়িটোল চুবুৰিয়ে ফাকুৱা পৰিবেশন আৰু মোৰামাৰী চুবুৰিয়ে সংকীৰ্তন পৰিবেশন কৰি সমগ্ৰ গাওঁখন মুখৰিত কৰি তোলে। ইয়াৰ মাজতে আকৌ একাংশ যুৱতীয়ে মুগাৰ মেখেলা-চাদৰ পৰিধান কৰি কলহ লোৱাৰ দৃশ্য, জীৱন্ত দেৱী দুৰ্গা, পকী পথৰ ওপৰত নাওঁখেল প্ৰদৰ্শনৰ দৃশ্যই শোভাযাত্ৰাত এক অন্য মাত্ৰা প্ৰদান কৰে। অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী ভৃগু কাশ্যপ, বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া, অসম যুৱ আয়োগৰ সদস্য ৰাতুল শৰ্মা আৰু কুলহাটী শতবাৰ্ষিকী দুৰ্গোৎসৱৰ সমূহ বিষয় - ববীয়াৰ অংশ গ্ৰহণত এই বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা সমগ্ৰ কুলহাটী অঞ্চল সামৰি পুনৰ দুৰ্গা মন্দিৰ চৌহদত সামৰণি পৰে। ইয়াৰ পিছতে আবেলিৰ ভাগত "মহালয়া" শীৰ্ষক এক আলোচনা চক্ৰ অনুষ্ঠিত হয়। আলোচনা চক্ৰ সঞ্চালনা কৰে অৱসৰ অধ্যক্ষ গনেশ চন্দ্ৰ দাসে। আলোচনা চক্ৰত জেষ্ঠ নাগৰিক ধৰ্মপ্ৰান লোহিত চন্দ্ৰ দাসে মহালয়াৰ ওপৰত বিশেষভাৱে আলোকপাত কৰে। আলোচনাচনা চক্ৰত নগেন্দ্ৰ দাস,বিনন্দী দাস,ডঃদীপুল কুমাৰ দাস আদিয়ে। সন্ধিয়া নাগাৰা নাম পৰিবেশন কৰে পাঠিকাদ্বয় ক্ৰমে মৰমী শইকীয়া আৰু ডালিমী পাটোৱাৰীয়ে। এই নাগাৰা নাম শুভ উদ্বোধন কৰে চিৰিশ পাঠকে। ইপিনে পুৱাৰ ভাগত কুলহাটী ৰাইজৰ পতাকা উত্তোলন কৰে কুলহাটী গাওঁ উন্নয়ন সমিতিৰ সভাপতি মনোমোহন দাসে, শতবাৰ্ষিকী দুৰ্গা পূজাৰ পতাকা উত্তোলন কৰে পূজা পৰিচালনা সমিতিৰ সভাপতি গোবিন্দ ভড়ালীয়ে, ।ধৰ্মধ্বজা উত্তোলন কৰি উদ্যোগপতি তথা সমাজ কৰ্মী বনমালী শৰ্মাই কয় যে দেৱীক দুইহাতেৰে দিলে দহোহাতেৰে পায়,পূজা আৰম্ভ কৰিলে সদায় চলি থাকিব বুলি কয়। বন্তি প্ৰজ্বলন কৰে কুলহাটী গাওঁ উন্নয়ন সমিতিৰ সম্পাদক তপনজ্যোতি দাস আৰু পূজা পৰিচালনা সমিতিৰ সম্পাদক মনোজ দাস সহ গাওঁখনৰ একাংশ জ্যেষ্ঠ নাগৰিকে, শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে কুলহাটী গাওঁ উন্নয়ন সমিতিৰ প্ৰাক্তন সভাপতি - সম্পাদক ক্ৰমে নগেন্দ্ৰ নাথ দাস, উমেশ চন্দ্ৰ দাস, মদন চন্দ্ৰ দাস, গোপাল কৃষ্ণ লহকৰ, দীনেশ্বৰ শৰ্মা, শৰৎ চন্দ্ৰ দাস আৰু ৰজত চন্দ্ৰ দাসে।



# খিলঞ্জীয়া মুছলমানৰ বাবে বিধানসভা আৰু লোকসভাত আসন সংৰক্ষণৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা কাকজান, ২৫ ছেপ্টেম্বৰ ঃ** উজনি অসম মুছলিম কল্যাণ পৰিষদ , যোৰহাট জিলা সমিতিৰ এখন কাৰ্যনিৰ্বাহক সভা টীয়ক আঞ্চলিকৰ উদ্যোগত টীয়ক নগৰত অনুস্হিত হয় । জিলা সভাপতি মুকিবুল হকৰ আকস্মিক বিয়োগৰ পাচত প্ৰথমবাৰৰ বাবে অনুস্হিত হোৱা এই সভাতে জিলা সমিতিৰ কাৰ্যকৰী সভাপতি এম ৰফিক হুছেইন(জেষ্ঠ)ক জিলা সভাপতি হিচপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত কৰা হয় । আজিৰ সভাত হেমিদুৰ হুছেইনক কাৰ্যকৰী সভাপতি, হাইদৰ শইকীয়াক উপ-সভাপতি আৰু আমিৰ আলিক জিলা আমন্ত্ৰিত সদস্য হিচাপে নিৰ্বাচিত কৰে । নৱনিৰ্বাচিত সভাপতি মহম্মদ ৰফিক হুছেইন ( জেষ্ঠ)ৰ সভাপতিত্বত অনুস্হিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি সাধাৰণ সম্পাদক ৰফিক হুছেইনে বিগত সময়ৰ কাৰ্যবিৱৰণী পাঠ কৰে আৰু আগন্তুক সময়ৰ কাৰ্য্যসূচী ৰূপায়ণ সন্দৰ্ভত বক্তব্য ৰাখি সকলোৰে মতামত আহ্বান কৰে । ইয়াৰ পাছত সদ্যপ্ৰয়াত সভাপতি মুকিবুল হকৰ বাবে উপ- সভাপতি মনিৰুদ্দিন আহমেদে দোৱা আৰু কোৰান পাঠ কৰে । কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সদস্য মহম্মদ হুছেইন যোৰহাট মহানগৰ মহিলা পৰিষদৰ সভানেত্ৰী চৰিফুন নিচাই সংখ্যালঘু খিলঞ্জীয়া মুছলমান সকলৰ বাবে বিধান সভা আৰু লোকসভাত আসন সংৰক্ষণ কৰা, মুছলমান ধৰ্মাৱলম্বী শিক্ষিত যুৱক-যুৱতীসকলৰ চৰকাৰী চাকৰিত যাতে সঠিকভাৱে নিয়োগ আঁচনি গ্ৰহণ কৰে তাৰ প্ৰতি চৰকাৰক আহ্বান জনায়। উপ-সভাপতি নুৰুল হুছেইন, তফজ্জুল আলী, আইনুল হুছেইনে নিজ নিজ বক্তব্যত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ সকলোকে এক হৈ কাম কৰি যাবলৈ আহ্বান জনায়। সভাত উপস্থিত থাকি জিলা সমিতিৰ শিক্ষা আৰু সাংস্কৃতিক সম্পাদক মঃ তমিজুৰ ৰহমানে জিলাৰ সকলো আঞ্চলিক সমিতিৰ মাজত সমন্বয় ৰক্ষা কৰি আগন্তুক সময়ত জনকল্যাণমুলক আঁচনি প্ৰস্তুত কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। আজিৰ সভাতে জিলা সমিতিৰ সদ্য প্ৰয়াত মুকিবুল হকৰ স্মৃতিত তিতাবৰ আঞ্চলিকৰ উদ্যোগত অহা ২ অ'ৌবৰত তিতাবৰত এখনি স্মৃতিচাৰণ আৰু সৰ্বধৰ্মীয় সভাৰ অনুস্হিত কৰাৰ সিদ্ধান্ত লোৱা হয়। এই উপলক্ষে ৰফিক হুছেইনৰ সম্পাদনাত এখন স্মৃতি গ্ৰন্হ প্ৰকাশ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ লগতে জিলা সমিতিৰ ত্ৰিবাৰ্ষিক অধিৱেশন খনি দক্ষিন পশ্চিম আঞ্চলিকৰ আমন্ত্ৰণ ক্ৰমে গটঙাত ডিচেম্বৰ মাহত অনুস্হিত কৰাৰ বাবে সৰ্বসন্মত সিদ্ধান্ত গ্ৰহণ কৰাৰ উপৰিও বহুকেইটা জনমুখী কাৰ্য্যসূচীৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাৰ মাজতে কণমানি ছাত্ৰ শেখৰ ৰিজৱান হুছেইনে ডঃ ভূপেন হাজৰিকাৰ এটি গীতেৰে সকলোকে মুগ্ধ কৰে । সম্পাদক ৰফিক হুছেইনে সকলোকে কৃতজ্ঞতা জনাই শলাগ শৰাই আগবঢ়ায়।

## মংগল পাণ্ডে নহয়, দেশৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম শ্বহীদ অসমৰ বীৰ পিয়লি বৰফুকন আৰু জীউৰাম দুলীয়া বৰুৱাহে

# পিয়লি ফুকন উদ্যানত জীউৰাম দুলীয়া বৰুৱাৰ প্ৰতিমূৰ্তি স্থাপন কৰাৰ দাবী বুৰঞ্জীবিদ জিতেন বৰপাত্ৰগোহাঁইৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৫ ছেপ্টেম্বৰ ঃ** ৰংপুৰ প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতিৰ উদ্যোগত আজি ঐতিহাসিক শিৱসাগৰ বৰপুখুৰী পাৰত অৱস্থিত পিয়লি ফুকন উদ্যানত অসমৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম শ্বহীদ পিয়লি বৰফুকন আৰু জীউৰাম দুলীয়া বৰুৱাৰ স্মৃতি দিৱস উদযাপন কৰা হয়। পুৱা শ্বহীদ পিয়লি বৰফুকনৰ প্ৰতিমূৰ্তিৰ তলত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে ৰংপুৰ প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতিৰ সভাপতি উমেশ গগৈয়ে। সংৰক্ষণ সমিতিৰ যুটীয়া সম্পাদক ডঃ জাকিৰুল আলমে অনুষ্ঠানৰ তাৎপৰ্য ব্যাখ্যা কৰাৰ পাছত বিশিষ্ট বুৰঞ্জীবিদ তথা ৰংপুৰ প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতিৰ প্ৰধান সম্পাদক জীতেন বৰপাত্ৰ গোহাঁইয়ে কয় যে, ১৮২৪ চনত মানৰ অত্যাচাৰৰ পৰা অসমীয়াক উদ্ধাৰ কৰিবলৈ অসমত প্ৰৱেশ কৰা বৃটিছে এখন ঘোষণা পত্ৰত উল্লেখ কৰিছিল যে বৃটিছে অসম দখল কৰিবলৈ অহা নাই। মানৰ পৰা অসম উদ্ধাৰ কৰি আহোম ৰজাৰ হাতত ৰাজ্য গতাই উভতি যাব। কিন্তু মানক খেদাৰ পাছত বৃটিছে এই ঘোষণা কাৰ্যকৰী নকৰি অসম দখল কৰাত স্বাধীনতাপ্ৰিয় বীৰ গমধৰ কোঁৱৰে বিদ্ৰোহ ঘোষণা কৰিলে। বৃটিছে এই বিদ্ৰোহ দমন কৰাৰ পাছত বৃটিছৰ প্ৰতাৰণাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিঞ্জ বীৰ পিয়লি ফুকনে ৰংপুৰৰ বৃটিছ খাৰঘৰত জুই জ্বলাই দিলে। এই অপৰাধত বৃটিছ শাসকে ১৮৩০ চনৰ ২৪ ছেপ্টেম্বৰত এই স্থানতে বীৰ পিয়লি ফুকন আৰু জীউৰাম দুলীয়াক ফাঁচী দিছিল। এই স্থানতে শ্বহীদ পিয়লি ফুকনৰ প্ৰতিমূৰ্তি স্থাপন হ'ল যদিও জীউৰাম দুলীয়া বৰুৱাৰ প্ৰতিমূৰ্তি আজিও স্থাপন নহ'ল। চৰকাৰে তৎকালে এনে বীৰ শ্বহীদক সন্মান জনাই এই স্থানতে জীউৰাম দুলীয়া বৰুৱাৰ এটা প্ৰতিমূৰ্তি স্থাপন কৰা উচিত চাঁপাহী বিদ্ৰোহৰ শ্বহীদ মংগল পাণ্ডে'তকৈ বীৰ পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱা। সেয়ে ভাৰত চৰকাৰে মংগল পাণ্ডে পৰিবৰ্তে পিয়লি ফুকন আৰু জীউৰাম দুলীয়া বৰুৱাকহে দেশৰ প্ৰথম শ্বহীদ হিচাপে ঘোষণা কৰা উচিত। কেৱল ভাৰত চৰকাৰেই নহয় অসম চৰকাৰেও এই বীৰ দুজনক সকলো অৱজ্ঞা কৰিছে। চৰকাৰে এই দুগৰাকী বীৰ শ্বহীদক তিলমানো গুৰুত্ব দিয়া নাই মৰ্যদা দিয়া নাই। ভাৰত চৰকাৰে আমাক গুৰুত্ব নিদিলেও অসম চৰকাৰে অসমৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম শ্বহীদ দুগৰাকীৰ স্মৃতি দিৱস ৰাজ্যজুৰি পালন কৰাৰ ব্যৱস্থা কৰিবলৈ জীতেন বৰপাত্ৰগোঁহাইয়ে দাবী উত্থাপন কৰে। এই অনুষ্ঠানত ৰংপুৰ প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতিৰ উপ সভাপতি চফিকুৰ ৰহমান, প্ৰবীণ শৰ্মাকে ধৰি বহু গন্য মান্য ব্যক্তি উপস্থিত থাকে।

# মৈৰাবাৰী সমবায় সমিতিৰ বছৰেকীয়া সাধাৰণ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২৫ ছেপ্টেম্বৰ ঃ** বিভাগীয় নীতি নিয়মৰ অধীনত বিনা প্ৰতিদ্বিন্দাৰে নিৰ্বাচিত হোৱা মৈৰাবাৰী সমবায় সমিতিৰ নৱ নিৰ্বাচিত সদস্য সদস্যা সকল ক্ৰমে আবুল কাচেম ,গুলজাৰ হুছেইন , নাজিৰুল ইছলাম ছফিকুল ইছলাম,হাৰুন ৰচিদ,ৰাজকুমাৰ ৰবি দাস,ফকৰ উদ্দিন,জোৎসনাৰা বেগম, হাচিনা হক, কাচেম মুক্তাৰকে ধৰি মুঠ ১৫জন সদস্য সদস্যাক আজি বিভাগীয় ভাৱে সাধাৰণ সভাত তেওঁলোকৰ নাম আনুষ্ঠানিক ভাৱে ঘোষণা কৰা হয়। মৰিগাঁও জিলাৰ সমবায় সমিতি সমূহৰ পঞ্জীয়কৰ কাৰ্যালয়ৰ ৰুনবী ৰং চং ,সুমদ্ৰ বৰাৰ -উপস্হিতিত মৈৰাবাৰী ৰাষ্ট্ৰভাষা এম ই স্কুলত আয়োজিত সমবায় সমিতিৰ সাধাৰণ সভাত নিৰ্বাচিত সদস্য সদস্যা সকলৰ নাম ঘোষণা কৰাৰ লগতে বছৰেকীয়া হিচাপ নিকাচৰ খতিয়ানো দাঙি ধৰা হয়। ৰুনবী ৰং চংৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত কেইবাজনো বিশিষ্ট ব্যক্তিয়ে ভাষন প্ৰদান কৰে। উল্লেখ্য যে মৰিগাঁও জিলাৰ সমবায় সমিতি সমূহৰ পঞ্চীয়কে সমিতি খনৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰাৰ পাছত যোৱা ১৫ ছেপ্টেম্বৰত মৈৰাবাৰী অঞ্চলটোৰ পৰা মুঠ ২২জন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল যদিও ২০জন প্ৰাৰ্থীৰ মনোনয়ন বৈধ হৈছিল। সেই হিচাপে আজি ২৫ ছেপ্টেম্বৰত নিৰ্বাচন অনুষ্ঠিত কৰাৰ কথা আছিল। যদিও ৫ জন প্ৰাৰ্থীয়ে সমবায়ৰ স্বাৰ্থত স্ব ইচ্ছাই মনোনয়ন প্ৰত্ৰ উঠাই লোৱাত নিৰ্বাচন অনুষ্ঠিত কৰা নহল ।আৰু বিনা প্ৰতিদ্বন্দ্বিতাৰে ১৫ জন সদস্য সদস্যা নিৰ্বাচিত হয়। আজিৰ এই সাধাৰণ সভা আৰু সদস্য সদস্যাৰ আনুষ্ঠানিক ভাৱে পৰিচয় কৰা অনুষ্ঠানত হেজাৰৰো অধিক লোক উপস্থিত থাকে।

# শিৱসাগৰত বিভিন্ন দলৰ বহু-সংখ্যক কৰ্মীৰ বিজেপিত যোগদান

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৫ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলা বিজেপিৰ মুখ্য কাৰ্যালয়ত আজি কংগ্ৰেছকে ধৰি আন কে'বাটাও ৰাজনৈতিক দলৰ বহু সংখ্যাক নেতা-কৰ্মীয়ে যোগদান কৰে শাসকীয় বি জে পি দলটোত। ভাৰতীয় জনতা পাৰ্টিৰ নীতি-আদৰ্শ আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কাম কাজত আকৃষ্ট হৈ প্ৰদেশ মহিলা কংগ্ৰেছৰ ৰাজ্যিক সাধাৰণ সম্পাদিকা গীতা সৌহানকে কংগ্ৰেছৰ বিষয় ববীয়া আৰু অন্য দলৰ অৰ্ধশতাধিক লোকে আজি যোগদান কৰে বিজেপিত। আজিৰ এই যোগদান কাৰ্যসূচীৰ আঁত ধৰে জিলা বিজেপিৰ উপ-সভাপতি তন্ময় শইকীয়াই। আদৰণি ভাষণ প্ৰদান কৰে জিলা সভাপতি তথা যুৱ নেতা ময়ূৰ বৰগোহাঁইয়ে ।যোগদান সভাত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, থাওৰাৰ বিধায়ক সুশান্ত বৰগোহাঁই, ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ৰূপম গোস্বামী, সহ: মুখপাত্ৰ সুভাষ দত্তকে ধৰি বিজেপিৰ ভালেকেইজন শীৰ্ষ নেতা উপস্থিত থাকে ।সভাত দলত নতুনকৈ যোগদান কৰাসকলক একোখনকৈ গামোচা,দলীয় প্ৰতীক গামোচা আৰু এটি টুপী প্ৰদান কৰা হয় ।সভাত বি জে পি দলৰ নেতা সকলে আজি দলত যোগদান কৰা সকলক দলৰ নীতি আদৰ্শক লৈ কাম কৰি যাবলৈ আহ্বান জনায়।

# বাক্সাৰ সুৱনখাটাত বিশ্ব নদী দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** বিশ্ব নদী দিৱস উপলক্ষে আজি বাক্সা জিলাৰ সুৱনখাটা হাইস্কুলৰ এনচিচিৰ ৩০নং গোটে পাগলাদিয়া নদীৰ সুঁতিৰ আৱৰ্জনা চাফাই কৰে। উল্লেখ্য যে আজিৰে পৰা আৰম্ভ হোৱা বিশ্ব নদী দিৱসৰ অংশৰূপে বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তত অৱস্থিত সুৱনখাটা হাইস্কুলৰ এনচিচি গোটৰ লগতে বিদ্যালয় পৰিচালনা সমিতি আৰু উত্তৰকুছিস্থিত ৬৪ নং এছ এছ বিয়ে ৰূপায়ণ কৰে এই চাফাই অভিযান।




হাইস্কুলখনৰ এনচিচি গোটৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে পাগলাদিয়া নদীৰ পৰা সুৱনখাটাৰ মাজেৰে বৈ অহা জোপাদোং সুঁতিৰ আৱৰ্জনা চাফা কৰে । প্ৰণিধানযোগ্য যে জিলাখনৰ সুৱনখাটা অঞ্চলৰ ৰাইজে বছৰ বছৰ পাগলাদিয়াত বান্ধ দি সুঁতি বা ডোঙেৰে পানী বোৱাই আনি ঘৰুৱা কামকাজত ব্যৱহাৰ কৰি আহিছে । কিন্তু সুৱনখাটাৰ মাজেৰে বৈ অহা সুঁতিটো বিভিন্ন আৱৰ্জনাৰে ভৰি থকাত আজি সুৱনখাটা হাইস্কুলৰ এনচি চি গোটে বিশ্ব নদী দিৱস উপলক্ষে এই চাফাই কাৰ্যসূচী ৰূপায়ণ কৰে। চাফাই অভিযানৰ আগে আগে ছাত্ৰ-ছাত্ৰীসকলে সুৱনখাটাত সজাগতা সম্পৰ্কে এক সমদলো ৰূপায়ণ কৰে।

# জামুগুৰিহাটৰ উত্তৰাঞ্চলত বন্যহস্তীৰ উপদ্ৰৱ অব্যাহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ২৫ ছেপ্টেম্বৰ ঃ** খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা ওলাই আহি জনাঞ্চলত প্ৰবেশ কৰিছে বন্যহস্তীয়ে। জামুগুৰিহাটৰ উত্তৰাঞ্চলটো অব্যাহত আছে বন্যহস্তীৰ উপদ্ৰৱ ।নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ পৰা নিশাৰ ভাগত ওলাই অহা বন্যহস্তীয়ে জামুগুৰিহাটৰ উত্তৰাঞ্চলৰ দুইনং বৰদিকৰাই, খৃষ্টানবস্তী, আজাৰগুৰি, বামুণীপামকে ধৰি একাধিক অঞ্চলৰ ৰাইজৰ খেতিখোলা নষ্ট কৰিছে ।বিশেষকৈ বন্যহস্তীৰ জাকে কৃষক ৰাইজৰ ধানখেতি খেচিগুলি তহিলং কৰিছে ।যোৱা ডেৰ দশকৰো অধিক ধৰি অঞ্চলটোত বনৰীয়া হাতীৰ উপদ্ৰৱ অব্যাহত আছে ।যোৱা এটা দশকৰ ভিতৰত জামুগুৰিহাটৰ উত্তৰাঞ্চলৰ এতিয়ালৈকে কুৰিৰো অধিক লোক বনৰীয়া হাতীৰ আক্ৰমণত মৃত্যু হোৱাৰ বিপৰীতে বহু লোক ধূণীয়া হৈছে। নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ পৰা বৰদিকৰাই নদী পাৰ হৈ প্ৰবেশ কৰা বন্যহস্তীৰ জাকক নিয়ন্ত্ৰণ কৰাৰ ব্যৰ্থ হৈছে বনবিভাগ ।অঞ্চলটোত দীৰ্ঘদিন ধৰি অব্যাহত থকা বনৰীয়া হাতীৰ উপদ্ৰৱৰ স্থায়ী ৰোধৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে চৰকাৰ তথা বনবিভাগক দাবী জনাইছে।

# চাপৰৰ ৰত্নপীঠ মহাবিদ্যালয়ত গণ অভিৰ্ৱৰ্তন

**দৈনন্দিন বাৰ্তাৰ সেয়া, চাপৰ, ২৫ ছেপ্টেম্বৰ ঃ** সুৰত জামান.. ঞ্চধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাক জিলা আৰু চাপৰ তথা সাপটগ্ৰামক মহকুমা হিচাপে ঘোষণা কৰাৰ দাবীত এই গণ অভিৰৱৰ্ত্তন। ধুবুৰী জিলাৰ বিলাসীপাৰা মহকুমাক জিলা ঘোষণাৰ দাবীত, চাপৰ আৰু সাপটগ্ৰামক মহকুমা ঘোষণা কৰিবলৈ দীৰ্ঘদিন ধৰি দাবী উত্থাপন কৰি আহিছে বিভিন্ন দল সংগঠনৰ লগতে সচেতন ৰাইজে। দীৰ্ঘদিন ধৰি বিভিন্ন সময়ত বিভিন্ন ধৰণে এই দাবী জনাই আছিল বিলাসীপাৰা জিলা দাবী সমিতি নামৰ সংগঠনটোৱে। বিলাসীপাৰা মহকুমাক জিলা ঘোষণাৰ দাবী ইতিপূৰ্বে বিধায়ীকা গুল আখতাৰা বেগম আৰু বৰ্তমানৰ বিধায়ক ছামছুল হুদায় পবিত্ৰ বিধান সভাৰ মজিয়াত এই দাবী উত্থাপন কৰিছিল যদিও আজিলৈ এই দাবী চৰকাৰে গুৰুত্ব সহকাৰে নলোৱাৰ অভিযোগ। যাৰ পৰিপ্ৰেক্ষিতত বিলাসীপাৰা মহকুমাখনক জিলাৰ দাবী পুনৰ গা কৰি উঠিছে। এই দাবী সদনৰ পৰা ৰাজপথত লৈ যোৱাৰ উদেশ্য ঠায়ে ঠায়ে গণ অভিৰৱৰ্ত্তন অনুষ্ঠিত কৰি বৃহৎ আকাৰত জনমত গঠন বাবে এনেদৰে সভা অনুষ্ঠিত কৰা পৰিলক্ষিত হৈছে। আজি ৰত্নপীঠ মহাবিদ্যালয়ত অনুষ্ঠিত গণ-অভিৰ্ৱৰ্তন চাপৰ অঞ্চলৰ বিভিন্ন দল সংগঠনৰ লগতে সচেতন ৰাইজ উপস্থিত হৈ চাপৰ মহকুমা সমিতিখন সাল সলনি কৰে। সভাৰ জৰিয়তে আছু, আমছু, দেশী জনগোষ্ঠী মঞ্চ অসম, নাথযোগি সন্মিলনী, আক্ৰাছু, লেখিকা সমাৰোহ সমিতি, শিক্ষক সন্মিলনী, কংগ্ৰেছ, AIUDF , বিজেপি, NCP, চাপৰ MULTI MEDIA PRESS ক্লাৱ আদি কৰি বিভিন্ন ৰাজনৈতিক অৰাজনৈতিক দলে উপস্থিত থাকি চৰকাৰক এই দাবীৰ প্ৰতি সঁহাৰি জনাবলৈ আহ্বান জনায়।




# চৰাইদেউ সাপেখাঁতীৰ ৰহণত সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা , সাপেখাঁতী, ২৫ ছেপ্টেম্বৰ ঃ** সদৌ ৰহণ আলোকসন্ধানী মহিলা ও শিশু বিকাশ কেন্দ্ৰৰ উদ্যোগত তথা ৰহণবাসীৰ সহযোগত সদৌ অসম ভিত্তিত গংগামায়া প্ৰধান গগৈ সোঁৱৰণী মহিলা দিহানাম প্ৰতিযোগিতাৰ বাবে উদ্‌যাপন সমিতিয়ে প্ৰস্তুতি প্ৰায় তুংগত কৰি তুলিছে। আহিন মাহৰ ১৫ তাৰিখে(২অক্টোবৰ, ২০২২) ৰহন ভৰালী পুখুৰীস্থিত ডামচাও ডিম্বেশ্বৰ গগৈ সোঁৱৰণী মঞ্চত অনুষ্ঠিত কৰিবলৈ লোৱা প্ৰতিযোগিতা খনৰ উদ্‌যাপন সমিতিয়ে অৱগত কৰা অনুসৰি প্ৰথম পুৰস্কাৰ ৩০,০০০, দ্বিতীয় পুৰস্কাৰ ২০,০০০ আৰু তৃতীয় পুৰস্কাৰ ১০,০০০ টকা নগদ ধনে পুৰস্কিত কৰিব বিজয়ী দিহানাম দলক। সেই হেতুকে অসমৰ ভিন্ন প্ৰান্তৰ দিহানামৰ দলসমূহক ৮০১১৮৯৬৬৯৩,৬০০২৬৭৬৬৯৯, ৮০১১১২৭৪২১ নম্বৰত যোগাযোগ কৰিবলৈ বিনম্ৰতাৰে অনুৰোধ জনাইছে উদ্‌যাপন সমিতিয়ে।

# বিহালীৰ উত্তৰ বেদেতী কেন্দ্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ মাহেকীয়া সভা

## নৱাগত শিক্ষকক আদৰণি, কৃতী শিক্ষকক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২৫ ছেপ্টেম্বৰ ঃ** বিহালী শিক্ষা খণ্ডৰ অন্তৰ্গত বেদেতী, বিহমাৰী, নাচবৰ, লালপুখুৰী আদি এলেকাৰ প্ৰাথমিক শিক্ষক সকলৰ সন্মিলিত অনুষ্ঠান-উত্তৰ বেদেতী কেন্দ্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ মাহেকীয়া সভাখন আজি লোহিয়া প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। কেন্দ্ৰ সম্পাদক দেৱনাথ মিলিয়ে আঁঞ্জত ধৰা সভাখনত সভাপতিত্ব কৰে ৰাজেশ ভূমিজে। সভাত, নতুনকৈ কেন্দ্ৰ এলেকাত কৰ্তব্যত যোগদান কৰা তিনিগৰাকী শিক্ষক ক্ৰমে উমেশ চিন্তে, গাম নৰহ আৰু পৱন শৰ্মাক আদৰণি জনোৱা হয়। লগতে বিগত শিক্ষক দিৱসত খণ্ড ভিত্তিত কৃতী শিক্ষক বঁঞ্জটাপ্ৰাপ্ত তিনি গৰাকী শিক্ষক ক্ৰমে, দেৱৰাজ প্ৰধান, দীনেশ চাহু আৰু দেৱনাথ মিলিক সম্বৰ্ধনা জনোৱা হয়। সভাৰ কাৰ্যসূচী অনুযায়ী আলোচ্য বিষয়ত প্ৰাসঙ্গিক আলোচনা আগবঢ়ায় ক্ৰমে চাৰসিং বে', বিপুল বৰা, ভূমিধৰ দৈমাৰী, দেৱৰাজ প্ৰধান, গাম নৰহ, দীনেশ চাহু, দেৱনাথ মিলি, মনেশ্বৰী পেগু, দিগন্ত দাস আদিয়ে। সভাত উত্তৰ বেদেতী কেন্দ্ৰ প্ৰাথমিক শিক্ষক সন্মিলনীৰ বাৰ্ষিক বৰঙনি, ন্যাস পুঁজি, শিক্ষকৰ উপস্থিতি, সেৱা বহী আদিৰ ওপৰত বিস্তৃত আলোচনা আগবঢ়ায় কেন্দ্ৰ সম্পাদক দেৱনাথ মিলিয়ে। সভাত লোহিয়া প্ৰাথত বিদ্যালয়ৰ তিনিগৰাকী ছাত্ৰীয়ে আধুনিক নৃত্য পৰিৱেশন কৰে। উল্লেখ্য, আগন্তুক মাহেকীয়া কেন্দ্ৰ সভাখন ডাবল্ লাইন প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব বুলি কেন্দ্ৰৰ সভাপতি-সম্পাদক ক্ৰমে ৰাজেশ ভূমিজ আৰু দেৱনাথ মিলিয়ে জানিবলৈ দিছে।



# হাজোৰ বেজপাৰাত ভয়ংকৰ পথ দুৰ্ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৫ ছেপ্টেম্বৰ ঃ** আৰক্ষী কঢ়িওৱা বাহনে পিছফালৰ পৰা খুন্দিয়ালে ৰখাই থোৱা ট্ৰাকত দুৰ্ঘটনাটোত আঘাতপ্ৰাপ্ত মহিলা কনিষ্টবল সহ মুঠ ১২ জন কৈ আৰক্ষী। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত বাসুগাঁও আৰক্ষী থানাৰ মতিলাল সিং, বগৰীবাৰী আৰক্ষী থানাৰ আনোৱাৰ হুছেইন। আঘাতপ্ৰাপ্ত মহিলা কনিষ্টবল অংশুমণি ইছলাৰী, সোণতি বসুমতাৰী, ৰূপা ভট্টাচাৰ্য, কৃষ্ণা চৌধুৰী, কমলা বিশ্বাস, স্বাতী ৰাৱী, অঞ্জুমা বৰগয়াৰী আৰু চিমাংশ্ৰী কচাৰী। গুৱাহাটী আৰক্ষী চাউনীৰ পৰা কোকৰাঝাৰ অভিমুখে গৈ থকা অৱস্থাত সংঘটিত হয় এই ভয়ংকৰ পথ দুৰ্ঘটনাটো। উল্লেখ্য, আৰক্ষীৰ দলটো শংকৰদেৱ কলাক্ষেত্ৰত উপ ৰাষ্ট্ৰপতিৰ অনুষ্ঠানত কৰ্তব্য সমাপন কৰি উভতিছিল। আঘাতপ্ৰাপ্ত আটাইকেইজন আৰক্ষীক উন্নত চিকিত্সাৰ বাবে গুৱাহাটী মেডিকেল কলেজলৈ প্ৰেৰণ কৰা হৈছে। দুৰ্ঘটনাগ্ৰস্ত বাহনখনৰ নম্বৰ AS 01 GC 9134।

# অসম বহুমুখী সমবায় সমিতিৰ শিপিনীজ্যোতি আঁচনিৰ সপ্তম বৰ্ষপূৰ্তি উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ২৫ ছেপ্টেম্বৰ ঃ** অসম বহুমুখী সমবায় সমিতি মৰিয়নি শাখাই বিগত ত্ৰিশ বছৰ ধৰি বৃহত্তৰ মৰিয়নি অঞ্চলৰ ৰাইজক সেৱা প্ৰদান কৰি আহিছে। মৰিয়নি নগৰৰ লগতে গ্ৰাম্য আৰু চাহ বাগিচা অঞ্চলৰ ৰাইজক অৰ্থনৈতিক দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। সমবায় খনে বিশেষকৈ গ্ৰামাঞ্চল আৰু বাগিছা অঞ্চলৰ মহিলাসকলক সঞ্চয়ৰ প্ৰতি কৰাই নিজকে স্বাৱলম্বী কৰি তুলিবলৈ সক্ষম হৈছে। ১৯৯৩ - ৯৪ চনতে ৰাইজৰ সহযোগত গঢ় লৈ উঠা এই এই অনুষ্ঠাটোৱে ৰাইজৰ সমাদৰ লাভ কৰি আহিছে ।মৰিয়নি শাখাই 'শিপিনীজ্যোতি' আঁচনিৰ সংযোজন ঘটাই মহিলা সৱলীকৰণৰ ক্ষেত্ৰত এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছে। ২০১৬ বৰ্ষৰ পৰাই এই আঁচনিৰ জৰিয়তে গ্ৰামাঞ্চলৰ বহু মহিলাই নিজকে অৰ্থনৈতিক ভাৱে লাভ কৰি আহিছে। এই আঁচনিখনে আজি সপ্তম বৰ্ষপূৰ্তিআশাখা কাৰ্য্যালয়ত উদযাপন কৰে ।আজি পুৱা বন্তী প্ৰজ্বলন, মহিলাসকলৰ উৰুলি আৰু মঙ্গল ধ্বনিৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। শাখা কাৰ্য্যালয়ত অনুষ্ঠিত এক চমু অনুষ্ঠানত বিশিষ্টা মহিলা তথা সমাজকৰ্মী অনিমা নেওগ, অৱসৰ প্ৰাপ্ত অধ্যাপিকা অৰুণা দত্ত, মনি গোস্বামী , বিউটী তামুলী, অৰুণা গগৈ, অনুৰূপা ফুকন, প্ৰেৰণা ফুকন, সুমিত্ৰা ঘোষ, ৰেণু বৰা,পৰিস্মিতা ফুকনৰ লগতে বহু সংখ্যক মহিলা আৰু শিপিনী উপস্থিত থাকি গঠনমূলক দিহা পৰামৰ্শ আগবঢ়াই অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে। শলাগৰ শৰাই আগবঢ়াই শাখা পৰিচালিকা হীমা বৰাই।

# বিগত দুমাহে জটিল ৰোগত আক্ৰান্ত ২নং হাছৰাওবাৰী গাঁৱৰ আব্দুল মজিদ শ্বেখ

## পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী হৈ সকলোৰে সহায় ভিক্ষা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত ২নং হাছ্ৰাওঁবাৰী গাঁৱৰ মৃত বছিৰ উদ্দিন শ্বেখৰ পুত্ৰ আব্দুল মজিদ শেখৰ বিগত দুই মাহে জটিল ৰোগত আক্ৰান্ত হৈ ভূগি আছে। বেমাৰত আক্ৰান্ত হোৱা পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী আব্দুল মজিদ শ্বেখে পৰিয়াল পোহপাল দিয়াৰ লগতে নিজৰ সাধ্য অনুসৰি নিজৰ চিকিৎসা চলাই গৈছিল যদিও লাহে লাহে বেমাৰ বেছি হোৱাত তেওঁ আতংকিত হৈ পৰে।পিছত পৰিয়ালৰ লোকে আব্দুল মজিদক গুৱাহাটী এম .আৰ .এম মেমোৰিয়াল চিকিৎসালয়ত ভৰ্তি কৰায় যদিও চিকিৎসকে অপাৰেশনৰ পৰামৰ্শ দিয়াত আৰ্থিক অভাৱত ঘৰলৈ উভতাই লৈ আহে। উপায়হীন হৈ আব্দুল মজিদ শ্বেখৰ চিকিৎসাৰ বাবে তেওঁ নিজেই জনপ্ৰতিনিধি,এম চি এল এ ,ই এম, এম এল এৰ লগতে অসম চৰকাৰক সহায়ৰ বাবে কাতৰ অনুৰোধ জনাইছে । যদি কোনো সদাশয় ব্যক্তি বা দল সংগঠনে সহায়ৰ হাত আগবঢ়াব বিচাৰে, তেনেহলে আব্দল মজিদ শেখৰ SBI, (SBIN0007996) একাউণ্ট নম্বৰ - ৩৯৫৭৩৯৮৬০৭৯ ত আৰ্থিক সাহায্য আগবঢ়াবলৈ পৰিয়ালৰ লোকে অনুৰোধ জনাইছে ।অধিক তথ্যৰ বাবে ৯৬৭৮৪৯৫৭৯০ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে আহ্বান জনাইছে।



# বিহু কৃষ্টি পৰিষদ, অসমৰ শিৱসাগৰ জিলা সমিতি নতুন কাৰ্যনিৰ্বাহক সমিতিৰ শপত গ্ৰহণ অনুষ্ঠান আৰু কাৰ্যকৰী সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ২৫ ছেপ্টেম্বৰ ঃ** বিহু কৃষ্টি পৰিষদ, অসমৰ শিৱসাগৰ জিলা সমিতি উদ্যোগত শনিবাৰে দিনৰ ১১ বজাত শিৱসাগৰ পৌৰসভা কাৰ্যলয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক গাম্ভীৰ্যপুৰ্ণ সভাত বিহু কৃষ্টি পৰিষদ, অসমৰ নতুন কাৰ্যনিৰ্বাহক সমিতিৰ শপত গ্ৰহণ অনুষ্ঠানৰ লগতে এখন কাৰ্যকৰী সভা অনুষ্ঠিত হৈ যায় । সভাত নৱগঠিত সমিতিক দায়িত্বভাৰ অৰ্পণ, সমিতি পূৰ্ণাঙ্গকৰণ, নৱ গঠিত সমিতিখনৰ শপত গ্ৰহণৰ লগতে আগন্তুক কেন্দ্ৰীয় পূৰ্ণকালীন অধিৱেশনৰ অভ্যৰ্থনা সমিতি গঠন সন্দৰ্ভত আলোচনা আৰু সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিহু কৃষ্টি পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ সাধাৰণ সম্পাদক যোগেন গগৈয়ে আঁতধৰা সভাখনত শিৱসাগৰ পৌৰসভাৰ পৌৰনেত্ৰী মৃণালিনী কোঁৱৰ, লিমাৰিক লেখক মিতালী শৰ্মা, সাংস্কৃতিক কৰ্মী বিষ্টি ৰাণী শইকীয়া বড়া, বিশিষ্ট সমাজকৰ্মী ব্ৰজেন ফুকন, বিহু কৃষ্টি পৰিষদৰ কেন্দ্ৰীয় উপ-সভানেত্ৰী শিখাপ্ৰিয়া গগৈ, কেন্দ্ৰীয় সাংগঠনিক সম্পাদক প্ৰৱীণ বৰুৱা, কেন্দ্ৰীয় কোষাধক্ষ্য যদুমণি দত্ত, শিৱসাগৰ জিলা সমিতিৰ প্ৰাক্তন সভাপতি হেমন্ত চাংমাই, প্ৰাক্তন সম্পাদক গোবিন গগৈৰ লগতে কেইবাগৰাকীও গণ্য-মাণ্য ব্যক্তিৰ উপস্থিতিত বিহু কৃষ্টি পৰিষদৰ শিৱসাগৰ জিলাৰ ৫১ জনীয়া নতুন কাৰ্যনিৰ্বাহক সমিতিখনৰ শপত গ্ৰহণৰ লগতে কাৰ্যকৰী সভাখন অনুষ্ঠিত হয়।

## লেহোৰাম বড়ো সোঁৱৰণী প্ৰাইজমানী ফুটবলত দ্বাৰকুছি চূড়ান্ত বিজয়ী

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, তামুলপুৰ, ২৫ ছেপ্টেম্বৰ ঃ** তামুলপুৰ জিলা ইউপিপিএলৰ যুৱ শাখাৰ উদ্যোগত আৰু গয়বাৰী শাখা যুৱ ইউপিপিএলৰ সহযোগত অনুষ্ঠিত তামুলপুৰৰ প্ৰাক্তন বিধায়ক প্ৰয়াত লেহোৰাম বড়ো সোঁৱৰণী প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাত দ্বাৰকুছি প্ৰাথমিক ইউপিপিএল দলে চূড়ান্ত বিজয়ীৰ খিতাপ লাভ কৰে। আজি আবেলি দ্বাৰকুছি উচ্চ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত তীব্ৰ উত্তেজনাপূৰ্ণ চূড়ান্ত খেলখনত দ্বাৰকুছি প্ৰাথমিক ইউপিপিএল দলে বাৰেইগাঁও প্ৰাথমিক দলক ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ী হয়। তামুলপুৰৰ বিধায়ক জলেন দৈমাৰীয়ে মুকলি কৰা চূড়ান্ত খেলৰ বিজয়ী আৰু বিজিত দলৰ মাজক বঁটা বিতৰণ কৰে কেন্দ্ৰীয় যুৱ ইউপিপিএলৰ সাধাৰণ সম্পাদক ৰোমিত নাৰ্জাৰী আৰু তামুলপুৰ জিলা যুৱ ইউপিপিএলৰ সম্পাদক উৎপল তালুকদাৰে।

## লোহাৰকাঠা যুৱক সংঘ ছেমিফাইনেলত

**অগ্ৰদূত বাৰ্তা, বাহাৰঘাট, ২৫ ছেপ্টেম্বৰ ঃ** বৰভাগ ইউনাইটেড স্পৰ্টছ ক্লাবৰ উদ্যোগত আয়োজিত ডাঃ ৰামদত্ত বুজৰবৰুৱা আৰু ভূপেন শৰ্মা সোঁৱৰণী চলন্ত ট্ৰফী প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ আজিৰ দ্বিতীয় খন কোৱাৰ্টাৰ ফাইনেল ওদালগুৰি ক্ৰীড়া সংঘ আৰু লোহাৰকাঠা যুৱক সংঘৰ মাজত অনুষ্ঠিত হয়। খেলখনত লোহাৰকাঠা যুৱক সংঘই ওদালগুৰি ক্ৰীড়া সংঘক ২-০ গলত পৰাস্ত কৰি বিজয়ী হয়। খেলখন পৰিচালনা কৰে ৰেফাৰী জিতু আলিয়ে। লাইনত সহায় কৰে কংকন শৰ্মা আৰু ময়দুল আলিয়ে।



## ৰাষ্ট্ৰীয় ক্ৰীড়াত নেখেলে লাভলীনাই, অসম দলত ভাগ্যৱতী কছাৰী

**গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** অলিম্পিক পদকজয়ী এথলীট নীৰজ চোপ্ৰা, মহিলা শ্বাটলাৰ পি ভি সিন্ধু, মল্লযোদ্ধা বজৰং পুনিয়াৰ পাছত মহিলা বক্সাৰ লাভলীনা বৰগোঁহায়েও আসন্ন গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ লোৱাৰ পৰা বিৰত থাকিব। উল্লেখ্য যে আঘাতৰ বাবে ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত নেখেলাৰ সিদ্ধান্ত লৈছে অসম কন্যা লাভলীনাই। অসমৰ প্ৰথম গৰাকী অলিম্পিক পদকজয়ী তথা খেলৰত্ন সন্মান লাভ কৰা ক্ৰীড়াবিদ লাভলীনাৰ এই সিদ্ধান্তৰ পাছতে তেওঁৰ স্থানত অসম বক্সিং দলত অন্তৰ্ভুক্ত কৰা হৈছে ভাগ্যৱতী কছাৰীক। এতিয়া আসন্ন গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত লাভলীনাৰ স্থানত মহিলাৰ ৭৫ কিলোগ্ৰাম শাখাত খেলিব ভাগ্যৱতীয়ে। ইফালে, মহিলাৰ ৫২ কিলোগ্ৰাম শাখাত অসমৰ হৈ মঞ্জু বসুমতাৰীয়ে খেলাৰ বিপৰীতে ৫৪ কিলোগ্ৰাম শাখাত খেলিব বিশ্ব চেম্পিয়নশ্বিপৰ ব্ৰঞ্জজয়ী যমুনা বড়োৱে। ফাইলাও বসুমতাৰীয়ে মহিলাৰ ৬০ কিলোগ্ৰাম শাখাত খেলাৰ বিপৰীতে ৬৬ কিলোগ্ৰাম শাখাত অংশ ল'ব অংকুশিতা বড়োই। ইফালে, দুবাৰকৈ অলিম্পিক খেলা অসমৰ শিৱ থাপাই আসন্ন গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ লোৱাটো নিশ্চিত হৈছে।

### গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়া ঃ আহমেদাবাদত উপস্থিত অসমৰ দলৰ চিফ-ডি-মিছন

## আজি প্ৰথমটো দলৰূপে ৰাওনা হ'ব অসমৰ লন বল-চাইক্লিং দল

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** আসন্ন গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ লোৱাৰ বাবে অসমৰ প্ৰথমটো খেলুৱৈৰ দল কাইলৈ পুৱা গুৱাহাটীৰ পৰা ৰাওনা হ'ব। অসম অলিম্পিক সংস্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে জনোৱা অনুসৰি কাইলৈ লন বল আৰু চাইক্লিঙৰ দল দুটা গুৱাহাটীৰ পৰা যাব। অৱশ্যে আজি অসম দলৰ চিফ-ডি-মিছন ৰাজ কাকতিৰ নেতৃত্বত এটা চাৰিজনীয়া বিষয়াৰ দল গুজৰাটলৈ ৰাওনা হৈছে। অসমৰ দলৰ থকা-খোৱা আৰু অনুশীলনসহ অন্য ব্যৱস্থাসমুহ যাতে সুচাৰু ৰূপত হয় তাৰ বাবেই আজি চিফ-ডি-মিছন কাকতিৰ নেতৃত্বত চাৰিজনীয়া বিষয়াৰ দলটো প্ৰেৰণ কৰিছে অসম অলিম্পিক সংস্থাই। উল্লেখ্য যে তিনি মাহৰ ভিতৰতে গুজৰাট অলিম্পিক সংস্থাই ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া আয়োজনৰ দায়িত্ব হৈ প্ৰস্তুতি কৰিছে। এইবাৰ খেলুৱৈ-বিষয়াৰ বাবে কোনো গেমছ ভিলেজ নাথাকে। হোটেলতে ৰখা হ'ব খেলুৱৈক। গেমছৰ পূৰ্বে সকলো ৰাজ্যৰ চিফ-ডি-মিছনৰ সভাও হোৱা নাই। সেয়েহে প্ৰস্তুতিত স্বাভাৱিকতে আখোৱাহ থাকিব পাৰে। কিন্তু অসমৰ খেলুৱৈয়ে যাতে বিমান বন্দৰত অৱতৰণ কৰাৰ পৰাই খেল সমাপ্ত কৰি ঘৰলৈ উভতি অহালৈকে কোনো অসুবিধাৰ সন্মুখীন নহয় তাৰ ওপৰত দৃষ্টি ৰাখিছে অসম অলিম্পিক সংস্থাই। ইতিমধ্যে এই বিষয়ে অসম অলিম্পিক সন্থাৰ সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আন্তৰিকতাৰে সহযোগিতা আৰু দৃষ্টি ৰখা বুলিও কয় অসম অলিম্পিক সংস্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে। কাইলৈ গুৱাহাটীৰ পৰা ৰাওনা হ'ব লগা ১৪ জনীয়া অসম ল'ন বল দলত বাৰ্মিংহাম কমনৱেলথ গেমছত ঐতিহাসিক সোণ লাভ কৰি দেশক গৌৰৱ দিয়া অসম জননীৰ কন্যা নয়নমণি শইকীয়াও আছে। লগত আছে বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা তানিয়া চৌধুৰী আৰু মৃদুল বৰগোহাঁই। ইফালে, ছজনীয়া অসম চাইক্লিং দলত আছে এছিয়ান চেম্পিয়নশ্বিপত পদক লাভ কৰি ইতিহাস গঢ়া চয়নিকা গগৈ। উল্লেখ্য যে ৩৬ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ চাইক্লিং ইভেণ্ট অনুষ্ঠিত হ'ব নতুন দিল্লীত।

## চতিয়াত ফুটবল প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তা ক্ৰীড়া প্ৰতিনিধি, চতিয়া, ২৫ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ জিলাৰ উত্তৰ চতিয়াৰ ঘিলাধাৰী চাহ বাগিচাৰ ইয়ংষ্টাৰ ক্লাবৰ উদ্যোগত আৰু ঘিলাধাৰী চাহ শ্ৰমিকৰ সহযোগত প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা ঘিলাধাৰী চাহ বাগিচা আৰু বিহালী বৰাজুলি ফুটবল দলৰ মাজত অনুষ্ঠিত হয়। ফুটবল খেলৰ বিশিষ্ট অতিথিসকল আছিল অসম চৰকাৰৰ মন্ত্ৰী গৰুখুঁটি প্ৰকল্পৰ অধ্যক্ষ তথা চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকা, বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মা, বিশ্বনাথ জিলা ক্ৰীড়া ভাৰতীৰ সভাপতি বানেশ্বৰ বৰা, দলংগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ নিৰঞ্জন শইকীয়া, বিশ্বনাথ বাণিজ্য মহাবিদ্যালয়ৰ প্ৰবক্তা গৌতম গুৱালা, কৃতী শিক্ষকৰ বঁটা লাভ কৰা শিক্ষক, সমাজ সেৱক অৰুণ বৰদলৈ, মাজুলীগড় চাহ বাগিচাৰ প্ৰধান পৰিচালক তৰুণ চান্দা, ঘিলাধাৰী চাহ বাগিচাৰ পৰিচালক হেমচন্দ্ৰ গগৈ, অৱসৰপ্ৰাপ্ত অধ্যক্ষ জগানন্দ কুৰ্মী, নাগশংকৰ জিলা পৰিষদৰ সদস্য হিতেশ বৰুৱা, চতিয়া জিলা পৰিষদৰ সদস্যা ধনদা গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজ সেৱক প্ৰদীপ বৰুৱাৰ লগতে বহুকেইজন বিশিষ্ট। চূড়ান্ত বিজয়ী বৰাজুলি দলক জখু চাহ সোঁৱৰণী ট্ৰফী, ঘিলাধাৰী চাহ বাগিচাক ত্ৰিনাথ বাউৰী সোঁৱৰণী ট্ৰফী আৰু পাপু পানতাঁতী সোঁৱৰণী চলন্ত ট্ৰফী, ঘিলাধাৰী দলৰ মন্টু ভূএগুক শ্ৰেষ্ঠ গ'লকীপাৰৰ ট্ৰফী আৰু নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হয়। আজিৰ সভাতেই বিধায়ক প্ৰমোদ বৰঠাকুৰে শ্যাম কুমাৰ নাগৰ এটি গীত শুভ উন্মোচন কৰে। উমেশ পানতাঁতীক সভাপতি আৰু দাদুল পানতাঁতীক সম্পাদক হিচাপে লৈ এখন ৩১জনীয়া সমিতি গঠন কৰা হয়। খেল পৰিচালনা কৰে শ্যাম কুমাৰ নাগ আৰু শত্ৰুঘ্ন নাগে। চূড়ান্ত খেলত কে'বাহাজাৰো দৰ্শক খেলপ্ৰেমী ৰাইজ উপস্থিত আছিল।



ভাৰত-দক্ষিণ আফ্ৰিকাৰ মাজত অনুষ্ঠিত হ'বলগীয়া টি-২০ খেলৰ বাবে টিকট ক্ৰয় কৰাৰ পিছত ক্ৰিকেটপ্ৰেমী

## যোগীঘোপাৰ চলন্তাপাৰাত মহিলা ফুটবল খেল

**দৈনন্দিন বাৰ্তা ক্ৰীড়া প্ৰতিনিধি, যোগীঘোপা, ২৫ ছেপ্টেম্বৰ ঃ** চলন্তাপাৰা আঞ্চলিক ক্ৰীড়া সংঘৰ উদ্যোগত চলন্তাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আৰম্ভ হোৱা ফুটবল প্ৰতিযোগিতাখনৰ আজি প্ৰদৰ্শনীমূলক মহিলা ফুটবল খেল এখনৰ আয়োজন কৰে। স্বাধীনতাৰ মুক্তিযুঁজাৰু হৰেন্দ্ৰ চন্দ্ৰ কলিতা সোঁৱৰণী ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ এই প্ৰদৰ্শনীমূলক মহিলা ফুটবল খেলখন চাই ইকো স্পৰ্টছ ক্লাব কোকৰাঝাৰ আৰু চুবুৰীয়া ৰাজ্য মেঘালয়ৰ তুৰা ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হয়। মহিলা ফুটবল খেলখনত তুৰা ফুটবল ক্লাবৰ দলটিয়ে চাই ইকো স্পৰ্টছ ক্লাব দলটিক পৰাজিত কৰে। নিৰ্ধাৰিত সময় পাৰ হোৱাৰ পিছত ১-১ গ'লত খেলখন অমীমাংসিত হোৱাত টাইব্ৰেকাৰত তুৰা ফুটবল ক্লাব, মেঘালয়ে জয়লাভ কৰে। অসংখ্য দৰ্শকৰ উপস্থিতিত অনুষ্ঠিত খেলখন অধিক ৰোমাঞ্চকৰ হৈ পৰে। অহা মঙলবাৰে প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱাটাৰ ফাইনেল খেলত বসনগাঁও স্পৰ্টছ একাডেমীয়ে বঙাইগাঁও ইলেভেন ষ্টাৰৰ মুখামুখি হ'ব।

### ২৫সংখ্যক বড়োলেণ্ড গেলেণ্টছ গ'ল্ড কাপ ফুটবল টুৰ্নামেণ্টৰ চূড়ান্ত খেলত মণিপুৰট্ৰাউ এফচি দল চূড়ান্ত বিজয়ী

## ১-০ গ'লৰ ব্যৱধানত কলকাতা ৰে'লৱে এফচি পৰাস্ত



**দৈনন্দিন বাৰ্তা ক্ৰীড়া প্ৰতিনিধি, খৈৰাবাৰী, ভেৰগাঁও, ২৫ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ ডিমাকুছি আঞ্চলিক এবছু আৰু ডিমাকুছি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত ৰূপালী জয়ন্তী বৰ্ষ গৰকা বড়োলেণ্ড গেলেন্টছ গল্ডকাপ ফুটবল টুৰ্নামেন্টৰ আজি অনুষ্ঠিত হোৱা চূড়ান্ত খেলত মণিপুৰ ট্ৰাউ এফচি দলে খেলৰ ৬৪ মিনিটত বাৰ্ডিংদাউ বড়োৰ একমাত্ৰ গ'লটোৰে কলকাতা ৰে'লৱে এফচিক পৰাজিত কৰি চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে শুভাৰম্ভ কৰা চূড়ান্ত খেলত মণিপুৰট্ৰাউ এফচি দল আৰু কলকাতা ৰে'লৱে এফচিৰ মাজত অনুষ্ঠিত হয়। কে'বা হাজাৰ দৰ্শকে উপভোগ কৰা তীব্ৰ উত্তেজনাপূৰ্ণ খেলখনত ৬৪ মিনিটত মণিপুৰ দলৰ দলপতি বৰিংদাউ বড়োৱে একমাত্ৰ গ'লটিৰে কলকাতা ৰে'লৱে এফচি দলক পৰাস্ত কৰি মণিপুৰ ট্ৰাউ এফ চি দলে নগদ এক লাখ টকাসহ ২৫সংখ্যক বড়োলেণ্ড গেলেণ্ট গ'ল্ডকাপ ফুটবল টুৰ্নামেণ্ট ২০২২ৰ চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰে। বিজিত কলকাতা ৰে'লৱে এফচি দলে ৫০ হাজাৰ টকাসহ ৰানাৰ্ছআপ খিতাপ লাভ কৰে। চূড়ান্ত খেলখনত মণিপুৰ দলৰ ক্ৰমে উইলিয়াম গ্ৰেড'ই শ্ৰেষ্ঠ খেলুৱৈ, ইমাৰ্জিং প্লেয়াৰ ৰিচি ৰয়, টুৰ্নামেণ্টৰ শ্ৰেষ্ঠ গ'লদাতা হিৰ' অৱ দ্য টুৰ্নামেণ্টৰ বঁটা লাভ কৰে মণিপুৰৰ ব'ৰিংদ' ব'ড', কলকাতাৰ দীপাঞ্জল দেৱনাথে টুৰ্নামেণ্টৰ শ্ৰেষ্ঠ গ'লৰক্ষকৰ বঁটা লাভ কৰে। খেলখনত বহিঃৰাষ্ট্ৰ ভূটানৰ প্ৰতিনিধিৰ উপৰি সাংসদ দিলীপ শইকীয়া, বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী গোবিন্দ বসুমতাৰী, বিটিচিৰ কাৰ্যবাহী সদস্য দাউবৈছা বড়ো, ৰাকেশ বড়ো, এবছুৰ কেন্দ্ৰীয় সভাপতি দীপেন বড়ো, বড়ো সাহিত্য সাহিত্য সভাৰ সম্পাদক প্ৰশান্ত বড়ো, ভূটানৰ প্ৰশাসনিক বিষয়া প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

### দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতা

### দুদিনীয়া ৰাষ্ট্ৰীয় ৰেফাৰীৰ প্ৰশিক্ষণ পাঠ্যক্ৰমৰ সফল সামৰণি

## গুৱাহাটীত উপস্থিত ভাৰতৰ লগতে শ্ৰীলংকা, নেপাল, ভূটানৰ শ্বাটলাৰ

### আজি আহিব বাংলাদেশ-মালদ্বীপৰ ল'ৰা-ছোৱালীৰ দল

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** অসম বেডমিণ্টন সন্থাৰ উদ্যোগত অহা ২৬-৩০ ছেপ্টেম্বৰলৈ গুৱাহাটীত অনুষ্ঠিত হ'ব লগা দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাৰ বাবে আজি আহি মহানগৰীত উপস্থিত হৈছে ভাৰতীয় দলৰ লগতে তিনিটা বিদেশী ৰাষ্ট্ৰৰ দল। অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰছিদে জনোৱা অনুসৰি ইতিমধ্যে ১০ জনীয়া ভাৰতীয় দলটোৰ লগতে গুৱাহাটীত অৱতৰণ কৰিছে নেপাল, ভূটান, শ্ৰীলংকাৰ ল'ৰা-ছোৱালীৰ দলে। কাইলৈ পুৱা গুৱাহাটী আহি পাব বাংলাদেশ আৰু মালদ্বীপৰ শ্বাটলাৰসকল। উল্লেখ্য যে কৰ'না মহামাৰীৰ পাছত এইখনেই হ'ব অসমত হোৱা প্ৰথম আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতা। ইতিমধ্যে অসম বেডমিণ্টন সন্থাই প্ৰতিযোগিতাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। উল্লেখ্য যে ভাৰতসহ ছখন দেশে অংশ ল'ব লগা ১৫ আৰু ১৭ বছৰ অনূৰ্ধ্বৰ ল'ৰা-ছোৱালীৰ উক্ত প্ৰতিযোগিতাৰ মেচ গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণ ৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। অসম বেডমিণ্টন সন্থাৰ সম্পাদক ওমৰ ৰছিদে জনোৱা অনুসৰি ইতিমধ্যে মেচৰ বাবে চাৰিখন ক'ৰ্ট সাজু কৰি তোলা হৈছে। পাঁচ দিনীয়া প্ৰতিযোগিতাখনত ১৫ আৰু ১৭ বছৰ অনূৰ্ধ্বৰ মিক্সড দলীয় ইভেণ্টৰ খেল হোৱাৰ লগতে ল'ৰা-ছোৱালী উভয় শাখাৰে একক, ডাবলছ আৰু মিক্সড ডাবলছ শাখাৰ খেল অনুষ্ঠিত হ'ব। উল্লেখ্য যে তৃতীয়বাৰৰ বাবে গুৱাহাটীত অনুষ্ঠিত হ'ব দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতা। ইয়াৰপূৰ্বে অসম বেডমিণ্টন সন্থাই দুবাৰকৈ এই মাণ্ডলিক আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতাখন সফলতাৰে আয়োজন কৰিবলৈ সক্ষম হৈছিল। ইফালে যোৱা দুদিন ধৰি গুৱাহাটীত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় ৰেফাৰীৰ প্ৰশিক্ষণ পাঠ্যক্ৰমৰ আজি সফল সামৰণি পৰে। উল্লেখ্য যে অসম বেডমিণ্টন সন্থাৰ উদ্যোগত প্ৰথমবাৰৰ বাবে আয়োজন কৰা কৰা এই প্ৰশিক্ষণত মালয়েছিয়াৰ লিনা না য়াউ নিয়ন্ত্ৰক হিচাপে আছিল।

## জি এছ এ ফুটবল লীগত পুলিচ-ফ্ৰন্টিয়াৰৰ জয়লাভ

**গুৱাহাটী, ২৪ ছেপ্টেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ আৰ জি বৰুৱা ছুপাৰ ডিভিজন ফুটবল লীগত অসম পুলিচ ক্লজে আজি এফ চি গ্ৰীণ ভেলীক ৩-০ গ'লত পৰাস্ত কৰে । যোগেন মেচে ১৭ মিনিটত প্ৰথমে গ'ল দি পুলিচক অগ্ৰগতি দিয়ে । ৰাকেশ দাসে ৪৬ মিনিটত আন এটা গ'ল দি ব্যৱধান বৃদ্ধি কৰে আৰু ৯০ মিনিটত তেওঁ নিজৰ দ্বিতীয়টো গ'ল দি লীগত পুলিচৰ প্ৰথম তিনি পইন্ট নিশ্চিত কৰে । আনহাতে লীগত এয়া গ্ৰীণভেলীৰ ক্ৰমাগত দ্বিতীয় পৰাজয় । ইফালে, জীৱেশ্বৰ গোস্বামী এ ডিভিজন ফুটবল লীগত আজি ফ্ৰন্টিয়াৰ ক্লাবে মেট্ৰ' এছ চিক ৪-১ গ'লত পৰাস্ত কৰে । অজয় ৰাভাই দুটা (৪ , ১৫) আৰু সৌভাগ্য নায়কে দুটা (১০ , ১৭) গ'ল দিয়ে । মেট্ৰ' এছচিৰ হৈ ৰুদ্ৰেশ্বৰ থাপাই এটা গ'ল পৰিশোধ কৰে । কাইলৈ ছুপাৰ ডিভিজনত এএছইবিয়ে গুৱাহাটী টাউন ক্লাবৰ বিৰুদ্ধে আৰু এ ডিভিজনত ডাইনামো ক্লাবে নাৰেংগী এছচিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।

## ৰাষ্ট্ৰীয় ক্ৰীড়াত স্বৰ্ণ জয়ৰ হেটট্ৰিকৰ লক্ষ্যৰে আহমেদাবাদলৈ নয়নমণি

**গুৱাহাটী, ২৫ ছেপ্টেম্বৰ ঃ** আসন্ন গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত স্বৰ্ণ জয়ৰ হেটট্ৰিক অৰ্জন কৰাৰ লক্ষ্যৰে আজি গুৱাহাটীৰ পৰা আহমেদাবাদলৈ উৰা মাৰিছে ভাৰত গৌৰৱ ক্ৰীড়াবিদ অসম জননীৰ সুযোগ্য কন্যা নয়নমণি শইকীয়া। উল্লেখ্য যে বাৰ্মিংহাম কমনৱেল্থ গেমছত ঐতিহাসিক সোণ লাভ কৰি দেশক গৌৰৱান্বিত কৰা ল'নবল খেলুৱৈ নয়নমণিয়ে ক্ৰমাগত তৃতীয়খন ৰাষ্ট্ৰীয় ক্ৰীড়া খেলিব অসমক প্ৰতিনিধিত্ব কৰি। ইয়াৰপূৰ্বে ২০১১ত ঝাৰখণ্ড আৰু ২০১৫ৰ কেৰালা ৰাষ্ট্ৰীয় ক্ৰীড়াতো অংশ লৈছিল নয়নমণিয়ে। পূৰ্বৰ দুয়োখন ৰাষ্ট্ৰীয় ক্ৰীড়াতে অসমক সোণৰ পদক দি গৌৰৱময় সফলতা লাভ কৰা নয়নমণিৰ লক্ষ্য এইবাৰ গুজৰাটতো সোণ জয় কৰি হেটট্ৰিক অৰ্জন কৰা। ল'নবলত অসম দলে ভাল প্ৰদৰ্শন কৰিব বুলিও দৃঢ়তাৰে ব্যক্ত কৰে নয়নমণিয়ে। উল্লেখ্য যে আজি গুৱাহাটীৰ বৰঝাৰ বিমান বন্দৰৰ পৰা ৰাওনা হোৱা ১৪জনীয়া অসম ল'নবল দলত নয়নমণিৰ লগতে আছে বাৰ্মিংহাম কমনৱেল্থ গেমছত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰা তানিয়া চৌধুৰী আৰু মৃদুল বৰগোহাঁয়ো। ইফালে, ৰাষ্ট্ৰীয় ক্ৰীড়ালৈ প্ৰথমবাৰৰ বাবে অসমৰ খেলুৱৈক বিমানযোগে অহা-যোৱা কৰাৰ যি সুবিধা ৰাজ্য চৰকাৰ আৰু অসম অলিম্পিক সন্থাই দিছে তাৰ বাবে চৰকাৰ আৰু অলিম্পিক সন্থাক ধন্যবাদ জনাইছে নয়নমণিয়ে। 'এয়া প্ৰথমবাৰৰ বাবে হৈছে। পূৰ্বে দুখন ৰাষ্ট্ৰীয় ক্ৰীড়াত খেলাৰ সময়ত আমি ৰে'লযোগে অহা-যোৱা কৰিছিলোঁ। যাত্ৰা অতিশয় কষ্টকৰ হৈছিল। কিন্তু অসমৰ খেলুৱৈক প্ৰথমবাৰৰ বাবে আন্তৰ্জাতিক সুবিধা প্ৰদান কৰিলে বৰ্তমানৰ ৰাজ্য চৰকাৰ আৰু অসম অলিম্পিক সন্থাই। স্বাভাৱিকতে এয়া খেলুৱৈৰ প্ৰতি অভাৱনীয় মৰম। অসমত এতিয়া খেলৰ পৰিৱেশে সলনি হৈ গৈছে। ৰাজ্য চৰকাৰ আৰু অসম অলিম্পিক সন্থাই যি আদৰণীয় ব্যৱস্থা হাতত লৈছে ইয়াৰ ইতিবাচক প্ৰভাৱ ক্ৰীড়াজগত পৰিব আৰু সমগ্ৰ ৰাজ্যৰ পৰাই নতুন প্ৰতিভা ওলাই আহিব ৰাজ্য আৰু দেশৰ হৈ খেলিবৰ বাবে।' নয়নমণিয়ে ব্যক্ত কৰে। উল্লেখ্য যে ৩৬সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমে ল'নবলৰে নিজৰ অভিযান আৰম্ভ কৰিব। ইফালে, আহমেদাবাদত উপস্থিত হোৱা অসম দলৰ চিফ-দ্য-মিছন ৰাজ কাকতিয়ে দলৰ অন্য সদস্যৰ স'তে খেলুৱৈ থকা হোটেল, খেলপথাৰ, অনুশীলনস্থলী সকলো পৰ্যবেক্ষণ কৰাৰ লগতে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ বিষয়াৰ লগত সভাত বহি অসম দলৰ সুব্যৱস্থাৰ বিষয়টো আলোচনা কৰে।

## পণ্ডিত দীন দয়াল উপাধ্যায়ৰ ফুটবল আৰম্ভ

**অগ্ৰদুত বাৰ্তা, শিঙৰী, ২৫ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলাৰ বৰছলা সমষ্টিৰ নতুন শিঙৰী অৱস্থিত গুপ্তেশ্বৰ মিনি ষ্টেডিয়ামত বৰছলাৰ বিধায়ক গণেশ লিম্বুৰ উদ্যোগত আৰু বিজেপিৰ বৰছলা মণ্ডল অনুসূচিত জনজাতি মৰ্চাৰ সহযোগত পণ্ডিত দীন দয়াল উপাধ্যায়ৰ সোঁৱৰণি ফুটবল প্ৰতিযোগিতা আৰম্ভ হৈছে। উদ্বোধনী খেলত ঢেকীয়াজুলি ইয়ং ষ্টাৰ ফুটবল দলে ৰামপুখুৰী ফুটবল দলৰ বিৰুদ্ধে ৪-০ গ'লত জয়লাভ কৰে। উদ্বোধনী খেলৰ পূৰ্বে বিজেপিৰ বৰছলা মণ্ডল কমিটি আৰু বিহগুৰি মণ্ডল কমিটিৰ বিষয়ববীয়াসকলে প্ৰীতি খেল খেলে।

## গুৱাহাটী ৰিফাইনেৰীৰ দ্বাৰা লক্ষ্য-ইণ্ডিয়ান অইল এথলেটিকছ মীট ২০২২ৰ প্ৰথম সংস্কৰণৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ২৫ ছেপ্টেম্বৰ ঃ** লক্ষ্য ইণ্ডিয়ান অইল এথলেটিকছ মীটৰ প্ৰথম সংস্কৰণ ২৬-২৭ ছেপ্টেম্বৰত গুৱাহাটীৰ সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ইণ্ডিয়ান অইলৰ গুৱাহাটী শোধনাগাৰে আয়োজন কৰা এই এথলেটিকছ মীটখন মুকলি ঘোষণা কৰিব ইণ্ডিয়ান অইলৰ অধ্যক্ষ শ্ৰীকান্ত মাধৱ বৈদ্যই। এই দুদিনীয়া এথলেটিকছ মীটখনত শোধনাগাৰ, বিপণন, পাইপলাইন আৰু গৱেষণা আৰু উন্নয়ন সামৰি ইণ্ডিয়ান অইলৰ বিভিন্ন বিভাগৰ দলসমূহে অংশগ্ৰহণ কৰিব। ২৬ ছেপ্টেম্বৰৰ পৰা কামাখ্যা মন্দিৰত ইণ্ডিয়ান অইল এথলেটিকছ মীট টৰ্চ ৰেলীৰ আনুষ্ঠানিক পতাকা উত্তোলনেৰে ইণ্ডিয়ান অইলৰ সঞ্চালক ( মানৱ সম্পদ) ৰঞ্জন কুমাৰ মহাপাত্ৰই শুভাৰম্ভ কৰিব। ২৭ ছেপ্টেম্বৰত অনুষ্ঠিত হ'বলগীয়া এথলেটিকছ মীটৰ সামৰণী অনুষ্ঠানত ইণ্ডিয়ান অইলৰ সঞ্চালিকা (শোধনাগাৰ) সুক্লা মিষ্ট্ৰীয়ে অংশগ্ৰহণ কৰিব। মুঠ ২৭টা অংশগ্ৰহণকাৰী দল আৰু ৩৮৪ খেলুৱৈৰ সৈতে এই মীটত ১৭ টা ইভেন্ট থাকিব য'ত ১৫০০ মিটাৰ, ১০০ মিটাৰ, ২০০ মিটাৰ, ৪০০ মিটাৰ ৮০০ মিটাৰ ট্ৰেক ইভেন্ট, হাই জাম্প, টপুট, ট্ৰিপল জাম্প, লং জাম্প আৰু ডিচকাছ থ্ৰ' অন্তৰ্ভুক্ত হৈ থাকিব। খেলুৱৈসকলে পুৰুষ, মহিলা, প্ৰবীণ (পুৰুষ) আৰু প্ৰবীণ (মহিলা) আদি ৪টা শাখাত অংশগ্ৰহণ কৰিব। সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ইণ্ডিয়ান অইল এথলেটিকছ মীট ২০২২ আয়োজনত গুৱাহাটী শোধনাগাৰক অসম এথলেটিক এছ'চিয়েচন, গুৱাহাটীয়ে কাৰিকৰী আৰু অন্যান্য সংশ্লিষ্ট সহায় আগবঢ়াই আহিছে। ইণ্ডিয়ান অইল আৰু ক্ৰীড়া যোৱা ৩ দশক ধৰি ইণ্ডিয়ান অইলে

IndianOil Athletics Meet
Guwahati - 2022

কেৱল দেশৰ ভিতৰতে নহয় আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো বিভিন্ন আঁচনিৰ জৰিয়তে ক্ৰীড়াক সক্ৰিয়ভাৱে প্ৰচাৰ কৰি আহিছে যেনে ক্ৰীড়াবিদ নিয়োগ কৰা, উদীয়মান ক্ৰীড়াবিদসকলক ক্ৰীড়া বৃত্তি প্ৰদান কৰা, গ্ৰাম্য বিদ্যালয়ৰ শিশুসকলক সঁজুলি আৰু ক্ৰীড়া কিটৰ ব্যৱস্থা কৰা আৰু ডাঙৰ ডাঙৰ ক্ৰীড়া অনুষ্ঠানৰ পৃষ্ঠপোষকতা কৰা। ক্ৰীড়াৰ প্ৰসাৰৰ বাবে সংগঠনটোৱে বিগত তিনি বছৰত প্ৰায় ১৯০ কোটি টকা ব্যয় কৰিছে, যাৰ ভিতৰত আছে নিযুক্তি, বৃত্তি, বঁটা, ইনচেন্টিভ, ক্ৰীড়া অনুষ্ঠানৰ আয়োজন, ক্ৰীড়া প্ৰতিযোগিতাৰ পৃষ্ঠপোষকতা, ক্ৰীড়া আন্তঃগাঁথনিৰ বিকাশ, প্ৰতিষ্ঠিত ক্ৰীড়া একাডেমীসমূহক সহায় কৰা ইত্যাদি। ইণ্ডিয়ান অইলক সন্মানীয় 'ৰাষ্ট্ৰীয় খেল প্ৰৌতশাহন পুৰস্কাৰ ২০২১' প্ৰদান কৰি নিগমটোৰ উল্লেখযোগ্য ক্ৰীড়া অৱদানক সৰ্বোচ্চ পৰ্যায়ত স্বীকৃতি দিয়া হৈছিল। ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি। মহোদয়ে ইণ্ডিয়ান অইলৰ অধ্যক্ষ শ্ৰীকান্ত মাধৱ বৈদ্যক বিশেষ বঁটা প্ৰদান কৰিছিল। ইণ্ডিয়ান অইলে ক্ৰীড়া প্ৰচাৰৰ বাবে 'বেষ্ট কৰ্প'ৰেট পিএমইউৰ অধীনত 'স্পৰ্টছ'মান এচেছ এৱাৰ্ড ২০২২' ও লাভ কৰে। ইণ্ডিযান অইলৰ ক্ৰীড়া আগ্ৰাসনসমূহ এক ব্যাপক ক্ৰীড়া নীতিৰ দ্বাৰা পৰিচালিত হয় যাৰ লক্ষ্য হৈছে। ভাৰতৰ ক্ৰীড়া সংস্কৃতিক পুনৰ গঢ় দিয়া আৰু একাধিক শাখাত ক্ৰীড়াৰ ক্ষেত্ৰত জাতিটোক এক শক্তিশালী কেন্দ্ৰ ৰূপে গঢ়ি তোলা। ১৫০ তকৈ অধিক সক্ৰিয় খেলুৱৈৰ অন্তৰ্ভুক্তিৰে ইণ্ডিয়ান অইলে শুটিং, আৰ্চাৰী, এথলেটিকছ আদিৰ দৰে খেলত খেলুৱৈসকলক সংযোজিত কৰাৰ মিছনৰ দ্বাৰা বহুতো ক্ৰীড়াবিদক সহায় কৰি আহিছে, আৰু মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি অলিম্পিক ক্ৰীড়ালৈ সমৰ্থন আগবঢ়াইছে। ২০২০-২১ বৰ্ষৰ ভিতৰত ইণ্ডিযান অইলে যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ সৈতে সহযোগিতা কৰি ক্ৰীড়াক নিজৰ কেৰিয়াৰ হিচাপে ল'ব বিচৰা কিশোৰীসকলক সৰ্বাংগীণ সহায় আগবঢ়ায়। এই প্ৰচেষ্টাক "ইণ্ডিযান অইল শক্তি" বুলি অভিহিত কৰি ইণ্ডিযান অইলে এই প্ৰকল্প প্ৰায় ৭ কোটি টকা বিনিয়োগ কৰিছে। ক্ৰীড়া প্ৰসাৰৰ বাবে ইণ্ডিয়ান অইলৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি গুৱাহাটী শোধনাগাৰে বছৰ বছৰ ধৰি, সমগ্ৰ অসম ৰাজ্যৰ বহুতো ক্ৰীড়া অনুষ্ঠানক সমৰ্থন কৰি আহিছে, বিভিন্ন ক্ৰীড়া অনুষ্ঠান আয়োজন কৰি আহিছে যেনে ৭৫সংখ্যক ছিনিয়ৰ নেচনেল একুৱাটিক চেম্পিয়নশ্বিপ, ২০২২; ভাৰতীয় উদ্যোগ কনফেডাৰেচনৰ গ্ৰীষ্মকালীন ফুটবল ২২; ৪৫ সংখ্যক অসম ৰাজ্যিক দলং চেম্পিয়নশ্বিপ ২০২২; ৪ৰ্থ অযোধনা আন্তঃৰাষ্ট্ৰীয় ফাইড ৰেটিং দবা প্ৰতিযোগিতা ইত্যাদি। ভেটেৰাণ ক্ৰিকেট এছ'চিয়েচন অৱ আছাম, অসম কিকবক্সিং এছ'চিয়েচন, চেছ প্লেয়াৰ্ঘ্য পেৰেণ্টছ ফ'ৰাম আদি বহু ক্ৰীড়া সংস্থালৈও সহায় আগবঢ়াই আহিছে।

### বকোৰ কাইঠপাৰাত প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ শুভাৰম্ভ

## আৰম্ভণি খেলত কাইঠপাৰা ফুটবল দল বনাম কৰকাপাৰা

**দৈনন্দিন বাৰ্তা ক্ৰীড়া প্ৰতিনিধি, বকো, ২৫ ছেপ্টেম্বৰ ঃ** গ্ৰামাঞ্চলত ক্ৰীড়া প্ৰতিভাক উজ্জীৱিত কৰিবলৈ কামৰূপ জিলাৰ বকোৰ কাইঠপাৰাত আয়োজন কৰি আহিছে প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা। কাইঠপাৰা ৰাজহুৱা খেলপথাৰত আজিৰ পৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা।



কাইঠপাৰা ধ্ৰুৱজ্যোতি যুৱক সংঘৰ উদ্যোগত আয়োজন কৰা হয় ফুটবল প্ৰতিযোগিতাখন। আজি অনুষ্ঠিত শুভাৰম্ভণিৰ খেলত প্ৰতিদ্বন্দ্বিতা কৰে কাইঠপাৰা ফুটবল দল বনাম কৰকাপাৰা ফুটবল দলে। ইফালে, কাইঠপাৰা ধ্ৰুৱজ্যোতি সংঘৰ সভাপতি জগন্নাথ ৰাভা, উপ-সভাপতি তপন দাস আৰু সম্পাদক নৱ কুমাৰ ৰাভাই জনোৱা মতে, আজি শুভাৰম্ভণিৰ খেলখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ তথা ৰাভা হাছং ক্ৰীড়া সন্থাৰ সভাপতি আদিত্য ৰাভাই। খেল উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ সুমিত ৰাভা, পৰিষদৰ সাধাৰণ পাৰিষদ তথা বকো ক্ৰীড়া সন্থাৰ সভাপতি অৰ্জুন চেত্ৰী, ৬৮নং উত্তৰ বকো গাঁও পঞ্চায়তৰ সভাপতি দেৱেন চন্দ্ৰ ৰাভা, বকোৰ যুৱ ক্ৰীড়া সংগঠক সঞ্জয় চৌধুৰীকে ধৰি বহুসংখ্যক বিশিষ্ট ক্ৰীড়া সংগঠক তথা অঞ্চলস্থ ৰাইজ। ইফালে, প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা পৰিচালনা সমিতিৰ সভাপতি ধৰণীধৰ ৰাভা আৰু সম্পাদক দিলীপ কলিতাই জনোৱা যে বহুকেইটা খেলুৱৈ দলে অংশগ্ৰহণ কৰিছে আৰু কাইলৈ জোঙাখুলী আৰু শান্তিপুৰ ফুটবল দলৰ মাজত খেল অনুষ্ঠিত হ'ব।

## ডিব্ৰুগড় মনোহৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ত 'জাতিৰ উত্তৰণত অসমীয়া নাৰীৰ ভূমিকা' শীৰ্ষক বক্তৃতানুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড়, ২৫ ছেপ্টেম্বৰ** ঃ ডিব্ৰুগড় জিলাৰ এখন আগশাৰীৰ উচ্চ শৈক্ষিক প্ৰতিষ্ঠান তথা একমাত্ৰ মহিলাৰ উচ্চশিক্ষানুষ্ঠান মনোহৰী দেৱী কানৈ মহাবিদ্যালয়ে ২০২২-২৩ বৰ্ষত হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপন কৰি আছে। হীৰক জয়ন্তী বৰ্ষ উদ্‌যাপনৰ লগত সংগতি ৰাখি কালি মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত বিয়লি 'জাতিৰ উত্তৰণত অসমীয়া নাৰীৰ ভূমিকা' শীৰ্ষক বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়খনৰ সহঃ অধ্যাপক দীপাংকৰ শৰ্মাই আঁত ধৰা উক্ত বক্তৃতানুষ্ঠানটিত মুখ্য বক্তা হিচাপে ৰাজ্যখনৰ এগৰাকী বিশিষ্ট লেখক, নিবন্ধকাৰ, চিন্তাবিদ তথা বুদ্ধিজীৱী ময়ূৰ বৰা উপস্থিত থাকে। প্ৰায় দুঘণ্টাজোৰাকৈ অনুষ্ঠিত হোৱা বক্তৃতানুষ্ঠানটিত ময়ূৰ বৰাই 'জাতিৰ উত্তৰণত অসমীয়া নাৰীৰ ভূমিকা' শীৰ্ষ বিষয়ৰ ওপৰত প্ৰদান কৰা বক্তব্যই মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগতে ছাত্ৰী সকলকো মন্ত্ৰমুগ্ধ কৰি তোলে। মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা মনোগ্ৰাহী বক্তব্য অনুষ্ঠানটিত মহাবিদ্যালয়খনৰ অধ্যক্ষা ড° নিবেদিতা ফুকন, উপাধ্যক্ষা অঞ্জু বৰাৰ লগতে মহাবিদ্যালয়খনৰ আন আন সহঃ অধ্যাপক-অধ্যাপিকাসকলৰ উপৰিও যুৱ সাংবাদিক সন্থা, অসমৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক কাঞ্চন কে গোহাঁয়ো উপস্থিত থাকে।



মৰিগাঁৱৰ নেহৰু যুৱ কেন্দ্ৰত অনুষ্ঠিত জিলা ভিত্তিক যুৱ উৎসৱৰ এটি মুহূৰ্ত

## ককিলা প্ৰাথমিক বিদ্যালয় ঃ শিক্ষাবিদ পুণ্যপ্ৰসাদ বৰুৱাৰ সোঁৱৰণত গহপুৰৰ বৰডোপত তোৰণ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গহপুৰ, ২৫ ছেপ্টেম্বৰ** ঃ গহপুৰ মহকুমাৰ ছয়দুৱাৰ শিক্ষাখণ্ডৰ অন্তৰ্গত ককিলা প্ৰাথমিক বিদ্যালয়ৰ তোৰণখনি কালি দিনৰ ১১.৩০ বজাত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। ডুবিয়া গাঁও পঞ্চায়তৰ এলেকাধীন বৰডোপস্থিত প্ৰাথমিক বিদ্যালয়খনি ১৯৪৩ চনতে প্ৰতিষ্ঠা লাভ কৰিছিল। কালি অনুষ্ঠিত এখন সভাত বিদ্যালয়ৰ তোৰণখন উন্মোচন কৰে বিশিষ্ট সাহিত্যিক তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভুবন চন্দ্ৰ বৰাই। বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী পুণ্যপ্ৰসাদ বৰুৱা সোঁৱৰণী তোৰণখনি উন্মোচন কৰি তেওঁ ভাষণ প্ৰসংগত সাহসী, কৰ্মপটু তথা বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ হিচাপে সমাজলৈ অলেখ অৱদান আগবঢ়াই অহা এইগৰাকী ব্যক্তিৰ ব্যক্তিসত্তা এই তোৰণখনিয়ে বহন কৰি আহিব বুলি গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। উল্লেখ্য যে এই বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আছিল পুণ্যপ্ৰসাদ বৰুৱা। ১৯৪০ চনত বৰডোপত জন্মগ্ৰহণ কৰা এইগৰাকী ব্যক্তিয়ে ধলপুৰ চৰকাৰী এম ভি স্কুলৰ পৰা ১৯৯৭ অৱসৰ গ্ৰহণ কৰিছিল। তেওঁৰ স্মৃতিত তেওঁৰ পত্নী বুলু বৰুৱা আৰু পুত্ৰ জয়ন্তবৰুৱাৰ লগতে পৰিয়ালবৰ্গই তোৰণখনি নিৰ্মাণ কৰি উলিয়াইছে। উন্মোচনী সভাত বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰফুল্ল হাজৰিকাৰ লগতে হৰেন বৰা, প্ৰেমেশ্বৰ ভৰালী, দ্ৰোণ হাজৰিকা, মীৰা মুদৈ, ৰীতা ভৰালী, নগেন ভৰালী, পুতুল শইকীয়া, ৰুমী বৰুৱাকে ধৰি অঞ্চলটোৰ ভালেসংখ্যক বিশিষ্ট ব্যক্তি, অভিভাৱক-অভিভাৱিকা, ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সভাত তোৰণ দাতা পৰিয়ালক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰফুল্ল হাজৰিকাই শলাগ জনোৱাৰ লগতে একোখনকৈ ফুলাম গামোচাৰে আদৰণি জনায়।

### মহৰিপাৰাত নিখিল ভাৰত কৃষক সভাৰ পূব বাক্সা জিলা সন্মিলনৰ সামৰণি

## কৃষকৰ উৎপাদিত ফচলৰ ন্যায্য মূল্যৰ দাবীত তথা সাম্প্ৰদায়িকতাৰ বিৰুদ্ধে কৃষক ৰাইজক ঐক্যবদ্ধ হোৱাৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৰেশ্বৰ, ২৫ ছেপ্টেম্বৰ** ঃ নিখিল ভাৰত কৃষক সভাৰ দ্বিতীয় পূব বাক্সা জিলা সন্মিলন আজি দিনজোৰা কাৰ্যসূচীৰে মহৰিপাৰা ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। জিলা সভাপতি ৰতেন গয়াৰীৰ দ্বাৰা সন্মিলনৰ মূল পতাকা উত্তোলন কৰি সন্মিলনৰ শুভাৰম্ভ কৰা হয়। শ্বহীদ বেদীত মাল্যাৰ্পণ কৰে কৃষক নেতা কৰুণা ভূএগ্ৰাই। অভ্যৰ্থনা সমিতিৰ হৈ আদৰণী ভাষণ প্ৰদান কৰে প্ৰবীণ দাসে। ৰমেশ নাথ, ৰতন গয়াৰী, দুৰ্গা পৌড়েল আৰু তৰুণ বড়োৰ দ্বাৰা গঠিত সভাপতি মণ্ডলীৰে অনুষ্ঠিত হোৱা প্ৰতিনিধি সভাত উদ্বোধনী ভাষণ আগবঢ়ায় কৃষক নেতা কৰুণা ভূএগ্ৰাই। ভাষণ প্ৰসংগত তেওঁ বিজেপি চৰকাৰৰ কৃষকবিৰোধী নীতিৰ তীব্ৰ সমালোচনা কৰে। জিলা সম্পাদক গহীন বড়োৰে উত্থাপন কৰা প্ৰতিবেদনৰ ওপৰত উপস্থিত প্ৰতিনিধিসকলে আলোচনা কৰে। প্ৰায় দুই শতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা সন্মিলনত কে'বাটাও প্ৰস্তাৱ গ্ৰহণ কৰা হয়। বিশেষকৈ মূল্য বৃদ্ধি, নিবনুৱা, বান আৰু গৰাখহনীয়া, সাম্প্ৰদায়িকতা, জলসিঞ্চন, কৃষকৰ উৎপাদিত ফচলৰ ন্যায্য মূল্যকে ধৰি সমসাময়িক কে'বাটাও আঞ্চলিক আৰু ৰাজ্যিক সমস্যাৰ ওপৰত প্ৰস্তাৱ গ্ৰহণ কৰা হয়। কৃষক নেতা টিকেন দাসে সন্মিলনৰ সৈতে সংগতি ৰাখি সামৰণী ভাষণ আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ কৃষকৰ বিভিন্ন জ্বলন্ত সমস্যাৰ বিষয়ে দাঙি ধৰি সকলো পঞ্চায়ত তথা ভিচিডিচিত একোটাকৈ ধান ক্ৰয় কেন্দ্ৰৰ স্থাপনৰ কথাও উল্লেখ কৰে। কৃষি খণ্ডক ক্ৰমান্বয়ে বৃহৎ ব্যৱসায়ী গোষ্ঠীটোৰ হাতত তুলি দিব বিচৰা বিজেপি চৰকাৰৰ কৃষকবিৰোধী নীতিৰ তেওঁ তীব্ৰ সমালোচনা কৰে। এই সন্মিলনতেই আগন্তুক ২৯,৩০,৩১ অক্টোবৰত তিনিদিনীয়া কাৰ্যসূচীৰে নলবাৰীত অনুষ্ঠিত হ'বলগীয়া নিখিল ভাৰত কৃষক সভাৰ ৰাজ্যিক সন্মিলনলৈ ২১জন প্ৰতিনিধি নিৰ্বাচন



কৰা হয়। ইয়াৰ পিছতে সন্মিলন উপলক্ষে নৱনিৰ্বাচিত সভাপতি গহীন বড়োৰ সভাপতিত্বত এখন মুকলি সভা অনুষ্ঠিত কৰা হয়। সন্মিলনে আগন্তুক তিনি বছৰৰ বাবে প্ৰবীণ দাসক সম্পাদক আৰু গহীন বড়োক সভাপতি হিচাপে লৈ ২৭জনীয়া এখন শক্তিশালী জিলা কমিটী গঠন কৰে।

## বিটিআৰৰ মথনগুৰি সমষ্টিত বিপিএফৰ প্ৰাইমাৰী কমিটী গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২৫ ছেপ্টেম্বৰ** ঃ নামনি অসমৰ বৰপেটাৰোডৰ সমীপৰ বড়োলেণ্ড টেৰিটৰিয়েল ৰিজন চমুকৈ (বিটিআৰ)ৰ ২০নং মথনগুৰি পৰিষদীয় মুকলি সমষ্টিৰ অধীনস্থ বিপিএফ দলৰ উত্তৰ হাউলী ভিচিডিচিৰ (পঞ্চায়ত) এক নতুন কমিটী আজি বৰটলাত গঠন হয়। মথনগুৰি সমষ্টিৰ বিপিএফৰ ইনচাৰ্জ শ্যামল বিশ্বাস, মথনগুৰি ব্লক বিপিএফৰ প্ৰাক্তন সভাপতি খনীন্দ্ৰ ব্ৰহ্ম, বিপিএফ কৰ্মী তথা বিশিষ্ট সমাজকৰ্মী, ব্যৱসায়ী হৰেন স্বৰ্গীয়াৰী আদিকে কৰি মথনগুৰি সমষ্টিৰ বিপিএফৰ কৰ্মীৰ উপস্থিতিত বিপিএফৰ উত্তৰ হাউলী শক্তিশালী প্ৰাইমেৰী কমিটী ক্ৰমে যুৱ-মহিলা-অভিভাৱক উক্ত তিনিওখন কমিটী গঠন হয়। বিপিএফৰ যুৱ কমিটীৰ সভাপতি দুলাল ঘোষ, সম্পাদক নৰেন্দ্ৰ বৰ্মন, মহিলা কোষৰ সভানেত্ৰী মায়াৰাণী ঘোষ, সম্পাদিকা জামিনী বড়ো, অভিভাৱক কমিটীৰ সভাপতি ছান চৰাঙ ৱাৰী, সম্পাদক দ্বিজেন বৰ্মনক লৈ বিপিএফৰ এক শক্তিশালী কমিটী গঠিত হয়।

MINISTRY OF MICRO, SMALL & MEDIUM ENTERPRISES
GOVT. OF INDIA

### তিনিদিনীয়া উদ্যমিতা বিকাশ কাৰ্যক্ৰম

'কয়ৰ ব'ৰ্ড, উপ-ক্ষেত্ৰীয় কাৰ্যালয়, গুৱাহাটী'য়ে ইং ২৭ ছেপ্টেম্বৰ, ২০২২ৰ পৰা ২৯ ছেপ্টেম্বৰ, ২০২২ তাৰিখলৈ নলবাৰী জিলাৰ বৰআজাৰাত অনুষ্ঠিত হ'বলগীয়া 'তিনিদিনীয়া উদ্যমিতা বিকাশ কাৰ্যক্ৰম'ৰ অৰ্থে আগ্ৰহী প্ৰাৰ্থীৰ পৰা বায়'ডাটা আহ্বান কৰিছে। উক্ত কাৰ্যক্ৰমৰ অধীনত 'মানস কয়ৰ ক্লাষ্টাৰ, এলেঙীদল, নলবাৰী, অসমলৈ এটা ভ্ৰমণো ৰূপায়ণ হ'ব। প্ৰথম ৫০ (পঞ্চাশ) জন প্ৰাৰ্থীক উক্ত কাৰ্যক্ৰমৰ অৰ্থে মনোনীত কৰা হ'ব।

**ভাৰপ্ৰাপ্ত বিষয়া**
উপ-ক্ষেত্ৰীয় কাৰ্যালয়
গুৱাহাটী, অসম
ই-মেইল ঃ cbsroghty@gmail.com
ফোন ঃ ০৩৬১-২৫৫৬৮২৮

## কবি প্ৰদীপ কুমাৰ বৰ্মনলৈ উত্তৰ-পূৰ্বাঞ্চল কাব্য প্ৰেৰণা বঁটা প্ৰদান

গুৱাহাটী,২৫ ছেপ্টেম্বৰঃ অসমৰ অন্যতম সামাজিক অনুষ্ঠান উত্তৰ-পূৰ্বাঞ্চল প্ৰেৰণা সমন্বয় উন্নয়ন চেৰিটেবল ট্ৰাষ্টে বিশিষ্ট কবি, সাংবাদিক প্ৰদীপ কুমাৰ বৰ্মনক



উত্তৰ-পূৰ্বাঞ্চল প্ৰেৰণা বঁটা প্ৰদান কৰে বিশিষ্ট শিল্পী, সাহিত্যিক ডাঃ অঞ্জন চৌধুৰীয়ে। ট্ৰাষ্টে ২৫ ছেপ্টেম্বৰত দিছপুৰ প্ৰেছ ক্লাবত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত নলবাৰীৰ বালিকৰিয়াৰ কবিগৰাকীলৈ এই সন্মানজনক বঁটা আগবঢ়ায়। অসম চৰকাৰৰ অসম ভাষা গৌৰৱ আঁচনিৰ লেখক সম্বৰ্ধনাপ্ৰাপ্ত আৰু পদাতিকৰ অসম সাহিত্য বঁটাপ্ৰাপ্ত বৰ্মন দৈনিক অগ্ৰদূত কাকতৰ জ্যেষ্ঠ সাংবাদিক। কামৰূপ মহানগৰ জিলা সাহিত্য সভাৰ পত্ৰিকা সম্পাদক বৰ্মনৰ ইতিমধ্যে প্ৰকাশ পাইছে 'তোমাৰ নিশ্চিত উপস্থিতিত', 'উৰুখা পঁজাৰ জোনাক', 'অসমীয়া লিমাৰিক', 'কাঁচিয়লি ৰ'দৰ জিলিকনি','হিয়াৰ সুবাসিত খৰিকাজাঁই' আৰু 'মৰমে মৰম বিচাৰে' শীৰ্ষক ছয়খন কবিতা পুথি। কবি বৰ্মনৰ সপ্তমখন কাব্য গ্ৰন্থ 'গৰখীয়া বাঁহীৰ সুৰ' শীঘ্ৰেই প্ৰকাশ পাব। এই কৃতিত্বৰ বাবে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু কাব্যানুৰাগীয়ে অভিনন্দন জনাইছে।

## নগাঁৱত নতুন কবিতা উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৫ ছেপ্টেম্বৰ** ঃ সদৌ অসম কবি সন্মিলনৰ কেন্দ্ৰীয় মুখপত্ৰ নতুন কবিতাৰ চতুৰ্ত্ৰিংশতম সংখ্যাটি আজি নগাঁও চহৰৰ খুটিকটীয়াস্থিত ক্ৰান্তিকাল প্ৰকাশনৰ সভাগৃহত উন্মোচন কৰা হয়। নগাঁও জিলা কবি সন্মিলনৰ সভাপতি দ্বিজেন্দ্ৰনাথ হাজৰিকাৰ পৌৰোহিত্যত অনুষ্ঠিত প্ৰথম পৰ্বত সদৌ অসম কবি সন্মিলনৰ ডিজিটেল মাধ্যমৰ সম্পাদক সদ্যপ্ৰয়াত মদিৰা শইকীয়া ভূএগ্ৰাৰ স্মৃতিত এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। কাৰ্যনিৰ্বাহক সভাৰ পাছতেই দ্বিতীয় পৰ্বত নতুন কবিতাৰ উন্মোচন ব্যতিক্ৰমী পৰিৱেশৰ মাজত কৰা হয়। নতুন কবিতাৰ সম্পাদক মদাৰজ্যোতিয়ে আঁত ধৰা অনুষ্ঠানটিত নূপুৰ মোমাইদেউ খ্যাত বিশিষ্ট শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, দুৰ্গেশ্বৰ বৰকটকী, অশোকৰাম ভট্টাচাৰ্য, শশী কেওট, অতুল চন্দ্ৰ কাকতি, নিৰ্মলা শইকীয়া, নগাঁও জিলা কবি সন্মিলনৰ সম্পাদক ৰাজু সমীৰণ, প্ৰচাৰ সম্পাদক লক্ষ্যজ্যোতি বৰা , কৰবী শইকীয়া, তুলিকা দেৱী, কবিতা বৰা, হাচিনা মমতাজ, ৰূপম নাথ, গোলাপ ৰাজখোৱা, আৰতি মেধি, ৰমাকান্ত শৰ্মা, খৰ্গেশ্বৰ বৰা, মুকুল চন্দ্ৰ বৰা, স্মিতা দেৱী,দিগন্ত ভাগৱতী, চোহন বৰঠাকুৰ প্ৰমুখ্যে সভাত উপস্থিত প্ৰতিগৰাকী ব্যক্তিয়েই হাতত নতুন কবিতা লৈ উন্মোচন কৰে।

## নেমকেয়াৰ শৈক্ষিক প্ৰতিষ্ঠানত ফাৰ্মাচিষ্ট দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ ছেপ্টেম্বৰ** ঃ নেমকেয়াৰ শৈক্ষিক প্ৰতিষ্ঠানে প্ৰতিবছৰৰ দৰে এইবছৰো দুদিনীয়া কাৰ্যসূচীৰে বিশ্ব ফাৰ্মাচিষ্ট দিৱস উদ্‌যাপন কৰে। এই দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হয়, য'ত এটা বৈজ্ঞানিক সমাৰেশৰ দ্বাৰা হাস্পতালৰ জ্যেষ্ঠ ফাৰ্মাচিষ্ট হেমন্ত বৰুৱা, আপছাৰ উপদেষ্টা আৰু সাধাৰণ সম্পাদক ক্ৰমে ৰফিকুজ জামান আৰু সুধীৰ সাহ। তেখেতসকলে নিজৰ বক্তব্যৰ দ্বাৰা প্ৰতিষ্ঠানটিৰ গৰিমা বৰ্ধন কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰতিষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে এখন বাটৰ নাট প্ৰদৰ্শন কৰে। ইয়াৰোপৰি কলেজ চৌহদত প্ৰতিষ্ঠানৰ এনএছএছ গোটৰ সহযোগত এটা বিনামূলীয়া স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়। ইয়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা যেনে— আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা, চিত্ৰকলা




প্ৰতিযোগিতা, পোষ্টাৰ প্ৰদৰ্শনী আদি। প্ৰতিযোগিতাসমূহৰ শেষত এখন মুকলি সভা অনুষ্ঠিত কৰা হয়, য'ত প্ৰতিষ্ঠানখনৰ একাডেমীক ডীন ড° ভাৰ্গৱজ্যোতি চহৰীয়াই ফাৰ্মাচিষ্ট দিৱসৰ মূল বিষয়বস্তু 'সুস্থ পৃথিৱীৰ বাবে ফাৰ্মাচিষ্টৰ একত্ৰিত কাৰ্য'ৰ ওপৰত বক্তব্য আগবঢ়াই ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰে। প্ৰতিষ্ঠানৰ সহযোগী অধ্যাপক পূৰ্বজিৎ চেতিয়াইও সুন্দৰ বক্তব্যৰে সকলোকে আপ্লুত কৰে। ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণৰ সংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰে। অৱশেষত প্ৰতিষ্ঠানৰ একাডেমীৰ উপ-পঞ্জীয়কে সামৰণি মাৰে।




## ভাৰতীয় দূতাৱাসৰ সহযোগত লেবাননৰ বেইৰুটত অনুষ্ঠিত ১৩০গৰাকী শিল্পীৰ চিত্ৰ প্ৰদৰ্শনীতঅসমৰ চিত্ৰ শিল্পীৰ শিল্প কৰ্ম

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৫ ছেপ্টেম্বৰ** ঃ যোৱা ১৬ৰ পৰা ১৮ ছেপ্টেম্বৰলৈ লেবাননৰ বেইৰুট ইউনেছকো পেলেচত অনুষ্ঠিত হৈ যায় এখন আন্তঃৰাষ্ট্ৰীয় চিত্ৰ প্ৰদৰ্শনী। পিচ্-৩ শীৰ্ষক এই প্ৰদৰ্শনীখন ১৬ ছেপ্টেম্বৰত যুটীয়াভাৱে উদ্বোধন কৰে লেবাননৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মিঃ মহম্মদ উইছাম মূৰটাদা আৰু ভাৰতৰ ৰাষ্ট্ৰদূত ড° চোহেইল আয়াজ খানে। লেবাননৰ ইউনেছকো পেলেচ আৰু ভাৰতৰ এছ এম ডি(SMD) ফাউণ্ডেচনৰ বেনাৰত অনুষ্ঠিত



এই আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনীখনত ভাৰতকে ধৰি জৰ্ডান , আমেৰিকা যুক্তৰাষ্ট্ৰ, আলবেনিয়া, জাৰ্মান , টাইৱান, আৰু ভিয়েটনাম আদি কেইবাখনো দেশৰ চিত্ৰশিল্পী তথা ভাস্কৰে অংশগ্ৰহণ কৰে। উক্ত প্ৰদৰ্শনীখনৰ অন্যতম আকৰ্ষণ আছিল তাত উপস্থিত থকা লেবানন চৰকাৰৰ সাংস্কৃতিক বিভাগৰ মুখ্য প্ৰৱন্ধক তথা কলাসমালোচক গৰাকী। ভাৰতৰ ৰাষ্ট্ৰীয় সংগীতেৰে আৰম্ভ হোৱা উদ্বোধনী সভাত সাংস্কৃতিক মন্ত্ৰী মহম্মদ উইছাম মুৰটাদা, ৰাষ্ট্ৰদূত ড° ছাহিল আয়াজ খান আৰু এছ এম ডি (SMD) ফাউণ্ডেচনৰ সভাপতি মিণ্টু ডেকাই নিজৰ অনুভৱ ব্যক্ত কৰাৰ লগতে সকলো শিল্পীকে অভিবাদন জনাই তেওঁলোকৰ সৃষ্টিশীল কৰ্মৰ বাবে ভূয়সী প্ৰশংসা কৰে। এই আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনীখনত অসমৰ হৈ মিণ্টু ডেকা উপস্থিত থকাৰ লগতে আন এজন শিল্পী জোনমণি বৰায়ো নিজৰ প্ৰিণ্ট ছবিৰে অংশগ্ৰহণ কৰে। এই চিত্ৰ প্ৰদৰ্শনীখনত লেবাননৰ এশগৰাকী শিল্পীৰ লগতে বিদেশৰ ত্ৰিশগৰাকী চিত্ৰ শিল্পীৰ মুঠ ১৩০খন শিল্প কৰ্ম প্ৰদৰ্শিত হয়। জীৱন আৰু জগতৰ বিভিন্ন ভাবানুভূতিক মটিফ হিচাপে লৈ অংকন কৰা ছবিসমূহে দৰ্শক সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি